# মঙলদৈ মহাবিদ্যালয়

# আলোচনী

## সোণালী জয়ন্তী বৰ্ষ



সম্পাদক ঃ

প্ৰবীণ বৰুৱা

# মঙ্গলদৈ মহাবিদ্যালয় আলোচনী

সোণালী জয়ন্তী বৰ্ষ

৩৯তম সংখ্যা

সোণালী জয়ন্তী বৰ্ষ

ইং ২০০০-২০০১ চন

তত্ত্বাৱধায়ক অধ্যাপক

বিচিত্ৰ কুমাৰ মেধি

সম্পাদক

প্ৰবীণ বৰুৱা

মঙলদৈ মহাবিদ্যালয় আলোচনী ঃ মঙলদৈ মহাবিদ্যালয় বাৰ্ষিক প্ৰকাশ

মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ (২০০০-২০০১)

আলোচনী বিভাগৰ দ্বাৰা প্ৰকাশিত

## সম্পাদনা সমিতি

উপদেষ্টা ঃ ড° হীৰেন্দ্ৰ কুমাৰ গোস্বামী, ভাৰপ্ৰাপ্ত অধ্যক্ষ
তত্ত্বাৱধায়ক ঃ বিচিত্ৰ কুমাৰ মেধি
সম্পাদক ঃ প্ৰবীণ বৰুৱা
সদস্য ঃ মতিৰাম মেধি (অধ্যাপক)
ড° আমানুল হক (অধ্যাপক)
ড° বিজয় কুমাৰ শৰ্মা (অধ্যাপক)
বনানী চক্ৰবৰ্ত্তী (অধ্যাপিকা)
দ্বীপ কিশোৰ শইকীয়া
পলাশ নাথ
গীতিকা কাকতি
মিৰ্জাফৰ হুছেইন
নৱ ডেকা
ঘনকান্ত বৰুৱা (তদাৰকী সহায়ক)
সাধিৰাম বৰা (ছিচাপ ৰক্ষক)

অংগ সজ্জা, পৰিকল্পনা
আৰু অলংকৰণ ঃ সম্পাদক

বেটুপাতৰ শিল্পী ঃ গৌতম ঠাকুৰীয়া

বেটুপাতৰ শেষ পৃষ্ঠা ঃ সোণালী জয়ন্তী শুভাৰম্ভৰ বিভিন্ন মুহূৰ্ত
ৰেখাঙ্কণ ঃ গৌতম ঠাকুৰীয়া
গৌতম বৰুৱা

মুদ্ৰণ ঃ সাগৰ প্ৰিন্টাৰ্চ,
মঙলদৈ
ফোন ঃ ২২৭১২


ড° হীৰেন্দ্ৰ কুমাৰ গোস্বামী
উপদেষ্টা


বিচিত্ৰ কুমাৰ মেধি
তত্ত্বাৱধায়ক


প্ৰবীণ বৰুৱা
সম্পাদক


মতিৰাম মেধি
সদস্য


ড° আমানুল হক
সদস্য


ড° বিজয় কুমাৰ শৰ্মা
সদস্য


বনানী চক্ৰবৰ্ত্তী
সদস্যা


দ্বীপকিশোৰ শইকীয়া
সদস্য


পলাশ চন্দ্ৰ নাথ
সদস্য


গীতিকা কাকতি
সদস্যা


মিৰ্জাফৰ হুছেইন
সদস্য


নৱ কুমাৰ ডেকা
সদস্য


ঘনকান্ত বৰুৱা
সদস্য


সাধিৰাম বৰা
সদস্য

## শ্ৰদ্ধাঞ্জলি আৰু সোঁৱৰণী
অমৰ. শ্বহীদ সকললৈ



শ্বহীদ বেদী, মঙলদৈ মহাবিদ্যালয়

# উচৰ্গা




যি সকল মহৎ ব্যক্তিৰ শুভ ইচ্ছা, কঠোৰ শ্ৰম আৰু
অপৰিসীম ত্যাগৰ ফলত এই জ্ঞানমন্দিৰ প্ৰতিষ্ঠা
হ'ল সেই সকল ব্যক্তিলৈ শ্ৰদ্ধাৰে এই
সংখ্যা আলোচনী উচৰ্গা কৰা হ'ল।

শ্ৰদ্ধাৰে

সম্পাদনা সমিতি

# অশ্রু অঞ্জলি

  

| | | |
|---|---|---|
| জ্যোতিষ কুমাৰ নাথ | হৰেন্দ্ৰ নাথ শৰ্মা | জয়মণি ডেকা |
| জন্ম ঃ ১৯ অক্টোবৰ'৭৯ | মহাবিদ্যালয়ৰ | মৃত্যু ঃ ২৪ মে'২০০১ |
| মৃত্যু ঃ ১৭চেপ্তেম্বৰ'২০০১ | প্ৰথম সাধাৰণ সম্পাদক | স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰী |

*আমাৰ মাজৰ পৰা আঁতৰি যোৱা*
*জ্যোতিষ কুমাৰ নাথ, হৰেন্দ্ৰ নাথ শৰ্মা, জয়মণি ডেকা,*
*শিৱৰাম নাথ আৰু ৰিজু শৰ্মাৰ বিয়োগত*
*আমাৰ শোক সন্তপ্ত অন্তৰেৰে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ*
*তেখেতসকলৰ আত্মাই অক্ষয় শান্তিলাভ কৰক।*

অসমৰ সাহিত্য সংস্কৃতি আৰু সমাজ জীৱনৰ
পৰা হেৰাই যোৱা পুণ্যাত্মা সকলৰ স্মৃতিত
অশ্ৰু অঞ্জলি নিবেদন কৰিছোঁ।

# মঙলদৈ মহাবিদ্যালয় সংগীত

*ৰচনা*

**প্ৰভাত নাৰায়ণ চৌধুৰী**

*সুৰ আৰু স্বৰলিপি*

কুমাৰ আনন্দ নাৰায়ণ দেৱ

তাল দাদৰা (ভাতখাণ্ডে পদ্ধতিত স্বৰলিপি কৰা হৈছে)

*মহাজীৱনৰ মহাসাধনাৰ*
*আশাৰ গজালি তুমি*
*জ্ঞান গৰিমাৰ ধ্যান-ধাৰণাৰ*
*মহান পুণ্যভূমি।।১।।*
*অজ্ঞানতাৰ তমসা ৰাতিত*
*জনতা আছিল ডুবি,*
*জ্ঞানৰ প্ৰদীপ শিখাৰে বিলালা .*
*সুধা সঞ্জীৱনী।*
*বিকশিত আজি শত শতদল*
*তোমাৰ চৰণ চুমি।।২।।*
*বিয়পি পৰিছে চৌদিশে আজি*
*তোমাৰে জ্যোতিৰ বাণ,*
*শত প্ৰদীপৰ জ্ঞানৰ জ্যোতিৰে*
*তুমি যে দীপ্তিমান।*
*তোমাৰ আভাও হওক প্ৰতিভাত*
*নৱ প্ৰতিভাৰ খনি।।৩।।*

# মহাবিদ্যালয়ৰ প্ৰতীকৰ তাৎপৰ্য্য

*"নিহিত সম্ভাৱনাৰ বিকাশেই জীৱন" এই বিকাশৰ মূল কথা ঘাত-প্ৰতিঘাতৰ মাজত খেলুৱৈৰ মনোভাৱেৰে আৰু নিৰ্লিপ্ত চিত্তেৰে স্থূলৰ পৰা সূক্ষ্মলৈ, ক্ষুদ্ৰৰ পৰা বৃহত্তলৈ, স্বাৰ্থপৰতাৰ পৰা নিঃস্বাৰ্থ ভাৱলৈ, ব্যক্তিকেন্দ্ৰিকতাৰ পৰা সামাজিকতালৈ, মুঠতে অন্ধকাৰৰ পৰা পোহৰলৈ গতি। এনে বিকাশৰ অৰ্থে প্ৰথমতে প্ৰয়োজন বিশেষ চাৰিত্ৰিক গুণৰ, বিশেষ দক্ষতাৰ, গভীৰ অভিজ্ঞতাৰ, অফুৰন্ত উদ্যম আৰু কৰ্মৰ। দ্বিতীয়তে প্ৰয়োজন সেইবোৰ সমাজমুখী, বিস্তাৰমুখী, ত্যাগমুখী আৰু মঙ্গলকামী গতি। শিক্ষাৰ এই মূল অৰ্থৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয়ৰ প্ৰতীকত সেয়ে মূল কথা হিচাপে দিয়া হৈছে ভাৰতীয় সভ্যতাৰ মূল ভেটি উপনিষদৰ মহৎ বাণী — তমসো মা জ্যোতিৰ্গময়।*

*পৰিসীমাৰে ঢালৰূপে সূচাইছে খেলুৱৈৰ মনোভাৱ আৰু নিৰ্লিপ্ত চিত্ত। মাজৰ যোগ চিহ্নই সূচনা কৰিছে অভিজ্ঞতা, দক্ষতা, চাৰিত্ৰিক গুণ আৰু উদ্যমৰ লগত প্ৰাণৰ সংযোগ। ৰেখাবোৰৰ ৰঙা ৰঙে সূচাইছে শক্তি আৰু প্ৰাণ, পশ্চাদভূমিৰ নীলা ৰঙে সংযম আৰু অভিজ্ঞতাৰ জ্ঞান, কেন্দ্ৰৰ বগা ৰঙে শুদ্ধতা আৰু পবিত্ৰতা। জ্ঞানেই আনন্দ, জীৱনৰ সাৰ্থকতা আৰু সমৃদ্ধি। সোণালী শস্যৰ ঠোক এটাৰ মাজত স্পষ্ট হৈ পৰিছে জীৱনৰ এই আনন্দ ভিত্তিক সমৃদ্ধি আৰু প্ৰাপ্তি। এই প্ৰাপ্তি কিন্তু স্বাৰ্থপৰ নহয় ; ই সীমিত নহয় ; ই স্থিতিশীল নহয়। ই গতিশীল, সমাজমুখী, মঙ্গলকামী আৰু অসীম। পূৰণ চিহ্নৰ মাজত আছে বিস্তাৰৰ প্ৰেৰণা আৰু চতুৰ্দিশে বিস্ফুৰিত জ্যোতিকণাৰ মাজত আছে প্ৰাণময় জীৱনৰ মঙ্গলময় বিকাশ আৰু তাৰ গতি।"*

# বিদায় সম্বৰ্ধনা



*ড° গিৰীশ চন্দ্ৰ গোস্বামী*
অধ্যক্ষ
মঙলদৈ মহাবিদ্যালয়
নিযুক্তিৰ দিনাংক ঃ ২৪-০২-৬৫
অৱসৰ গ্ৰহণ ঃ ৩০-০৪-২০০১



*অধ্যাপক ইদ্ৰিছ আলি*
মুৰব্বী অধ্যাপক
অসমীয়া বিভাগ
নিযুক্তিৰ দিনাংক ঃ ২৫-০৮-৮৭
অৱসৰ গ্ৰহণ ঃ ৩০-০৪-২০০১



*অধ্যাপক ভাৰত চন্দ্ৰ শৰ্মা*
মুৰব্বী অধ্যাপক
ইংৰাজী বিভাগ
নিযুক্তিৰ দিনাংক ঃ ০৬-১০-৭০
অৱসৰ গ্ৰহণ ঃ ৩১-১২-২০০১

নিষ্ঠা আৰু দক্ষতাৰে সুদীৰ্ঘকাল মঙলদৈ মহাবিদ্যালয়ত শিক্ষাদান কৰি অৱসৰ গ্ৰহণ কৰা শ্ৰদ্ধেয় শিক্ষাগুৰু

- **ড° গিৰীশ চন্দ্ৰ গোস্বামী,** ( মুৰব্বী, ভূগোল বিভাগ ; পৰৱৰ্তী কালত মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ )
- **অধ্যাপক ইদ্ৰিছ আলি,** (মুৰব্বী, অসমীয়া বিভাগ)
- **অধ্যাপক ভাৰত চন্দ্ৰ শৰ্মা,** (মুৰব্বী, ইংৰাজী বিভাগ) দেৱলৈ আমি আন্তৰিক বিদায় সম্বৰ্ধনা যাঁচিলো।

— সম্পাদক

PROF. INDIRA GOSWAMI M.A. Ph.D.
**(MAMONI RAISOM GOSWAMI)**
*Professor in the Department of Modern Indian Languages and Literary Studies*
UNIVERSITY OF DELHI, DELHI-110007.

OFF. : 7257725/244, 7256626
RES. : 7257043
D-19/29-31, CHHATRA MARG,
DELHI UNIVERSITY CAMPUS,
DELHI-110007.

Date 27. 10. 2001



# শুভেচ্ছা বাণী

মঙলদৈ মহাবিদ্যালয়ৰ আলোচনীৰ বাবে মই শুভেচ্ছা জনালো। মোৰ বিশ্বাস এই আলোচনীয়ে দৰং জিলাৰ অতি উচ্চ সংস্কৃতি আৰু সাহিত্যৰ ধ্বজা বহন কৰিব পাৰিব। উঠি অহা ছাত্ৰ-ছাত্ৰীৰ বাবে এই আলোচনী নিশ্চয় প্ৰেৰণা হৈ পৰিব।

ইন্দিৰা মামণি ৰয়ছম গোস্বামী।
দিল্লী বিশ্ববিদ্যালয়
দিল্লী ২০০১



মঙলদৈ মহাবিদ্যালয়ৰ সৰ্বোচ্চ আসনত
ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° হীৰেন্দ্ৰ কুমাৰ গোস্বামী

CONTENTS

# সূচীপত্ৰ


- সম্পাদকীয়— //১২//
- সোণালী জয়ন্তী বৰ্ষত মঙ্গলদৈ মহাবিদ্যালয় ✍ *বিচিত্ৰ কুমাৰ মেধি* //১৪//

## প্ৰবন্ধৰ সঁফুৰা

- মালিক প্ৰসঙ্গত যৎকিঞ্চিত ✍ *ইদ্ৰিছ্ আলি* //১৭//
- ৰাজগুৰুৰ ডায়েৰীৰ পৰা (সংগ্ৰহ) ✍ *ড° বিজয় কুমাৰ শৰ্মা* //১৯//
- সিদ্ধান্ত আৰু জনসাধাৰণৰ ভূমিকা ✍ *প্ৰফুল্ল দেৱশৰ্মা* //২৩//
- কেৰিয়াৰৰ সন্ধান ✍ *হেমন্ত ভাগৱতী* //২৫//
- সাম্প্ৰদায়িক সময়ত বিষ্ণুৰাভাৰ চিন্তাৰ প্ৰাসংগিকতা ✍ *চাৰু কলিতা* //২৮//
- একবিংশ শতিকাত 'প্ৰেম' ✍ *সত্যেন্দ্ৰ কলিতা* //২৯//
- দেশমাতৃ মাদাৰ টেৰেছা ✍ *সংগীতা কলিতা* //৩১//
- প্ৰকৃত সৎ ব্যক্তিগৰাকী লালবাহাদুৰ শাস্ত্ৰী ✍ *নিতুমনি শৰ্মা* //৩২//
- এজন গুণমুগ্ধ ছাত্ৰৰ দৃষ্টিৰে ড° গিৰীশ চন্দ্ৰ গোস্বামী চাৰ ✍ *দীপকিশোৰ শইকীয়া* //৩৪//
- চিকাৰী লক্ষ্মীনাথ ✍ *নৰ কুমাৰ ডেকা* //৩৬//
- অসমীয়া লোকসাহিত্য ✍ *প্ৰবীণ বৰুৱা* //৩৭//
- মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ প্ৰয়োজনীয়তা ✍ *গীতিকা কাকতি* //৩৯//

## নাটক

- এজাক ধুমুহাৰ পিছত ✍ *চিনুপ্ৰিয়া ডেকা* //৪০//

## ৰম্যৰচনা

- Admission Notice ✍ *শ্বাহ মহম্মদ নেচাৰ-উল-ইচলাম* //৪৩//

## কবিতাৰ কৰণি

- তপত তেজৰ কবিতা ✍ *কুশল কলিতা* //৪৬//
- এটা সুগন্ধিৰ বটল ✍ *গৌতম বৰুৱা* ○ দুখৰ দিনৰ কবিতা ✍ *ঋতুৰাজ* //৪৭//
- আশা ✍ *উপমা শৰ্মা* ○ মই তোমাৰ অভিমানী প্ৰিয়া ✍ *কমৰুণ জামাতে* //৪৮//
- জীৱাশ্ম ✍ *গৌতম ঠাকুৰীয়া* ○ শৈশৱৰ অনুভূতি ✍ *প্ৰদীপা শৰ্মা* //৪৯//
- ব্যথাৰ চকুলো ✍ *অঞ্জলি ডেকা* ○ সময় ✍ *মানস জ্যোতি ডেকা* //৫০//
- সূচনা পৰ্ব ✍ *হেমন্ত কুমাৰ বৰুৱা* ○ মোক নবীন নগৰত সমাধিস্থ কৰিবা ✍ *বন্দনা ডেকা* //৫১//
- তুমি নদী হৈ ✍ *মিন্টু দিব্যমোহন* ○ বেদনা ✍ *ভাগ্য কুমাৰ ডেকা* //৫২//
- মধুৰতম স্মৃতি ✍ *পঙ্কজ শৰ্মা* ○ স্মৃতিৰ চাকনৈয়াত তুমি ✍ *মিৰ্জাফৰ হুছেইন* //৫৩//
- বিদায়ৰ শেষ মুহূৰ্ত্তত ✍ *ৰোনাল্ড হাজৰিকা* ○ বাস্তৱৰ এনিশা ✍ *ৰশ্মিৰেখা বৰা* //৫৪//
- দস্তাবেজ ✍ *জয়ন্ত কুমাৰ নাথ* ○ তুমি সপোন হৈয়ে আহিবা ✍ *অংকুৰজ্যোতি* //৫৫//

○ অপেক্ষাৰত ✍ ছবিন ডেকা //৫৫//
○ ধৰ্মৰ বেদীত মোৰ প্ৰেম ✍ নিবেদিতা শৰ্মা ○ আহিবা কেতিয়াবা ✍ নীলাক্ষি শৰ্মা //৫৬//
○ প্ৰতিটো দিন প্ৰতিটো ৰাতি ✍ বন্দনা নাথ ○ অনিন্দিতা ✍ লব কুমাৰ বৰুৱা //৫৭//
○ প্ৰেয়সী মোৰ গাৰ্লচ হোষ্টেলত থাকে ✍ কমল জ্যোতি শৰ্মা ○ সময় ✍ ভাগ্য শইকীয়া //৫৮//
○ স্মৃতি ✍ লখিমী নয়না শৰ্মা ○ অপেক্ষা ✍ লক্ষ্যজ্যোতি বৰুৱা //৫৯//
○ অ' তুমি নামৰ এটা শিল্পালয় ✍ পংখী কাজল কায়স্থ //৬০//
○ হৃদয়ৰ কবিতা ✍ পৰেশ ডেকা ○ জোনাকে মাথো চায় ✍ জেচমিন বেগম //৬১//
○ এটি কামিজৰ কবিতা ✍ স্বপজ্যোতি নাথ //৬১//


## গল্পাঞ্জলি


○ উদিত সূৰ্য্য ✍ কৰবী শৰ্মা //৬৩//
○ সেই অভিশপ্ত দিনটো ✍ দীপক কলিতা //৬৪//
○ কেন্দ্ৰবিন্দু ✍ পলাশ চন্দ্ৰ নাথ //৬৬//
○ দুখন নদী এটা মৰাসুঁতি ✍ নিৰঞ্জন বড়া //৬৭//
○ হিষ্টৰী অৰ মঙলদৈ কলেজ ✍ ৰমেন ডেকা //৭২//
○ জীৱন ✍ কস্তুৰী দেৱী //৭৩//
○ সি এইবাৰ বিয়া কৰাব ✍ ৰুমী দেৱী //৭৪//
○ সভাভঙ্গৰ অন্তত ✍ পৰেশ কুমাৰ বড়া //৭৬//
○ স্বপ্ন ✍ চিত্ৰাৰাণী বৰুৱা //৭৭//
○ সৰা পাতৰ গোন্ধ ✍ শৰৎ চন্দ্ৰ নাথ //৭৮//
○ অপ্ৰাপ্তি ✍ বিনীতা কলিতা //৮০//
○ এক অদ্ভূত সম্ভাৱনা ✍ দীপেন নাথ //৮২//
❋ মতামত //৮৩//
❋ জিলা এলবাম //৮৭//
❋ মহাবিদ্যালয়ৰ সপ্তাহৰ ৰেঙণি //৯০//
❋ মহাবিদ্যালয়ৰ সপ্তাহৰ গৌৰৱ //৯২//
❋ আমাৰ গৌৰৱ //৯৪//


## ENGLISH SECTION :


○ Juvenile Delinquency : Causes and Remedies ✍ Dr. Hiendra Kumar Goswami //98//
○ Sericulture Industry and Unemployment problem ✍ Guna Mani Deka //100//
○ Form Ape to Man : A Journey of Evolution ✍ Pabitra Kumar Nath //103//
○ The Gifts of the British to India ✍ Ridip Kumar Sarma //105//
○ An August Day ✍ *Abhigyan Prasad* ○ Jaust For You ✍ *Pankaj Jyoti Deka* //107//
○ What Can I Do ✍ *Nipa Mani Kalita* ○ My Intimate Friend ✍ *Sashanka Hazarika* //108//
○ Oh My Sweetheart ✍ *Krishna Sarma* //108//
○ Dreams Sweet As You ✍ *Diganta Sarmah* ○ Nature and Human Being ✍ *Runa Basistha* //109//
☞ প্ৰতিবেদন //১১০//

## সম্পাদকৰ মেজৰ পৰা



**সাহিত্য** বুলিলে আমি সেইবোৰ ৰচনাকে বুজো য'ত বিষয়বস্তু আৰু পৰিবেশ ৰীতিৰ লগত মানৱীয় প্ৰমূল্যৰ কিবা এটা সম্পৰ্ক আছে। সাহিত্য ৰচনাকাৰৰ সূক্ষ্ম মনৰ দৃষ্টিপটত উজ্বলি উঠা সত্য আৰু সুন্দৰৰ উপলব্ধি। সৌন্দৰ্য নিজে কোনো বস্তু নহয়, বস্তুৰ বিশেষ এটা আকৃতি গঠন বা গঢ়ত সৌন্দৰ্য ফুটি উঠে। ৰচনাকাৰে এই সৌন্দৰ্যক আলম কৰি সৃষ্টি কৰিব বিচাৰে তেওঁৰ ৰচনা ৰাজি। সৌন্দৰ্য বোধৰ অধিকাৰী জনে যিকোনো বস্তুৰ পৰাই সৌন্দৰ্য আহৰণ কৰিব পাৰে ঃ সুন্দৰ বস্তুত সৌন্দৰ্য বোধৰ অধিকাৰী মন এটা মিলিলেহে সুন্দৰৰ অনুভূতি হয়।

সৌন্দৰ্য প্ৰকাশৰ বাবে সুপ্ত অথবা লুপ্ত সৌন্দৰ্য নিৰৰ্থক। সৌন্দৰ্য যিমানে প্ৰকাশ কৰিব, বিস্তাৰিত হ'ব তাৰ সুষমা আৰু এই সুষমাৰ অৱলম্বনৰ হেতু সৃষ্টি হ'ব নতুন সাহিত্য, কলা, সংস্কৃতি।

প্ৰত্যেক সাহিত্যিকৰ জীৱন অভিজ্ঞতা একান্তভাৱেই ব্যক্তিগত। প্ৰত্যেক সাহিত্যিকে চেষ্টা কৰে সেই বোৰ অভিজ্ঞতা লিখনিৰ জৰিয়তে ব্যক্ত কৰিবলৈ। ৰসগ্ৰাহী পাঠকে অনুভৱ কৰে, তেনেকুৱা অভিজ্ঞতা দেখোন তেওঁৰো নিজৰ। বহু কাল ধৰি মানুহৰ চেতনাৰ সুক্ষ্মাতিসূক্ষ্ম কথাখিনি বাৰম্বাৰ নতুন নতুন ৰূপেৰে যোগান ধৰাই সাহিত্য। তাৰ মানে এইটো নহয় যে প্ৰয়োজনৰ ভাষা আৰু সাহিত্যৰ ভাষা সুকীয়া। বৰং শ্ৰেষ্ঠ সাহিত্যৰ ভাষা কথিত ভাষাৰ আটাইতকৈ ওচৰ চপা বিধৰ। সি কৃত্ৰিম ভাষা নহয়, প্ৰাণৰ ৰঙেৰে ৰঞ্জিত আৰু হৃদয় তলিৰ ৰসেৰে মণ্ডিত ভাষাহে। প্ৰতিভা আৰু কলা-কৃষ্টিৰ সংযোগত ভাষাই সৃষ্টি কৰে শ্ৰেষ্ঠতম সাহিত্য কাৰ্য।

সাহিত্যৰ মূলতঃ উপাদান চাৰিটা ঃ <u>বৌদ্ধিক</u>— সহজাত সংবেদনক জীৱন আৰু জগতৰ ব্যক্তিগত অভিজ্ঞতাৰ বাখ্যা কৰি সাহিত্যিকে তাক সমগ্ৰ বিশ্ব মানৱক চেতনাৰ অংশীদাৰ কৰিব বিচাৰে। <u>আনুভূতিক</u>—ই সাহিত্যিকৰ সেইবোৰ নিৰল আৰু বিৰল ধৰণৰ জাগতিক আৰু আৰ্থিক অনুভূতি যিবোৰে আনুভূতিক তেওঁ সকলোবোৰ সহৃদয় সংবেদী মনতেই সঞ্চাৰিত কৰি দিব বিচাৰে। <u>কল্পনালৌকিক</u>—সাহিত্যিকে চেতনাৰ উৰ্ধলোকত বিচৰণ কৰে। <u>শিল্পবুদ্ধি</u>—ইয়াৰ সহায়েৰে প্ৰত্যেক সাহিত্যিকে কল্পনা মণ্ডিত অৱয়ব প্ৰদান কৰে। এই চাৰিটা উপাদানৰ সমাবেশতেই সৃষ্টি হয় সাহিত্যৰ।

সাহিত্যত সমালোচনাৰ গুৰুত্ব অপৰিসীম। পক্ষপাতহীন আলোচনাৰ জৰিয়তে সাহিত্য কৰ্মৰ দোষ-গুণ নিৰূপণ কৰাই সমালোচনাৰ কাম। ক'ব পৰা যায় সমালোচনা সাহিত্যৰ তুলাচনী। পিছে তুলাচনীখন সিমান স্থিৰ নহয়। কোনোবাই ভৰ হিচাপে শিলগুটিতে সন্তুষ্ট, আন কোনোবাই আকৌ কিলোগ্ৰাম, গ্ৰামকৈয়ো জুখি সন্তুষ্ট নহয়, মিলি গ্ৰামলৈকে নিৰহ নিপানীকৈ পাব বিচাৰে। যুক্তিৰ তুলাচনীত জুখি সাহিত্যৰ সাৰ বস্তু নিৰ্ণয় কৰাটোৱে প্ৰকৃষ্ট পন্থা। সেয়ে হ'লেও ক'ব লাগিব সম কালৰ কোনো সমালোচকেই যুগৰ লেখাৰ নিৰ্ভৰযোগ্য সিদ্ধান্ত প্ৰদান কৰিব নোৱাৰে। পৰাহেঁতেন 'কোৱাৰ্টাৰ্লি ৰিভিউ'ত অন্যায় সমালোচনাৰ বলি হৈ ২৬ বছৰীয়া কবি কীট্‌ছৰ অকাল মৃত্যুৰ দৰে শোকাবহ ঘটনা নঘটিলহেঁতেন।

সাহিত্যৰ বাবে ব্যক্তি নে ব্যক্তিৰ বাবে সাহিত্য? ব্যক্তিৰ ক্ষুদ্ৰ জীৱনৰ ওপৰত গৌৰৱ অনুভৱ নকৰি

সমাজমুখী সাহিত্যৰ গৌৰৱেৰে নিজকে দ্ৰবীভুত কৰিবলৈ প্ৰয়াস কৰা উচিত। তাৰোপৰি দেখা যায় ভাল পাঠক হ'ব খোজা লোকজনে নিজকে সাহিত্যিকৰ শাৰীত তুলিবলৈ কৰা বৃথা চেষ্টা, তাৰ ফলত সাহিত্যৰ বহু ক্ষতি হয়। লেখাৰ পোহাৰখন মেলিলেই সাহিত্যিক হ'ব নোৱাৰি। প্ৰয়োজন হয় অধ্যয়ণ স্পৃহা আৰু একাগ্ৰতা তথা জ্ঞানৰ। সাহিত্য সৃষ্টিত ভাল পাঠকৰো যথেষ্ট গুৰুত্ব নোহোৱা নহয়।

সময় তথা সমাজ পৰিবৰ্তনৰ লগে লগে সাহিত্যত জোকাৰণিৰ এক আশংকা কৰা হৈছে। মানুহৰ ব্যস্ততা আৰু আমোদৰ নানান নতুন চমকত সাহিত্যৰ পৰিবৰ্তন নিশ্চিত। সমগ্ৰ পৃথিবীজুৰি ইলেকট্ৰনিক মাধ্যমে সাহিত্য সংস্কৃতিৰ বিৰুদ্ধে এক অঘোষিত ষড়যন্ত্ৰ আৰম্ভ কৰিছে। ইংলেণ্ডৰ ভাষা সাহিত্যৰ কথা উনুকিয়ালেই ইয়াৰ সত্যতা বেছি উজ্জ্বল হ'ব। বিশ্বৰ সুউচ্চ জাতি, বিশ্বৰ শীৰ্ষস্থানীয় দেশ ইংলেণ্ডত নিজ ভাষা শিকাবৰ বাবে শিক্ষক বিচাৰি হাহাকাৰ। আমদানি কৰিব লৈছে ইংৰাজী শিকাবৰ বাবে অন্য দেশৰ পৰা শিক্ষক। চিন্তা শক্তিক সক্ৰিয় কৰি ৰখা আৰু ইয়াৰ বিকাশৰ বাবে সভ্য সমাজৰ সকলোৰে কৰ্তব্য। যি জনৰ কোনো এটা ভাষাৰ ওপৰত সম্পূৰ্ণ দখল নাথাকে তেওঁ যিকোনো এটা সমস্যাৰ বিষয়ে সঠিকভাৱে চিন্তা কৰিব নোৱাৰে। চিন্তা শক্তিৰ অবিহনে সাধাৰণ বুদ্ধি-কৃতিৰো অৰ্থ নিৰৰ্থক। চিন্তাৰ সফল ধাৰাই এটা জাতিৰ জাগতিক কৰ্মৰ সম্যক ধাৰণা বহন কৰে। সঁচাকৈয়ে আমি বাৰু কুৰি শতিকা অতিক্ৰম কৰিলো নেকি? যি সময়ত আমি নিজকে এক বিংশ শতিকাত ভৰি দি জগতৰ সু-সভ্য জাতি হিচাপে কথাৰ ফুলজাৰি মাৰিছো; কিন্তু কিয় আমি নিশিকিলো প্ৰেম কৰিব ! ইজনে সিজনক অকণমান মৰম কৰিব। আমাৰ সৌন্দৰ্য্য চেতনা যে বিকৃত। এখন বিশৃংখল সৌন্দৰ্যহীন সমাজত বাস কৰিও আমি নিৰ্বিকাৰ। কুৎসিত কামেই আজি আমাৰ মানস পটত সুন্দৰ হৈ প্ৰতিভাত হৈছে। এখন ধুনীয়া মুখ নতুবা এপাহ ফুলৰ সৌন্দৰ্য অনুভৱ কৰাৰ পৰিবৰ্তে মানুহজনক হত্যা কৰি মানুহজনৰ যন্ত্ৰণা কাতৰ মুখখন চাইহে আমি দেখোন বিকৃত তৃপ্তি লভো। কিয় আমি খাৰ-বাৰুদৰ গোন্ধ ভাল পোৱা হৈছো? প্ৰাচুৰ্য্যৰ মাজত থকা লোক সকলোকে বেছিকৈ খাব দি সমাজ নিঃস্ব লোক সকলৰ ওপৰত 'দেশপ্ৰেম' কৰিছো।

আমাৰ সমাজ সভ্যতাৰ উচ্চ শিৰত বিজ্ঞান নহলে যে আজি পৃথিৱীত চলা টান হৈ পৰিছে । এই কথাটো কিবাকৈ জানি বিজ্ঞানক লৈ আমি গৌৰৱ কৰিছো ; পাহৰি গৈছো যে বিজ্ঞান মানে কেৱল ৰকেটেৰে মংগল গ্ৰহলৈ যোৱা, চুপাৰ কম্পিউটাৰ ব্যৱহাৰ কৰা বা ৰিমোট কন্ট্ৰল ৰঙীন টিভিত চিত্ৰহাৰ চোৱা বা ৰিমোটৰ দ্বাৰা এটা অঞ্চল অগ্নিকুণ্ডলৈ পৰিণত কৰাই নহয়। বিজ্ঞান মানে এটি সুসংহত যৌক্তিক জীৱন বোধ। বিশ্বত বিজ্ঞানে আমি দিয়া দ্ৰুত উন্নয়ন তথা জীৱন যাত্ৰাৰ সা-সুবিধা দেখি আমি ভাবিছো আমাক বিজ্ঞান লাগে। কিন্তু য'তেই যন্ত্ৰ, মেচিন ত'তেই বিশ্বকৰ্মা পূজা, আনকি মহান মহান বিজ্ঞান শিক্ষাৰ অনুষ্ঠানতো বিভিন্ন পূজা-পাৰ্বণ পাতি অপায়-অমংগল দূৰ কৰিব বিচাৰো। ইয়াক কি বুলি কম ! কু-সংস্কাৰ নে অন্ধবিশ্বাস? আটাইতকৈ মজাৰ কথা আমি বাৰে বাৰে কৈ থকা ধৰ্মীয় কু-সংস্কাৰ, ধৰ্মীয় গোড়ামী। শব্দ দুটা কাটিলে ধৰ্ম নিৰ্ভেজাল হ'ব নে? গতিকে বিজ্ঞানৰ শোভাযাত্ৰাত যোগ দি ৰাইজৰ মাজত বিজ্ঞানৰ মানসিকতা তৈয়াৰ কৰাৰ বিপৰীতে আমি নিজকে কিমান সংস্কাৰ কৰিব পাৰিছো, সেই কথা চিন্তা কৰাৰ সময় সমাগত। আমাৰ চিন্তা শক্তি ধাৱমান সৌৰজগতৰ কোন গ্ৰহত জীৱ আছে, বায়ু আছে, পানী আছে, কিন্তু চাবলৈ, চিন্তা কৰিবলৈ পাহৰি গলো আমাৰ সমাজ ব্যৱস্থা কিমান পিছপৰি গ'ল। আমি যে ক্ৰমে ক্ৰমে নামি গৈছো আদিম বৰ্বৰতালৈ। সঁচাই নেকি বাৰু চতুৰ্থ বিশ্ব যুদ্ধ শিলগুটি আৰু ধনুকাড়েৰে হ'ব ??

প্ৰবীণ বৰুৱা
সম্পাদক
২০০১ - ২০০২

তত্ত্বাৱধায়কৰ কলমত

# সোণালী জয়ন্তী বৰ্ষত মঙলদৈ মহাবিদ্যালয়

বিচিত্ৰ কুমাৰ মেধি

সমগ্ৰ দৰংবাসী ৰাইজৰ আশা-আকাংক্ষাৰ প্ৰতীক, শিক্ষাৰ বটবৃক্ষ মঙলদৈ মহাবিদ্যালয়ে গৌৰৱময় পঞ্চাশ বছৰ পূৰ্ণ কৰিলে। সোণালী জয়ন্তী উদ্‌যাপন কৰিবলৈ এই মহাবিদ্যালয়ৰ ছাত্ৰ-শিক্ষক-কৰ্মচাৰী, শুভাকাংক্ষী সমগ্ৰ ৰাইজ প্ৰস্তুত হৈছে।

তেতিয়াৰ অবিভক্ত দৰং জিলাৰ মঙলদৈ মহকুমা আছিল অৰ্থনৈতিক ভাৱে দুৰ্বল, শিক্ষা-চিকিৎসা-যাতায়তৰ ক্ষেত্ৰত পিছপৰা। তেনে পৰিৱেশতে কেইগৰাকীমান শিক্ষাপ্ৰেমী, সমাজ সচেতন, দূৰদৰ্শী ব্যক্তিৰ অক্লান্ত প্ৰচেষ্টাত মঙলদৈত অবিভক্ত দৰঙৰ দ্বিতীয়খন মহাবিদ্যালয় স্থাপন হ'ল ইণ্টাৰমিডিয়েট আৰ্টচ্ কলেজ ৰূপে। ১৯৫১ চনৰ ২০ ছেপ্টেম্বৰ তাৰিখে এই মহাবিদ্যালয়ৰ প্ৰথম পাঠদান আৰম্ভ হ'ল।

সেই শুভক্ষণৰ পাছৰে পৰা আজি এই মহাবিদ্যালয়ে গছকি আহিছে সুদীৰ্ঘ পাঁচটা দশক। মঙলদৈ চৰকাৰী হাইস্কুলত শ্ৰেণী আৰম্ভ কৰা দিনৰে পৰা মঙলদৈ চহৰৰ ওচৰৰে উপহপাৰা গাঁৱৰ মবিশালী অঞ্চলত ১৯৫৬ চনত মহাবিদ্যালয়ৰ নিজা মাটি হোৱালৈ বিভিন্ন জনৰ অক্লান্ত পৰিশ্ৰম, দূৰদৰ্শিতা, নিঃস্বাৰ্থ সেৱা আৰু অকৃপণ দান আমি শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছো। খৃষ্টাব্দ ১৯৬০ ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অনুদান লাভ, ১৯৬২ ত ঘাটি মঞ্জুৰী প্ৰাপ্তি আৰু ১৯৬৬ খৃঃত বিজ্ঞান শাখাৰ আৰম্ভণিৰে বৰ্তমানৰ মঙলদৈ মহাবিদ্যালয় খন সুবিশাল আৰু মনোমোহা চৌহদৰ বৃহৎ ভৱন, বিভিন্ন বিষয়ৰ মেজৰ পাঠ্যক্ৰম, তিনি সহস্ৰাধিক প্ৰাণোচ্ছল ছাত্ৰ-ছাত্ৰী, প্ৰায় আশী গৰাকী অধ্যাপক-অধ্যাপিকা, যথেষ্ট সংখ্যক গ্ৰন্থেৰে এটি উন্নত পুথিভঁৰাল আৰু ইয়াৰ গ্ৰন্থাগাৰিক-কৰ্মচাৰী, পৰিপূৰ্ণ কাৰ্যালয় আৰু কৰ্মচাৰী, ছাত্ৰী নিবাস আৰু ছাত্ৰাবাসৰ (বৰ্তমান আবাসী নথকাৰ বাবে ছাত্ৰাবাস পৰিত্যক্ত হৈ আছে) সুবিধাৰে অসমৰ ভিতৰতেই এক অগ্ৰণী শিক্ষানুষ্ঠান।

পাঁচ দশক জোৰা এই সুদীৰ্ঘ পৰিক্ৰমাত মঙলদৈ মহাবিদ্যালয়ে নানা অসুবিধা ভোগ কৰি আহিছে। বৰ্ধিত ছাত্ৰ-ছাত্ৰীৰ বাবেপাঠদান কোঠাৰ অভাৱ, খোৱাপানীৰ সমস্যা, চৌহদ তথা মহাবিদ্যালয়ৰ গৃহৰমেৰামতি আৰু ৰক্ষণাবেক্ষণৰ সমস্যা, কোনো কোনো বিষয়ৰ পৰ্যাপ্ত শিক্ষক নথকা আদি নানান অসুবিধা স্বত্বেও ১৯৫১ চনৰ প্ৰথমটি ছাত্ৰ-ছাত্ৰীৰ দলৰ পৰা আজিলৈকে এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অকল নিজ ৰাজ্যতেই নহয়, দেশৰ বিভিন্ন প্ৰান্তত দক্ষতাৰে নিজক প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। ১৯৫১ চনত নাম ভৰ্তি কৰা প্ৰথম ছাত্ৰসকলৰ মাজৰ সৰ্বশ্ৰীযুত শিৱ প্ৰসাদ ৰাজখোৱা (কলিকতা উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ), অশোক ডেকা (কৃতী খেলুৱৈ), হৰেন্দ্ৰ নাথ শৰ্মা (কৃতী শিক্ষাবিদ) আৰু অন্যান্যসকলেও সমাজৰ প্ৰতি নিজ দক্ষতাৰে সেৱা আগবঢ়াবলৈ সক্ষম হোৱাটো আমাৰ আটাইৰেবাবে পৰম গৌৰৱ আৰু আনন্দৰ কথা।পৰৱৰ্তী সময়ছোৱাতো এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে সমাজৰ বিভিন্ন ক্ষেত্ৰত সুখ্যাতিৰে নিজক প্ৰতিষ্ঠা কৰি খ্যাতি লাভ কৰিছে। কলা-সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত সমৰেন্দ্ৰ নাৰায়ণ দেৱ, ড° পৰমানন্দ ৰাজবংশী, ড° মঞ্জু দেৱী পেগু, কণক চন্দ্ৰ চহৰীয়া, প্ৰভাত নাৰায়ণ চৌধুৰী, দাদুল চলিহা, ক্ৰীড়াৰ ক্ষেত্ৰত আশুতোষ চৌধুৰী প্ৰমুখ্যে সুখ্যাতিৰে প্ৰতিষ্ঠিত হোৱা বিভিন্নজন, ৰাজনৈতিক ক্ষেত্ৰত লক্ষ্মীকান্ত শইকীয়া, ড° জয়নাথ শৰ্মা, মহেন্দ্ৰ মোহন ৰায় চৌধুৰী, হিৰেণ কুমাৰ দাস, দুৰ্গাদাস বড়ো, কুমুদ দাস আৰু অসমৰ চুকে-কোণে বিভিন্ন পদ-মৰ্যাদাৰে কাৰ্যনিৰ্বাহ কৰি সমাজলৈ বৰঙণি আগবঢ়াবলৈ সক্ষম হৈছে এই মহাবিদ্যালয়ত অধ্যয়ণ কৰি যোৱা অলেখ কৃতী ছাত্ৰ-ছাত্ৰীয়ে।

সোণালী জয়ন্তী উৎসৱৰ প্ৰাক্ মুহূৰ্তত মনত পৰিছে সেইসকল দূৰদৰ্শী, সমাজ সেৱকৰ নিঃস্বাৰ্থ ত্যাগলৈ, যাৰ অক্লান্ত পৰিশ্ৰম আৰু সাধনাৰ বলত আজি প্ৰায় পৰিপূৰ্ণ, ঐতিহ্যমণ্ডিত, সুবিশাল শিক্ষানুষ্ঠান ৰূপে মঙলদৈ মহাবিদ্যালয় পৰিগণিত হৈছে। তেতিয়াৰ মঙলদৈ মহকুমাৰ মহকুমাধিপতি শ্ৰদ্ধেয় অমিয় ভূষণ দাসগুপ্ত ( মঙলদৈ ক্ৰীড়া সন্থা গঠনৰ ক্ষেত্ৰতো তেখেতৰ উদ্যোগ স্মৰণীয়), ই.এ.চি. শৰত চন্দ্ৰ বৰুৱা, অধিবক্তা সত্যেশ দাসগুপ্ত, মহাবিদ্যালয়ৰ প্ৰথম গৰাকী অধ্যক্ষ আৰু সম্পাদক ক্ৰমে পুৰন্দৰ শৰ্মা আৰু ৰামেশ্বৰ শৰ্মা, কাৰ্যালয় সহায়ক জীৱন চন্দ্ৰ শৰ্মা আৰু অন্যান্য সকলে এশ এবুৰি সমস্যাৰ মাজেৰে এই শিক্ষানুষ্ঠানখনি ধৰি ৰাখিছিল। মঙলদৈৰ বিশিষ্ট ব্যক্তি শ্ৰদ্ধেয় (সকল) তপেশ্বৰ শৰ্মা, বিপিন চন্দ্ৰ মেধি, ৰায়বাহাদুৰ শুকলাল ঘোষ, বাসৱ চন্দ্ৰ বৰুৱা, মুক্তিনাথ গোস্বামী, সন্ধিৰাম চহৰীয়া, দীননাথ চহৰীয়া,

গঙ্গাধৰ ডেকা, বদৰুদ্দিন আহমেদ, দণ্ডিৰাম দত্ত, বাহাদুৰ বসুমতাৰী, ভোগৰাম পাটোৱাৰী, হীৰালাল পাটোৱাৰী, সুৰেশ দাস, শিৱ প্ৰসাদশৰ্মা, কৰিম বক্স মহাজন, ভগীৰাম ডেকা, মন্মথ নাথ ঘোষ, শশধৰ ঘোষ, উপেন্দ্ৰ নাথ ভূঞা, হাচিমুদ্দিন আহমেদ, সুনন্দৰাম ডেকা, মহকুমাধিপতি কুসুম কুমাৰ ফুকন আদিয়ে এই মহাবিদ্যালয় প্ৰতিষ্ঠাৰ হকে দেহে-কেহে খাটিছিল। এইসকল প্ৰাতঃস্মৰণীয় সমাজসেৱকৰ বহুতেই আজি আমাৰ মাজত নাই। সোণালী জয়ন্তী উদ্‌যাপনৰ প্ৰাক্‌ক্ষণত তেখেতসকললৈ আমি শ্ৰদ্ধা জ্ঞাপন কৰিছো।

নানান আহুকালৰ মাজতো প্ৰাথমিক পৰ্যায়ত মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাদান কৰা শ্ৰদ্ধেয় (সকল) পুৰন্দৰ শৰ্মা, সত্যেশ দাসগুপ্ত, ৰামেশ্বৰ শৰ্মা, ভৱানন্দ বাজখোৱা, শশীন্দ্ৰ মোহন বোস, ধৰ্মনাথ শৰ্মাশাস্ত্ৰী, বকদুল আলি, সদাশিৱ চক্ৰৱৰ্তী, কৰুণাকান্ত শৰ্মা, হৰকান্ত মহন্ত, হৃদয় ৰঞ্জন দাস, গজেন্দ্ৰ নাথ ঠাকুৰীয়া আৰু আমাৰ ভুলবশতঃ নাম উল্লেখ কৰিব নোৱাৰা অন্যান্য সকললৈ শ্ৰদ্ধা যাচিছোঁ।

শ্ৰদ্ধেয় পুৰন্দৰ শৰ্মাদেৱৰ পৰা ক্ৰমে শ্ৰদ্ধেয় (সকল) প্ৰবোধ চন্দ্ৰ গোস্বামী, আব্দুল মজিদ, ড° পূৰ্ণ চন্দ্ৰ বড়া, গোপীনাথ শৰ্মা, শিৱ শৰ্মা, ড° লোকেশ্বৰ নাথ, ড° অমিয়া দেৱী, ড° গিৰীশ চন্দ্ৰ গোস্বামী আৰু বৰ্তমানে ড হীৰেন্দ্ৰ কুমাৰ গোস্বামীদেৱে অধ্যক্ষ ৰূপে এই মহাবিদ্যালয়লৈ দক্ষতাৰে সেৱা আগবঢ়াইছে।

সোণালী জয়ন্তীৰ স্মৃতিগ্ৰন্থত মঙলদৈ মহাবিদ্যালয়ৰ বুৰঞ্জী আৰু প্ৰগতিৰ বিস্তৃত খতিয়ান বিভিন্ন লিখকে দাঙি ধৰিব। মঙলদৈ মহাবিদ্যালয়ৰ আলোচনীত মাথো ইয়াৰ ৰেঙণি এটিহে দিবলৈ যত্ন কৰা হৈছে।এই মহাবিদ্যালয় স্থাপনৰ সতে জড়িত যিসকল পৰম শ্ৰদ্ধেয় ব্যক্তিৰ নাম অজ্ঞানতাবশতঃ উল্লেখ কৰা হোৱা নাই তেখেতসকললৈ এই লেখনিৰ জৰিয়তেই ক্ষমা প্ৰাৰ্থনা কৰিছো।

ইতিমধ্যে চাওঁতে চাওঁতে মঙলদৈ মহাবিদ্যালয়ে গছকি আহিল সুদীৰ্ঘ পঞ্চাশটা বছৰ। একাৱন্ন চনত প্ৰতিষ্ঠিত এই মহাবিদ্যালয় আজি এক শিক্ষানুষ্ঠান হৈ থকা নাই ; স্বৰ্ণময়ী ঐতিহ্যৰে ই পৰিণত হৈছে জ্ঞানৰ এক বিশাল মহীৰূহত, পৰিণত হৈছে ইতিহাসত। অসমৰ শৈক্ষিক-বৌদ্ধিক-সামাজিক-সাংস্কৃতিক সকলো দিশতে এই মহাবিদ্যালয়ে যোগাইছে নিজস্ব বৰঙণি, দিব পাৰিছে নেতৃত্বও। মঙলদৈ মহাবিদ্যালয়ৰ জ্ঞান বৃক্ষৰ স্নেহময়ী ছাঁত প্ৰজ্ঞাৰ সাধনা কৰি যোৱা অনেকেই আজি দেশৰ বিভিন্নস্থানত সুপ্ৰতিষ্ঠিত। সেই সকলো প্ৰজ্ঞাৰ সাধকে সগৌৰৱে কঢ়িয়াইছে মঙলদৈ মহাবিদ্যালয়ৰ ঐতিহ্য আৰু ইতিহাসক।

সোণালী জয়ন্তী উৎসৱ উদ্‌যাপনৰ প্ৰাক্ মুহূৰ্তত, মঙলদৈ মহাবিদ্যালয়ৰ জন্মলগ্নৰে পৰা আজিলৈকে প্ৰতিষ্ঠাতা, দাতা আৰুঅগণন শুভচিন্তকে প্ৰাক্তন আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী-শিক্ষক-কৰ্মচাৰী সমন্বিতে অনুভৱ কৰিছে অনাবিল আনন্দ। এই মহাবিদ্যালয় নিজৰ মহিমাৰে ভাস্বৰ হৈ উঠক, অসমৰ মুখ উজলাওক, সকলোৱে আন্তৰিকতাৰে কামনা কৰিছে তাকেই।

মঙলদৈ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱ জাক জমকতাৰে পালন কৰাৰ উদ্দেশ্যে ইতিমধ্যে মঙলদৈৰ বিধায়ক শ্ৰীবসন্ত দাসক সভাপতি আৰু মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° হীৰেন্দ্ৰ কুমাৰ গোস্বামীক সম্পাদক তথা সমাজৰ বিশিষ্ট লোক সকলক সামৰি মঙলদৈ মহাবিদ্যালয় সোণালী জয়ন্তী উদ্‌যাপন সমিতি গঠন হৈছে। আমাৰ আটাইৰে আশা, উদ্‌যাপন সমিতিৰ সুদৃঢ় নেতৃত্ব আৰু বাইজৰ অকুণ্ঠ সহযোগত সোণালী জয়ন্তী উদ্‌যাপনৰ যোগেদি মঙলদৈ মহাবিদ্যালয়ে পুনৰবাৰ অনুপ্ৰাণিত কৰিব শত সহস্ৰ জনক, নিজে উজ্বলি উঠিব আদৰ্শৰ এক প্ৰতীক স্বৰূপে। মঙলদৈ মহাবিদ্যালয় হওক সকলোৰে বাবে আদৰ্শ আৰু প্ৰেৰণাৰ উৎস, সোণালী জয়ন্তী উৎসৱৰ এই মধুৰ ক্ষণত আমি আটাইয়ে তাকেই কামনা কৰিছো। ❑

বিচিত্ৰ কুমাৰ মেধি মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ জ্যেষ্ঠ অধ্যাপক,
আলোচনী বিভাগৰ তত্বাৱধায়ক।

গণতন্ত্ৰত সকলো মানুহেই সমান, কিন্তু তাৰ ভিতৰত কিছুমান মানুহ অলপ বেছি সমান। এই বেছি সমানৰ শাৰীত উঠিবলৈকে আজি আমাৰ মৰোঁ-জীওঁ-সোঁ-আধি-প্ৰতিযোগিতা।

- জৰ্জ অৰৱেল

# প্ৰবন্ধৰ সঁফুৰা

প্ৰবন্ধ লেখা বৰ সহজ, যিহেতু ই কৃত্ৰিম। তদুপৰি যিহেতু প্ৰবন্ধ লিখিবলৈ বিশেষ প্ৰতিভাৰ প্ৰয়োজন নাই, নাইবা কোনো তত্ব জিজ্ঞাসাত বিশেষ লিপ্ত নহলেও হয়; সেই কাৰণে প্ৰবন্ধ জনপ্ৰিয়।

—ক্ৰেব

চিন্তা শক্তিৰ ঘনতা আৰু সংক্ষিপ্ত অৰ্থ-ব্যঞ্জনাই প্ৰবন্ধক বিশিষ্ট মূল্যদান কৰে। গতিকে দেখা যায়, প্ৰবন্ধৰ ৰূপ কল্প যেনেকৈ অনিৰ্দিষ্ট, তেনেকৈ তাৰ ধাৰণাও অনিশ্চিত। সেই কাৰণে প্ৰবন্ধ লিখা কথাটো সবাতকৈ জটিল।

—হেন্টবুড

প্ৰবন্ধ গদ্য-পদ্য উভয়তে ৰচিত হ'ব পাৰে যদিও গদ্যই ইয়াৰ সাধাৰণ বাহন। অন্যান্য সাহিত্যৰ দৰে প্ৰবন্ধৰ উদ্দেশ্যও পঢ়ুৱৈৰ মনত সৌন্দৰ্যৰ সৃষ্টি কৰি আনন্দ দান কৰা। ই পঢ়ুৱৈৰ বুদ্ধি তীক্ষ্ণতৰ, দৃষ্টি প্ৰখৰতৰ আৰু জ্ঞানৰ পৰিধি প্ৰশস্ত কৰি তোলে। আনহাতে ই বিষয়বস্তুৰ ওপৰত কৌতুকৰ বোল সানি অৱৰ্ণনীয় সুষমা দান কৰে।

—বামমণ ঠাকুৰীয়া

# মালিক প্ৰসঙ্গত যৎকিঞ্চিত

ইদ্রিছ্ আলি

জন্মসূত্ৰে চৈয়দ আব্দুল মালিক আছিল মুছলমান। অসমৰ বুকুত জন্ম গ্ৰহণ কৰাৰ সূত্ৰে তেওঁ আছিল এজন হাড়ে হিমজুৰে অসমীয়া। সাৰ্বভৌম ভাৰতবৰ্ষৰ এগৰাকী সুনাগৰিক হিচাপে মালিক আছিল ভাৰতীয়। এই সকলো পৰিচয়ৰ উৰ্দ্ধত তেওঁ আছিল এগৰাকী সমগ্ৰ বিশ্বক আঁকোৱালি লব পৰা মহান মানৱ প্ৰেমী। মুছলমান হিচাপে মালিকে নিজ ধৰ্মৰ সকলো আচাৰ নীতি নিষ্ঠা সহকাৰে পালন কৰিছিল। পাঁচ ওৱক্তৰ নামাজ পঢ়া, ৰোজা পালন কৰা আদি সকলো ইচলাম ধৰ্মৰ কৰণীয় মালিকৰ দৈনন্দিন জীৱনৰ অঙ্গীভূত আছিল। আনকি তেওঁ পৱিত্ৰ মক্কা দৰ্শন কৰিও আহিছিল। ইচলাম ধৰ্মৰ লোক হৈয়ো, ইচলামৰ কঠোৰ, নিয়ম-নীতিৰ মাজত জীৱন যাপন কৰিলেও অন্য ধৰ্মৰ প্ৰতি তেওঁৰ আছিল অকৃত্ৰিম শ্ৰদ্ধা। সেয়ে ধৰ্ম বৰ্ণ ভাষা নিৰ্বিশেষে সকলো মানুহৰ লগত সমান ব্যৱহাৰ কৰিছিল। সকলোৰে লগত সম ব্যৱহাৰ মালিকৰ চৰিত্ৰৰ অন্যতম বৈশিষ্ট্য আছিল। চৈয়দ আব্দুল মালিকে আজান পীৰৰ জীৱনী লিখিছিল। যীশু আৰু বুদ্ধৰ জীৱন বৃত্তান্ত ৰচনা কৰিছিল আৰু উপন্যাস ৰচনা কৰিছিল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱক লৈ। এনে ধৰ্মীয় সহনশীলতা আৰু উদাৰ মানৱতাৰ এগৰাকী একনিষ্ঠ আদৰ্শ পুৰুষ আছিল বাবেই মালিকৰ সৃষ্টি চেতনাত সদায় জাগ্ৰত হৈ আছিল বিশ্বৰীক্ষাৰ অমল ফল্গুধাৰা। হিন্দু মুছলমান কৃষক বনুৱা পোহাৰী দেহোপজীৱনী আদি সকলো শ্ৰেণীৰ মানুহৰ প্ৰতি অসীম দৰদ আৰু সহানুভূতি সেয়ে মালিকৰ ৰচনাত মূৰ্ত হৈ উঠিছিল।

নিজৰ জন্মভূমিক ভালপোৱা শাশ্বত ধৰ্মকো চৈয়দ আব্দুল মালিকে কায়মনোবাক্যে পালন কৰিছিল। এজন প্ৰকৃত অসমীয়া হিচাপেহে মালিকৰ আছিল সৰ্বোত্তম পৰিচয়। 'মই অসমীয়া....' বুলি গৌৰৱ কৰাটোকে মালিকে চৰম পুণ্যৰ কৰ্ম বুলি বিবেচনা কৰিছিল। অসমীয়া হৈ জীয়াই থকা আৰু অসমতে অসমীয়া মৰণ বৰণ কৰি ধন্য হব খোজা মালিক আছিল এগৰাকী মহান অসমীয়া- জাতি যাৰ ধৰ্ম যাৰ ভাষা যাৰ আছিল মাথোন অসমীয়া। সেয়ে মালিকে কবিতাৰ ভাষাৰে লিখিছিলঃ

"অসমীয়া ভাষা মোৰ
কথা মোৰ
গীত মোৰ
অসমৰ প্ৰকৃতিয়ে ৰচা
বিহগ কিন্নৰ যত
শুনিলে নীৰৱ হয়
অসমীয়া গীত মোৰ
হৃদয় ওপচা।"

আন দহজনৰ দৰে স্বৰ্গৰ অলীক কল্পনা মালিকে কেতিয়াও কৰা নাছিল। মাতৃভূমি আৰু জন্মগ্ৰহণ কৰা গোলাঘাট জিলাৰ নাহৰণি গাওঁখনতকৈ বেলেগ এখন স্বৰ্গ কৰবাত আছে বুলি মালিকে নেভাবিছিল। জ্যোতি প্ৰসাদে যেনেকৈ গাঁৱৰ গণ্ডীতে উপজি বিশ্ব নাগৰিক হোৱাৰ কথা কৈছিল - মালিকেও সৰু গাওঁ খনিতে জন্মলভি হৈ পৰিছিল অসমৰে অসমীয়া- ভাৰতৰো এজন ভাল ভাৰতীয়। 'নিৰ্ভয়' নামৰ কবিতাটিত সেয়ে তেওঁ লিখিছে ঃ

"সৰু এখন ঠাই আছে
যাৰ বতাহে মোক চিনি পায়,
সেই বতাহতে মিলি আছে
মোৰ কেছুৱা কালৰ কান্দোন
০ ০ ০০ ০০ ০০ ০০-০
এইখন মোৰ সৰু ঘৰ
এইয়া মোৰ মাটি
এইজনী মোৰ আই
এইখন মোৰ গাওঁ - যাৰ নাম নাহৰণি ।

আকৌ মালিকৰ বাবে স্বৰ্গনো কোনখন? 'মোৰ স্বৰ্গ' নামৰ কবিতাত আমাক তেওঁ জনাইছে ঃ

"মাটিৰ মানুহ মই
ভালপাওঁ মাটিৰ সৰগ
ভাল পাওঁ মাটিৰ মৰম,
সিপাৰে বিধাতা আৰু ইপাৰে হিয়াৰ খ-নকনি
মই তাৰ সন্ধি অনুপম ।"

চৈয়দ আব্দুল মালিকে তিনি হেজাৰ গল্প লিখি ৰাইজৰ পৰা পালে 'গল্প সম্ৰাট' অভিধাৰে সন্মান। তিনিকুৰিৰো অধিক উপন্যাস ৰচনা কৰি সমগ্ৰ অসমৰ বৰ্ণ বৈচিত্ৰ অন্যান্য দাঙি ধৰাৰ লগতে তেওঁ মানৱীয়তাৰ মহান প্ৰমূল্য প্ৰতিষ্ঠা কৰি গ'ল। বিবিধ ৰচনাৰে মালিকে সব্যসাচীৰ দৰে সাহিত্যৰ প্ৰতিটো শাখাতে নিজৰ প্ৰতিভাৰ স্বাক্ষৰ ৰাখি গৈছে। কিন্তু চিন্তাশীল জনে মালিকক কবি হিচাপেহে উচ্চ আসনত বহুৱাব বিচাৰে। প্ৰতিযশা সাহিত্যিক হোমেন বৰগোহাঞি -এ লিখিছেঃ " খুব ভাবি-চিন্তিয়েই তেওঁক (মালিকক) প্ৰথমে কবি বুলি কোৱা হ'ল। মালিক মূলতে এজন কবি। আনকি তেওঁৰ গল্প আৰু উপন্যাসবোৰো ঘাইকৈ এজন কবিৰ ৰচনা। কবিয়ে যি পথেদি জীৱনৰ তাৎপৰ্য্যৰ সন্ধান কৰে মালিকেও তেওঁৰ বিপুল আৰু বিচিত্ৰ ৰচনাৰাজিৰ মাজত সেই একে পথকেই অনুসৰণ কৰিছে। তেওঁৰ ৰচনাৰাজিৰ মাজত জীৱনৰ যি সত্য মূৰ্ত হৈ উঠিছে সি কবিৰ দৃষ্টিত দেখা দিয়া সত্য। ০ ০ ০ ০ ০ গল্প আৰু উপন্যাসৰ কবিজনৰ কথা বাদ দিও কেৱল কবিতা লেখা কবি হিচাপেও মালিক অবিস্মৰণীয়।" আকৌ আন এগৰাকী স্বনামধন্য কবি-সমালোচক ডঃ মহেন্দ্ৰ বৰাই লিখিছে ঃ " ০ ০ ০ বহুতেই নেজানে মালিক যে এজন কবিও। কবিও নহয়, দৰাচলতে মালিক মূলতঃ কবিয়েই। গল্পহওক, উপন্যাস হওক - মালিকৰ আটাইবোৰ সাহিত্য-কৰ্মই কবি চৈয়দ আব্দুল মালিকৰ ছদ্মবেশী বিস্তাৰণ ঃ কব নোৱাৰাকৈয়ে হবলগীয়া কবিতা এটা গল্প অথবা উপন্যাসো হৈ যোৱা।" আৰু বহুতেই পাহৰি যায় যে মালিক এগৰাকী সাৰ্থক গীতিকাৰো। ১৯৪৮ চনত অসমত অনাতাঁৰ কেন্দ্ৰ প্ৰতিষ্ঠাপিত হওতে গায়ক

সকলে গীত বিচাৰি হাবাথুৰি খাবলগীয়া হৈছিল। পূৰ্বৰে পৰা অসমীয়া গীতি সাহিত্যৰ এক চহকী পৰম্পৰা আছিল যদিও আধুনিক গীতৰ বাবে প্ৰয়োজনীয় আধুনিক ভাব-ভাষাৰ আৰু আধুনিক আঙ্গিকৰ গীতৰ প্ৰয়োজন সিবোৰে পূৰাব পৰা নাছিল। সেয়ে আধুনিক ধাৰাটোৰ পৰিপুষ্টি সাধনৰ বাবে গীত ৰচনা কৰিবলৈ মালিকেও হাতত কলম তুলি লৈছিল। তাৰেই ফলস্বৰূপে তেওঁ লিখি উলিয়াইছিল অনেক সুন্দৰ গীত। মালিকৰ গীতবোৰ সংকলন কৰি প্ৰকাশ কৰা হৈছে- নাম "তোমাৰ কণ্ঠ মোৰ কথা।"

কিন্তু ব্যাপক অসমীয়া পাঠক সমাজৰ বাবে মালিকৰ পৰিচয় হৈছে গল্পকাৰ ৰূপে। প্ৰায় তিনি হেজাৰ সাৰ্থক গল্পৰ স্ৰষ্টা মালিকৰ এতিয়ালৈকে এক্কৈশখন গল্প সংকলন প্ৰকাশ পাইছে। মালিকৰ প্ৰতিটো গল্পই পাঠকৰ মনত গভীৰ সাঁচ বহুৱায়। তাৰে ভিতৰত 'বীভৎস বেদনা,' 'কাঠফুলা', 'মনি অৰ্ডাৰৰ টকা', এজনী নতুন ছোৱালী, যীশুখৃষ্টৰ ছবি, 'প্ৰাণ-পোৱাৰ পিছত, ছয় নম্বৰ প্ৰশ্নৰ উত্তৰ, 'মৰম মৰম লাগে', 'পোৱা গাঁৱত পহিলা বহাগ' বা হাঁহিৰে চকুলো ঢাকি আদি গল্প প্ৰতিজন পঢ়ুৱৈৰ মনত মচ নোখোৱাকৈ খোদিত হৈ ৰৈছে। অসমীয়া চুটি গল্পৰ অদ্বিতীয় স্ৰষ্টা সৰ্বকালৰ আৰু সৰ্বস্তৰৰ বাবে সমানে জনপ্ৰিয় গল্পকাৰ মালিকে 'আৱাহন' যুগৰ পৰা গল্পকাৰ হিচাপে প্ৰতিষ্ঠা লাভ কৰি ছয়টা দশক গল্পৰ সাম্ৰাজ্যত একচ্ছত্ৰী সম্ৰাট ৰূপে ৰাজত্ব কৰি গ'ল। ১৯৩৫ চনতে স্কুলীয়া আলোচনীত 'বন্ধ কোঠা' নামৰ গল্পেৰে আত্মপ্ৰকাশ কৰা মালিকে 'আৱাহন' যুগ অতিক্ৰম কৰি 'ৰামধেনু' যুগলৈ অবিৰতভাৱে গল্প ৰচনা কৰি গ'ল। আনকি 'গৰীয়সী'ৰ পাততো মালিকে নিজৰ স্বাক্ষৰ ৰাখি গৈছে। সাহিত্য-সমালোচক কবি হেম বৰুৱাই মালিকৰ বিষয়ে মন্তব্য দিছে ঃ "Abdul Malik, a link between the two generations, reflects in a nutshel the passions and characteristics of both the Awahon and the post-war period." হোমেন বৰগোহাঞি-এ মন্তব্য কৰিছে ঃ "তেওঁৰ (মালিকৰ) গল্প সমষ্টিক এই দীঘলীয়া কালছোৱাৰ ধাৰাভাষ্য বুলিও কব পাৰি।"

সমান্তৰালভাৱে সুদীৰ্ঘ তিনিকুৰি বছৰীয়া সাহিত্যিক জীৱনৰ প্ৰামান্য দলিল ৰূপে স্বীকৃত হৈছে চৈয়দ আব্দুল মালিকৰ উপন্যাস সমগ্ৰ। তিনি কুৰি দুখন উপন্যাস ৰচনা কৰি মালিকে কৰবলৈ গলে এক অভিলেখ সৃষ্টি কৰিছে। 'লঃ সাঃ গুঃ নামৰ উপন্যাসেৰে ঔপন্যাসিক জীৱনৰ পাতনি মেলা মালিকে (লঃ সাঃ গুঃ পিছত 'ওমলা ঘৰৰ ধূলি' নামেৰে প্ৰকাশ পায়) - 'সূৰুযমুখীৰ স্বপ্ন', 'আধাৰশিলা', অঘৰী আত্মাৰ কাহিনী', 'ধন্য নৰ তনু ভাল', 'ৰূপাবৰিৰ পলস', 'প্ৰেম অমৃতৰ নদী', 'ৰূপতীৰ্থৰ যাত্ৰী' (দুটা খণ্ড) আদি যুগান্তকাৰী উপন্যাসেৰে ঔপন্যাসিকৰ সাৰ্থক ভূমিকা পালন কৰি গৈছে। ইয়াৰে 'অঘৰী আত্মাৰ কাহিনীৰ বাবে ভাৰতীয় 'সাহিত্য অকাডেমী বঁটা লাভ কৰে। তেওঁৰ সূৰুযমুখীৰ স্বপ্ন' ভাৰতীয় সকলো ভাষালৈ অনুদিত হৈছে. 'ধন্য নৰ তনু ভাল' আৰু 'প্ৰেম অমৃতৰ নদী' উপন্যাস দুখন ক্ৰমে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ জীৱন ভিত্তিত ৰচিত উপন্যাস। একেদৰে 'ৰূপতীৰ্থৰ যাত্ৰী' ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱন আধাৰিত উপন্যাস।

ইয়াৰ ওপৰি মালিকদেৱে ৰচনা কৰিছে 'খিড়িকী' আৰু 'মিঠা টেঙা জ্বলা কেহাঁ তিতা' নামৰ দুখন মনোৰম ব্যঙ্গাত্মক পুথি, চাৰিখন জীৱনী (হজৰত মহম্মদ, যীশু আদিৰ), 'বেদুইন', 'স্বাক্ষৰ', 'স্বপ্ন দুঃস্বপ্ন আৰু অন্য কিছু কথা আৰু 'ছন্দহাৰাৰ ছন্দ' নামৰ চাৰিখন কাব্যগ্ৰন্থ, সাতখন নাটক, পাঁচখন শিশু-সাহিত্য আৰু তিনিখন ভ্ৰমণ কাহিনী। ভ্ৰমণ কাহিনী 'মাজত মাথোন হিমালয়ৰ বাবে মালিকে লাভ কৰিছে 'ছোভিয়েট দেশ নেহৰু বঁটা'। জীৱনকালতে মালিকে লাভ কৰিলে ভাৰত চৰকাৰৰ 'পদ্মশ্ৰী' আৰু 'পদ্মভূষণ' সন্মান, অলংকৃত কৰিলে মৰ্যদাপূৰ্ণ অসম সাহিত্যসভাৰ সভাপতিৰ আসন (অভয়াপুৰী অধিৱেশন ১৯৭৭), অসম উপত্যকা সাহিত্য বঁটা (১৯৯৪), আজান ফকিৰ বঁটা (১৯৯৫), অসম সাহিত্যসভাই প্ৰদান কৰা সৰ্বোচ্চ 'সাহিত্যাচাৰ্য' উপাধি, অসম চৰকাৰৰ 'শ্ৰীমন্ত শঙ্কৰদেৱ বঁটা' আৰু লাভ কৰিছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰপৰা সন্মান সূচক 'ডক্টৰ অৱ লিটেৰেচাৰ' উপাধি। 'পায়গাম' 'জমজম' আৰু 'ত্ৰিশংকু' তিনিখন আলোচনীৰ তেওঁ সম্পাদনা কৰিছিল। কিন্তু চৈয়দ আব্দুল মালিকে পূৰ্ণাঙ্গ আত্ম জীৱনীখন সমাপ্ত কৰি যাবলৈ সমৰ্থ নহ'ল- আদবাটতে তেওঁ নৰনাট সামৰি ইহ জগতৰ পৰা বিদায় লবলগীয়া হ'ল বাবে। তথাপি মোৰ জীৱনৰ নহ'লৰোৱ' আৰু 'মোৰ জীৱনৰ আগে-পিছে সোঁৱে- বাঁৱে - নামৰ দুখন আত্মজীৱনীমূলক গ্ৰন্থ (তাৰে দ্বিতীয়খন অসমাপ্ত) তেওঁ আমাক দি থৈ গৈছে। এই দুখনৰ মাজতো মালিকৰ অনেক নিভৃত খবৰ লিপিৱদ্ধ আছে। সুসাহিত্যিক চন্দ্ৰপ্ৰসাদ শইকীয়াদেৱে উচিত মন্তব্যকে কৰিছে যে - সৃষ্টিশীল লেখকে আত্মজীৱনী লেখাৰ প্ৰয়োজনবোধ নকৰে। কাৰণ লেখক জনৰ সৃষ্টি কৰ্মৰ মাজতে তেওঁৰ সমগ্ৰ জীৱন একাকাৰ হৈ থাকে। চৈয়দ আব্দুল মালিকেও কৈছে গৈছে -

'নিজৰ কথাৰে নিজৰ জীৱনী
কেনেকৈ লিখিম কোৱা
মোৰ যে জীৱন লক্ষ্য জনৰ
মিচিলত লীন যোৱা।' □

---

ইদ্ৰিছ আলি প্ৰাক্তন মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ - মঙলদৈ মহাবিদ্যালয়। তেখেত অসম সাহিত্য সভাৰ প্ৰাক্তন উপসভাপতি। তাৰোপৰি তেখেত হ'ল - খ্যাতনামা সু-সাহিত্যিক, কবি আৰু গীতিকাৰ।
বৰ্তমান তেখেত অসম চৰকাৰৰ সাহিত্যিক পেন্সনাৰ ৰূপে স্বীকৃত।

# ৰাজগুৰুৰ ডায়েৰীৰ পৰা

সংগ্ৰাহক- ড° বিজয় কুমাৰ শৰ্মা

পীতাম্বৰ সিদ্ধান্তবাগীশৰ বংশধৰসকলক দৰঙীফৈদৰ ৰজাই ৰাজগুৰু বৰণ কৰিলে। ৰাজগুৰুৰ পৰামৰ্শমতেই দেশ দৰঙৰ শাসন কাৰ্য সু-ব্যৱস্থাৰে পৰিচালিত হৈছিল। এই বিষয়ে ৰাজগুৰু বংশৰ শ্ৰীজগন্নাথ ভট্টাচাৰ্যদেৱে "কোঁচ ৰজাৰ ৰাজত্ব আৰু " পীতাম্বৰ সিদ্ধান্ত বাগীশৰ বুৰঞ্জী' নাম দি ১৮৪২ শকত প্ৰকাশৰ উপযোগীকৈ এখনি বুৰঞ্জী প্ৰণয়ণ কৰে। প্ৰণেতাৰ নিবেদনত উল্লেখ কৰিছে - (১) দুখৰ কথা " ধৰ্মনাৰায়ণদেৱে এই বুৰঞ্জীখন ছপা কৰিম বুলি থাকোতে ইংৰাজী ১৯৩১ খৃষ্টাব্দত তেওঁৰ কাল উপস্থিত হ'ল! পাছত তেওঁৰ পতি-পুত্ৰবিহীনা মাতা " নাহেৰীদেৱীয়ে পুত্ৰৰ কবুলটি বাহাল ৰাখিবৰ অৰ্থে পুথিখন ছপা কৰিবৰ কাৰণে মোক কেইটকামান সহায় কৰিলে (১৩৫ টকা)। আৰু ক'লে 'ছপাত খৰচ বেছি পৰিলেও তেওঁ বহন কৰিব'। মই সেই কথালৈ গুৱাহাটীৰ শ্ৰীযুক্ত সৰ্বেশ্বৰ কটকীক বন্ধুত্ব ভাৱে ভুল সংশোধন কৰি প্ৰকাশ কৰিবলৈ সম্প্ৰতি ১১৫ টকা ৰূপেৰে সৈতে ইংৰাজী ১৯৩২ খৃষ্টাব্দত অৰ্পণ কৰিলোঁ। আৰু ক'লে - "ইয়াত বাজে আৰু যিমান খৰচ পৰে তাক বহন কৰা হ'ব।" এনেতে ইফালে ১৯৩৩ খৃষ্টাব্দত ধৰ্মশীলা নাহেৰীদেৱীৰো মৃত্যু ঘটিল। সেইবিলাক যি হবৰ হৈ গ'ল, এতিয়া মোৰ দুৰ্ভাগ্য ক্ৰমে হওক নাইবা আন কোনো কাৰণতে হওক তেওঁক পুথিখন ইমানদিন বন্ধ ৰাখি মাজতে এক খণ্ড হেৰুৱাই অৱশেষত ইংৰাজী ১৯৩৫ খৃষ্টাব্দত টকা সহ পঠালে। পুনৰ মাজৰ খণ্ড সংগ্ৰহ কৰিব লগাত পৰিল। ওপৰত লিখা নানা অসুবিধাৰ বাবেই ১৯২১ খৃষ্টাব্দত ৰচনা কৰা পুথিখন এতিয়া ..... ....... ইয়াৰ পিচৰ বাক্যটো কাটিপেলোৱা হৈছে।

পুথিখন উছৰ্গা কৰিছে এইদৰে - "এই কোচৰজাৰ ৰাজত্ব আৰু বাগীশৰ বুৰঞ্জীৰ ছপা কৰোৱাত খৰচ বহন কৰোঁতা কল্যাণীয় ৰাজকুমাৰ শ্ৰীমান ধৰ্মনাৰায়ণ দেৱৰ পবিত্ৰ নামত আশীৰ্বাদেৰে সৈতে উছৰ্গা কৰা হ'ল।" - গ্ৰন্থকাৰ শ্ৰীজগন্নাথ ভট্টাচাৰ্য। বেচ - দুই সিকি মাথোন।

গ্ৰন্থখন সূচীমতে মেচ আৰু কোচ জাতিৰ উৎপন্ন; হাড়িয়া মেচৰ জন্ম ; হীৰা আৰু জীৰাৰ হাড়িয়াৰ সৈতে বিবাহ ; চকিনাগ্ৰামত হাড়িয়াৰ মণ্ডল পতা ; বিশ্বসিংহৰ জন্ম ; বিশ্ব সিংহৰ ৰাজপদ গ্ৰহণ (কোচ বিহাৰ প্ৰদেশত) ; শিৱ সিংহক যুৱৰাজ পদত অভিষেক ; বুঢ়ী গোঁসানীৰ আবিৰ্ভাৱ ; বিশ্ব সিংহৰ স্বৰ্গ নাৰায়ণৰ সৈতে যুদ্ধ যাত্ৰা ; বিশ্ব সিংহৰ মৃত্যু ; বিশ্ব সিংহৰ ওপৰত ব্ৰহ্ম শাপ ; যোগিনী তন্ত্ৰৰ প্ৰচাৰ ; ডাঙৰীয়া প্ৰভৃতি বিষয়া পতাৰ নিয়ম চলিত ; বিশ্ব সিংহৰ দীক্ষা মন্ত্ৰ গ্ৰহণ ; বিশ্ব সিংহৰ বিবাহ; নৰ সিংহ প্ৰভৃতি ১৮ জন কুমাৰৰ জন্ম ; নৰ সিংহৰ প্ৰতি শিৱৰ বৰদান ; নৰসিংহক হনুমন্তী দণ্ড প্ৰদান ; বিশ্ব সিংহৰ পুতেক সকলক যোগ্যানুসৰি কাৰ্য কৰিবলৈ আদেশ ; নৰসিংহৰ পিতৃ সিংহাসন অধিকাৰ ; মল্লদেৱৰ ৰাজপদ গ্ৰহণ আৰু শুক্লধ্বজক যুৱৰাজ পদত অভিষেক ; নৰসিংহৰ ভোটানাদি দেশলৈ পলায়ণ ; বুঢ়ীগোসাঁনী আৰু হনুমন্তী দণ্ড মল্লদেৱলৈ প্ৰেৰণ ; মল্লদেৱৰ নৰনাৰায়ণ নাম গ্ৰহণ ; নৰনাৰায়ণ আৰু শুক্লধ্বজৰ বিবাহ ; গোঁহাই কমল আলিৰ সৃষ্টি ; খোৱা ৰজাৰ আনকুলীয়া মানুহক ব্ৰাহ্মণ সজা; হিড়ম্বৰ ৰজাৰ কৰতলীয়া স্বীকাৰ ; মণিপুৰৰ ৰজাৰ সৈতে মিত্ৰতা ; জয়ন্তীয়া ৰজাৰ কৰতলীয়া স্বীকাৰ ; ত্ৰিপুৰাৰ ৰজাই তলতীয়া স্বীকাৰ ; খৈৰাম পতিয়ে কৰতলীয়া স্বীকাৰ; ডিমুৰীয়া ৰজাৰ তলতীয়া স্বীকাৰ ; শ্ৰীহট্টৰ ৰজাক বধ আৰু ভায়েকক ৰাজপদ অৰ্পণ ; শুক্লধ্বজৰ আহোম ৰজাৰে সৈতে যুদ্ধ যাত্ৰা ; ঐ বৌতা জাৱণিত বাস ; ভৈৰৱকুণ্ডত বাস; শুক্লধ্বজক চিলাৰায় নাম প্ৰদান ; চিলাৰায়ৰ প্ৰতি স্বৰ্গদেৱৰ পৰীক্ষা ; অসম ৰাজাৰ তলতীয়া স্বীকাৰ ; নলখামাৰাত চাওখছ খাপ পুতি থোৱা ; নৰনাৰায়ণৰ সৈতে বৈবাহিক সম্বন্ধ ; মুছলমানৰ প্ৰথমবাৰ কোচ ৰাজ্য প্ৰৱেশ ; কালাপাহাৰ কৰ্তৃক কামাখ্যা আৰু হয়গ্ৰীৱ মন্দিৰ ভঙ্গ ; চিলাৰায়ৰ কামাখ্যা মন্দিৰ পুনৰ সংস্কাৰ কৰিবলৈ অঙ্গীকাৰ ; চিলাৰায়ৰ গৌড় দেশলৈ যাত্ৰা ; চিলাৰায় গৌড় দেশত বন্দী ; চিলাৰায়ক দিল্লী নগৰীলৈ নিয়ে ; চিলাৰায়ৰ স্বপ্ন দৰ্শন ; হামিদা বেগমক সৰ্প দংশন ; চিলাৰায়ৰ মুক্তি; এজন ভট্টাচাৰ্য ভিক্ষা ; চিলাৰায়ে পীতাম্বৰত পানী ভিক্ষা ; চিলাৰায়ৰ সিদ্ধান্ত বাগীশ আৰু বিদ্যা বাগীশৰে সৈতে বিহাৰলৈ যাত্ৰা ; চিলাৰায়ৰ নৰনাৰায়ণে সৈতে মিলন ; নৰনাৰায়ণে পীতাম্বৰক পুৰোহিত আৰু পুৰুযোত্তমক গুৰু বৰণ ; উপাধি প্ৰদান; কামাখ্যা মন্দিৰ নিৰ্মাণ ; কামাখ্যা মন্দিৰ প্ৰতিষ্ঠা; পীতাম্বৰক ব্ৰহ্মোত্তৰ দান ; কামাখ্যা নাট মন্দিৰৰ ফলি ; গৌড় আক্ৰমণৰ জন্য বাদশ্যাহে চিলাৰায়ত আশ্ৰয়; নৰনাৰায়ণৰ মহাৰাজ বা সম্ৰাট উপাধি গ্ৰহণ ; ৰঘুদেৱ নাৰায়ণৰ জন্ম, চিলাৰায়ৰ মৃত্যু, চিলাৰায়ৰ বৃষোৎসৰ্গ, উত্তম প্ৰয়োগ ৰত্নমালা ব্যাকৰণ সৃষ্টি, কৌমুদী নামে অষ্টাদশ স্মৃতিৰ আৰম্ভ, ভাগৱত আদিৰ পদ্য ৰচনা, নৰনাৰায়ণৰ পুত্ৰ লাভ, ৰঘুনাৰায়ণৰ ৰৱনগৰলৈ আগমন ; ৰঘুদেৱে ঘিলাবিজাপুৰত ৰাজ্য স্থাপন; নৰনাৰায়ণৰ যুদ্ধ যাত্ৰা ; ৰঘুদেৱৰ প্ৰতি মন্ত্ৰীৰ মন্ত্ৰনা ; ৰঘুদেৱৰ পত্নীবিলাকৰ যুদ্ধ যাত্ৰা ; নৰনাৰায়ণ কৰ্তৃক ৰাজ্য বিভাগ ; ৰঘুদেৱক বুঢ়াগোসাঁনী প্ৰদান ; দাক্ষিণাত্যক বৈদিক ব্ৰাহ্মণ আৰু দৈৱজ্ঞ প্ৰদান; কোচৰ পৰা কলিতালৈ নীচ কুলীয়া বিলাকৰ প্ৰমোচন ; গোসাঁই মহন্ত আদি উপাধি প্ৰদান ; দক্ষিণপাট, আউনীআটী, বৰদোৱা আদিত সত্ৰ স্থাপন, মহাপুৰুষ শঙ্কৰদেৱৰ মৃত্যু ; মহাৰাজ নৰনাৰায়ণৰ মৃত্যু ; কোঁচবিহাৰত লক্ষীনাৰায়ণৰ ৰাজ্য ; লক্ষীনাৰায়ণৰ ৰাজত্ব ; লক্ষীনাৰায়ণৰ খোৱা ৰজাৰে সৈতে বৈবাহিক সম্বন্ধ, লক্ষীনাৰায়ণৰ ৰাজ্যত পৰীক্ষিতৰ উপদ্ৰৱ ; লক্ষীনাৰায়ণৰ পৰাভৱ ; লক্ষীনাৰায়ণৰ বাদশ্যাহৰ সৈতে বৈবাহিক সম্বন্ধ ; পৰীক্ষিতৰ বুদ্ধি স্বৰ্গনাৰায়ণৰ সৈতে বৈবাহিক সম্বন্ধ ; এই মহকুমাখনৰ নাম মঙ্গলদই হোৱাৰ কাৰণ ; মুছলমানৰ দ্বিতীয় আক্ৰমণ ; পৰীক্ষিতক দিল্লী নগৰলৈ নিয়ে ; দিল্লীত লক্ষীনাৰায়ণ আৰু পৰীক্ষিত নাৰায়ণৰ মিলাপ্ৰীতি ; কোচবিহাৰ মোগল সম্ৰাটৰ

ভিতৰুৱা ; হাজো কোচখণ্ডত ৰঘুদেৱৰ স্বনাম মোহৰ চলা; বুঢ়ীগোহানীৰ আবিৰ্ভাৱ, হয়গ্ৰীৱ মাধৱৰ মন্দিৰ নিৰ্মাণ আৰু প্ৰতিষ্ঠা ; পীতাম্বৰক আকৌ ব্ৰহ্মোত্তৰপ্ৰদান ; ৰঘুদেৱৰ পুত্ৰ লাভ, ৰঘুদেৱ নাৰায়ণৰ মৃত্যু ; ৰঘুৰজাকৰ্তৃক ভট্টাচাৰ্য্য আনয়ণ আৰু কামৰূপ খণ্ডত স্থাপন ; অসম ৰজা শিৱসিংহ কৰ্তৃক ভট্টাচাৰ্য্য আনয়ন ; মুছলমানৰ দ্বিতীয় আক্ৰমণ ; পীতাম্বৰৰ পৰা পৰীক্ষিতৰ দীক্ষা ; পৰীক্ষিতৰ মৃত্যু ; মুছলমানৰ তৃতীয়বাৰ আক্ৰমণ ; বলিনাৰায়ণৰ বাৰভূঞাৰ ঘৰত বাস ; বলিনাৰায়ণে চক্ৰধ্বজ সিংহত আশ্ৰয় গ্ৰহণ ; ইছলামখাঁই পৰীক্ষিতৰ ৰাজ্য অধিকাৰ ; বলিনাৰায়ণে সোণাৰিৰ কন্যাৰ সৈতে বিবাহ ; দৰঙ্গ দেশ যৌতুক ; পৰীক্ষিতৰ ৰাজ্য পুনৰুদ্ধাৰ ; পীতাম্বৰৰপৰা বলিনাৰায়ণৰ দীক্ষা গ্ৰহণ; বলিনাৰায়ণে মেদাত নগৰ স্থাপন ; বলিনাৰায়ণে ধৰ্মপুৰ উপনগৰ স্থাপন ; মহীন্দ্ৰ নাৰায়ণ আৰু আন আন কুমাৰৰ জন্ম ; মেঘনাৰায়ণত বেলতলাত ৰাজপদ প্ৰদান ; বিজনী, বেলতলা আৰু দৰঙ্গফৈদ বিভাগ ; মুছলমানৰ চতুৰ্থবাৰ আক্ৰমণ ; মুছলমানৰ পঞ্চমবাৰ আক্ৰমণ; বিলনাৰায়ণৰ পলায়ণ আৰু মৃত্যু; ভোগ নাৰায়ণৰপৰা আঠিয়াবৰীয়াফৈদ ; কৌমুদী স্মৃতিৰ শেষ ; মহাভাৰত আদিৰ মূলৰপৰা ভাঙনিৰ বিৱৰণ ; বিজনী ফৈদৰ বিৱৰণ ; দৰঙ্গী ফৈদৰ বিৱৰণ ; দক্ষিণপটীয়াসেৱক ; পীতাম্বৰৰ নাতি ৰামচক্ৰক দৰঙ্গলৈ আনে আৰু ৰামচক্ৰক ব্ৰহ্মোত্তৰ প্ৰদান ; পীতাম্বৰৰ সতি - সন্তানৰ ব্ৰহ্মোত্তৰ ৰাজেআপ্ত; আন আন বিলাকৰ পুনৰুদ্ধাৰ; ফলগুৎসৱকে আদি কৰি কেতবোৰ পদ্ধতি ৰচনা ; - মূৰ্ত্তি আৰু দেৱলীয়া ব্ৰাহ্মণ নিজৰাজ্যত স্থাপন ; - আৰু বিয়াহ আদি নিজৰাজ্যত স্থাপন ; কামৰূপ খণ্ডত উৎপাৎ ; অসমৰ সৈন্য পলায়ন ; মিৰজুমলাৰ মহীন্দ্ৰ নাৰায়ণৰ সৈতে মিলাপ্ৰীতি; চিমলাগত ধ্বংসে ; কামৰূপত শান্তিস্থাপন ; মহীন্দ্ৰনাৰায়ণৰ মৃত্যু ; মিৰজুমলাৰ সৈতে অসম ৰজাৰ সন্ধি ; মিৰজুমলাৰ মৃত্যু ; মুছলমানৰ ষষ্ঠ আক্ৰমণ ; চন্দ্ৰ নাৰায়ণৰ ৰাজপদ গ্ৰহণ ; মুছলমান সৈন্যৰ ভঙ্গ; মুছলমান সৈন্যে চন্দ্ৰনাৰায়ণক ধৰি নিয়ে ; চন্দ্ৰনাৰায়ণৰ পুনৰুদ্ধাৰ ; মুছলমানৰ ৭ম আক্ৰমণ ; চন্দ্ৰনাৰায়ণৰ কামৰূপত ঘুমৰুকোঠত নগৰ আৰু শৰাইঘাট উপনগৰ স্থাপন ; ৰামসিংহৰ চিৰিভাটী ; মানাহৰ পাৰত চকি পতাৰ নিয়ম চলিত ; মুছলমানৰ ৮ম বাৰ আক্ৰমণ ; মঞ্জুৰ খাঁৰ আক্ৰমণ ; মঞ্জুৰ খাঁৰ পলায়ণ ; চন্দ্ৰনাৰায়ণৰ মৃত্যু ; ৰুদ্ৰেশ্বৰ ও তাম্ৰেশ্বৰত দেৱোত্তৰ দান ; হৰিপুৰৰ ব্ৰাহ্মণক গোস্বামী উপাধি ; সূৰ্য্যনাৰায়ণৰ ৰাজ আসন অধিকাৰ ; বোদলী ব্ৰাহ্মণৰ বিৱৰণ; মুছলমানৰ ৯ম বাৰ আক্ৰমণ ; মঞ্জুৰখাঁৰ পুনৰ আগমন আৰু গুৱাহাটী স্বত্ব দখল ; সূৰ্যনাৰায়ণকলৈ মঞ্জুৰখাঁ পলায়ণ ; ইন্দ্ৰনাৰায়ণৰ ৰাজপাট অধিকাৰ ; ইন্দ্ৰ নাৰায়ণক কেৱল দৰঙ্গখনৰ ৰাজপদ দি সম্পূৰ্ণ তলতীয়া ৰাজ্য, কাইমৰ পিয়ল ; জয়ন্তা ৰজাৰ সৈতে অসম ৰজাৰ যুদ্ধ ; স্বৰ্গদেৱৰ ফলীয়া সৈন্যৰ পৰাজয় ; জয়ন্তাৰ যুদ্ধত ইন্দ্ৰনাৰায়ণৰ জয়লাভ ; ইন্দ্ৰনাৰায়ণক নানকাৰ দান; সূৰ্য্যনাৰায়ণৰ পুনৰ আগমন ; সূৰ্য্যনাৰায়ণক বধ কৰিবলৈ আদেশ; সূৰ্য্যনাৰায়ণক আউনীআটীয়া গোহাইৰ ভিক্ষা ; সূৰ্য্যনাৰায়ণক স্বৰ্গদেৱে দৰঙলৈ আহিবলৈ আদেশ ; ঢাকোৱালী পাইকৰ সৃষ্টি ; বঙলাফৈদ আৰু পগলাফৈদৰ বিৱৰণ ; হাতীগড়ৰ বিৱৰণ ; আদিত্য নাৰায়ণৰ ৰাজপাট অধিকাৰ ; আদিত্য নাৰায়ণৰ গোহাই কমল আলিৰ পৰা এই খণ্ডৰ ৰাজত্ব ; মৌদ নাৰায়ণৰ সৈতে ৰাজ্যভাগ; ডাঙৰ ৰজা আৰু সৰু ৰজা নামৰ বৃত্তান্ত ; চেঙ্গাপাইক আদিৰ খাটনিৰ নিয়ম; আদিত্য নাৰায়ণৰ মৃত্যু আৰু ধ্বজনাৰায়ণৰ সৰুভাগৰ ৰাজপদ গ্ৰহণ ; অসম সম্পূৰ্ণ তলতীয়া ; ধিৰ্নাৰায়ণৰ সৰুভাগত ৰাজত্ব ; পুত্ৰবিলাক ; বৰতিয়াৰ আক্ৰমণ ; ধিৰ্নাৰায়ণৰপলায়ণ ; মৌদ নাৰায়ণৰ গোটাৰজা ; অভয় আৰু ৰাজাপুখুৰীৰ বৃত্তান্ত ; মধুৰাম দ্বাৰা মানুহৰ চেঞ্চাচ ; জালভাৰি ববাৰ দ্বাৰা মাটি পিয়ল ; পাইকাণ আৰু নানকাৰ নাম স্ৰজন ; সাতশ'ইয়া আৰু চাৰমোহৰীয়া নামৰ বৃত্তান্ত ; মৌদনাৰায়ণৰ মৃত্যু আৰু মহত নাৰায়ণৰ ৰাজ্যাধিকাৰ ; আলানৰপীয়ল ; মৰাণ বিলাকৰ দৰঙ্গত প্ৰৱেশ ; পগলাফৈদৰ দূৰ্লভনাৰায়ণ সৰুভাগৰ ৰজা হয় ; দুৰ্লভৰ পুত্ৰ হংসনাৰায়ণ সৰুভাগ ৰজা হয় ; পগলাফৈদৰ মহত নাৰায়ণৰ মৃত্যু ; বঙ্গলাফৈদৰ কীৰ্ত্তিনাৰায়ণে ডাঙৰ ভাগৰ ৰাজত্ব গ্ৰহণ; কীৰ্ত্তিনাৰায়ণৰ মৃত্যু ; বঙ্গলাফৈদৰ হংস নাৰায়ণৰ ৰাজপদ গ্ৰহণ ; সমুদ্ৰ নাৰায়ণে নিজ নানকাৰ ভিতৰত সাতশ'ইয়া পাইক গঠন ; মোৱামৰীয়াৰ ৩য় বাৰ আহোম ৰাজ্য আক্ৰমণ; বঙলা ফৈদৰ বিষ্ণুনাৰায়ণৰ দ্বাৰা পগলা ফৈদৰ হংসনাৰায়ণ বধ আৰু তেওঁৰ ৰাজ্য অধিকাৰ ; কৃষ্ণনাৰায়ণৰ দ্বাৰা পগলাফৈদৰ হংসনাৰায়ণ বধ আৰু তেওঁৰ ৰাজ্য অধিকাৰ ; কৃষ্ণনাৰায়ণৰদ্বাৰা বিষ্ণুনাৰায়ণৰ অপমান আৰু তেওঁৰ ৰাজ্য অধিকাৰ ; কৃষ্ণনাৰায়ণৰ স্বাধীনতা ; বিষ্ণুনাৰায়ণৰ কলিকতালৈ গমন আৰু ইষ্ট ইণ্ডিয়া কোম্পানীৰ আশ্ৰয় ; কৃষ্ণ নাৰায়ণৰ পৰাজয় ; কৃষ্ণ নাৰায়ণে পুনৰবাৰ আহোম ৰজাৰ বশ্যতা স্বীকাৰ ; মোৱামৰীয়াৰ পৰাজয় ; বিষ্ণুনাৰায়ণৰ কামৰূপত ৰাজপদ গ্ৰহণ ; হৰদত্ত আৰু বীৰদত্তৰ দৰঙ প্ৰৱেশ আৰু হংসনাৰায়ণ কৃষ্ণনাৰায়ণৰ পলায়ণ ; হেমনাৰায়ণৰ ভূটীয়া দেশলৈ গমন ; হেমনাৰায়ণৰ ভূটীয়া ৰজাৰ কুৱৰী বিবাহ হয়নাৰায়ণৰ জন্ম ; হয়নাৰায়ণৰ পিতামহীৰ সৈতে মিলন ; হয়নাৰায়ণৰ নাম হোৱাৰ কাৰণ ; হয়নাৰায়ণৰ ভূটীয়া দেশলৈ পলায়ন ; হয়নাৰায়ণৰ দ্বাৰা উভয় ভাগৰ ৰাজত্ব গ্ৰহণ ; অমৃত নাৰায়ণক পোষ্যপুত্ৰ গ্ৰহণ ; মুকুন্দ নাৰায়ণৰ জন্ম ; নীলকান্ত ঠাকুৰ আৰু ৰতিকান্ত শৰ্মাৰ দ্বাৰা হয়নাৰায়ণৰক হিন্দুধৰ্ম গ্ৰহণৰ উপায় ; হয়নাৰায়ণৰ হিন্দুধৰ্ম গ্ৰহণ ; হৰিপুৰ সত্ৰাধিকাৰীৰ মান বৰ্দ্ধন; ভাগতি সত্ৰ স্থাপন আৰু সেই ঠাইৰ ব্ৰাহ্মণক গোঁসাই উপাধি ; হয়নাৰায়ণৰ আউনীআটীয়াগোস্বামীত শৰণ ; কোৱৰ ভাগ গাঁৱৰ ব্ৰাহ্মণক বৰা উপাধি; ব্ৰহ্মবৈবৰ্তপুৰাণৰ সৰল পদ্য ৰচনা ; হয়নাৰায়ণৰ পৰা বেলগাই আনি কৃষ্ণনাৰায়ণে ডাঙৰ ভাগৰ ৰাজপাট অধিকাৰ ; কৃষ্ণনাৰায়ণৰ সৰবাৰী মৌজাত নতুন নগৰ স্থাপন ; প্ৰভাকৰ ভট্টাচাৰ্য্যৰ দ্বাৰা নৱনগৰ দাহ, আমন্ত্ৰিত বেল ষষ্ঠীৰ দিনা বেলঘৰলৈ অনাৰ নিয়ম চলিত ; হয়নাৰায়ণ আৰু কৃষ্ণনাৰায়ণৰ মৃত্যু ; হয়নাৰায়ণৰ সতি-সন্ততি বিলাকৰ বিৱৰণ; চণ্ডীনাৰায়ণে ৰজা কৃষ্ণনাৰায়ণক পোষ্য গ্ৰহণ ; সমুদ্ৰনাৰায়ণে উভয়ভাগৰ ৰাজপাট অধিকাৰ ; সমুদ্ৰনাৰায়ণৰ দ্বাৰা ভূটীয়া ৰজাৰ মৃত্যু ; প্ৰেমনাৰায়ণে ডাঙৰ ভাগৰ আৰু সমুদ্ৰ নাৰায়ণে সৰুভাগৰ ৰাজপাট অধিকাৰ ; প্ৰেমনাৰায়ণৰ দ্বাৰা ক'লাপানি হাজৰিকা বন্দী; প্ৰভাকৰ ঠাকুৰৰ কৃপাত ক'লাপানিৰ মুক্তি ; প্ৰেমনাৰায়ণৰ সলনি জগত নাৰায়ণৰ ৰাজত্ব ; প্ৰেমনাৰায়ণৰ মৃত্যু প্ৰেমনাৰায়ণৰ সতি-সন্ততি বিলাকৰ বিৱৰণ ; জগত নাৰায়ণ আৰু মুকুন্দ নাৰায়ণৰ সলনি বিষ্ণুনাৰায়ণ পুনৰ উভয় ভাগৰ ৰজা ; অসমত প্ৰথমবাৰ মানৰ প্ৰৱেশ ; চণ্ডীনাৰায়ণৰ পত্নীৰদ্বাৰা জগত নাৰায়ণক পোষ্যগ্ৰহণ ; দুৰ্গানাৰায়ণৰ দ্বাৰা গন্ধৰ্ব নাৰায়ণক পোষ্য গ্ৰহণ ; যজ্ঞানাৰায়ণৰ পত্নীৰ দ্বাৰা গন্ধৰ্বনাৰায়ণক পোষ্যগ্ৰহণ ; সূৰ্য্যদেৱ ভট্টাচাৰ্য্যৰ দ্বাৰা ৰাজবংশাৱলী তৈয়াৰ ; গন্ধৰ্ব নাৰায়ণৰ সতি-সন্ততি বিলাকৰ বিৱৰণ ; বিজয়নাৰায়ণে উভয় ভাগৰ ৰাজপাট গ্ৰহণ ; মানহঁতৰ ১ম বাৰ অসম আক্ৰমণ ; মানহঁতৰ ২য় বাৰ অসম আক্ৰমণ; মানহঁতৰ ৩য় বাৰ অসম আক্ৰমণ; মানৰ দিনৰ উৎপাত ; বিজয় নাৰায়ণৰ মানৰজাৰ সৈতে বৈবাহিক সম্বন্ধ ; ৰজা চেতীয়াৰ বিৱৰণ ; ৰজা বিজয় নাৰায়ণ আৰু কলীয়াফুকনৰ ওপৰত গাভৰুবিলাকৰ অভিশাপ ; ৰমণী বিলাকৰ

মৃত্যু ; কুমাৰীপুজা ; অলেখপূজা ; ব্ৰাহ্মণৰ প্ৰমচন ; গছবিয়া ; ভট্টাচাৰ্য্যৰ প্ৰমচন ; মানহঁতৰ কাচাৰ ৰাজ্য আক্ৰমণ ; মানহঁতৰ চাহপুৰ নামে ঠাই অধিকাৰ; মান আৰু ইংৰাজৰ যুদ্ধ ; শান্তি স্থাপন ; ঘট কুৱোৰাৰ উৎপাত ; ৰজা বিজয় নাৰায়ণৰ দ্বাৰা ঘটকুৱোৰাৰ উৎপাত দমন ; স্কট চাহাব দ্বাৰা অসমত শান্তি স্থাপনৰ চেষ্টা ; ৰজা পুৰন্দৰ সিংহক শিৱসাগৰ আৰু লক্ষীমপুৰ জিলা অৰ্পণ; পুৰন্দৰ সিংহ আৰু চন্দ্ৰকান্ত সিংহক পেঞ্চন দিয়াৰ নিয়ম চলিত ; ৰজা বিজয় নাৰায়ণক দৰঙ্গ জিলা অৰ্পণ ; বিজয় নাৰায়ণৰ দ্বাৰা বৃহৎ গড় নিৰ্মাণ ; ৰজা বিজয় নাৰায়ণক নজৰ বন্দী ; কুচবিহাৰাধিপতিৰ দ্বাৰা বাকী টকা শোধ আৰু বিজয়নাৰায়ণক বন্দী মুকলি ; গৰিয়া বনিয়াৰ ফাটক ; বিজয়নাৰায়ণক নামমাত্ৰ ৰাজপদ দান; মুকুন্দনাৰায়ণক ডাঙৰভাগৰ ৰাজপদ প্ৰদান ; ৰজা বিজয় নাৰায়ণক মুঞ্চিফ আৰু ৰজা মুকুন্দ নাৰায়ণক পুলিচ চুপাৰিণ্টেণ্ডেণ্ট নিযুক্ত ; বন্দী বেটীৰ মুক্তি ; বিজয় নাৰায়ণৰ পাঙ্গা ৰজাৰ সৈতে বৈবাহিক সম্বন্ধ ; সুন্দৰ নাৰায়ণে মুকুন্দনাৰায়ণক পোষ্য গ্ৰহণ ; ৰজা মুকুন্দ নাৰায়ণৰ পুত্ৰ লাভ ; ৰজা মুকুন্দ নাৰায়ণৰ মৃত্যু ; ধৈৰ্য্যনাৰায়ণে ডাঙৰ ভাগৰ ৰাজ্য লাভ ; ৰজা মুকুন্দ নাৰায়ণৰ সতি সন্ততি বিলাক ; ধৈৰ্য্যনাৰায়ণৰ মৃত্যু আৰু অনন্ত নাৰায়ণৰ ৰাজপাট অধিকাৰ; মহেন্দ্ৰ নাৰায়ণ মৌজাদাৰ ; অনন্ত নাৰায়ণক ৰায়বাহাদুৰ উপাধি ; অনন্ত নাৰায়ণৰ মৃত্যু ; ৰজানামৰ অন্তঃ; ৰাজত্বীৰ লাখেৰাজ বাজেআপ্ত ; ৰাজত্বী লাখেৰাজ পুনৰ প্ৰদান ; বুঢ়ী গোসানী আৰু ৰাজত্বী লাখেৰাজ পৈতৃক সম্পত্তিৰ ভিতৰত গণ্য; ৰজা অনন্ত নাৰায়ণৰ সতি - সন্ততি বিলাকৰ বিৱৰণি; ৰজা বিজয় নাৰায়ণৰ মৃত্যু ; বলীন্দ্ৰ নাৰায়ণৰ মৌজাদাৰী আৰু মুন্সেফী পদ গ্ৰহণৰ বৃত্তান্ত ; বলীন্দ্ৰ নাৰায়ণৰ সৰু ভাগৰ ৰাজপাট অধিকাৰ ; বলীন্দ্ৰ নাৰায়ণক ৰায়বাহাদুৰ উপাধি ; ৰজা বলীন্দ্ৰ নাৰায়ণৰ মৃত্যু ; সৰু ৰজাৰ নাম অন্ত বন্ধোত্তৰ আৰু ধৰ্মোত্তৰ বিলাকৰ জঙ্গলৰ কৰ ধাৰ্য্য ; ফটিকা পীয়ল ; ৰজা বলিন্দ্ৰ নাৰায়ণৰ সতি সন্ততি বিলাকৰ বিৱৰণ ; লাখেৰাজ আৰু নিস্পিখেৰাজ মহল বিলাক চামিল। উল্লেখিত সূচীৰে গ্ৰন্থখন প্ৰকাশৰ সকলো যো-যা সম্পূৰ্ণ হৈছিল যদিও গ্ৰন্থকাৰে উল্লেখ কৰা মতেই পৃষ্ঠপোষকৰ লোকান্তৰ হোৱাত গ্ৰন্থখনে ছপাৰূপ পাবলৈ নহ'ল। ইতিমধ্যে গ্ৰন্থকাৰৰো লোকান্তৰ ঘটিল। গ্ৰন্থখনৰ প্ৰেছৰ উপযোগীকৈ লিখা কপিটো তেখেতৰ বংশধৰ সকলে সযত্নে ৰাখি আছিল। আশীৰ দশকত সেই সময়ৰ অসমৰ শিক্ষামন্ত্ৰী মাননীয় হৰেন্দ্ৰ নাথ তালুকদাৰ দেৱে প্ৰকাশ কৰিম বুলি কপিটো লৈ যায় । বহুবছৰ ধৰিও ছপাৰ মুখ নেদেখাত গৃহস্থৰ ফালৰ পৰা খা-খবৰ কৰাত গ্ৰন্থখন হেৰোৱা বুলি মন্তব্য আগবঢ়ায় । যদি গ্ৰন্থখন প্ৰকাশ হ'লহেতেঁন তেনেহলে দৰঙৰ অতীত ৰাজনীতি, অৰ্থনীতি আৰু সামাজিক জীৱণৰ পূৰ্ণাঙ্গ ছবি এখন প্ৰকাশ পালেহেঁতেন । প্ৰেছকপি কৰাৰ আগেয়ে লিখা কেইটামান পাত উদ্ধাৰ কৰিব পৰা হৈছে। তাত উল্লেখ কৰা সূচীখনৰ ওপৰিও মাজৰ কেইটামান পাত আছে । সেই পাতত কেইটাত বিশেষ ঘটনা বিলাকৰ শকাব্দ আৰু খ্ৰীষ্টাব্দ উল্লেখ কৰা হৈছে। হয়নাৰায়ণৰ দ্বাৰা উভয় ভাগৰ ৰাজত্ব গ্ৰহণৰ পৰা আৰম্ভ কৰি কুচবিহাৰাধিপতিৰ দ্বাৰা বাকী টকা শোধ আৰু বিজয় নাৰায়ণৰ বন্দী মুকলি লৈ কৰা আলোচনা খিনিও পোৱা গৈছে। উল্লেখযোগ্য বিশেষ ঘটনা বিলাকৰ শকাব্দ আৰু খ্ৰীষ্টাব্দ হ'ল -

<u>বিশ্বসিংহৰ জন্ম - ১৩৯৯ শক, ( ১৪৭৮ খৃঃ) ঃ</u>

| | |
|---|---|
| চিলাৰায়ৰ চুখামফা বা খোৰা ৰজাৰ -. ..................... সৈতে ১ম বাৰ যুদ্ধ যাত্ৰা | ১৪৭৪ (১৫৫২) |
| কালাপাহাৰৰ দ্বাৰা কামাখ্যা আৰু হয়গ্ৰীৱ দ'ল ভঙ্গ - | ১৪৭৫ ( ১৫৫৩) |
| খোৰাৰজাৰসৈতে ২ য় বাৰ চিলাৰায়ৰ যুদ্ধ যাত্ৰা আৰু চিলাৰায়ৰ তলতীয়া স্বীকাৰ .......... | ১৪৮৫ (১৫৬৩) |
| চিলাৰায়ৰ দ্বাৰা ছুটীয়াৰ ৰজা মিৰি নামে কোঁৱৰক নিজৰ ৰাজ্যে স্থাপন ............... ........ | ১৪৮৫ (১৫৬৩) |
| চিলাৰায় দিল্লী নগৰীত বন্দী .......................... | ১৪৮৫ (১৫৬৩) |
| পীতাম্বৰ সিদ্ধান্ত বাগীশ আৰু পুৰুষোত্তম বিদ্যাবাগীশক দিল্লীৰ পৰা আনে .................. | ১৪৮৫ (১৫৬৩) |
| চিলাৰায় আৰু নৰনাৰায়ণৰ দ্বাৰা কামাখ্যা দ'ল নিৰ্মাণ | ১৪৮৭ (১৫৬৫) |
| চিলাৰায়ৰ দ্বাৰা গৌড় দেশৰ দাউখাঁৰ পৰাজয় আৰু তেওঁৰ ৰাজ্য অধিকাৰ ; নৰনাৰায়ণৰ মহাৰাজ উপাধি ............................................... | ১৪৮৮ ( ১৫৬৬) |
| চিলাৰায়ৰ দ্বাৰা দেৱলীয়া ব্ৰাহ্মণ আনয়ন ......... | ১৪৮৮ ( ১৫৬৬) |
| চিলাৰায়ৰ পুত্ৰ লাভ ....................................... | ১৪৮৮ (১৫৬৬) |
| চিলাৰায়ৰ মৃত্যু ............................................ | ১৪৯০ (১৫৬৮) |
| শংকৰদেৱৰ মৃত্যু ........................................... | ১৪৯০ (১৫৬৮) |
| ৰত্নমালা ব্যাকৰণ ৰচনা ...................................... | ১৪৯০ (১৫৬৮) |
| ৰঘুদেৱ নাৰায়ণ কোঁৱৰৰ ৰজানামজাৰী | ১৫০২ (১৫৮০) |
| ৰঘুৰজাৰ দ্বাৰা পীতাম্বৰক লৌহিত্যৰ দক্ষিণপাৰে স্থাপন ......................................... | ১৫০২ (১৫৮০) |
| মহাৰাজ নৰনাৰায়ণৰ দ্বাৰা ৰাজ্য ভাগ ................. | ১৫০৩(১৫৮১) |
| ৰঘুদেৱৰ দ্বাৰা হয়গ্ৰীৱ মন্দিৰ নিৰ্মাণ | ১৫০৫(১৫৮৩) |
| লক্ষীনাৰায়ণৰ বিহাৰ ৰাজ্য লাভ ....................... | ১৫০৭(১৫৮৫) |
| পীতাম্বৰৰ দ্বাৰা পৰীক্ষিতক শাক্তদীক্ষা মন্ত্ৰোপদেশ .. | ১৫১৫(১৫৯৩) |
| মঙ্গলদৈ নামে কুঁৱৰীৰ বিবাহ .......................... | ১৫২৭(১৬০৫) |
| মক্ৰমখাঁৰ দ্বাৰা পৰীক্ষিতক দিল্লী নগৰীলৈ নিয়ে | ১৫২৮(১৬০৬) |
| ইছলাম খাঁৰ দ্বাৰা পৰীক্ষিতৰ ৰাজ্য অধিকাৰ | ১৫৩৫(১৬১৩) |
| পীতাম্বৰৰ দ্বাৰা বলিনাৰায়ণক দীক্ষা মন্ত্ৰোপদেশ | ১৫৩৭(১৬১৫) |
| বেলতলাৰ আদি পুৰুষ মেঘনাৰায়ণৰ বলিনাৰায়ণৰ শৰণ ......................................... | ১৫৩৮(১৬১৬) |
| মুছলমানৰ ৪ৰ্থ বাৰ কোচৰাজ্য আক্ৰমণ আৰু ভঙ্গ | ১৫৪৯(১৬২৭) |
| ছাজাহান বাদশ্যাহৰ সেনাপতি আবদুৰ দ্বাৰা বলিনাৰায়ণৰ ৰাজ্য হস্তগত ................................ | ১৫৫৫(১৬৩৩) |
| বিজনী ফৈদৰ বিজিত নাৰায়ণক কৰতলীয়া ৰজাপাতে | ১৫৫৬(১৬৩৪) |
| মহীন্দ্ৰ নাৰায়ণৰ দ্বাৰা পীতাম্বৰৰ নাতি ৰামচন্দ্ৰক দৰঙলৈ আনয়ণ ............................................ | ১৫৫৬(১৬৩৪) |
| মিৰজুমলাৰ অসম আক্ৰমণ .............................. | ১৫৮৩(১৬৬১) |
| ৰচিদখাঁ আৰু চৈয়দ ফিৰোজৰ সৈন্যৰ দ্বাৰা চন্দ্ৰনাৰায়ণৰ পৰাজয় ......................................... | ১৫৮৯(১৬৬৭) |
| মঞ্জুৰখাঁই সূৰ্য্যনাৰায়ণক দিল্লীলৈ নিয়ে ........................ | ১৬০৪(১৬৮২) |
| ইন্দ্ৰনাৰায়ণক অকল দৰঙ্গ খণ্ডৰহে ৰজা | ১৬০৬(১৬৮৪) |
| ইন্দ্ৰনাৰায়ণৰ দ্বাৰা হাতীগড় নিৰ্মাণ | ১৬০৮(১৬৮৬) |
| আহোমৰ ৰজা ৰুদ্ৰসিংহৰ দ্বাৰা দৰঙ্গ পীয়ল আৰু | |

চেঙ্গা আদি পাইক গঠন ................................ ১৬২১(১৬৯৯)
সূৰ্যনাৰায়ণৰ পুনৰ দৰঙলৈ আগমণ ১৬৪৭(১৭২৫)
আদিত্য নাৰায়ণক ৰাজত্ব কালত ৰাজ্যভাগ ১৬৫১(১৭২৯)
ঢাকোৱালি পাইকৰ প্ৰচলন ১৬৫২(১৭৩০)
অসমত বৰতিয়াৰ উৎপাত ১৬৬৬(১৭৪৪)
মধুৰাম কাকতিৰ দ্বাৰা মানুহৰ পীয়ল ১৬৮০(১৭৫৮)
মোৱামৰীয়াৰ প্ৰথমবাৰ ৰাজ্য আক্ৰমণ ১৬৯২(১৭৭০)
জালভাবি বৰাদ্বাৰা ২য় বাৰ মাটিৰ পীয়ল ১৬৯৩(১৭৭১)
আলানবদ্বাৰা তৃতীয়বাৰ মাটি পীয়ল ১৭০০(১৭৭৮)
মোৱামৰীয়াবদ্বাৰা দ্বিতীয় বাৰ অসম ৰাজ্য আক্ৰমণ ১৭০৪(১৭৮২)
মোৱামৰীয়াবদ্বাৰা তৃতীয়বাৰ অসম ৰাজ্য আক্ৰমণ ১৭০৯(১৭৮৭)
বিষ্ণুনাৰায়ণৰ দ্বাৰা হংসনাৰায়ণৰ অপমান ১৭১১(১৭৮৯)
কৃষ্ণনাৰায়ণৰ স্বাধীনতা ১৭১৩(১৭৯১)
কেপ্টেন ওৱেলছৰ দ্বাৰা কৃষ্ণনাৰায়ণ আৰু
মোৱামৰীয়াৰ উপদ্ৰৱ দমন ...................... ১৭১৪(১৭৯২)
বিষ্ণুনাৰায়ণ কামৰূপখণ্ডৰ ৰজা ১৭১৫(১৭৯৩)
হৰদত্ত বীৰদত্তৰ দৰঙ প্ৰৱেশ ১৭১৮(১৭৯৬)
বিষ্ণুনাৰায়ণৰ কামৰূপ ৰাজ্য ত্যাগ ১৭২২(১৮০০)
মানহতৰ প্ৰথমবাৰ অসম আক্ৰমণ আৰু
বিষ্ণুনাৰায়ণ দৰঙৰ পুনৰ ৰজা .......................... ১৭৩৭(১৮১৬)
বিষ্ণুনাৰায়ণৰ দ্বাৰা বিজয়নাৰায়ণক নিজ ৰাজ্য প্ৰদান
আৰু ৰজা বিজয় নাৰায়ণ দৰঙৰ একাধিপতি ................ ১৭৩৭(১৮১৬)
মানহতৰ দ্বিতীয়বাৰ অসম আক্ৰমণ ১৭৪০(১৮১৮)
মানহতৰ তৃতীয়বাৰ অসম আক্ৰমণ আৰু মানৰ সৈতে
বিজয়নাৰায়ণৰ বৈবাহিক সম্বন্ধ .......................... ১৭৪৩(১৮২১)
ইংৰাজী ৰজাৰ সম অধিকাৰ.............................. ১৭৪৫(১৮২৪)
যটাকুৰোৱাৰ উৎপাত .................................. ১৭৪৫(১৮২৪)
দৰঙ ৰাজ্যখাছ ....................................... ১৭৪৬(১৮২৫)
বন্দীবেটী আৰু গোলাম খালাচ ১৭৪৬(১৮২৫)
ব্ৰহ্মোত্তৰ ৰাজেআপ্ত ................................ ১৭৫৭(১৮৩৫)
বিজয়নাৰায়ণৰ পাঙ্গাৰজাৰ সৈতে বৈবাহিক সম্বন্ধ ১৭৬১(১৮৩৯)
ব্ৰহ্মোত্তৰাদিৰ পুনৰুদ্ধাৰ ................................. ১৭৬৩(১৮৪১)
ৰজা অনন্তনাৰায়ণ আৰু বলীন্দ্ৰনাৰায়ণক ৰজা
বাহাদুৰ উপাধি ......................................... ১৭৭৪(১৮৫২)
ব্ৰহ্মোত্তৰৰ জংঘলবিলাকত খাজানা ধাৰ্য্য ১৭৮৩-৯৬(১৮৬১-৭৪)
ফটিক চন্দ্ৰ বৰুৱাৰ দ্বাৰা লাখেৰাজ আৰু
নিস্পিখেৰাজ মহল চামিল ........................ ১৭৯৮(১৮৭৭)

**দৰঙী ফৈদৰ বিশেষ কথা -**

ৰজা আদিত্য নাৰায়ণৰ ৰাজত্ব কালত ৰাজ্যখন দুভাগ হোৱাত কোনে কিভাগত ৰাজত্ব কৰি গৈছে তেওঁ, বিলাকৰ পৃথকে পৃথকে নাম ।

**ডাঙৰ ভাগৰ ৰজাবিলাকৰ নাম -**

(ক) মৌদ নাৰায়ণ (খ) মহৎনাৰায়ণ (গ) কীৰ্ত্তিনাৰায়ণ (ঘ) হংসনাৰায়ণ (ঙ) হয়নাৰায়ণ (চ) কৃষ্ণনাৰায়ণ (ছ) সমুদ্ৰনাৰায়ণ (জ) প্ৰেমনাৰায়ণ (ঝ) জগতনাৰায়ণ (ঞ)বিষ্ণুনাৰায়ণ (ট) বিজয়নাৰায়ণ (ঠ) মুকুন্দনাৰায়ণ (ড) ধৈৰ্য্যনাৰায়ণ (ঢ) অনন্ত নাৰায়ণ ।

**সৰু ভাগৰ ৰজাবিলাকৰ নাম -**

(অ) ধ্বজনাৰায়ণ (আ) ধিৰ্ননাৰায়ণ (ই) মৌদনাৰায়ণ (ঈ) মহৎনাৰায়ণ (উ) দুৰ্লভনাৰায়ণ (ঊ) হংসনাৰায়ণ (ঋ) বিষ্ণুনাৰায়ণ (ৠ) কৃষ্ণনাৰায়ণ (ঌ) হয়নাৰায়ণ (ৡ) সমুদ্ৰনাৰায়ণ (এ) মুকুন্দনাৰায়ণ (ঐ) বিষ্ণুনাৰায়ণ (ও) বিজয়নাৰায়ণ (ঔ) বলীন্দ্ৰনাৰায়ণ ।

**দুই ভাগৰ গোটাৰজা হোৱাবিলাকৰ নাম -**

(১) মৌদনাৰায়ণ (২) মহতনাৰায়ণ (৩) হয়নাৰায়ণ (৪) সমুদ্ৰ নাৰায়ণ (৫) বিষ্ণুনাৰায়ণ (৬) বিজয়নাৰায়ণ ।

**এভাগৰ ৰজা ভগা যোৱাৰ পাছত অইন ভাগৰ ৰজা হৈ থকা বা হোৱা বিলাকৰ নাম -**

(১) কৃষ্ণনাৰায়ণ (২) মুকুন্দনাৰায়ণ, (৩) মহতনাৰায়ণ, (৪) হয়নাৰায়ণ (৫) বিজয়নাৰায়ণ (৬) মৌদনাৰায়ণ (৭) বিষ্ণুনাৰায়ণ (৮) হয়নাৰায়ণ ।

বুৰঞ্জী অধ্যয়নকাৰী সকলৰ সহায়ক হোৱাৰ আশাৰে এইখিনি আগবঢ়োৱা হ'ল ।

ড° বিজয় কুমাৰ শৰ্মা মঙলদৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক, বিশিষ্ট প্ৰবন্ধ লিখক।

"মূল্যবোধৰ অৱক্ষয় প্ৰতিৰোধ কৰাৰ প্ৰচেষ্টা প্ৰৱন্ধ বা ৰচনা সাহিত্যৰ এটা গুৰুত্বপূৰ্ণ দায়িত্ব। সাহিত্যিক, ছাত্ৰসকল আৰু বুদ্ধিজীৱিসকলে আত্মকেন্দ্ৰিক প্ৰতিষ্ঠাৰ ক্ষমতাপুষ্ট নৈতিকতাৰ ওপৰত নতশিৰ নহৈ নতুন মূল্যবোধৰ সাহসী যোদ্ধা হ'ব লাগিব। প্ৰৱন্ধ বা সাহিত্যৰ লিখা মূল্যবোধ নিজৰ জীৱনত প্ৰয়োগ কৰি নিজে নতুন মানুহৰ দৃষ্টান্ত হ'ব লাগিব। সাহিত্যৰ উদ্দেশ্য জীৱনক সুন্দৰ, সত্য আৰু উন্নত কৰা। তেতিয়াহে আহিব প্ৰবন্ধ সাহিত্যৰ সাফল্য।"

— *আনন্দেশ্বৰ শৰ্মা*

# সিদ্ধান্ত আৰু জনসাধাৰণ ভূমিকা

প্ৰফুল্ল দেৱ শৰ্মা

"সিদ্ধান্ত" টো আপেক্ষিক বিষয় যিটো বাস্তৱ জীৱনত আমি কোনোৱেই এৰাই চলিব নোৱাৰো। সিদ্ধান্তহীনতা হ'ল বাস্তৱ বিমুখতা। সিদ্ধান্ত ব্যক্তিগত আৰু ৰাজহুৱা অথবা ই চৰকাৰী আৰু বেচৰকাৰী হব পাৰে। ঘৰখন পৰিচালনাৰ বাবে যিটো সিদ্ধান্তৰ আৱশ্যক, ৰাষ্ট্ৰখন পৰিচালনাৰবাবে অনুৰূপ কাৰ্যৰ প্ৰয়োজন। কোনো এটা কাৰ্যকৰণাৰ্থে ব্যক্তি বা গোটে মনৰ পৰিপূৰকতা স্থিৰ কৰাটোৱেই সিদ্ধান্ত। এটা সিদ্ধান্ত গ্ৰহণ কৰাৰবাবে অন্য এটা সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। এটা সিদ্ধান্ত গ্ৰহণে অন্য এটা সমস্যা সৃষ্টি কৰিব পাৰে। কিন্তু সমস্যা অন্ত কৰাৰবাবে কৰা কাৰ্যই সিদ্ধান্ত বুলি দেশীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়টো আলোচিত হৈছে।

ৰাজনীতিত কোনো কাৰ্য কৰাৰ বাবে দাবী উত্থাপক, দাবী গ্ৰহণ কৰোতা আৰু দাবী কাৰ্যকৰী কৰোতা তিনিটা অংগ আছে। সাধাৰণতে ৰাষ্ট্ৰ এখনত বিভিন্ন সমস্যাযুক্ত পৰিবেশ থাকে। সমস্যাবোৰ ভোগ কৰ্তা বা নাগৰিকে সমাধানৰ বাবে দাবী উত্থাপন কৰে। দাবীসমূহৰ ওপৰত বিচাৰ বিশ্লেষণ কৰি চৰকাৰী কৰ্মচাৰী সকলে দাবী কাৰ্যকৰী গোট বা কাৰ্যপালিকালৈ প্ৰতিবেদন পঠায়। চৰকাৰে সমস্যাসমূহৰ মাজৰপৰা গুৰুত্বপূৰ্ণ সমস্যা চিনাক্ত কৰি বিষয়টোৰ ওপৰত সিদ্ধান্ত লব। ফলাফল হিচাবে সিদ্ধান্তই গ্ৰহণ কৰা ব্যৱস্থাসমূহ পোৱা যায়।

গতিকে ওপৰৰ ব্যৱস্থাপনাৰ পৰা বুজিব পাৰি যে, এটা সিদ্ধান্ত গ্ৰহণত কিছুমান উপাদানে ক্ৰিয়া কৰে। উপাদানবোৰ ভিতৰত তথ্য সংগ্ৰহ, আচৰণ, দাবীৰ প্ৰকাৰ আৰু যুক্তিযুক্ততা বিচাৰ কৰা, বিকল্প ভাৱে চিন্তা কৰা, পৰিবেশ আদি উল্লেখযোগ্য। এইবোৰৰ ভিতৰত শুদ্ধতথ্যৰ অতিকৈ প্ৰয়োজন। পৰিবেশকো কোনো কাৰণতে অস্বীকাৰ কৰিব নোৱাৰি। সিদ্ধান্ত গ্ৰহণত চৰকাৰৰ ভূমিকা যিদৰে গুৰুত্বপূৰ্ণ তেনেদৰে জনসাধাৰণৰ ভূমিকাও কম গুৰুত্বপূৰ্ণ নহয়। জনসাধাৰণৰ কোনটো দাবী অত্যাৱশ্যক গ্ৰহণযোগ্য তেনেদাবীহে উত্থাপন কৰা উচিত। সিদ্ধান্ত গ্ৰহণ কৰোতা সকলে এটা সিদ্ধান্তৰ পৰা হব পৰা প্ৰতিক্ৰিয়াক গুৰুত্ব দিব লাগে। তেওঁলোকে কেতিয়াও সিদ্ধান্ত গ্ৰহণৰ সময়ত আনৰ ওপৰত নিৰ্ভৰ কৰিব নালাগে।

আমি চৰকাৰী সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াৰ যোগেদি এটা সুস্থ তথা পৰিষ্কাৰ সিদ্ধান্তত উপনীত হব পাৰো যে, সিদ্ধান্ত এটা লোৱাৰ আগতে সিদ্ধান্ত গ্ৰহণকাৰী যন্ত্ৰটোৱে কিছুমান দাবীৰ সন্মুখীন হয়। দাবীবোৰৰ ওপৰত অধ্যয়ন কৰাৰ পিছত নিৰ্দিষ্ট যুক্তি সংগত আৰু আৱশ্যকীয় দাবীবোৰৰ পৰ্যায়ক্ৰমে সিদ্ধান্ত গ্ৰহণকাৰী প্ৰক্ৰিয়ালৈ আগবঢ়াই দিয়া হয়। এনে এক দীঘলীয়া প্ৰক্ৰিয়া সমাজলৈ পৰাৰ পিছত ফলাফল দাবী উত্থাপকৰ ওচৰলৈ যাব। যদি সিদ্ধান্ত গ্ৰহণ যোগ্য হয় তেনেহলে শান্তিপূৰ্ণভাৱে মানি লব আৰু বাকীদাবীবোৰক তেওঁলোকে পুনৰ উত্থাপন কৰিব। যদিহে গ্ৰহণযোগ্য নহয় তেনেহলে পৌনঃ পৌনিক প্ৰত্যাহ্বানৰ সন্মুখীন হব। দাবী পূৰ্বতকৈ সজোৰে আগমণ হব।

এটা চৰকাৰী সিদ্ধান্ত গ্ৰহণৰ সময়ত জনমত, বাতৰিকাকত, প্ৰভাৱগোষ্ঠী, প্ৰচাৰ মাধ্যম আদিয়ে প্ৰভাৱ পেলাব পাৰে। সিদ্ধান্ত গ্ৰহণকাৰী গোটটোক তেওঁলোকৰ কাৰ্যসম্পাদনৰ প্ৰতি দায়িত্বশীল কৰিব পাৰে।

এটা চৰকাৰী সিদ্ধান্ত গৃহীত হোৱাৰ আগতে সিদ্ধান্ত গ্ৰহণ কৰোতাসকলৰ ব্যক্তিগত, বিচাৰ চিন্তাৰ প্ৰভাৱ পৰে। আনহাতে সিদ্ধান্ত লওঁতে ব্যক্তিজনৰ দক্ষতা পৰিপূৰ্ণ ব্যক্তিত্ব আৰু সুস্থ চিন্তাধাৰা থকাৰ লগতে উক্ত ব্যক্তিজনৰ বিষয়ভিত্তিক জ্ঞান থকাৰ প্ৰয়োজন। মূলতঃ চৰকাৰী সিদ্ধান্ত গ্ৰহণ কৰোতে ব্যক্তিগত ভাৱে একোটা নিজা সিদ্ধান্তত উপনীত হয়।

সিদ্ধান্ত সদায় সিদ্ধান্ত। সিদ্ধান্ত পৰিবৰ্তন কৰাৰ বাবে এটা মানসিক পৰিপূৰক চিন্তাৰ প্ৰয়োজন। সিদ্ধান্তক ভুল বুলি কব নোৱাৰি। কাৰণ এটা সিদ্ধান্ততকৈ অধিক কাৰ্যক্ষম পূৰ্ণ অৱস্থাত তুলনা কৰাৰ পিছত দুৰ্বল দিশবোৰহে চিহ্নিত হয়।

আজি বিশ্বৰ ৰাজনৈতিক, অৰ্থনৈতিক পৰিবেশৰ লগত খাপ খুৱাব পৰাকৈ ৰাষ্ট্ৰৰ ৰাজহুৱা বা চৰকাৰী পৰিকল্পনা থকা উচিত। কাৰণ প্ৰতিটো সিদ্ধান্তৰ অন্তৰালত একোটা আন্তৰ্জাতিক পৰিবেশ থাকে। উদাহৰণ স্বৰূপে কবপাৰি যে ভাৰতীয় সংবিধানৰ ৪২ তম সংশোধনীৰ যোগেদি ভাৰতৰ গণতান্ত্ৰিক সমাজবাদ তথা মিশ্ৰিঅৰ্থনীতি গ্ৰহণ কৰা হৈছে। ইয়াৰ মাধ্যমেৰে ৰাচিয়াৰ লগত বৰ্দ্ধিত সম্পৰ্ক ৰক্ষা আৰু ভাৰতৰ সমাজবাদী আন্দোলনৰ ফলত সৃষ্টি হোৱা ৰাজনৈতিক পৰিবেশ নিয়ন্ত্ৰণ কৰিব বিচৰা হৈছে।

গতিকে সহজতে অনুধাৱন কৰিব পাৰো যে ব্যক্তিগত সিদ্ধান্ত আৰু চৰকাৰী সিদ্ধান্ত যিকোনোটোৱে নহওক কিয় ই সদায় মানৱীয় প্ৰমূল্য আৰু ব্যক্তিগত চিন্তাৰ প্ৰতি প্ৰতিক্ৰিয়াশীল।

সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াৰ যোগেদি আমি ভাৰতীয় সংবিধানৰ আলমত লোৱা সিদ্ধান্ত জনসাধাৰণ ভূমিকা তথা চৰকাৰ স্থিতি সমূহৰ ওপৰত পৰ্যালোচনা কৰিব পাৰো। এখন গণতান্ত্ৰিক দেশ হিচাবে ভাৰতীয় নাগৰিকক পৰ্যাপ্ত অধিকাৰ দিয়া হৈছে। তেওঁলোকে ৰাষ্ট্ৰৰ চৰকাৰী কামত অংশ গ্ৰহণ কৰিব পাৰে। স্বাধীনতাৰ অধিকাৰৰ যোগেদি নিজৰ দাবী উত্থাপন আৰু চৰকাৰৰ সমালোচনা কৰিব পাৰে। বৰ্তমান ভাৰতীয় সংবিধানৰ প্ৰতি প্ৰত্যাহ্বান স্বৰূপ হৈ পৰা উত্তৰ পূৰ্বাঞ্চলৰ উগ্ৰবাদৰ সমস্যা সমাধানৰবাবে স্বাধীনতাৰ সময়ৰপৰা চেষ্টা কৰি অহা হৈছে। নগা সমস্যা সমাধানৰ লক্ষ্যৰে ভাৰত চৰকাৰ আৰু নগা উগ্ৰবাদী নেতা ইচ্ছাক মুইভাৰ মাজত জুনমাহ ২০০১ ত চুক্তি স্বাক্ষৰিত হয়। এই চুক্তিমতে নগা বসতিপূৰ্ণ স্থানলৈ ১৯৯৭ চনৰ জুনমাহত হোৱা চুক্তিখন সম্প্ৰসাৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। অৰ্থাৎ নগা

বিসম্বাদী দলৰ লগত ভাৰতীয় সেনাৰ অস্ত্ৰবিৰতি ভাৰতৰ যিকোনো ক্ষেত্ৰতে কাৰ্যকৰী হ'ব। এনে সিদ্ধান্তই শান্তিপ্ৰতিষ্ঠাত সহায় কৰিব বুলি ভাব হৈছিল। এইটো সঠিক আছিল যে শান্তি ঘূৰাই অনাৰ বাবে চুক্তিখন অপৰিহাৰ্য আছে। কিন্তু নগাসকলে স্বাধীনোত্তৰ কালৰপৰা আন্দোলনৰ যোগেদি যি বোৰ দাবী উত্থাপন কৰিছিল ইয়াৰ মাধ্যমেৰে তাক এৰাই চলিব বিচৰা হ'ল ।আনহাতে অসম অৰুণাচল, মিজোৰাম মণিপুৰ আদি অঞ্চলত নগা সকলে চলাই অহা N.S.C.N. (Nationalist Socialist Council for Naga) শাসন আৰু দমন সম্পৰ্কে চৰকাৰে আওকণীয়া মনোভাৱ প্ৰকাশ কৰিছিল। অসমৰ গোলাঘাট, উত্তৰ কাছাৰ, কাৰ্বি পাহাৰ আৰু মণিপুৰৰ সেনাপতি, পূৰ্বইম্ফল অৰুণাচলৰ টিৰাপ আৰু দক্ষিণ পূৱ অংশত নগা উগ্ৰন্থীৰ শাসন আওপকীয়া কৈ স্বীকাৰ কৰি লোৱা হ'ল। নগা সকলৰ পৰিকল্পিত দাবী 'নগা লিমৰ' প্ৰতি এখোজ আগবাঢ়িল । ফলত চৰকাৰী শান্তি ঘূৰাই অনাৰ সিদ্ধান্তৰ বিপৰীতে মণিপুৰত এনে চুক্তি গ্ৰহণ কৰাৰ বিৰুদ্ধে বৃহৎ দাবী উত্থাপন কৰিলে আৰু অশান্ত পৰিস্থিতিৰ সৃষ্টি কৰিলে য'ত সমাধানৰ বাবে দমনৰ নীতি গ্ৰহণ কৰাৰ বাহিৰে আন উপায় চৰকাৰৰ হাতত নাথাকিল। মণিপুৰৰজনাধাৰণৰ গণচেতনা আৰু গণপ্ৰত্যাহ্বানে চৰকাৰক পূৰ্বৰ সিদ্ধান্ত বাতিল কৰিবলৈ বাধ্য কৰালে। বৰ্তমান নগা কেন্দ্ৰীয় চৰকাৰৰ মাজৰ চুক্তিৰ পৰিসীমা নগালেণ্ডতে সীমাবদ্ধ হৈছে। চৰকাৰৰ সন্মুখত নতুন প্ৰত্যাহ্বানটো হ'ল নগা ছাত্ৰ সকলে চুক্তিৰ সীমা পুনৰ বঢ়াবলৈ দাবী কৰিছে আৰু পথ অৱৰোধৰ কাৰ্যসূচী লৈছে। লগে লগে পূৰ্বৰেপৰা ফাট মেলি থকা নগা-মণিপুৰী সম্পৰ্ক এতিয়া এটা সাম্প্ৰদায়িক বিদ্বেষলৈ ৰূপান্তৰিত হল । এনে এক জলন্ত সমস্যাৰ সৃষ্টিৰ মূলত চৰকাৰী প্ৰতিনিধি তথা মধ্যস্থতাকাৰী এ. কে. পদ্মনাভায়াৰ অঞ্চলটোৰ প্ৰতি থকা সংকীৰ্ণ মনোভাৱ আৰু আন্তঃগাঠনি সম্বন্ধে পৰিপক্কহীনতাৰ স্বত্বেও তেওঁৰ সিদ্ধান্তক চৰকাৰে অনুমোদন জনোৱাত এনে এক অভাবনীয় পৰিবেশৰ সৃষ্টি হ'ল। এয়া মণিপুৰীসকলৰ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়া জনোৱা দাবীৰ প্ৰত্যক্ষ উদাহৰণ।

একেটা সমস্যাত ভুগি থকা অসমীয়া লোকে যি প্ৰতিবাদ সাব্যস্ত কৰিলে সেইটো মণিপুৰৰ তুলনাত গণচেতনাহীনতাৰ আৰু ৰাজনৈতিক সিদ্ধান্তৰ প্ৰতি উদাসীনতা পৰিলক্ষিত হ'ল। এইটো সত্য যে প্ৰতিবাদ সদায় অহিংস আৰু গণতান্ত্ৰিক হ'ব লাগে ।

শিক্ষা এটা সাৰ্বজনীন বিষয়। ইয়াৰ প্ৰয়োজনীয়তা প্ৰতিজন ব্যক্তিৰে জ্ঞাত। শিক্ষাৰ প্ৰসাৰ অবিহনে আমাৰ সমাজখন পলকতে বিকল। শিক্ষাৰ প্ৰগতি আৰু সংস্কাৰৰবাবে আঁচনি আৰু সিদ্ধান্তসমূহো উল্লেখনীয়। যোৱা ২০০০-২০০১ বৰ্ষত অসম চৰকাৰে লোৱা শিক্ষানীতি তথা শিক্ষক নিযুক্তিৰ প্ৰক্ৰিয়া প্ৰকৃততে জনস্বাৰ্থৰ খাতিৰত হৈছিলনে ? উত্তৰ বিচাৰিলে পোৱা হ'ব ই জনস্বাৰ্থ জড়িত সিদ্ধান্ত । কিন্তু এখন চৰকাৰে নিযুক্তি দিয়া শিক্ষকক কিয় পৰৱৰ্তী চৰকাৰে অবৈধ বুলি নিযুক্তি বাতিল কৰিছে ? যদি এইবোৰ অবৈধ হয় এনে নিযুক্তি তথা চাকৰি বাতিল প্ৰক্ৰিয়াৰ বিৰুদ্ধে বা হকে জনমত গঠিত হোৱা নাই। প্ৰকৃততে ভাৰতীয় সংবিধানে চৰকাৰক এনে কৰাৰ অনুমতি দিছেনে? এনে প্ৰশ্নই আজি অবান্তৰ ।

প্ৰকৃততে ৰাজনীতিত মানুহবোৰ জড়িত হয় যদিও আমাৰ বৰ্তমানৰ ৰাজনৈতিক পৰিস্থিতিত ৰাজনীতিয়ে মানুহবোৰক গ্ৰাস কৰিছে। ফলত এটা সিদ্ধান্তৰ পিছত কাৰ স্বাৰ্থ পূৰণ হয়, কোনো উপায়েৰে ৰাজনৈতিক আনুগত্য লাভ কৰিব পৰা যায় নেকি এনে চেষ্টা অহৰহ চলি থাকে। সিদ্ধান্তৰ কুফলৰ প্ৰতি চিন্তা নকৰি তাৰপৰা ব্যক্তিগত ভাৱে উপাৰ্জন কৰাৰবাবেহে আজিৰ সমাজখন ব্যস্তযেন দেখা যায়। যাৰবাবে এটা ব্যক্তিগত চিন্তাই ৰাজহুৱা ৰূপ লয়। লগতে এটা অবৈধ সিদ্ধান্তই বৈধৰূপ গ্ৰহণ কৰাৰ বাবে সুযোগ গ্ৰহণ কৰে। চৰকাৰী সিদ্ধান্তত ব্যক্তিগত চিন্তা তিলমাত্ৰ থকা উচিত নহয়। যদি ভাৰতীয় সংবিধানত সিদ্ধান্তৰ বাবে দাবী উত্থাপকৰ চৰিত্ৰই এনে ধাৰণাকে ভুল প্ৰতিপন্ন কৰিছে।

সমাজৰ প্ৰয়োজনীয় আশা আকাংক্ষাবোৰ বৌদ্ধিক শ্ৰেণীটোৰ চিন্তাত বক্তব্য লিখনি আদি প্ৰকাশ পায়। এই শ্ৰেণীটোৰ ইচ্ছা আৰু পৰামৰ্শক চৰকাৰ বা শীৰ্ষ বিষয়াসকলে অস্বীকাৰ কৰিব নোৱাৰে। ৰুচোৰ বৌদ্ধিক চিন্তাই ফ্ৰান্সত ফ্ৰান্স বিপ্লৱৰ সৃষ্টি কৰিছে। মাৰ্টিন লুথাৰৰ বৌদ্ধিক চিন্তাই মানৱ ইতিহাসত শ্ৰেষ্ঠ সংস্কাৰ আন্দোলন গঢ়ি তুলিছিল। কেৱল এয়েই নহয় বিশ্বৰ ইতিহাসত এনে বহুতো বৌদ্ধিক বিপ্লৱ আছে যিবোৰে ৰাষ্ট্ৰৰ ৰাজনৈতিক পট পৰিবৰ্তন কৰিদিব পাৰিছিল। ভাৰতৰ মহাত্মা গান্ধীৰ বৌদ্ধিক চিন্তাৰ আগত বিশ্ব জয়ী ইংৰাজ সৈমান হৈছিল। গতিকে আজিৰ প্ৰযুক্তি বিদ্যাৰ যুগত বৌদ্ধিক চিন্তাক আমি অস্বীকাৰ কৰাটো সম্ভৱ নহয়। প্ৰশ্ন হ'ল অসমৰ সাপ্ৰতিক কালত বৌদ্ধিক সমাজখন স্বতন্ত্ৰ ৰূপত আছেনে ? বৌদ্ধিক সমাজখন ৰাজনীতিৰ পৰা সদায় দূৰত থাকে। ই এটা বৃহত প্ৰভাৱগোষ্ঠী । কিন্তু বৰ্তমান সমাজখনত ৰাজনীতিয়ে বৌদ্ধিক শ্ৰেণীটোক নিয়ন্ত্ৰণ কৰা যেন অনুমান হয়। ৰাজনীতিবিদক স্বাভাৱিকতে বৌদ্ধিক সমাজে নিয়ন্ত্ৰণ কৰাৰ বিপৰীতে ৰাজনীতিবিদেহে নিয়ন্ত্ৰণ কৰাৰ পথত। ৰাজনীতি আৰু বৌদ্ধিক সমাজ দুয়ো একাকাৰ হৈ পৰিছে। বৌদ্ধিক সমাজৰ সামাজিক দক্ষতাই আমাক নশ্চাৎবাদৰ দিশে লৈ যাব। মানবীয় প্ৰমূল্য আৰু মানবীয় অধিকাৰ আজিৰ সমাজত গুৰুত্বহীন। গতিকে এতিয়া সামাজিক মূল্যবোধ গঢ়ি তুলিব লাগে আৰু এই দায়িত্ব লব লাগিব বৌদ্ধিক শ্ৰেণী আৰু চৰকাৰী পক্ষ দুয়োটাই উমৈহতীয়া ভাৱে। যদিহে সিদ্ধান্ত সমূহ গ্ৰহণৰ সময়ত সমাজ সকলো শ্ৰেণীৰলোকে কাছৰ অনুৰূপ চৰিত্ৰ ধাৰণ কৰে তেনেহলে সমস্যাই অধিক জটিল ৰূপ গ্ৰহণ কৰিব। কাৰণ চাপৰিলে মেঘ আঁতৰি নাযায়। তাৰ পৰিবৰ্তে গুণগত মান সহকাৰে সবল দাবী উত্থাপন কৰি সিদ্ধান্ত দিওতাসকলক সিদ্ধান্ত গ্ৰহণ কৰোঁতাসকল সমস্যা আৰু সাংবিধানিক সুৰক্ষাৰ প্ৰতি সজাগনে ? বিসঙ্গতিপূৰ্ণ সমস্যাসমূহ সমাধানৰ বাবে যদি শক্তিশালী দাবী উত্থাপিত নহয় তেনেহলে সিদ্ধান্ত গ্ৰহণকাৰী যন্ত্ৰটোৱে এনে সমস্যা সমাধানৰ প্ৰতি ইচ্ছুক নহয়। বিশ্বৰ ৰাজনৈতিক উল্লেখযোগ্য ঘটনা এটা হ'ল হিটলাৰে শাসনত বাধাহীন ভাৱে বৰ্ত্তি থাকিবলৈ হাজাৰ হাজাৰ ইহুদীক শাৰী শাৰীকৈ থিয়কৰাই গুলীয়াই হত্যা কৰিছিল। ই আছিল মুক্ত আৰু প্ৰতিবাদী হত্যা । এইটো আছিল হিটলাৰৰ চৰম সিদ্ধান্ত ।

অসমত যোৱা দুটা বছৰত নিৰ্বিচাৰে গুপ্ত হত্যা চলিল। গুপ্ত হত্যাৰ লক্ষ্য, উদ্দেশ্য আৰু হত্যাকাৰী কোন এয়া আমাৰ বিচাৰ্য বিষয় নহয়। কিন্তু ভাৰতীয় গণতান্ত্ৰিক নাগৰিকৰ জীৱন সম্পদ নিৰপত্তাহীন হৈ পৰিল। গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত প্ৰতিবাদ কৰিলেও প্ৰতিবাদীকো হত্যা কৰে। গতিকে চৰকাৰে ইয়াক সযত্নে নিয়ন্ত্ৰণ কৰিব লাগিছিল। উল্লেখযোগ্য যে গুপ্ত হত্যাৰ মাধ্যমেৰে শাসন পৰিচালনা কৰা বা কোনো ৰাজনৈতিক বা আন লক্ষ্যত উপনীত হোৱাটো বিশ্বৰ ইতিহাসত নজিৰবিহীন। এই গুপ্ত হত্যাৰ সময়ত চৰকাৰী আৰু বেচৰকাৰী সিদ্ধান্তবোৰ কিদৰে নিষ্ক্ৰিয় ৰূপললে আৰু এই নিষ্ক্ৰিয় সিদ্ধান্তই

যে আমাৰ সমাজখনক ধ্বংসৰ মাজলৈ ঠেলি দিছে তাত কোনো সন্দেহৰ অৱকাশ নাই। ই জাতিৰ ভৱিষ্যত শক্তিক গ্ৰাস কৰি পেলাইছে আৰু এটা গোষ্ঠীয়ে সংগঠিত হোৱাত বাধা জন্মাইছে । গতিকে গুপ্ত হত্যা বন্ধ কৰাৰ বাবে সাংবিধানিক শক্তি আৰু দাবী উত্থাপক সকলোৰে জ্ঞান আৰু মানৱীয় প্ৰমূল্যৰ অভাৱ দেখা গ'ল। ই আমাৰদেশৰ মানৱ অধিকাৰ আৰু সিদ্ধান্তৰ স্বাৰ্থম্বেষিতা প্ৰকট কৰি দেখুৱালে।

সিদ্ধান্ত গ্ৰহণত বৌদ্ধিক সমাজখনৰ ভূমিকা কি? গণতান্ত্ৰিক ৰাষ্ট্ৰৰ প্ৰকৃত নিয়ন্ত্ৰণত সমাজৰ বৌদ্ধিক শ্ৰেণীৰ ভূমিকা অনস্বীকাৰ্য । শাসনতন্ত্ৰ নিয়ন্ত্ৰণৰ এই শ্ৰেণীটোৱে সিদ্ধান্তগ্ৰহণ কৰোতাসকলক উৎসাহিত তথা সতৰ্ক কৰিব পাৰে।

প্ৰভাৱিত কৰি নিজৰ অধিকাৰ সাব্যস্ত কৰিব পৰা যায়। স্বাৰ্থপৰতা দূৰকৰি আত্মসচেতনতাৰে প্ৰতিজন ব্যক্তিয়ে অধিকাৰৰ প্ৰতি সজাগ হবৰ হৈছে। সেয়েহে সিদ্ধান্তৰ অনুকূলে সমাজৰ পৰিবেশ আৰু মূল্যবোধ জাগ্ৰত কৰিব লাগিব। সিদ্ধান্ত গ্ৰহণ কৰোতাসকলেও নীতিগত ভাৱে সমস্যা আৰু ইয়াৰ ফলাফলৰ প্ৰতি লক্ষ্য ৰখা উচিত । ❑

প্ৰফুল্ল দেৱ শৰ্মা ঃ মঙলদৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰৱক্তা আৰু ছাত্ৰ একতা সভাৰ প্ৰাক্তন উপসভাপতি।

# কেৰিয়াৰৰ সন্ধান

○ হেমন্ত ভাগৱতী

নিবনুৱা সমস্যাই আজি আমাৰ সমাজক ভাবাক্ৰান্ত কৰি তুলিছে । প্ৰতিবছৰে বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় আদিৰ পৰা হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰী শিক্ষিত হৈ ওলাই আছে । কিন্তু পৰিতাপৰ কথা যে আজিলৈ শিক্ষিত ছাত্ৰ-ছাত্ৰী অনুপাতে সংস্থাপনৰ ব্যৱস্থা হোৱা নাই । সেই বাবে নিবনুৱা সমস্যাটো আমাৰ অসমৰ বাবে ডিঙিৰ কাঁইটযেন হৈ পৰিছে। ভাৰতৰ অইন ঠাইত বিশেষকৈ দিল্লী, কৰ্ণাটকআৰু মহাৰাষ্ট্ৰৰ ৰাজ্য চৰকাৰ, উচ্চশিক্ষাৰ প্ৰতিষ্ঠান স্বেচ্ছাসেৱী সংগঠন আদিয়ে উদ্যোগীকৰণৰ লগতে উঠি অহা ল'ৰা-ছোৱালীৰ বাবে কৰ্মজীৱনৰ মূল্য নিৰ্দ্ধাৰণ ভৱিষ্যত কৰ্মজীৱনৰ সুযোগ-সুবিধা আদিৰ সুবন্দোবস্ত কৰিছে। এই ক্ষেত্ৰত তিনিওখন ৰাজ্যৰ বিশ্ববিদ্যালয় আৰু ছাত্ৰ সংগঠনবোৰে কেৰিয়াৰ গাইডেন্সৰ ক্ষেত্ৰত ফলপ্ৰসু পদক্ষেপ লোৱা দেখা গৈছে।

আমাৰ অসমত বৰ্তমানলৈকে ছাত্ৰ-ছাত্ৰীৰ কৰ্মজীৱনৰ মূল্য তথা ভৱিষ্যত জীৱনৰ সুযোগ সুবিধাৰ কোনোধৰণৰ সুবন্দোবস্ত ব্যৱস্থা কৰা হোৱা নাই। যদিও ভৱিষ্যত জীৱনৰ কৰ্মপদ্ধতি সম্পৰ্কে সিদ্ধান্ত লোৱাটো ছাত্ৰ-ছাত্ৰীৰ নিজা কৰ্তব্য তথাপি কেৰিয়াৰ সম্পৰ্কীয় তথ্য যোগান ধৰাটো আমাৰ সমাজৰ দায়িত্ব আৰু অনাগত দিনবোৰত বিভিন্ন ধৰণৰ ভিত্তিত কি পৰিমাণৰ কিমান গুণ সম্পন্ন মানৱ সম্পদ লাগিব তাক ৰাইজৰ আগত দাঙিধৰাটো চৰকাৰৰ কৰ্তব্য আৰু দায়িত্ব।

বৰ্তমান তথ্যপ্ৰযুক্তিৰ দিনতো আমাৰ সমাজৰ বহু ছাত্ৰ-ছাত্ৰীয়ে কেৰিয়াৰৰ বিভিন্ন দিশ সম্পৰ্কে নাজানে। যাৰ বাবে আমি কিছুমান মানৱ সম্পদক প্ৰয়োজনীয় দিশত বিকশিত কৰাত সফল হব পৰা নাই। তাৰোপৰি কেনেকুৱা ছাত্ৰ-ছাত্ৰীৰ বাবে কেনেকুৱা বৃত্তি উপযোগী তাৰ বিষয়ে বৰ্তমান সময়তো ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকেই অজ্ঞান। সেই বাবে আমি কবপাৰো যে আমাৰ সুপ্ত প্ৰতিভাখিনি বিকশিত কৰি আমি আগবাঢ়িব পৰা নাই।

**কৰ্মনিৰ্ধাৰণ ঃ**

প্ৰত্যেকজন মানুহৰেই পৰিবেশ অনুযায়ী নিজৰ চাল-চলন, বুদ্ধি, ৰুচি আদি বেলেগ বেলেগ। আমাৰ বুদ্ধি, চাল-চলন, ৰুচি আদিৰ লগত খাপ খুৱাই আমি এটা নিৰ্দ্দিষ্ট কেৰিয়াৰ বাচি লব পাৰিলে আমি নিশ্চয় সফল হব পাৰিম। গতিকে মানুহ এজনে নিজৰ ৰুচি অনুযায়ী জীৱিকা অৰ্জনৰ উপায় উলিয়াই লব পাৰিলে তেওঁ নিজে আনন্দত থকাৰ লগতে কামটোত আন্তৰিকাত বাঢ়ে। কিন্তু এইখিনিতে প্ৰশ্ন আহে - কেনেধৰণৰ মানুহে কি বৃত্তি লব? অৱশ্যে ইয়াৰ উত্তৰৰ বাবে মনোবৈজ্ঞানিক পৰীক্ষাও আছে। কিন্তু সকলো পৰিবেশতে এই পৰীক্ষা সম্ভৱ নহয়। মাৰ্কিন পণ্ডিত জন. এল. হলেণ্ডে অইনৰ চকুত পৰা চালচলনৰ পৰা মানুহ এজনে কি বৃত্তি লোৱা উচিত তাৰ সমীক্ষাত্মক পৰ্য্যাবেক্ষম কৰি এখন তালিকা প্ৰস্তুত কৰিছিল। তলত তাক প্ৰকাশ কৰা হ'লঃ

মানুহৰ চাল-চলন অনুযায়ী বৃত্তি

| চাল-চলন | বৈশিষ্ট্য | বৃত্তি |
|---|---|---|
| ১) কাৰিকৰী দক্ষতা দেখুৱাই ভাল পোৱা লোক | ব্যৱহাৰিক (Realistic) | কৃষি, ভাস্কৰ্য্য, বন বিভাগৰ কাম । |
| ২) চিন্তা কৰি, বুজি, ঠিকঠাক কৰি ভাল পোৱা লোক | অনুসন্ধানমূলক (Investigative) | গণিত, বিজ্ঞান |
| ৩) অনুভূতি, আবেগ, আইনৰ ব্যৱহাৰক গুৰুত্ব দিয়া লোক | সামাজিক (Conventional) | মনোবিজ্ঞান, সমাজকাৰ্য |
| ৪) নীতি-নিয়ম ভাল পোৱা লোক । | পাৰম্পৰিক (Social) | বিত্ত, হিচাপ নিকাচ |
| ৫) ক্ষমতা আৰু প্ৰতিপত্তি প্ৰেমী লোক । | উদ্যোগী (Enterprising) | আইন, বৃহৎ উদ্যোগৰ মুৰব্বী, মেনেজাৰ |
| ৬) নিজকে প্ৰকাশ কৰি ভাল পোৱা লোক । | কলাসুলভ (Artistic) | শিক্ষক, সঙ্গীতজ্ঞ, শিল্পী |

## বৰ্তমান যুগৰ সম্ভৱনাপূৰ্ণ কেৰিয়াৰ ঃ

বৰ্তমান সমাজ ব্যৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি তলত দহটা সম্ভৱনাপূৰ্ণ কেৰিয়াৰৰ বিষয়ে উল্লেখ কৰা হ'ল। বৰ্ত্তমান একৈশ শতিকাত উজ্বল কেৰিয়াৰ হিচাপে আমি নিঃসন্দেহে কব পাৰো -

১। মেনেজমেন্ট ।
২। কম্পিউটাৰ আৰু তথ্য প্ৰযুক্তি ।
৩। অসামৰিক সেৱা ।
৪। মেডিকেল বা চিকিৎসা বিজ্ঞান
৫। হোটেল আৰু পৰ্যটন বিভাগ
৬। মাছ মিডিয়া ।
৭। প্ৰতিৰক্ষা সেৱা ।
৮। বেংকিং, এচ. এচ. চি. , ৰেলৱে ।
৯। ফেচন আৰু মডেলিং ।
১০। কৃষি বিজ্ঞান ।

অসমীয়া মানুহে আওঁকাণ কৰা, কিন্তু বৰ্তমান এটা অতি প্ৰতিভাশালী কেৰিয়াৰ হ'ল মেনেজমেন্ট । কষ্ট্ একাউন্টেন্সী, কোম্পানী, চেক্ৰেটাৰী, মাৰ্কেটিং, এম. বি. এ. আদিক মেনেজমেন্ট বিষয়ৰ লগত সামৰি লোৱা হয়। মেনেজমেন্টৰ কেৰিয়াৰ সমূহক বৰ্তমান শতিকাত এক উজ্বল কেৰিয়াৰ হিচাপে চিহ্নিত হৈছে। বৰ্তমান পৰিস্থিতিলৈ চাই আমাৰ ছাত্ৰ-ছাত্ৰীয়ে এই দিশত অধিক মনোযোগ দিলে লাভৱান হব।

কম্পিউটাৰ আৰু তথ্য প্ৰযুক্তি সম্পৰ্কীয় বৃত্তিৰ প্ৰতি অসমীয়া ছাত্ৰ-ছাত্ৰী খুব আকৰ্ষিত হৈছে। অসমৰ প্ৰতিখন চহৰৰ লগতে বৰ্তমান গাৱঁতো বহুত কম্পিউটাৰ প্ৰতিষ্ঠান গঢ়লৈ উঠা দেখা গৈছে আৰু তাত বহু ছাত্ৰ-ছাত্ৰীয়ে ইতিমধ্যে শিক্ষা গ্ৰহণ কৰিছে। কিন্তু দুখৰ বিষয় অসমত আধুনিক আৰু বৃহৎ উদ্যোগৰ সংখ্যা কম হোৱা বাবে কম্পিউটাৰৰ প্ৰয়োগ আৰু ব্যৱহাৰ সীমাবদ্ধ হৈ আছে। সেইবাবে কম্পিউটাৰ শিকিবলৈ ওলাওতে চিন্তা কৰি চাব লাগে লাভ হব নে নহয়। তথাপি বৰ্তমান শতিকাত কম্পিউটাৰ আৰু তথ্য প্ৰযুক্তিৰ সম্পৰ্কীয় পঢ়া-শুনাৰ ক্ষেত্ৰত সাৱধান বাণীৰ মৰণ নাই।

অসামৰিক সেৱাৰ কেৰিয়াৰ সমূহ এক Challenging কেৰিয়াৰ। কেন্দ্ৰীয় লোক-সেৱা আয়োগ আৰু অসম লোক সেৱা আয়োগৰ অধীনত পৰিচালিত এই কেৰিয়াৰবোৰত আছে লোভনীয় দৰমহা, স্বতন্ত্ৰতা আৰু নিৰপেক্ষ ভাৱে কাম কৰাৰ সুবিধা। অসম লোক সেৱা আয়োগৰ পৰীক্ষা (ACS, APS, AFS আদি) সমূহত আমাৰ যথেষ্ট প্ৰাৰ্থীয়ে আবেদন কৰা দেখা যায় যদিও কেন্দ্ৰীয় লোক সেৱা আয়োগৰ পৰীক্ষা (IAS, IPS, IFS আদি) বোৰত অসমীয়া প্ৰাৰ্থীৰ সফলতা বৰ্তমানো দুখ লগা । অসমীয়া ছাত্ৰ-ছাত্ৰীয়ে এই ক্ষেত্ৰত মন কৰিলে উপকৃত হব পাৰিব।

চিকিৎসা বিজ্ঞানৰ লগত সামৰি লোৱা পাঠ্যক্ৰম সমূহ হ'ল - চিকিৎসা বিজ্ঞান স্নাতক, চিকিৎসা বিজ্ঞান স্নাতকোত্তৰ, নাৰ্চিং, ফাৰ্মাচী আৰু পেৰা মেডিকেলৰ পাঠ্যক্ৰম সমূহ। ক্ৰমান্বয়ে চিকিৎসা বিজ্ঞানৰ সালসলনি, নতুন ৰোগৰ আৱিৰ্ভাৱৰ লগে লগে আৱিষ্কাৰ হোৱা নতুন নতুন পদ্ধতি আৰু শেহতীয়াকৈ জিন প্ৰযুক্তিৰ সংযোজনৰ ফলত ইয়াৰ জনপ্ৰিয়তাই কুৰিশতিকাৰ প্ৰতিটো দশকৰ নিচিনাকৈ বৰ্তমান শতিকাতো শীৰ্ষ স্থান অধিকাৰ কৰিছে। উল্লেখ্য যে চিকিৎসা বিজ্ঞানৰ শিক্ষা লোৱাৰ পিছত কোনো ছাত্ৰ-ছাত্ৰীয়ে বহি থাকিব নালাগে।

অসম তথা উত্তৰপূৰ্বাঞ্চলত পৰ্যটনৰবাবে বিভিন্ন সমল থকা কাৰণে প্ৰতি বছৰে বিভিন্ন দেশ-বিদেশৰ পৰা আমাৰ ইয়ালৈ অহা পৰ্যটকৰ সংখ্যা বাঢ়ি গৈছে । সেইবাবে হোটেল আৰু পৰ্যটক উদ্যোগৰ কেৰিয়াৰ বোৰেও ক্ৰমান্বয়ে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। এই ক্ষেত্ৰত শিক্ষা গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীয়ে স্বতন্ত্ৰভাৱে ব্যৱসায় কৰি স্বাৱলম্বী হোৱাৰ উপৰিও চৰকাৰৰ বিভিন্ন প্ৰতিষ্ঠানত লোভনীয় চাকৰি পোৱাৰ পূৰ্ণ সম্ভৱনা আছে।

কথা ছবি, ৰেডিঅ', দূৰদৰ্শন, বাতৰি কাকত আদিক সামৰি লোৱা মাছ মেডিয়া বা জনসংযোগ মাধ্যম বৰ্তমান শতিকাত এক উজ্বল কেৰিয়াৰ। বিশেষকৈ এই মাধ্যমত নতুন প্ৰযুক্তি বিদ্যাৰ আগমনে ইয়াৰ গুৰুত্ব বৃদ্ধি কৰি তুলিছে। আগ্ৰহী ছাত্ৰ-ছাত্ৰীয়ে এই ক্ষেত্ৰত শিক্ষা তথা প্ৰশিক্ষণ ললে কৰ্ম ক্ষেত্ৰৰ বাবে বেচি চিন্তা কৰিব নালাগে।

প্ৰতিৰক্ষা বিষয়ক বিভিন্ন কেৰিয়াৰৰ সমূহো বৰ্তমান শতিকাত এক উজ্বল কেৰিয়াৰ হিচাপে চিহ্নিত হৈছে। বিশেষকৈ বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ই এটা উজ্বল কেৰিয়াৰ। মাতৃ ভূমিক প্ৰত্যক্ষ ভাৱে সেৱা কৰিব খোজা লোকে প্ৰতিৰক্ষাৰ তিনিওটা শাখাত নিযুক্তিৰ বাবে চেষ্টা কৰিব পাৰে।

বৰ্তমান যুগৰ আন এক উজ্বল কেৰিয়াৰ হ'ল ৰেলৱে, বেংকিং, এচ, এচ. চিৰ কেৰিয়াৰ সমূহ । প্ৰতি বছৰে ৰাষ্ট্ৰীয় স্বীকৃত আৰু আন বেংক; ৰেলৱে আৰু এচ. এচ. চিৰ প্ৰাৰ্থীৰ নিযুক্তিৰ পৰীক্ষা পাতে। এই পৰীক্ষাত উত্তীৰ্ণ হ'লে ছাত্ৰ-ছাত্ৰীৰ আকৰ্ষণীয় দৰমহা আৰু সা-সুবিধা সহ বিভিন্ন বিভাগৰ প্ৰতিষ্ঠানত নিযুক্তি লাভ কৰিব পাৰে।

ফেচন আৰু আৰু ম'ডেলিং বৰ্তমান সময়ৰ অত্যন্ত গ্লেমাৰাছ কেৰিয়াৰ। যথেষ্ট পৰিশ্ৰম আৰু নিয়মানুবৰ্তিতাৰ জৰিয়তেহে ইয়াত সফল হব পাৰি। মনত ৰাখিব লাগিব ফেচন আৰু ম'ডেলিং যিহেতু এক ধৰণৰ পেচা বা বৃত্তি, সেয়েহে আন কোনো বৃত্তিৰ দৰেই যথেষ্ট অধ্যাৱসায়, নিষ্ঠা আৰু পৰিশ্ৰমৰ বিনিময়তহে সাফল্য আহৰণ কৰিব লগীয়া হয়।

আমাৰ কৃষি প্ৰধান ৰাজ্যখনত ক্ৰমাগত কৃষি প্ৰধান সকলো বস্তুৰ চাহিদা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি কৃষি বিজ্ঞানো এক উজ্বল কেৰিয়াৰৰ ভিতৰত সামৰি লব পাৰি। আন্তঃৰ্জাতিক কৃষি ক্ষেত্ৰত সামৰি লোৱা বিভিন্ন জৈৱ প্ৰযুক্তি বিদ্যা সমূহো আমাৰ অসমত কৃষি ক্ষেত্ৰত সামৰি লোৱা হৈছে। সুখৰ কথা আমাৰ অসমত কৃষিৰ ক্ষেত্ৰত অধিক অধ্যয়ন আৰু বিজ্ঞান অধ্যয়ন কৰাৰ পিছত স্বতন্ত্ৰ ব্যৱসায় কৰাৰ সুবিধা আমাৰ ইয়াতে থকাৰ উপৰিও বিভিন্ন চৰকাৰী/ বেচৰকাৰী প্ৰতিষ্ঠানত নিয়োগৰ উজ্জ্বল সম্ভাৱনা আছে।

## বিভিন্ন বিষয় উচ্চ-শিক্ষা আৰু নিয়োগৰ সুবিধাত ঃ

**পদাৰ্থ বিজ্ঞান ঃ** বৰ্তমান সময়ত পদাৰ্থ বিজ্ঞানৰ গুৰুত্ব অপৰিসীম। পদাৰ্থ বিজ্ঞান সেই সকল ছাত্ৰ-ছাত্ৰীৰ বাবে সহজ, যিয়ে পদাৰ্থ বিজ্ঞানৰ প্ৰতি সঁচাই আকৰ্ষিত। স্নাতক ডিগ্ৰী লোৱাৰ পিছত ভাৰত বা ভাৰতৰ বাহিৰত পাৰ্টিকোল ফিজিক্স, নিউক্লিয়াৰ ফিজিক্স, অপ্টিকেলচ, একটিকচ্ আৰু ফ্লুইডিছ আদি বিষয়ৰ স্নাতকোত্তৰ শিক্ষা গ্ৰহণ কৰিব পাৰে। ইয়াৰ বাহিৰেও এম. বি. এ., এম. চি. এ., চি. এ., চি. এছ., মাছ কমিউনিকেচন্, ফৰেইন ট্ৰেড, বি. এড., ফিল্ম টেকনলজি, এম. বি. বি. টি., পেকেজিং টেকনলজি আদিৰ পাঠ্যক্ৰৰ শিক্ষা গ্ৰহণ কৰিব পাৰে। নিযুক্তিৰ বাবে চিভিল চাৰ্ভিচ, ইণ্ডিয়ান ইঞ্জিনিয়াৰিং চাৰ্ভিচ, চি. ডি. এছ. ই., মেট্ৰ'ল'জি, ফৰেষ্ট চাৰ্ভিচ, ফেচন ডিজাইন, এডভান্স ডিজাইন, চিভিল এভিয়েচন, বেংকিং, ৰেলৱে, এছ. এছ. চি. আদিত প্ৰাৰ্থিত্ব

আগবঢ়াব পাৰে। ইয়াৰ বাহিৰেও চেলচ্ ৰিপ্ৰেজেনটেটিভ, লেব ৰেটৰি এছিচ্‌টেন্ট, ফৰেষ্ট ৰেঞ্জাৰ, চাইন্স জাৰ্নেলিষ্ট আৰু মেনেজমেন্টত প্ৰাৰ্থিত্ব আগবঢ়াব পাৰে।

**ৰসায়ন বিজ্ঞান ঃ** ৰসায়ন বিজ্ঞানৰ গুৰুত্ব পদাৰ্থ বিজ্ঞানৰ সমমানৰ। স্নাতক ডিগ্ৰী লাভ কৰাৰ পিচত ভাৰত বা ভাৰতৰ বাহিৰত অৰ্গেনিক এনালাইটিকেল, ফিজিকেল, বায়লজিকেল, বা অৰ্গেনিক কেমেষ্ট্ৰিত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিব পাৰে। ইয়াৰ বাহিৰেও ল, এম. বি. এ, এম. চি. এ., মাছ কমিউনিকেচন, বি. এড., পেকেজিং টেকনল'জিৰ শিক্ষা গ্ৰহণ কৰিব পাৰে। নিযুক্তিৰ ক্ষেত্ৰত চিভিল চাৰ্ভিচ, ইণ্ডিয়ান ইঞ্জিনীয়াৰিং চাৰ্ভিচ, চি. ডি. এছ. ই, ফৰেষ্ট চাৰ্ভিচ, ফেচন ডিজাইন, এডভান্স ডিজাইন, চিভিল এভিয়েশ্বন, বেংকিং আদিত প্ৰাৰ্থিত্ব আগবঢ়াব পাৰে।

**গণিত ঃ** বিজ্ঞান, কলা আৰু বাণিজ্য, তিনিওটা শাখাৰ ছাত্ৰ-ছাত্ৰীয়ে গণিত বিষয়টো অধ্যয়ন কৰিব পাৰে। অৱশ্যে এই বিষয়টো যথেষ্ট জটিল। কিন্তু এই বিষয়ত নম্বৰ লাভ কৰাটো সহজ। ইয়াৰ বাবে প্ৰাৰম্ভিক পৰ্য্যায়ৰ পৰা কঠোৰ পৰিশ্ৰম কৰিব লাগিব। স্নাতক হোৱাৰ পিছত স্নাতকোত্তৰ শিক্ষা লাভ কৰিব পাৰি। নিযুক্তিৰ বাবে চি. এ., চি. এচ, মেনেজমেন্ট, বেংকিং, ফেশ্বন, এম. বি. এ. এম. চি. এ. বি. এড., মাছ কমিউনিকেশ্বচন, ফৰেইন ট্ৰেড্ ইচ. ডি. এচ. ই, আদিত আবেদন কৰিব পাৰে। উল্লেখ থাকে যে গণিতৰ স্নাতক ছাত্ৰ-ছাত্ৰীয়ে মেনেজমেন্টৰ যি কোনো পাঠ্যক্ৰম গ্ৰহণ কৰিব পাৰে।

**প্ৰাণী বিজ্ঞান ঃ** প্ৰাণী বিজ্ঞানৰ স্নাতক ছাত্ৰ-ছাত্ৰী সকলৰ বাবেও বিভিন্ন শিক্ষাৰ সুবিধা আছে। অৱশ্যে এই বিষয়ত ভাল ফলাফল দেখুওৱা প্ৰয়োজন। স্নাতক হোৱাৰ পিছত স্নাতকোত্তৰ ডিগ্ৰীৰ বাবে পঢ়া-শুনা কৰিব পাৰে। ইয়াৰ উপৰিও পলিটেৰী, ডায়েৰী আৰু ফিচাৰি বিভাগত এই বিষয়ৰ যথেষ্ট গুৰুত্ব আছে। অন্যান্য - পাঠ্যক্ৰমৰ ক্ষেত্ৰত ওপৰত উল্লেখ কৰা পাঠ্যক্ৰম আৰু সুবিধাসমূহ গ্ৰহণ কৰিব পাৰে।

**উদ্ভিদবিজ্ঞান ঃ** উদ্ভিদ বিজ্ঞানো যথেষ্ট গুৰুত্বপূৰ্ণ বিষয়। এই বিষয়ত তুলনামূলক ভাৱে ফলাফল ভাল কৰাটো সহজ। এই বিষয়ত স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ সুবিধা আছে। নিযুক্তিৰ ক্ষেত্ৰত গৱেষক বা টেক্ নিকেল এক্সপাৰ্ট হিচাপে বিভিন্ন উদ্যোগত প্ৰাৰ্থিত্ব আগবঢ়াব পাৰে। অৱশ্যে উদ্যোগসমূহ হৰটিকালচাৰ (Horticulture) বা ফ্লৰিকালচাৰ (Foriculture) হলে ভাল। অন্যান্য পাঠ্যক্ৰম আৰু নিযুক্তিৰ ক্ষেত্ৰত ওপৰত উল্লেখ কৰা বিষয় সমূহৰ সৈতে একে।

**অৰ্থনীতি বিজ্ঞান ঃ** বৰ্তমান প্ৰতিযোগিতাৰ বিশ্বত অৰ্থনীতি বিষয়টো এটা আকৰ্ষণীয় বিষয় হিচাপে স্বীকৃতি লাভ কৰিছে। এই বিষয়ত শিক্ষা গ্ৰহণ কৰিলে প্ৰতিযোগিতাৰ পৃথিৱীখনত আগবাঢ়ি যাবলৈ যথেষ্ট সুবিধা হয়। যিকোনো শাখাৰ ছাত্ৰ-ছাত্ৰীয়ে এই বিষয়ে অধ্যয়ন কৰিব পাৰে। গণিত বিষয়টো এই বিষয়টোৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। সেয়ে 10 + 2 স্তৰত যি সকল ছাত্ৰ-ছাত্ৰীয়ে গণিত বিষয়টো অধ্যয়ন কৰে তেওঁলোকৰ বাবে এই বিষয়টো সহজ হয়। প্ৰাৰম্ভনীৰ পৰা এই বিষয়টো দৃঢ়তাৰে অধ্যয়ন কৰিলে অদূৰ ভৱিষ্যতে সুবিধা অজস্ৰ।

স্নাতক ডিগ্ৰীলোৱাৰ পিচত বিজনেচ ইকনমিকচ্, ফাইনেন্স এণ্ড কন্ট্ৰোল ইকনমিকচ্, অপাৰেচন ৰিছাৰ্চ, ষ্টেটিচটিকচ্ আদি বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিব পাৰে। তাৰোপৰি অৰ্থনীতিৰ স্নাতকে ভৱিষ্যতে এম. বি. এ. পাঠ্যক্ৰম গ্ৰহণ কৰাত সুবিধা হয়। পেচাদাৰী পাঠ্যক্ৰমৰ ভিতৰত চি. এ., এম. চিএ., মাছ কমিউনিকেশ্বন, বি. এড., ফৰেইন ট্ৰেড, ফৰেইন লেংগুৱেজ, মাৰ্কেটিং আৰু আইনৰ শিক্ষা আহৰণ কৰিব পাৰি। নিযুক্তিৰ ক্ষেত্ৰটো প্ৰকাশনীয় বিভাগত প্ৰচুৰ সুবিধা আছে। ভাৰতীয় চিভিল চাৰ্ভিচ, বেংকিং, চেণ্ট্ৰেল চাৰ্ভিচ, এচ. এচ. বি., এল. আই চি. আৰু চি.ডি. এচৰ বিভিন্ন পদত আবেদন কৰাৰ যোগ্যতা আহৰণ কৰিব পাৰে।

**ইংৰাজী ঃ** ইংৰাজী বিষয়ত শিক্ষা গ্ৰহণ কৰিবলৈ হলে ইংৰাজী বিষয়ত বিশেষ দক্ষতা থকা বাঞ্চনীয়। যিসকল ছাত্ৰ-ছাত্ৰী এই বিষয়ৰ প্ৰতি সচাঁকৈয়ে আগ্ৰহী তেওঁলোকে এই বিষয়ত নম্বৰ লাভ কৰিব পাৰে। যিকোনো শাখাৰ ছাত্ৰ-ছাত্ৰীয়ে স্নাতক ডিগ্ৰীৰ বাবে এই বিষয়ে অধ্যয়ন কৰিব পাৰে। স্নাতকোত্তৰ শিক্ষা গ্ৰহণবো সুবিধা আছে। ইয়াৰোপৰি জাৰ্ণেলিজিম, এডভৰ্টিইজিং, পাব্লিক ৰিলেশ্বচনছ্, ট্ৰেভেল এণ্ড টুৰিজিম্, ছেক্ৰেটেৰিয়েল ৱৰ্ক, পাৰফৰমিং আৰ্টছ, এয়াৰ লাইন্সৰ বিভিন্ন পদত আবেদন কৰিব পাৰে। পেছাদাৰী পাঠ্যক্ৰমৰ ভিতৰত হোটেল মেনেজমেন্ট, ফেশ্বন ডিজাইন, ইনডাষ্ট্ৰিয়েল ডিজাইন, মিজিঅ' ল'জি, জাৰ্ণেলিজিম, এডাৰ্ভটাইজিং, স্পেচিয়েল ইডুকেশ্বন, বি. এড, আদি পাঠ্যক্ৰম গ্ৰহণ কৰিব পাৰে। আন্তঃৰাষ্ট্ৰীয় বিভিন্ন পাঠ্যক্ৰম গ্ৰহণৰ ক্ষেত্ৰত ইংৰাজী বিষয়ৰ ছাত্ৰ-ছাত্ৰীয়ে বিশেষ অগ্ৰাধিকাৰ পায়।

**ভূগোল ঃ** ভূগোল বিষয়ত আগ্ৰহী ছাত্ৰ-ছাত্ৰীসকলে এই বিষয়টো গ্ৰহণ কৰিব পাৰে। এই বিষয়ত থকা সা-সুবিধা কম যদিও ফলাফল ভাল কৰিবলৈ তুলনামূলক ভাবে সহজ। স্নাতক ডিগ্ৰী লোৱাৰ পিছত এই বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লব পাৰি। চিভিল চাৰ্ভিচ পৰীক্ষাত এই বিষয়ত যথেষ্ট অগ্ৰাধিকাৰ পায়। ইচ্ছুক স্নাতক সকলে ইংৰাজীৰ অধিয়তে বিভিন্ন পাঠ্যক্ৰম গ্ৰহণ কৰিব পাৰে।

ওপৰত উল্লেখ্য বিভিন্ন বিষয় আৰু কেৰিয়াৰ সমূহৰ সম্পূৰ্ণ সম্পৰ্ক আছে। যিসকল ছাত্ৰ-ছাত্ৰীয়ে একোটা নিৰ্দিষ্ট বিষয় (Major)পঢ়ি আছে তেওঁলোকে ওপৰৰ সম্ভাৱনাপূৰ্ণ কেৰিয়াৰ সমূহৰপৰা নিজৰ পছন্দ আৰু অধ্যয়ন কৰা বিষয়ৰ লগত মিল থকা কেৰিয়াৰ একোটা বাছি ললে সফল হব পাৰিব। 10+2 উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীৰ বাবেও উক্ত কেৰিয়াৰ সমূহ প্ৰত্যক্ষ ভাৱে প্ৰযোজ্য।❑

হেমন্ত ভাগৱতী ঃ মহাবিদ্যালয়ৰ স্নাতক তৃতীয় বৰ্ষৰ পদাৰ্থ বিজ্ঞান বিভাগৰ ছাত্ৰ। প্ৰবন্ধকাৰ, সাংবাদিক।

"অতীত আমাৰ আৰু ভৱিষ্যতেও অতীতক আমাৰ কৰি ৰাখিবলৈ

হলে বৰ্তমানক আমাৰ অধীনত ৰাখিব লাগিব।"

— *এমাৰ্চন*

# সাম্প্ৰদায়িক সময়ত বিষ্ণুৰাভাৰ চিন্তাৰ প্ৰাসংগিকতা

○ চাৰু কলিতা

অসমৰ সমাজ জীৱনত বিষ্ণু ৰাভা এক সবল ব্যক্তিত্ব। ৰাতিপুৱাৰ সূৰ্যোদয়ে দিনটোক উদ্ভাষিত কৰি তোলাৰ দৰে বিষ্ণুৰাভায়ো অসম আকাশত তেওঁৰ আভাৰে উজ্বলাই তুলিছিল। তেওঁক অসমৰ আকাশৰ এটি উজ্বল নক্ষত্ৰৰূপে অভিহিত কৰিব পাৰি।

অসমত যিটো সময়ত দুখীয়া নিচলা সকলৰ ওপৰত নিৰ্য্যাতন চলিছিল, সাধাৰণ কৃষক শ্ৰেণীক আৰু নিষ্পেষিত জনতাৰ ওপৰত শাসনৰ নামত শাসক শ্ৰেণীৰ যি শোষণৰ জুইয়ে গা কৰি উঠিছিল, যি সময়ত গোষ্ঠীগত বিভাজন আৰু সংঘাতে সমগ্ৰ অসম খন জৰ্জৰিত কৰি পেলাইছিল, সেই সময়তে বিষ্ণুৰাভাই তেওঁৰ জীৱন দেশ মাতৃৰ শান্তি ৰক্ষাৰ নামত উৎসৰ্গিত কৰিছিল।

অসমৰ ইতিহাসত সম্ভৱতঃ আজিৰ দৰে জনগোষ্ঠীগত সংঘাত কোনো কালেই সংঘটিত হোৱা নাই। একবিংশ শতিকাৰ এই আৰম্ভণিতে জনজীৱনৰ মানসিকতা জাতি-সংস্কৃতি, আৰু সমাজ সম্পৰ্কে তেওঁলোকৰ ধাৰণা বিশ্লেষণ কৰিব গলে সাম্প্ৰতিক সময়ত বিষ্ণুৰাভাৰ চিন্তাৰ প্ৰাসংগিকতা বাৰুকৈয়ে উল্লেখনীয়। কিয়নো তেওঁ দেখুৱাই থৈ যোৱা সমন্বয় আৰু প্ৰগতিৰ পথত অনেকেই পিচল খাই নিজস্ব সীমাৰেখাত আবদ্ধ হৈ পৰিছে আৰু সাময়িক চিন্তাৰ সলনি ব্যক্তিগত চিন্তাত নিমগ্ন হৈছে। ফলত সাম্প্ৰতিক ভোগবাদী আৰু অৰ্থ সৰ্বস্ব সমাজ ব্যৱস্থাত মানুহবোৰে সমাজৰ পিনে পিঠি দিবলৈ বাধ্য হৈছে।

বিষ্ণু ৰাভাই সাহিত্য, সংস্কৃতি, ৰাজনীতিৰ বিভিন্ন মাধ্যমেৰে বিপ্লৱ আৰু বিদ্ৰোহ সৃষ্টিৰ পৰিৱেশ ৰচনা কৰাৰ আহ্বান দিয়াত তেওঁক অসম চৰকাৰে পঘাৰে বান্ধি ৰাজপথত ঘূৰাইছিল আৰু মূৰৰ দাম ঘোষণা কৰিছিল দহহেজাৰ টকা। কি আছিল ৰাভাৰ মূৰ আৰু মগজুত, যাৰ বাবে ৰজাঘৰে তেওঁৰ মূৰৰ দাম ঘোষণা কৰিছিল দহহেজাৰ টকা? এয়া সাম্প্ৰতিক সময়ৰ বাবে এক চিন্তনীয় আৰু গুৰুত্বপূৰ্ণ বিষয়। কাৰণ বৰ্তমান সময়ত মানুহৰ মগজু ধনৰ বিনিময়ত বেচা-কিনা চলি আছে। ধন আৰু পদবীৰ লালসাত বুদ্ধিজীৱী, ৰাজনীতি বিদৰ এটা অংশই ক্ৰমান্বয়ে মগজু ধাৰণ ক্ষমতা হেৰুৱাই পেলাইছে। যাৰ ফলত সমাজত যুৱ উচ্ছৃংখলতাই ভালদৰে শিপাবলৈ পাইছে। গতিকে কলাগুৰু বিষ্ণুৰাভাৰ চিন্তাধাৰক শিৰোধাৰ্য্য কৰিলে যদি সমাজৰ এই দুৰ্নীতি, ভণ্ডামীবোৰৰ বিৰুদ্ধে আগবাঢ়ি যাওঁ, তেতিয়া আমি নিশ্চয় সফল হ'ব পাৰিম। বিষ্ণুৰাভাই সেই কাৰণে লিখিছিল -

ব'ল ব'ল ব'ল ব'ল কৃষক শক্তিৰ দল  
অ বনুৱা সমনীয়া আগবাঢ়ি যাওঁ ব'ল  
জাগ জাগ জাগ জাগ মজদুৰ ন জোৱান  
নিৰ্যাতিত নিপীড়িত কৃষক শক্তিমান  
তোৰ বাহুতে আছে অসীম শক্তি দল  
ৰণৰ শিঙা বাজে শুনি আগবাঢ়ি যাওঁ ব'ল

জাতিগঠনৰ ক্ষেত্ৰত ৰাভাৰ প্ৰভাৱ উল্লেখনীয় আছিল। তেওঁৰ জাতি গঠনৰ ক্ষেত্ৰত যি সপোন সেয়া বহল অৰ্থৎ বৃহত্তৰ অসমীয়া জাতি। তেওঁ বিভিন্ন জনগোষ্ঠীৰ পথাৰৰ পৰা ফুলবোৰ বুটলি আনি অসমীয়া সংস্কৃতিৰ বৰঘৰৰ থাপনাত সাচিছিল। বিষ্ণু ৰাভাৰ মতে জাতি এটা গঠনৰ ক্ষেত্ৰত আন্তঃৰ্জাতিক দৃষ্টি ভংগী থাকিব লাগিব। তেওঁ সেয়েহে এটা কবিতাত লিখিছিল-

সেই ধৰ্ম ক্ষেত্ৰ কুৰুক্ষেত্ৰ  
একাকাৰ মৃত্যুক্ষেত্ৰ  
শ্মশানৰ পৰা হ'ক  
নতুন জাতিৰ উৎপন্ন  
বিশ্বজনীনতাৰ  
নতুন জাগৰণ ।

বিষ্ণুৰাভাই যিবোৰ জনগোষ্ঠীকলৈ "বৰ অসম" আৰু বৃহত্তৰ অসমীয়া জাতি গঠনৰ কথা কৈছে, সেই জনগোষ্ঠীবোৰ একাংশই স্বালৰি কাটি যোৱাৰ প্ৰস্তুতি অব্যাহত ৰাখিছে। শিল্পবিপ্লৱ আৰু দ্বিতীয় বিশ্বযুদ্ধৰ পিছৰে পৰা পৃথিৱীৰ বিভিন্ন দেশত এনেধৰণৰ পৃথকতাবাদ আৰু আত্মচেতনাৰ প্ৰৱণতা বিভিন্ন জনগোষ্ঠীৰ মাজত গঢ়ি উঠিলেও অসমত তেনে চেতনাই উগ্ৰৰূপ ধাৰণ কৰা নাছিল। শ্ৰীমন্তশঙ্কৰদেৱৰ দিনৰে পৰা বিভিন্ন জনগোষ্ঠীৰ মাজত যি ধাৰা প্ৰবাহ মান হৈ আহিছে সেয়ে জনজাতি-অজনজাতি সকলৰ মাজত সমন্বয়ৰ বান্ধোন কটকটীয়া কৰিছে। কিন্তু এজন তথা কথিত অসমীয়াৰ জ্ঞাত্যাভিমান উন্নাসিকতাৰ ফলত সমাজৰ নিম্ন স্তৰৰ জনসাধাৰণৰ আৰু জনজাতি সকল নিন্দিত আৰু অৱহেলিত হৈ আহিছে ; দুখীয়াৰ ওপৰত ধনীৰ শোষণ আৰু অত্যাচাৰ চলিছে। তাৰফলত বিদ্ৰোহে দেখা দিছে। বিষ্ণুৰাভাই জাত-পাত আৰু বৰ্ণ-বৈষম্যৰ এই পৰিঘটনাত জাতিৰ নামত "বজ্জাতি" বুলি অভিহিত কৰিছে। ৰাভাৰ মতে -

বাৰে বাৰে জাতিৰ নামত চুৰি-ডকাইতিৰ খেল  
বজ্জাতৰ দল পাতে নানা জালিয়াতীৰ মেল ।।  
কুৰিশতিকাৰ অসমখনক জাতিভেদ  
ধৰ্মৰ ব্যৱসায় আদি যি দুৰাৰোগ্য

ব্যাধিয়ে খুলি খুলি খাইছে, এই দুৰাৰোগ্য ব্যাধিৰ পৰা অসমখনক বচাবলৈ জাতিৰ এই বিভেদক যদি অক্টোপাচৰ লগত তুলনা কৰা হয়, তেনেহলে এই অক্টোপাচৰ কঢ়াল গ্ৰাসৰ পৰা অসমখনক মুক্ত কৰিবলৈ বিষ্ণুৰাভাৰ সকিয়নী প্ৰত্যেকজন অসমীয়াই আন্তৰিকতাৰে হৃদয়ঙ্গম কৰা উচিত।

কৃষ্টি-সংস্কৃতি অবিহনে আমাৰ ইতিহাস ৰচনা কৰাটো অসম্ভৱ। গতিকে বৰ্তমান ধনৰ বজাৰখনত কৃষ্টি-সংস্কৃতিৰ যি এটা অচলাৱস্থাৰ সৃষ্টি হৈছে,

অতীতৰ সংস্কৃতিক মুখাপিক্ষাই যি এচাম উতনুৱা যুৱক-যুৱতীয়ে ইয়াক বিকৃত কৰাৰ চেষ্টা কৰিছে, সেই সকলে বিষ্ণুৰাভাৰ অমৰ সৃষ্টিৰ পৰা বুজা উচিত যে অসমীয়া কৃষ্টি-সংস্কৃতিৰ মৃত্যু নাই। গতিকে ইয়াক বেপেৰুৱা কৰিবলৈ যোৱাতকৈ উন্নতিৰ পথত এখোপ আগবাঢ়ি যাবলৈহে অৰিহণা যোগোৱা উচিত।

সাম্প্ৰতিক সময়ত দেশৰ সমূহ জনসাধাৰণৰ বাবে বিষ্ণু ৰাভাৰ জীৱন বৃত্ত নতুনকৈ চোৱাৰ সময় আহিছে। বিষ্ণুৰাভাৰ সময়ত দেশত দেখা দিয়া দুৰ্নীতিৰ বিৰুদ্ধে তেওঁ যেনেকৈ যুজিছিল, তেনেকৈ যদি অসমৰ প্ৰত্যেকজন ডেকাই "মোৰ দেশ মই বচামেই।" বুলি আগুৱাই আহে তেতিয়া হলে দেশখনক দুৰ্নীতিৰ কৱলৰপৰা মুক্ত কৰি নতুন ৰূপত সজাই তুলিব পৰা যাব।

যিজনা বিষ্ণুৰাভাই মানৱ প্ৰেমীৰ বৈপ্লবিক আদৰ্শৰ ভাবমূৰ্ত্তি গঢ়ি তুলিছিল, সেইজন মহান ব্যক্তি প্ৰত্যেক জন অসমীয়াৰ মনত পথ প্ৰদৰ্শক হিচাপে চিৰদিন জীয়াই থাকক। সেয়েহে কওঁ -

তুমি আমাৰ বাবে বিষ্ণু ৰাভা<br>
বৈ আছে বৈ থাকক তেজৰ ধমনিত<br>
অগনি কণিকা হৈ বিষ্ণু ৰাভা।।❑

চাৰু কলিতা ঃ মহাবিদ্যালয়ৰ স্নাতক তৃতীয় বৰ্ষৰ (কলা) বিভাগৰ ছাত্ৰী।

# একবিংশ শতিকাত 'প্ৰেম'

○ সত্যেন্দ্ৰ কলিতা

"হঠাৎ কাৰোবাৰ এহালি চকুৰে আন এহালি চকুৰ দাপোনত নিজকে দেখি স্তব্ধ হৈ বৈ যায়-"

মানুহৰ জীৱনত আজি প্ৰেম হৈছে এক দুৰ্লভ আৰু বিস্ময়কৰ অনুভূতি। প্ৰেম এনে এক অনুভূতি তথা এক দুঃসহ যন্ত্ৰণাৰ জুই, যিয়ে এবাৰ এই জুইত দগ্ধ হৈ পাইছে তেওঁলোকে সেই যন্ত্ৰণাৰ মাজতে লাভ কৰিছে আনন্দৰ বিমল অমৃত। সেই অমৃত যিয়ে এবাৰ পান কৰিছে তেওঁ জীৱনত কাহানিও পাহৰিব নোৱাৰে সেই অপাৰ্থিৱ অনুভৱৰ স্মৃতি।

কিন্তু একবিংশ শতিকাত আজি প্ৰেমৰ যি চিৰন্তন আবেদন, যি বিমল সৌন্দৰ্য আৰু শক্তি সি নিৰ্দয় ভাৱে স্খলিত হ'ব ধৰিছে। প্ৰেম হৈ পৰিছে ভোগবাদী সমাজৰ কেৱল এক আনন্দৰ বিষয়। আজি নতুন প্ৰজন্মই ৰোমিঅ'-জুলিয়েট, লাইলা -মজনু, জংকি-পানেই বা জয়মতীৰ হৃদয় বিদাৰক কিছুমান অৰ্থহীন কাহিনী বুলি অভিহিত কৰিব বিচাৰে।

ইয়াৰ মূলতে বাঢ়ি অহা ব্যক্তি কেন্দ্ৰিকতা, অনাহক ব্যস্ততা আদি। বৰ্তমান যুগৰ লগত খাপ খাবলৈ আগবাঢ়োতে আজি মানুহ সোমাই পৰিছে অনাহক ব্যস্ততাৰ মাজত। জীৱন- জীৱিকাৰ চিন্তা, টকা- পইচাৰ চিন্তাই সকলোৰে জীৱন দুৰ্বিসহ কৰি তুলিছে। প্ৰত্যেকেই আগুৱাই যোৱাৰ প্ৰতিযোগিতাত ব্যস্ত। আজিৰ মানুহ আগুৱাই যোৱাৰ প্ৰতিযোগিতাত দৌৰোতে দৌৰোতে কেতিয়া নিজৰ গাৰ কাপোৰ সুলকি গৈ নাঙঠ হৈ পৰিছে তাক চাবলৈ যেন আহৰি নোহোৱা হৈছে। যাৰ ফলত মানুহৰ মাজত তথা ডেকা-গাভৰুৰ মনত 'প্ৰেম' নামৰ অনুভূতি যেন দিনে দিনে নোহোৱা হৈ গৈছে। তাৰ পৰিবৰ্তে বাঢ়ি গৈছে ভোগবাদী কামনাৰ প্ৰৱণতা। এই খিনিতে যুৱ কবি নীলিম কুমাৰ দেৱৰ কবিতা এফাঁকিৰ পৰাই আজিৰ একবিংশ শতিকাৰ ডেকা-গাভৰুৰ প্ৰেমৰ বিষয়ে সম্যক ধাৰণা এটি কৰি ল'ব পাৰি —

" কাইলৈৰ পৰা মই আপোনাক ভাল পাম<br>
আজি যে এৰাব নোৱাৰা ব্যস্ততা<br>
আজি চকা মকাকৈ দেখিলো আপোনাৰ<br>
চুলিখিনি<br>
কাইলৈ জুখিম দীঘল হয়নে সিমান<br>
প্ৰেমত লাগে যিমান ......"<br>
কাইলৈ বাৰু আপোনাক লগ পামনে?<br>
আজি য'ত দেখিছিলো আপোনাক<br>
দেখিছিলো যিখিনি<br>
থাকিবনে সেইখিনি কাইলৈও।<br>
কাইলৈ কিন্তু আপুনি হেৰাই নাযাব<br>
কিয়নো আপোনাক বিচাৰিবলৈ<br>
আপোনাৰ কোনো পৰিচয় মোৰ হাতত নাই।<br>
কাইলৈ আপোনাক মই তুমি বুলি মাতিম<br>
আৰু আপুনি মোক মাতিবনে?<br>
কাইলৈৰ পৰা মই আপোনাক ভালপাম<br>
আজি যে এৰাব নোৱাৰা ব্যস্ততা!"

আজি মানুহৰ কল্যাণ সাধনৰ বাবে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ সহায়ত সৃষ্ট উপাদান সমূহে এক গোপন ক্ষয় ৰোগৰ দৰে লাহে লাহে আমাৰ মানসিক অনুভূতিত সৌৰ্ন্দয, চেতনা নিঃশেষ কৰি আনিছে। আজি কোনো পুৰুষ বা নাৰীয়ে প্ৰিয় জনলৈ হৃদয়ৰ সমস্ত আবেগেৰে চিঠি নিলিখে বা কোনোৱে প্ৰিয় জনৰ পৰা চিঠি আহিব আহিব বুলি বাটলৈ চাই নাথাকে। টেলিফোন, ফেক্স, ই-মেইলৰ দৰে দ্ৰুত যোগাযোগ ব্যৱস্থাই আজি প্ৰেমৰ আবেগময় প্ৰক্ৰিয়াৰ ওপৰত এক ডাঙৰ আঘাত হানিছে।

আজি ইণ্টাৰনেটৰ যুগ। এই ইণ্টাৰনেটৰ যুগত প্ৰেম হৈ পৰিছে যন্ত্ৰৰ

দ্বাৰা পৰিচালিত। আজি কোনো ডেকা-গাভৰুৱে হৃদয়ৰ আহ্বানত প্ৰেমত নপৰে। এই কৰ্মময় তথা ব্যস্ততা ভৰা জীৱনত প্ৰেম হৈ পৰিছে এক অৱসৰ বিনোদনৰ সামগ্ৰী। আজি ডেকা-গাভৰুৱে প্ৰেম কৰে হৃদয় বিহীন যন্ত্ৰৰ চুইচ টিপি, কাৰোৰে সময় নাই প্ৰিয়জনৰ সতে নিজানত খন্তেক বহিবৰ, নিৰ্জনতাক পৰিপূৰ্ণ কৰি খুলি দিব মনৰ দুৱাৰ। এজাক কোমল বতাহ আৰু কিছু আন্তৰিকতা। আজি নিৰ্জনতা হৈ পৰিছে কামনাৰ থলী। একবিংশ শতিকাৰ যান্ত্ৰিকতাই মানুহৰ মাজলৈ লৈ আহিছে- সন্দেহ, অবিশ্বাস আৰু কৃত্ৰিমতা ভৰা এক জীৱন, যাৰ ফলস্বৰূপে মানুহৰ মাজৰ পৰা কাঢ়ি লৈ গৈছে প্ৰেম নামৰ অমল অনুভূতি; যি অলপ-অচৰপ আছেও সিও পৰিবৰ্তিত হৈছে সংগসুখ তথা কামনা নিৰ্ভৰ প্ৰেমলৈ। আজিৰ পুৰুষ-নাৰীয়ে প্ৰেমৰ পৰা পাব নিবিচাৰে অলপ অনুপ্ৰেৰণা, অলপ ত্যাগ, অকৃত্ৰিম মৰম, অলপ যন্ত্ৰণা, অলপ অশ্ৰু। প্ৰেমৰ পৰা বিচাৰে মাথো সুখ-আনন্দ, হাঁহি মাথো হাঁহি।

আজি একবিংশ শতিকাত প্ৰেম হৈ পৰিছে যৌন সৰ্বস্ব। ই শুভ লক্ষণ নহয়। যি মিলনত নাথাকে হৃদয়ৰ আবেগ তথা হৃদয়ৰ আহ্বান, সি কেতিয়াও প্ৰেম হ'ব নোৱাৰে। ইয়ে কেতিয়াও এক সুস্থ সমাজ গঢ়াত অগ্ৰণী ভূমিকা পালন কৰিব নোৱাৰে। যাৰ ফলত আজি প্ৰেমহীন পৃথিবীখন ভৰি পৰিছে হত্যা, হিংসা, ধৰ্ষণ আদি অসামাজিক কাৰ্যকলাপ সমূহেৰে। দিনক দিনে বাঢ়ি অহা উক্ত অসামাজিক কাৰ্যকলাপ সমূহে সমাজখনক আগুৱাই লৈ গৈছে এক ধ্বংসাত্মক ভবিষ্যতৰ ফালে।

প্ৰেমেই হ'ল সেই অবিনশ্বৰ শক্তি, যি ধ্বংসৰ কোলাহলৰ মাজতো মানুহৰ কাণৰ কাষত গুণ গুণাই অহৰহ গায় সৃষ্টিৰ গীত। প্ৰেম সেই পবিত্ৰ দীপ শিখা যি অমাৱস্যাৰ আন্ধাৰতো পোহৰ বিলায়। বন্ধুত্ব আৰু প্ৰেমেই ধৰি ৰাখিছে সমাজখনক। প্ৰেম হ'ল সৃষ্টিৰ প্ৰযুক্তি কৌশল। আকৰ্ষণ, মিলন, আকৰ্ষণৰ পৰা মিলন আৰু মিলনৰ পৰা সৃষ্টি ৰক্ষা। গতিকে মানুহৰ হৃদয়ৰ পৰা প্ৰেমৰ অস্তিত্ব নোহোৱা হোৱা মানেই মানৱ সমাজৰ মানবীয় আবেদন শেষ। সেয়ে এই প্ৰেমক জীয়াই ৰাখিব লাগিব অন্যৰ বাবে নহ'লেও সৃষ্টিৰ সৌন্দৰ্য ৰক্ষাৰ বাবে।

এবাৰ মাত আৰু অলপ সহানুভূতি- সেয়েতো জীৱনৰ অমৃত। কত দুখ-যন্ত্ৰণা, ভাগৰ, কত অনাতন আৰু মৃত্যুভয়- তাৰ পিছতো জীয়াই থকাৰ হেপাহ। প্ৰেমে সকলোকে বান্ধি ৰাখে একেডাল চেনেহৰ এনাজৰীৰে। কোনো ক'তো অকলশৰীয়া নহয়। আন্ধাৰ ৰাতি হেজাৰ বিজাৰ তৰাৰ মাজৰে এটা অকলশৰীয়া তৰাবো পোহৰ পৰিছে কাবোবাৰ গাত। এই মৃত্যুৰ কলাৰ ছাঁ এদিন নোহোৱা হ'ব। জীৱন আকৌ প্ৰেমেৰে উজ্বলি উঠিব। যুৱক-যুৱতীয়ে এজনে আনজনৰ মাজত আবিষ্কাৰ কৰিব জীৱনক সুন্দৰ কৰি তোলাৰ অৰ্থ শিশুবোৰে হেজাৰজনৰ মমতাৰ মাজত নিৰ্ভয়ে উশাহ ল'ব। কাৰো জীৱন বিফলে নাযায়। এই যে আমাৰ চাৰিওফালে ইমানবোৰ সমস্যা, তাৰো সমাধানৰ বাট বিচাৰি পাব মানুহে। বাট-পথ, ঘৰ-দুৱাৰ, সভা-সমিতি সকলোতে ইজনে আনজনক আঁকোৱালি ধৰি কুশল বাৰ্তা বিনিময় কৰিব। সৃষ্টিৰ বাটত হেজাৰজনে খোজ দিব সমাজ আৰু সংস্কৃতি সমৃদ্ধ কৰিবলৈ। কোনো বাধা বা ভয়ে মানুহক বিতত কৰিব নোৱাৰিব তাৰ লক্ষ্যস্থানত উপনীত হোৱাত। মানুহ যে প্ৰেমৰেই সন্তান। প্ৰেমৰে পৰা উপজিছে মানুহ, চিৰকাল প্ৰেমৰেই উপাসনা কৰি আহিছে। মানুহৰ চকুলো, ঘাম আৰু তেজেৰে ৰচিত হৈছে প্ৰেমৰ ইতিহাস। আজি আৰু কাৰ নিৰ্দেশ বা চাতুৰীত বিপথগামী হ'ব? যেতিয়ালৈকে বৈ থাকিব প্ৰেমৰ নদী তেতিয়ালৈকে সেউজীয়া হৈ ৰ'ব হৃদয়-উপত্যকা। একোটা যুগ বা শতিকাক দখল কৰিব মানুহে সৃষ্টিৰ অভিযানেৰে।

শেষত আমাৰ আশা হওঁক এই একবিংশ শতিকাত বিজ্ঞানৰ নৱতম সৃষ্টিৰ উপাদান সমূহো যেন আকৰ্ষিত হওঁক প্ৰেমৰ নিচিনা এই অপাৰ্থিব অনুভূতিত। নীলিম কুমাৰৰ কবিতাৰ ভাষাৰে—

"এটা পুৰুষ ৰবটে  
এটি নাৰী ৰবটৰ  
প্ৰেমত পৰিছে  
সিহঁতে প্ৰেম কৰে  
বুটাম টিপি  
সিহঁতৰ  
চুমাখোৱা এটা বুটাম আছে  
আৰু এটা বুটাম আছে  
ইজনে সিজনক পাহৰি থকা  
কামৰ সময়ত" *(ৰবট)*

প্ৰেমৰ দৰে বিৰল আৰু ঐশ্বৰ্যময় অনুভূতিত যেন সকলো ডুবি যায় সেয়ে আমাৰ সকলোৰে আশা হওঁক ।। ❑

*(দেৱকান্ত সন্দিকৈ, সমীৰ তাঁতী আৰু প্ৰিয় কবি নীলিম কুমাৰ দেৱৰ লিখনিৰ ছাঁ লৈ)*

সত্যেন্দ্ৰ কলিতা ঃ মহাবিদ্যালয়ৰ স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰ।

*সোণপাহি বহা, মোৰ কলখৰতে বহা  
চুলিৰ তোমাৰ আঁউসীৰ এন্ধাৰে মোৰ  
জীৱন জ্বলাওঁক । বাসনাৰ জুই কুণ্ডা  
ছাই হৈ যাওঁক । মোৰ বন্ধ কোঠাৰ তুমি  
জ্বলি থকা মম । বাহিৰত জোনাকীৰ  
টিমিক-টামাক ।  
অস্পষ্ট এন্ধাৰ আৰু এবুকু মৰম ।*

*হেম বৰুৱা*

# দেশমাতৃ মাদাৰ টেৰেছা

○সংগীতা কলিতা

১৯১০ চনৰ ২৭ আগষ্টত যুগোশ্লাভিয়াৰ মেছিডনিয়াৰ স্ক'পেজ চহৰৰ এটা আলবেনিয়ান পৰিয়ালৰ গৃহত এগনেছ নামে ছোৱালী এজনীৰ জন্ম হয়। এই কণমাণি জনী ককায়েক লেজাৰ আৰু বায়েক এজৰ লগত উমলি-জামলি ডাঙৰ হৈ আহিছিল। জন্মৰ তৃতীয় বছৰতে হোৱা দেউতাক নিকোলাছ বউকিউৰ মৃত্যুই পৰিয়ালটো অভাৱগ্ৰস্ত কৰি তুলিলে। তথাপি মাক ড্ৰানাফিল বাৰ্ণাবৰ সাহস আৰু প্ৰেৰণাই কোনো বিপদৰে বলি হবলগীয়া নকৰিলে। পৰিয়ালত পোৱা ধৰ্মীয় পৰিবেশ আৰু সমসাময়িক প্ৰথম বিশ্ব যুদ্ধৰ বিভীষিকাই কুমাৰী এগনেচৰ মন পাৰ্থিৱ জগতৰ পৰা আতৰাই আনিলে।

এগনেছৰ শিক্ষাৰ আৰম্ভ হয় চেক্ৰেড হাৰ্ট চাৰ্চত; পিছত কেথলিক ৰাষ্ট্ৰীয় বিদ্যালয়ত ভৰ্ত্তি হয়। স্কুলীয়া জীৱনতেই তেওঁ মহিলাৰ ধৰ্মীয় অনুষ্ঠান 'মেৰীৰ ছদেলিটি' যোগদান কৰে। যুগোশ্লাভিয়াত স্কুলীয়া শিক্ষা সাং কৰি তেওঁ ১৮ বছৰ বয়সতেই এক কঠোৰ সিদ্ধান্ত যে তেওঁ 'নান' (সন্যাসিনী) হব। সমাজৰ বঞ্চিত জনৰ সেৱাত উছৰ্গিত হব। ইয়াৰ বাবে তেওঁ আয়াৰলেণ্ডৰ ডাবলিনৰ আশ্ৰমত যোগদান কৰিলে। অৱশেষত ১৯২৮ চনত তেওঁৰ সপোন বাস্তবায়িত কৰাৰ বাবে পদাৰ্পণ কৰে ভাৰত ভূমিত। ভাৰতৰ পবিত্ৰ মাটিত ভৰি দিয়েই ইয়াৰ মনোৰম বিশ্বপ্ৰকৃতিৰ অপূৰ্ব ৰূপত মোহিত হ'ল। ইয়াৰ পিচত দাৰ্জিলিঙৰ ল'ৰাটো স্কুলত কিছুদিন পঢ়াইছিল আৰু লগে লগে কলিতাৰ চেণ্টমেৰীজ কণভেণ্ট স্কুলত শিক্ষয়িত্ৰী নিযুক্ত হয়। শিক্ষয়িত্ৰী হৈ থকাৰ সময়তেই তেওঁ দৰিদ্ৰ জনগণৰ সেৱাৰ বাবে আনুষ্ঠানিকভাৱে মঠৰ ভগ্নী হোৱাৰ সংকল্প গ্ৰহণ কৰে. তেতিয়াৰপৰা এগনেছ গোৱামা বউকিউ হৈ পৰে 'মাদাৰ টেৰেছা'।

সদায় দৰিদ্ৰ সকলৰ অভাৱ অনাটন জৰাগ্ৰস্ত অৱস্থা দেখি দেখি মাদাৰৰ মনে হাহাকাৰ কৰি উঠিল। আনহাতে তেওঁৰ মহান উদ্দেশ্যই আছিল দৰিদ্ৰ নাৰায়ণৰ সেৱা কৰা। গতিকে নিজৰ ছাত্ৰী কিছুমানক লৈ তেওঁ থকা ঠাইৰ পিছফালে থকা 'মতিঝিল' বস্তিলৈ গৈ অসহায়জনক সহায় কৰি গ'ল। মাদাৰ টেৰেছাই ভালকৈ বুজিছিল যে মানুহ যেতিয়া মানসিক ৰোগগ্ৰস্ত হয় তেতিয়া শৰীৰো দুৰ্বল হয়। ৰুগীয়া শৰীৰেৰে যদি এজন মানুহ মানসিক ভাৱে প্ৰফুল্লিত হৈ থাকিব পাৰে তেতিয়া ৰোগৰ যন্ত্ৰণা বহুখিনি লাঘৱ হয়। এইদৰেই তেওঁ দৰিদ্ৰ, নিৰাশ্ৰয় বা অসহায় জনৰ প্ৰতি সেৱা আগবঢ়াৱৰ বাবে মুক্তমনেৰে কাম কৰি গ'ল।

১৯৪৬ চনৰ ১০ ছেপ্তেম্বৰৰ দিনা তেওঁ হিমশীতল হিমালয়ৰ বুকুৰ কাৰ্শিয়াঙত থকা চেণ্ট মেৰীজ সন্যাস আশ্ৰমলৈ গৈ থকাৰ পথত তেওঁ যেন অন্তৰাত্মাৰ আহ্বান শুনিবলৈ পালে "তুমি কণভেণ্ট পৰিত্যাগ কৰি দৰিদ্ৰ জনগণৰ সেৱাত আত্মনিয়োগ কৰাগৈ। মনৰ অতৃপ্ত বাসনাই পৰিপূৰ্ণতা লাভৰ বাবে জপিয়াই উঠিল। লৰেটো কণভেণ্টৰ বগা-ক'লা সাজযোৰ পৰিহাৰ কৰি নীলা পাৰীৰ বগা শাৰীখন পিন্ধি ওলাই আহিল ভাৰতৰ দৰিদ্ৰ জনগণৰ মাজলৈ। যুগোশ্লাভিয়া তেওঁৰ জন্মভূমি ; কিন্তু কৰ্মভূমি হৈ পৰিল মহান ভাৰত ভূমি।

১৯৪৮ চনত মাদাৰ টেৰেছাক ভাৰত চৰকাৰে নাগৰিকত্ব প্ৰদান কৰিলে। ১৯৪৮ চনৰ ২১ ডিচেম্বৰত 'মতিঝিল' বস্তিত প্ৰথম পঢ়াশালি স্থাপন কৰে। শুভকাংখীলোকৰ সহযোগত স্কুলখন গঢ়ি উঠিল। ১৯৪৯ চনৰ মাৰ্চ মাহত তেওঁ প্ৰথম গৰাকী সহকাৰিণী লাভ কৰে সুভাষিণী দাসক। ১৯৫০ চনত কলিকতাত স্থাপন কৰা হ'ল 'অৰ্ডাৰ অৱ দ্যা মিছনেৰী অৱ ছেৰিটী' আৰু 'মাদাৰ হাউচ'। ইয়াৰ পিছত ১৯৫২ চনত মুমুৰ্ষ সকলৰ আশ্ৰয়স্থলী "নিৰ্মল হৃদয়" প্ৰতিষ্ঠা কৰে। দেশৰ বিভিন্ন ঠাইত যথেষ্ট সংখ্যক "শিশু ভৱন" নিৰ্মাণ কৰা হয়। যিয়ে বিভিন্ন নিৰাশ্ৰিত, মানসিক ৰোগগ্ৰস্ত বিকলাংগ আদি লোকক আশ্ৰয় প্ৰদান কৰিলে। দেশৰ কুষ্ঠৰোগী সকলৰ বাবে তেওঁ কুষ্ঠ চিকিৎসালয়ৰো ব্যৱস্থা কৰিছিল। এই দুৰ্ভগীয়া লোক সকলৰ বাবে 'শান্তি গৃহৰ ব্যৱস্থা কৰে।

জগতৰ মাতৃ মাদাৰ টেৰেছা। সৰ্বহাৰাৰ শক্তিৰ স্থল। ঈশ্বৰৰ ওপৰত অগাধ ভক্তি আৰু বিশ্বাস প্ৰেম, দয়া আৰু ত্যাগৰ মূৰ্ত্ত প্ৰতীক মাদাৰ টেৰেছা। আজিৰ সংঘৰ্ষময় পৰিস্থিতিতো মমতাৰ স্পৰ্শৰে তেওঁ নিৰীহ জনতাৰ ওপৰত শান্তি পানী ছটিয়াইছিল, জীয়াই থকাৰ বাবে যোগাইছিল প্ৰেৰণা। দলিত পীড়িত আৰু মুমুৰ্ষ জনৰ আভাৰ বেগুণি আছিল মাদাৰ টেৰেছা। মাদাৰ আছিল ফুটপাথাৰ সৰ্বহাৰা বা মুমুৰ্ষ জনৰ বাবে দেৱদূত সদৃশ।

মহান কৰ্মৰাজিৰ বাবে দেশ বিদেশৰ পৰা অহা প্ৰভৃত পুৰস্কাৰ আৰু সন্মানৰ অধিকাৰী হৈছিল মাদাৰ টেৰেছা । বিশ্ব ভাৰতী বিশ্ববিদ্যালয়ৰ পৰা দেশী কোত্ৰম পদবী, আমেৰিকাস্থিত কেথলিক বিশ্ববিদ্যালয়ৰপৰা ডক্টৰেট ডিগ্ৰী, ১৯৬২ চনত ভাৰতৰ পৰা পদ্মশ্ৰী উপাধি, ১৯৮০ চনত ভাৰত ৰত্ন বঁটা লাভ কৰে। ১৯৭৮ চনত 'অৰ্ডাৰ অৱ দ্যা বৃটিছ এম্পেয়াৰ , ১৯৭১ চনত আমেৰিকাৰ পৰা গুড চামাৰিটান বঁটা, ৰোমৰ পৰা টেম্পেলটন পুৰস্কাৰ, ১৯৭১ চনত জন এফ কেনেডী আন্তঃ ৰাষ্ট্ৰীয় বঁটা, ১৯৭২ চনত জৱাহৰলাল নেহৰু পুৰস্কাৰ, ১৯৭৪ চনত আমেৰিকাৰ পৰা বঁটা আৰু ১৯৭৮ চনত শান্তিৰ ন'বেল বঁটা লাভ কৰে। মাদাৰ টেৰেছা ন'বেল পুৰস্কাৰ প্ৰাপ্ত তৃতীয়জন ভাৰতীয় নাগৰিক।

নবেল বিজয়ী মাদাৰ টেৰেছাৰ ওচৰত আমি প্ৰত্যেক ভাৰতীয়ই গৌৰৱান্বিত, চিৰকৃতজ্ঞ আৰু চিৰঋণী। ভাৰতবাসীয়ে তেওঁলৈ অকৃত্ৰিম ভালপোৱা আৰু সম্বৰ্ধনা জ্ঞাপন কৰে। সম্বৰ্ধনা অনুষ্ঠানত তেওঁ দিয়া ভাষণত স্পষ্ট ভাষাৰে কয়, কথাৰে কেতিয়াও মানৱ জাতিৰ সেৱা কৰিব নোৱাৰি। ইয়াৰে বাবে প্ৰয়োজন মুক্ত মনেৰে সেৱামূলক কাৰ্যত ব্ৰতী হব পৰা ধ্যান আৰু লক্ষ্য। সেই অনুষ্ঠানতেই তেওঁ উল্লেখ কৰে যে ভৱিষ্যতলৈ কেতিয়াও

সম্বৰ্ধনা অনুষ্ঠানত অংশ নলয়।

শান্তিৰ দূত মাদাৰ টেৰেছাৰ পাৰ্থিৱ দেহ আজি আমাৰ মাজত নাই। কিন্তু তেওঁৰ আদৰ্শৰ ওচৰত আমি চিৰঋণী। মহাকালৰ অমোঘ নিৰ্দেশত চৰাচৰ জগত স্তব্ধ হৈ পৰিল। সমগ্ৰ বিশ্বকে বিহ্বল কৰি নিৰ্বাপিত হ'ল ভাৰত গৌৰৱ জ্যোতি। চিৰ কুমাৰী মাদাৰৰ মৃত্যুত তেওঁৰ কৌটি মানস সন্তান অনাথ হ'ল। "মানৱ সেৱাই পৰম ধৰ্ম" এই আদৰ্শকে সাৰোগত কৰি জীৱন শান্তিপূৰ্ণ ভাৱে অতিবাহিত কৰা বিশ্ববাসীৰ বাবে বন্দনীয় মহিলা মাদাৰ টেৰেছা।

মাদাৰ টেৰেছাই ভাল পোৱা কবিতা কেইফাঁকি মান হ'ল -

"মৌনতাৰ পৰা উদয় হব প্ৰাৰ্থনা
প্ৰাৰ্থনাৰ পৰা আমি পাওঁ আস্থা আৰু বিশ্বাস
বিশ্বাসৰ পৰা জাগ্ৰত হয় প্ৰেম
প্ৰেমে আমাক লৈ যায় সেৱাৰ পথলৈ
সেৱাৰ পৰা পোৱা যায় শান্তি"

ইং ১৯৯৭ চনৰ ৫ চেপ্তেম্বৰ শুক্ৰবাৰে মাদাৰ টেৰেছাই মহাপ্ৰস্থান কৰিলে। শতাব্দীৰ জননী মাদাৰ মৃত্যুত বিশ্ববাসীয়েই কেৱল নহয় বৰঞ্চ বিশ্ব প্ৰকৃতিয়েও কান্দি উঠিছিল। ভাৰত ৰাষ্ট্ৰই সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্য্যাদাৰে মাদাৰৰ অন্ত্যেষ্টিক্ৰিয়া সমাপন কৰিলে। ৰাষ্ট্ৰীয় মৰ্যাদাৰে অন্তিম ক্ৰিয়া সমাপন কৰা মাদাৰ টেৰেছা হ'ল দ্বিতীয় গৰাকী অৰাজনৈতিক ব্যক্তি। ইয়াৰ আগৰ জন আছিল মহা মানৱ 'মহাত্মা গান্ধী"

সংগীতা কলিতা মহাবিদ্যালয়ৰ স্নাতক দ্বিতীয় বৰ্ষ (কলা শাখাৰ) ছাত্ৰী ।

# প্ৰকৃত সৎ ব্যক্তিগৰাকী লালবাহাদুৰ শাস্ত্ৰী

নিতুমনি শৰ্মা

বছৰেকীয়া পৰীক্ষাৰ দিন চমু চাপি আহিছে। শিক্ষকে ছাত্ৰ সকলক মন দি পঢ়া শুনা কৰিবলৈ দঢ়াই দঢ়াই কৈছে, আৰু কৈছে স্কুল খতি নকৰিবলৈ। কিন্তু সেই ল'ৰাজন অনুপস্থিত প্ৰায় প্ৰতিদিনে। চুটি চাপৰ, নিৰ্জু আৰু পঢ়াত মনোযোগী ল'ৰাজন। শান্ত আৰু দেখিলে মৰম লগা ল'ৰাজন দুদিন স্কুললৈ যোৱা নাই। ভাল ছাত্ৰলৈ সকলোৰে মনোযোগ থাকে। সেয়ে তেওঁৰ ঘৰলৈ গৈ খবৰ কৰিলে। কিন্তু মাকৰ মুখত ল'ৰাৰ কথা শুনি শিক্ষক আচৰিত হল কিয়নো সি সদায় বহী-কিতাপ লৈ স্কুললৈ যায়। ওভতি ঘৰ পায় আগৰ দিন বিলাকৰ সময়তে। মাকৰ মনত চিন্তা, ল'ৰাৰ ওপৰত চকু ৰাখিবলৈ কৈ শিক্ষকজন খঙেৰে গুচি গল। শিক্ষকৰ কথাই মাকৰ আশা ভৰষা সকলো যেন ধূলিস্যাৎ কৰিলে।

বিমৰিষ মনেৰে আকাশৰ ফালে চাই মাক পিৰালিত বহি থাকিল। লৰাজন ঠিক সময়তে আহি ঘৰ পালে। তাক দেখি মাকৰ বেজাৰ, দুখ, অভিমান খঙত পৰিণত হ'ল। চকু মচি মচি তেওঁ চোতালতে তাক আগভেটি ধৰি সুধিলে- "সঁচা কথা ক, আজি তিনিদিন তই স্কুললৈ যাওঁ বুলি কলৈ গৈছ?"

মাকৰ উগ্ৰমূৰ্তি দেখি সি অলপো বিচলিত নহ'ল। নিৰ্ভয় মনেৰে সি বিনীত ভাবে সি উত্তৰ দিলে- "আই, স্কুললৈ নোযোৱাটো সঁচা। সিখন গাৱঁত মোৰ বন্ধু এজনৰ আই ওলাই পৰি আছে। তাৰ আপোনজন কোনো নাই। মই খবৰ লবলৈ গৈ দেখিলো সি নিঠৰুৱা হৈ পৰি আছে। পানী এটোপা খাবলৈ কাওঁ-বাওঁ কৰি আছে, কিন্তু পানী দিবলৈ ওচৰত কোনো নাই। নিজে উঠিবকে নোৱাৰে দেখি মোৰ বেয়া লাগিল। স্কুললৈ যোৱাৰ কথা পাহৰি গলো। এই তিনিদিন তাৰ শুশ্ৰূষা কৰিছো গৈ। আই, মই তোমাক খুলি নোকোৱা বাবে যদি দোষ হৈছে ক্ষমা কৰিবা।"

মাকৰ খং মাৰ গ'ল। পুতেকৰ সৰল নিৰ্দোষ মুখলৈ চাই থাকিল কিছু সময়। বন্ধুৰ প্ৰতি থকা আন্তৰিক স্নেহ আৰু মানবতাই তেওঁকো অভিভূত কৰিলে। মৰমতে গালে মুখে হাত বুলাই দি কলে- "যা ভিতৰলৈ- ।"

এই লৰাজনেই ভাৰত মাতাৰ সু-সন্তান স্বাধীন ভাৰতৰ দ্বিতীয় প্ৰধান মন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰী।

সেই সময়ৰ আগ্ৰা অযোধ্যা যুক্ত প্ৰদেশ, বৰ্তমানৰ উত্তৰ প্ৰদেশৰ মোগলচৰাই এটি ভাৰতৰ বিখ্যাত ৰেলৰ জংচন। মোগল চৰাইৰ ওচৰৰে অতি সাধৰণ গাওঁ এখনৰ অখ্যাত আৰু নিচলা পৰিয়াল এটাত ১৯০৪ চনৰ ২ অক্টোবৰ তাৰিখে লাল বাহাদুৰ শাস্ত্ৰীৰ জন্ম হয়। তেওঁৰ পিতা আছিল সাৰদা প্ৰসাদ, প্ৰাইমাৰি স্কুলৰ প্ৰধান শিক্ষক আৰু মাক ৰাম দুলাৰি দেৱী। দেৰ বছৰ বয়সতে লাল বাহাদুৰে পিতাকক হেৰুৱায়। ফলত ককাকে ভৰণ-পোষণ দি ডাঙৰ দীঘল কৰে। মোগল চৰাইৰ ককাকৰ ঘৰত প্ৰথমে তেওঁ মাইনৰ পাচ কৰি বাৰানসীৰ হৰিচন্দ্ৰ বিদ্যাপীঠত নতুন অধ্যায় আৰম্ভ কৰে, তেওঁ মজলীয়া বিধৰ ছাত্ৰ আছিল। শিকাৰ প্ৰতি তেওঁৰ আছিল প্ৰবল ধাউতি। ইংৰাজী তেওঁৰ অতি প্ৰিয় বিষয় আছিল। বাহিৰা কিতাপ পালে তেওঁ শেষ নকৰালৈকে এৰিব নোৱাৰিছিল। তেওঁৰ ভৱিষ্যত সম্ভাৱনা দেখি শিক্ষক সকলে বহুতো আশা কৰিছিল।

ভাৰতৰ স্বাধীনতাৰ বাবে চলোৱা আন্দোলনৰ সৈতে তেওঁৰ পৰিচয় হয় নিম্ন শ্ৰেণীত পঢ়ি থকা দিনৰে পৰা। "স্বৰাজ আমাৰ জন্ম স্বত্ব" অগ্নি বাণীৰ দ্বাৰাই তেওঁ স্বাধীনতা সংগ্ৰামত মন প্ৰাণ সপি দিছিল। কাশী বিদ্যাপীঠত চাৰি বছৰ অধ্যয়ন কৰি শেষ পৰীক্ষা দি তেওঁ শাস্ত্ৰী উপাধি লাভ কৰে। তাৰ পিছত মাতৃ আজ্ঞা শিৰোধাৰ্য কৰি একুৰি তিনি বছৰ বয়সত মীৰ্জাপুৰৰ ললিতা দেৱীৰ পাণি

গ্ৰহণ কৰে।

দেশ মাতৃৰ সেৱাত আত্ম উৎসৰ্গ কৰা লাল বাহাদুৰক নৱ বিবাহিতা লক্ষ্মীৰ মৰমে বন্দী কৰি ৰাখিব নোৱাৰিলে। স্বাধীনতা সংগ্ৰামত আত্ম বলিদান দিয়া শাস্ত্ৰীয়ে ক্ৰমে ১৯৩২, ১৯৩৪, ১৯৪১ আৰু ১৯৪২ চনত মুঠতে সাতবাৰ বন্দী জীৱন যাপন কৰিছে। জীৱনৰ নটা বছৰ তেওঁ কাৰাগাৰত পাৰ কৰে।

এটা ভাড়া ঘৰ। এটা পৰিয়াল। পৰিয়ালৰ সংখ্যা বাঢ়িছে কিন্তু আৰ্জন বঢ়া নাই। অভাৰ অনাটনে জুৰুলা কৰা ঘৰখনক তেওঁ সহায় কৰিব পৰা নাই। অভাৰ যেন তেওঁৰ লোকৰ চিৰ লগৰী। ঔষধৰ অভাৱত চাৰিবছৰীয়া মঞ্জুই বিদায় ললে। তেওঁৰ বন্দী জীৱনৰ সংযম শিষ্টাচাৰত সন্তুষ্ট হৈছিল জেইলাৰ আৰু তেওঁক মুক্তি দিছিল পোন্ধৰ দিনৰ বাবে। ঘৰলৈ আহি ফটা কাপোৰ এখনৰে মেৰিয়াই মৃতা মঞ্জুক সৰু হাবি এখনত গাঁত খান্দি শুৱাই থৈ আহিল আৰু পিছদিনা তেওঁ জেললৈ উভতিল।

বন্দী জীৱন লালবাহাদুৰৰ বাবে এক আশীৰ্বাদ আছিল। তেওঁ জেলতেই যথেষ্ট কিতাপ পত্ৰ অধ্যয়ন কৰিছিল আৰু আচৰিত কথা তেওঁ সাহিত্য চৰ্চাও আৰম্ভ কৰে সেই সময়ৰে পৰাই।

অসহযোগ আৰু আইন অমান্য আন্দোলনৰ কামত জৱাহৰলালৰ সংস্পৰ্শত আহি তেওঁ জৱাহৰলালৰ ছাঁৰ দৰে ঘুৰি ফুৰিছিল তেওঁ কাৰ্যদক্ষতাৰ আস্থা ৰাখিছিল নেহৰুৱে। নেহৰুৱে ভৱিষ্যতৰ সম্ভাৱনা দেখি লাল বাহাদুৰক অতি মৰম কৰিছিল আৰু সংগঠনৰ কামত দিহা পৰামৰ্শ দিছিল।

নেহৰুৰ পৰামৰ্শ মতে ১৯৩০ চনত এলাহাবাদ জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক আৰু নগৰ কংগ্ৰেছৰ সভাপতিৰ দায়িত্ব গ্ৰহণ কৰে শাস্ত্ৰীয়ে। তেওঁৰ কৰ্মৰ পৰিধি ক্ৰমে বিস্তৃত হবলৈ ধৰিলে।

১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰত স্বাধীন হল। ইমান দিনে চলাই অহা স্বাধীনতা সংগ্ৰামৰ ওৰ পৰিল। মানৱতাৰ জয় হল। লগে লগে ১৯৪৭ চনত কেন্দ্ৰীয় আৰু প্ৰাদেশিক পৰ্য্যায়ত স্বাধীন ভাৰতৰ মন্ত্ৰী সভা গঠিত হ'ল। লালবাহাদুৰে যুক্ত প্ৰদেশত মন্ত্ৰী সভাৰ বাৰ পালে- পৰিবহণ আৰু পুলিচ দপ্তৰ। মন্ত্ৰীৰ দায়িত্বলৈ তেওঁ যুক্ত প্ৰদেশৰ পুলিচ আৰু পৰিবহণৰ উন্নতি আদি কামত মন দিলে। পুনৰ ১৯৫৭ চনৰ ২য় বাৰৰ বাবে হোৱা সাধাৰণ নিৰ্বাচনত পশ্চিম এলাহাবাদৰ পৰা লালবাহাদুৰ লোকসভালৈ নিৰ্বাচিত হয়।

আভিজাত্যৰ সৈতে সম্পৰ্ক নথকা, পাৰিবাৰিক বৈশিষ্ট চকুত নপৰা চুটি-চাপৰ, হাহিমুৱা লালবাহাদুৰ শাস্ত্ৰী পৃথিৱীৰ ভিতৰতে বৃহত্তম গণতান্ত্ৰিক ৰাষ্ট্ৰ ভাৰতৰ প্ৰধান মন্ত্ৰী হয়। সৰ্বসাধাৰণৰ মাজৰে এজন সাধাৰণ মানুহ বুলি গণ্য কৰা, চাৰিত্ৰিক আদৰ্শৰে ভাস্বৰ, অদমনীয় মনোবলৰ অধিকাৰী লালবাহাদুৰ ভাৰতীয় আদৰ্শৰ এক উজ্বল প্ৰতিভূ।

হৰিচন্দ্ৰ বিদ্যাপীঠৰ ছাত্ৰ লালবাহাদুৰে মহাত্মাৰ আদৰ্শ গ্ৰহণ কৰি যিদিনা অসহযোগ আন্দোলত যোগ দিবলৈ ওলাই আহিল, সেই দিনৰে পৰা তেওঁ দৈনন্দিন জীৱন যাপনৰ প্ৰণালী গ্ৰহণ কৰে মহাত্মাৰ জীৱন যাপনৰ পৰা। তেওঁ গোটেই জীৱন মহাত্মাৰ শিষ্য আছিল। গান্ধীজীৰ কৰ্ম পন্থাই তেওঁৰ মনত সাঁচ বহুৱালে- প্ৰতিভা আৰু শুভ কামৰ মাজেদি উন্নতি কৰিব পাৰি। গান্ধীজীৰ নৈতিকতাৰ আদৰ্শ বিশ্বত দুৰ্লভ বুলি তেওঁ শ্ৰদ্ধাৰে গ্ৰহণ কৰিছিল আৰু প্ৰচাৰ কৰিছিল।

প্ৰধান মন্ত্ৰীৰূপে জাতিৰ উদ্দেশ্যে দিয়া প্ৰথম অনাতাঁৰ ভাষণতে তেওঁ কৈছিল যে আমাৰ সন্মুখত দেখা দিয়া আটাইতকৈ দুখজনক আৰু ভয়ানক সমস্যা হল খাদ্য সমস্যা। ভাত মুঠিৰ অভাৱত জুৰুলা হোৱা ভাৰতবাসীৰ অৱস্থা উপলব্ধি কৰি লালবাহাদুৰে যত্ন লৈছিল অন্ততঃ দুবেলা দুসাজ প্ৰত্যেকজন ভাৰতীয়ৰ মুখত তুলি দিবলৈ। তাৰবাবে ৰাজ্যত সুলভ মূল্যৰ দোকান স্থাপন কৰা হৈছিল।

ভাৰত আৰু পাকিস্থানৰ মাজত এখন এখন কৈ চুক্তি পত্ৰ স্বাক্ষৰিত হ'ল- শান্তি পূৰ্ণ সহৰস্থানৰ, অস্ত্ৰ বিৰতিৰ। কিন্তু সেই চুক্তি পাকিস্থানে মানি চলে মাত্ৰ কেইঘন্টামানৰ বাবে। তাৰ কাৰণ কাশ্মীৰ। পাকিস্থানৰ মূৰ কামোৰণী- কাশ্মীৰ পাকিস্থানৰ। অস্ত্ৰ-শস্ত্ৰৰে প্ৰতিৰোধ কৰা হব বুলি এই সম্পৰ্কত লালবাহাদুৰে গৰ্জি উঠিছিল আৰু সংঘৰ্ষ আৰম্ভ হৈছিল ভয়ানক ভাবে। সাহস আৰু শক্তিৰে পাকিস্থানৰ আক্ৰমণ ব্যৰ্থ কৰিছিল এই মহান ব্যক্তি গৰাকীয়ে। লালবাহাদুৰে স্পষ্টভাৱে বিশ্ব শান্তি কামনা কৰি ৰাষ্ট্ৰ সংঘলৈ আবেদন জনাইছিল। ফলত ১৯৬৬ চনৰ ২৩ চেপ্তেম্বৰৰ দিনা তাছ খণ্ডত যুদ্ধ বিৰতি চুক্তি সম্পাদিত হয়।

এই হেন মহান ব্যক্তি গৰাকীয়ে সৌ তাহানিতে ভাৰতবৰ্ষৰ ভৱিষ্যতৰ কথা চিন্তা কৰিছিল। চুক্তিত স্বাক্ষৰ কৰা পিছদিনা অৰ্থাৎ ১১ জানুৱাৰীৰ দিনা হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ এই গৰাকী মহান ব্যক্তিৰ মৃত্যু হয়। এনে মহান ব্যক্তিত্বপূৰ্ণ ব্যক্তিৰ পুনৰাগমনে যেন ভাৰত ভূমিক তথা বিশ্বক সত্য সুন্দৰৰ পথ দেখুৱায়।

---

( লালবাহাদুৰ শাস্ত্ৰীৰ জীৱনী পুথিৰ সহায় লৈ)

নিতুমণি শৰ্মা, মহাবিদ্যালয়ৰ স্নাতক মহলাৰ দ্বিতীয় বৰ্ষৰ ছাত্ৰী।

"ভাৰতৰ প্ৰশান্তৰ আৰৱৰ বন্দৰ, সাগৰৰ পাৰে পাৰে
বিচাৰি বিচাৰি ভাগৰি পৰিলোঁ, তোমাৰ ঘৰ ক'ত, ক'ত সেই
তোমাৰ চুলিৰ ৰাতিৰ আকাশ, ফুল আৰু মৌ অশোক বনৰ
অনন্তশায়ী জীৱনৰ
নাভি কমলত
মোৰ তেজৰ জন্ম"

— নীলমণি ফুকন

"কাৰ্ফুৰ সময় হ'ল
সূৰ্য স্নাতা নগৰীৰ আঁচলৰ শেষ ৰশ্মিকণো
শুহি ললে ৰাতিৰ আকাশে,
নিস্তব্ধ মৰম নামে। নগৰীৰ ধমণী কৰো অনুভৱ
কাজিৰঙা ডবকাৰ অৰণ্যক অপস্মাৰ
সৰীসৃপ ক্ৰুৰ মৃত্যু..... সৰ্পিল জীৱন "

— নৱকান্ত বৰুৱা

# এজন গুণমুগ্ধ ছাত্রৰ দৃষ্টিৰে
# ড° গিৰীশ চন্দ্ৰ গোস্বামী চাৰ

○ দ্বীপকিশোৰ শইকীয়া

"জীৱন অন্ধকাৰ, যদিহে আগবাঢ়ি যোৱাৰ স্পৃহা নাথাকে আৰু আগবাঢ়ি যোৱাৰ স্পৃহাটোও অন্ধ যদিহে তাত জ্ঞান নাথাকে; জ্ঞানো বিফল হয় যদিহে তাত কৰ্ম নাথাকে আৰু কৰ্মও উদং হয় যদিহে তাত প্ৰেম নাথাকে।"

মঙলদৈ মহাবিদ্যালয়ৰ এটা সুকীয়া বৈচিত্ৰ্য আছে। এই মহাবিদ্যালয়ৰ স্থান, পৰিবেশ, ভূগোল তথা বুৰঞ্জী আন বহু শিক্ষানুষ্ঠানৰ তুলনাত ঐতিহ্যমণ্ডিত। গাঁৱলীয়া মানুহৰ কপালৰ ঘাম, ত্যাগ আৰু ঐকান্তিক প্ৰচেষ্টাৰ ফল এই মহাবিদ্যালয়। দৰঙী প্ৰজাৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান তথা অসংখ্য জ্ঞানী সৈনিকৰ জন্মস্থলী এই মহাবিদ্যালয় খনে এই বছৰত সোণালী জয়ন্তী বৰ্ষত ভৰি দিলে। পঞ্চাশ বছৰীয়া এই মহাবিদ্যালয় খন কিন্তু দিনে দিনে বেছি তৰুণ আৰু উজ্জ্বল হৈ আহিছে। শত সহস্ৰ সম্ভাৱনাক জন্ম দিয়া এই মহাবিদ্যালয় সৌন্দৰ্য্যই সকলো হৃদয়বানকে বিমোহিত কৰি তোলে। প্ৰকৃতিৰ অপৰূপ পৰশত প্ৰাণ পাই থকা এই সেউজ শিক্ষানুষ্ঠান খনৰ দৰে অসংখ্য পৰিপাতি গছ-গছনি আৰু সুন্দৰ প্ৰকৃতিৰ উদ্যান আন বহুতেতে পাবলৈ নাই।

যিকোনো জীৱন সম্পৰ্কে লিখাতো অতিকে টান কথা। প্ৰতিজন মানুহে জীৱনত সাহিত্য যিদৰে থাকে, তেনেদৰে থাকে সংঘাত আৰু প্ৰতিভা। এই আটাইবোৰক সামৰি এটা জীৱন আলোকপাত কৰিবলৈ মহাবিদ্যালয়ৰ আলোচনীৰ মাজত যিখিনি ঠাই পোৱা হয় সেয়া তুলনামূলকভাৱে একেবাৰে কম। ড° গিৰীশ চন্দ্ৰ গোস্বামী চাৰৰ বিষয়ে লিখিবলৈ যাওতে, মোৰ কাগজৰ নাওৰে মহাসাগৰ পাৰ হ'বলৈ কৰাৰ চেষ্টাৰ দৰে হৈছে। কিয়নো চাৰৰ বিষয়ে যিমানে লিখা নাযাওক কিয় তথাপি সেয়া কম হৈয়ে থাকিব। তথাপি কলমৰ ব্যাকৰণেৰে যিমান পাৰি সিমান সন্ধি কৰি চাৰৰ বিষয়ে কিবা অলপ লিখি উলিয়াইছো যদিও মই জানো, মোৰ এই ধৃষ্টতা হাতী মাৰি ভুকুকাত ভৰোৱাৰ দৰে হৈছে।

ড° গিৰীশ চন্দ্ৰ গোস্বামী চাৰ মঙলদৈ মহাবিদালয়ৰ আন কেইবাগৰাকীও বৰেণ্য শিক্ষা গুৰুৰ মাজৰ এগৰাকী উজ্জ্বল খনিকৰ। অত্যন্ত ভদ্ৰ, নিৰ্জু আৰু শান্ত স্বভাৱৰ ড° গোস্বামী চাৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক কৰ্মচাৰীৰ নমস্য ব্যক্তি। মহাবিদ্যালয়ৰ প্ৰায় জন্ম-লগ্নৰে পৰা ড°গোস্বামী চাৰ মহাবিদ্যালয়খনৰ জীৱনৰ লগত জড়িত। মহাবিদ্যালয়খন প্ৰতিষ্ঠা হৈছিল ১৯৫১ চনত আৰু ১৯৬৫ চনৰ ২৪ ফেব্ৰুৱাৰীত চাৰে প্ৰবক্তা হিচাপে যোগদান কৰিছিল। তথাপি ১৯৬৬-৬৭ৰ সময়ছোৱাত তেওঁ বিজ্ঞান শাখাৰ ৰসায়ন বিজ্ঞান বিভাগত অংশকালীন অধ্যাপক হিচাপে পাঠদান কৰিছিল। চাৰ মহাবিদ্যায়ৰ সৈতে বিভিন্ন ধৰণে জড়িত আছিল আৰু ১৯৬৫ চনৰ পৰা ২০০১ৰ অৱসৰৰ পৰ্যন্ত তেওঁ বিভিন্ন প্ৰকাৰে অংশগ্ৰহণ কৰি সুচাৰুৰূপে সম্পাদন কৰিছিল। ১৯৬৭ৰ পৰা ১৯৭২ চনলৈ চাৰ ছাত্ৰ জিৰণি কোঠাৰ তত্বাৱধায়ক অধ্যাপক হিচাবে দায়িত্ব পালন কৰিছিল। ড° গোস্বামী চাৰেই মহাবিদ্যালয়ৰ একমাত্ৰ ছাত্ৰাবাসটোৰ প্ৰথম অধীক্ষকৰ ভাৱ গ্ৰহণ কৰিছিল ১৯৬৭-৭৪ চনলৈ। ১৯৭২ চনত মঙলদৈ মহাবিদ্যালয়ত অনুষ্ঠিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাৰ বিত্ত সংগ্ৰহৰ, ব্যৱস্থাপনা আৰু পৰিবহনৰ তত্বাৱধায়ক হিচাবে দায়িত্ব লৈছিল। ১৯৭৬-৭৭ চনত মহাবিদ্যালয় ৰূপালী জয়ন্তী বৰ্ষত বিত্ত সংগ্ৰহৰ তত্বাৱধায়ক হিচাপে চাৰে দায়িত্ব বহন কৰি কৃতিত্বৰ পৰিচয় দিয়ে। ১৯৯২-৯৩-৯৪ চনত চাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক আছিল। ইয়াৰ উপৰিও চাৰ মহাবিদ্যালয়ৰ ভিতৰৰ বিভিন্ন গোট আৰু সাহিত্য চ'ৰাৰ লগতো ওতঃপ্ৰোতভাৱে জড়িত আছিল।

**শিক্ষা জীৱন ঃ** ড° গিৰীশ চন্দ্ৰ গোস্বামী চাৰৰ জন্ম হৈছিল ১৯৪১ চনত। নলবাৰী জিলাৰ বৰমা পুলিচ থানাৰ অন্তৰ্গত নিজ নামেটি নামৰ ভিতৰুৱা গাঁও এখনত। পিছপৰা গাঁৱলীয়া পৰিয়ালৰ সন্তান ড° গোস্বামী চাৰেও প্ৰাথমিক শিক্ষা আহৰণ কৰাৰ সময়ছোৱাত সংগ্ৰাম কৰিবলগীয়াত পৰিছিল। যিটো সময়ত চাৰে প্ৰাথমিক শিক্ষা আৰম্ভ কৰিছিল সেই সময়ত আন বহুত ঠাইৰ দৰে নলবাৰী নিজ নামেটি গাঁৱতো শিক্ষাৰ বিষয়ে সচেতন মানুহৰ অভাৱ আছিল। আৰু সেয়ে শিক্ষানুষ্ঠানৰ অভাৱত প্ৰায় দুই কিঃমিঃ খোজ কাঢ়ি যাব লগাত পৰিছিল। তেওঁৰ ঘৰৰপৰা পাঠশালা পৰ্যন্ত আধা বাট অটব্য অৰণ্যৰ মাজেৰে যাবলগীয়া হৈছিল। মাজবাটতে বাকৰি আছিল আৰু তাতে কেতিয়াবা দিন-দুপৰতে বাঘ ওলাইছিল। আনকি চাৰহঁতৰ গাঁৱৰ বহু মানুহ দিনৰ ভাগতে বাঘৰ পেটলৈ গৈছিল। বাঘৰ এই পৰিস্থিতিটোৰ বাবে পৰিয়ালৰ আন সকলে চাৰ স্কুললৈ যোৱাটো পছন্দ কৰা নাছিল আনকি চাৰৰ মাক-দেউতাকেও তেওঁক বাধা দিছিল। কিন্তু মনৰ অফুৰন্ত সাহস আৰু উদ্যমে চাৰক সদায় বিদ্যালয়লৈ যাবলৈ সাহস দিছিল। শেষত চাৰৰ দেউতাকে নিজৰ মাটিত প্ৰাথমিক বিদ্যালয় সাজি দিছিল। তেওঁ অধ্যয়ন কৰা বিদ্যালয়খনৰ নাম আছিল নিজ নামেটি প্ৰাথমিক বিদ্যালয়।

প্ৰাথমিক বিদ্যালয়ৰ শিক্ষা সাংকৰি চাৰ যেতিয়া এম.ই. আৰু হাইস্কুলত পঢ়িবলগীয়া হ'ল তেতিয়া তেওঁৰ সন্মুখত সমস্যা আহি পৰিল আৰু সেয়া হ'ল তেওঁৰ গাঁৱৰ ওচৰত হাইস্কুল নথকাতো। তথাপি চাৰে ঘৰৰ পৰা ৫/৬ কিঃমিঃ বাট খোজ কাঢ়ে আৰু বৰমা উচ্চ ইংৰাজী বিদ্যালয়লৈ

পঢ়িবলৈ যায়। অৱশ্যে পিছলৈ চাৰৰ ঘৰৰ পৰিয়ালে তেওঁক এখন বাই চাইকেল কিনি দিছিল যাৰ বাবে তেওঁৰ স্কুললৈ অহা-যোৱা কৰাত সুবিধা হ'ল। ১৯৫৮ চনত বৰমা হাইস্কুলৰপৰা গোস্বামী চাৰ প্ৰৱেশিকা আৰু ১৯৬০ চনত নলবাৰী কলেজৰ পৰা আই.এচচি. পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৬২ চনত গুৱাহাটীৰ প্ৰাগজ্যোতিষ কলেজৰ পৰা গোস্বামী চাৰে বি.এচচি. পৰীক্ষা পাচ কৰে আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৬৪ চনত এম.এচচি. ডিগ্ৰী লাভ কৰে। মঙলদৈ মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ প্ৰৱক্তা ৰূপে যোগদান কৰাৰ পিছতো চাৰে অধ্যয়ন কাৰ্য্য কোনো বাধা নপৰাকৈ চলাই যায়। ১৯৭৪ চনত মঙলদৈৰপৰা তেখেতে শিক্ষক প্ৰশিক্ষণ কলেজৰ পৰা বি.টি. ডিগ্ৰী লাভ কৰে। একেদৰে ১৯৮৪ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম.ফিল আৰু ১৯৯৯ চনত "Tribal and non tribal population of Darrang District, Assam : A Social Geographical Study" বিষয়ত কৰা গৱেষণাৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ে তেওঁক ডক্টৰেট উপাধি প্ৰদান কৰে।

**নিজ-নামেটিৰ প্ৰাথমিক বিদ্যালয়ৰ পৰা এই মহাবিদ্যালয়ৰ অধ্যক্ষৰ আসনলৈ ঃ** কৃতকাৰ্য্যতাৰ মূল মহামন্ত্ৰ হ'ল পৰিশ্ৰম আৰু সাধনা। বাঘে খোৱাৰ ভয়ে যদি তাহানিৰ সময়ত গোস্বামী চাৰক বিৰত আৰু ভীতিগ্ৰস্ত কৰিলেহেঁতেন তেন্তে আজিৰ এই লিখনিৰ কোনো প্ৰাসংগিকতাই নাথাকিলহেঁতেন। বৃটিছৰ গোলামী কৰি আন বহুতো প্ৰতিভা নিঃশেষ হৈ যোৱাৰ দৰে গোস্বামী চাৰো সম্ভৱতঃ ক'ৰবাত হেৰাই থাকিলহেঁতেন। দূৰদৰ্শিতা আৰু শিক্ষাৰ সচেতনতাই চাৰক কৃতকাৰ্য্যতাৰ উচ্চ শিখৰলৈ আনিছিল।

ড° গোস্বামী চাৰৰ ব্যক্তিত্ব আৰু জীৱন আদৰ্শ অসাধাৰণ। তেওঁ প্ৰজ্ঞাৰ সাধক অথচ ইমান সহজ সৰল আৰু অমায়িক। ছাত্ৰ-ছাত্ৰীৰ বাবে এগৰাকী সুশিক্ষক, মৰমিয়াল, মৃদুভাষী অথচ শাসনৰ ক্ষেত্ৰত দৃঢ়। সেয়েহে তেওঁ সকলোৰে নমস্য। কেৱল ছাত্ৰ-ছাত্ৰীৰ প্ৰতিয়েই নহয় অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, সকলোৰে প্ৰতি তেওঁৰ অসীম প্ৰীতি আৰু সৎ ভাৱনা বিয়পি আছে।

১৯৬৪ চনত প্ৰৱক্তা ৰূপে মহাবিদ্যালয়ত গোস্বামী চাৰে যোগদান কৰাৰে পৰা মঙলদৈ মহাবিদ্যালয়ত ভূগোল বিভাগত আৰু এটা দিশৰ সুচনা হ'ল আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত বিষয়টো জনপ্ৰিয় হৈ উঠে। ১৯৭২-৭৩ চনত গোস্বামী চাৰ আৰু ভূগোল বিভাগৰ আন অধ্যাপক সকলৰ ঐকান্তিক প্ৰচেষ্টাত বি.এ পৰীক্ষাত ভূগোল (সন্মান) বিষয়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰিবলৈ সক্ষম হয়। অকল সেয়ে নহয় দ্বিতীয় শ্ৰেণীৰ প্ৰথমৰ পৰা ষষ্ঠলৈকে একে লেঠাৰিয়ে মঙলদৈ মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ ছাত্ৰ-ছাত্ৰীয়ে স্থান অধিকাৰ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ত আলোড়ণৰ সৃষ্টি কৰিছিল। উল্লেখ কৰা ভাল আলোড়ণ সৃষ্টি কৰা সেই ছাত্ৰ-ছাত্ৰীৰ দলটোৱে মঙলদৈ মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ প্ৰথম 'অনাৰ্চ' দল আছিল। ১৯৮১ চনত চাৰে ভূগোল বিভাগত মূৰব্বী অধ্যাপক হিচাপে দায়িত্ব গ্ৰহণ কৰে আৰু এই দায়িত্বৰ ভাৰ ২০০০ চন পৰ্যন্ত সুচাৰুৰূপে পালন কৰি যায়। তেওঁ মূৰব্বী অধ্যাপক হৈ থকা কালছোৱাত অসংখ্যজনে ভূগোল বিভাগত অনাৰ্চ গ্ৰেজুৱেট হোৱাৰ মাজতে ২১ জন ছাত্ৰ-ছাত্ৰীয়ে মুখ্য ভূগোল বিষয়সহ প্ৰথম শ্ৰেণীৰে বি.এ পাচ কৰিবলৈ সক্ষম হয়। ইয়াৰ ভিতৰত বিভিন্ন সময়ত চাৰিজন ছাত্ৰই গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম শ্ৰেণীৰ প্ৰথম স্থানেৰে বি.এ/বি.এচচি পাচ কৰিবলৈ সক্ষম হৈছে।

২০০০ চনৰ ২৫ জুলাই তাৰিখে তেওঁ এই মহাবিদ্যালয়ৰ অধ্যক্ষ ৰূপে কাৰ্য্যভাৰ গ্ৰহণ কৰে আৰু ৩০ এপ্ৰিল ২০০১ লৈ মহাবিদ্যালয়ৰ সৰ্বোচ্চ আসন অলংকৃত কৰে। সময় হিচাপে যদিও মাত্ৰ ৯ মাহ তেওঁ অধ্যক্ষৰ আসনত থাকে তথাপি এই কম সময়ছোৱাৰ মাজতে তেওঁ মহাবিদ্যালয়ৰ উন্নতিৰবাবে বিভিন্ন কাম-কাজ কৰি যায়। ইয়াৰ ভিতৰত উল্লেখযোগ্য কেইটামান হ'ল—মহাবিদ্যালয়ৰ সীমাত স্থায়ী বেৰ নিৰ্মাণ, ছাত্ৰী নিবাসত স্থায়ী পাকশালা নিৰ্মাণ, ছাত্ৰসকলৰ বাবে প্ৰস্ৰাৱাগাৰ, সমগ্ৰ মহাবিদ্যালয়ত গছ ৰোপণ ইত্যাদিবোৰ। ড° গোস্বামী চাৰে ৩০ এপ্ৰিল ২০০১ তাৰিখে এই মহাবিদ্যালয়ৰ অধ্যক্ষৰূপে চাকৰি জীৱনৰ পৰা অৱসৰ লয়।

প্ৰথমে উল্লেখ কৰিছো যে এজন মানুহৰ জীৱনৰ বিষয়ে লিখিবলৈ মহাবিদ্যালয়ৰ আলোচনীত যিমানখিনি ঠাই পোৱা যায় সেয়া একেবাৰে নগণ্য। ড° চাৰৰ বিষয়ে লিখাৰ বেলাতো এই একেই সমস্যাৰ সন্মুখীন হৈছো। চাৰৰ সমস্ত জীৱনৰ আলোকপাত কৰিবলৈ ইয়াতে সম্ভৱ নহয় তথাপি যিখিনি তেওঁৰ জীৱনৰ উল্লেখযোগ্য দিশ সেয়া এক গোট কৰি লিখি উলিয়ালো। অত্যন্ত পৰিপাটি আৰু সচেতন চাৰৰ সাংসাৰিক জীৱনো অতি মধুৰ। পত্নী, পুত্ৰ, কন্যাৰ স'তে তেওঁৰ এখন সুখৰ ঘৰ মঙলদৈ চহৰৰে বাজাপামত অৱস্থিত।

শেষত ঈশ্বৰলৈ শতকোটি প্ৰণিপাত জনাইছো ড° গোস্বামী চাৰক যেন দীৰ্ঘায়ু কৰে। মহাবিদ্যালয় তথা আমি ছাত্ৰ সমাজৰ বাবে তেওঁ পালন কৰা একনিষ্ঠ কৰ্তব্য আৰু ত্যাগৰ বাবে তেওঁলৈও শতবাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। ❐

*দীপকিশোৰ শইকীয়া, মহাবিদ্যালয়ৰ প্ৰাক্তন আলোচনী সম্পাদক তথা বৰ্তমানৰ মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক*

জীৱনটো অৰ্থহীন হব পাৰে, কিন্তু মানুহে নিজৰ কামৰ দ্বাৰাই জীৱনটো অৰ্থপূৰ্ণ কৰি তুলিব পাৰে।

*আলবেয়াৰ ক্যেমু*

# চিকাৰী লক্ষ্মীনাথ

নব কুমাৰ ডেকা

যিদৰে ইতিহাস ভিত্তি কৰি সমাজ আৰু বিজ্ঞানৰ প্ৰগতি হয় সেইদৰে একোজন লোকৰ জীৱনীয়েও মানুহক বহু সময়ত আন্ধাৰৰ মাজত বাট দেখুৱায়, বিপদত ধৈৰ্য্য ধৰিবলৈ আৰু দুঃখত হতাশ নহ'বলৈ শিকায়। ব্যক্তিজনৰ প্ৰকাশমান দিশটোৰ বাহিৰেও আন কিছুমালো থাকি যায় যিটো সকলোৰে বাবে জ্ঞাত নহয়। বৈশিষ্ট্য ফুটি নুঠে লোকজনৰ পোহৰৰ ফালৰ সতে এন্ধাৰ অংশৰ। ভাবিলে আচৰিত লাগে বহু মহৎ লোকৰ এন্ধাৰৰ ইতিহাসে আমাক দিব পাৰে পোহৰৰ সন্ধান।

এনে এক ঊনবিংশ শতিকাৰ মহৎ ব্যক্তি, সাহিত্যৰ কান্দাৰী, অসমীয়া সাহিত্যৰ প্ৰাণদাতা, চুটি গল্পৰ জন্মদাতা, খুহুটীয়া ৰচনাৰ স্ৰষ্টা লক্ষ্মীনাথ বেজবৰুৱা আছিল এজন যুগ প্ৰকাশক আৰু যুগ শ্ৰেষ্ঠ অসমীয়া। আমি জনা অসমীয়া সাহিত্যৰ বেজবৰুৱা দেৱৰ উপৰিও বেজবৰুৱা দেৱৰ আন এটা কৃতিত্ব তেওঁ আছিল এগৰাকী উল্লেখযোগ্য চিকাৰী।

বেজবৰুৱাদেৱ প্ৰকৃততে এজন চিকাৰী নাছিল। পৰিবেশত পৰিহে তেওঁ চিকাৰী হ'বলৈ বাধ্য হৈছিল। চনটো আছিল ১৯১৪ চন, আৰম্ভ হ'ল প্ৰথম বিশ্ব যুদ্ধ। সেই সময়ত বৃটিছক সহায় কৰাৰ উদ্দেশ্যে বেৰিষ্টাৰ আশুতোষ চৌধুৰীৰ নেতৃত্বত বাল্মীকি প্ৰতিজ্ঞা নামৰ নাটকৰ আয়োজন কৰা হৈছিল। এই নাটকৰ আখৰাৰ কাৰণে লক্ষ্মীনাথ সপৰিয়ালে বালিগঞ্জলৈ গৈছিল। তাৰ পৰা উভতি আহোতে নিশা প্ৰায় ৯/১০ মান বাজিছিল। ঘৰত কোনো নোহোৱাৰ সুযোগ লৈ লগুৱা-লিগিৰীবোৰে পেৰা-পেটাৰি মেলি তাৰ পৰা নানা অলংকাৰ, কাপোৰ-কানি আদি পাৰ কৰিবলৈ ধৰিলে। তেওঁলোক উভতি আহি কাপোৰ-কানি নাপাই বেজবৰুৱাই গৈ পুলিচত খবৰ দিলে। পুলিচ আহি লগুৱা-লিগিৰীবোৰক বিভিন্ন প্ৰশ্ন কৰি দুই-এজনক ধৰি নিবলৈ বিচাৰিলে। তেতিয়া বেজবৰুৱাদেৱে বাধা দিলে আৰু চোৰ ধৰা পেলাবৰ বাবে নিজে অভিনয় কৰিবলৈ ধৰে। তেওঁ চোৰক ভয় দেখুৱাবৰ বাবে চান্দনি বজাৰৰ পৰা এটা বন্দুক কিনি আনিলে। এয়ে ঘৰত বন্দুক সোমোৱাৰ প্ৰথম সূত্ৰপাত।

১৯১৭ চনৰ ১৫ আগষ্ট, লক্ষ্মীনাথ বাৰ্ড কোম্পানীৰ কামত সম্বলপুৰত থাকিবলগীয়া হৈছিল। সেই ঠাইৰ হাবিত বাঘ, ভালুক, বৰা আদিৰ বাসস্থান আছিল। সেয়েহে এটা এটা দু-নলীয়া বন্দুক আৰু এটা উনচেষ্টৰ ৰাইফল কিনি বন্দুক মৰা কৌশল শিকি ল'লে। এনেদৰে এখোজ-দুখোজকৈ লক্ষ্মীনাথ চিকাৰৰ প্ৰতি আসক্ত হ'বলৈ ধৰে। নিৰীহ চৰাই-চিৰিকতিৰ পৰা আৰম্ভ কৰি ভীষণ বনৰীয়া জন্তুৰ গালৈকে তেওঁৰ হাত উঠিবলৈ ধৰিলে। এনেদৰে ডাউক, বাজহাঁহ, পাতিহাঁহ, ঘিলাহাঁহ, হাইঠা আদি চৰাই গুলীয়াই মাৰি চিকাৰীৰ লেখত উঠিল।

এবাৰ লক্ষ্মীনাথে সেই ঠাইৰ তিনি-চাৰিজন চিকাৰী বন্ধুৰ সৈতে এখন হাবিত চিকাৰৰ আয়োজন কৰিলে। এই দলটোৰ ভিতৰত আছিল এজন ডেপুটি মেজিষ্ট্ৰেট, এজন একচাইজ চুপাৰিন্টেণ্ডেণ্ট, এজন তহবিলদাৰ আৰু এজন চাব বেৰিষ্টাৰ। ইয়াৰে তিনিজন আছিল ভাল চিকাৰী। চাব বেৰিষ্টাৰ আছিল চিকাৰ চাবলৈ অহা মানুহ। চিকাৰ কৰিব খোজা হাবিৰ তিনি ঠাইত তিনিখন চাং গছৰ ডালত বান্ধি ল'লে। এখন চাঙত বিখ্যাত চিকাৰী ডেপুটি মেজিষ্ট্ৰেট, এখন চাঙত একচাইজ চুপাৰিন্টেণ্ডেণ্ট আৰু চাব বেৰিষ্টাৰ আৰু আনখন চাঙত তহবিলদাৰ আৰু লক্ষ্মীনাথ। প্ৰায় তিনিকুৰি মানুহে হাবিখনত অনেক দূৰৰ পৰা বনৰীয়া জন্তুবিলাক খেদি আনিবলৈ ধৰিলে। আধা ঘণ্টা মানৰ পিছত লক্ষ্মীনাথৰ চাঙৰ কাষেৰে এটি সুন্দৰ জন্তু পাৰ হৈ যোৱা দেখিবলৈ পালে আৰু লগে লগে লক্ষ্মীনাথেও গুলী কৰি মাৰি পেলালে। ইয়াৰ অলপ পাছতে তিনিও ফালৰ ওপৰা-ওপৰিকৈ গুলীৰ শব্দ শুনা গ'ল। লক্ষ্মীনাথৰ চাৰিঠেঙীয়া জন্তু বধৰ এয়ে প্ৰথম।

আন এবাৰ লক্ষ্মীনাথে সম্বলপুৰৰ পৰা ৮ মাইল মান নিলগৰ মহানদীৰ পাৰত অৱস্থিত জামবাত চিকাৰ কৰিবলৈ গৈছিল। দলটোত পুৰুষ আৰু মহিলা মিলি প্ৰায় ১০ জন মান আছিল। দলটোৰ ভিতৰত চাৰিজন আছিল প্ৰকৃত চিকাৰী লোক। জহকাল, মহানদীৰ পাৰত দুপৰীয়া ভোজনৰ ব্যৱস্থা কৰি চিকাৰী চাৰিজনে চিকাৰলৈ গতি কৰে। ১২ মান বজাত তেওঁলোকে নিজ নিজ চাঙত উঠি জন্তু অহাৰ বাবে বাট চাই ৰ'ল। সিফালে খেদা আৰম্ভ হ'ল। এক মান বজাত লক্ষ্মীনাথে শুকান পাতৰ খৰখৰণি শুনি পৰ্বতৰ টিঙৰ পৰা দঁতাল বৰা এটা নামি অহা দেখি বন্দুকটো ভালকৈ টোৱাই লৈ লগে লগে গুলী মাৰি দিলে। একে গুলীতে বৰাটো মাটিত পৰি ছটফটাই মৰি থাকিল। তাৰ পিছত চাৰিজন মানুহে বৰাটো সাঙি কৰি বাহিৰলৈ আনিলে। চাৰিঠেঙীয়া জন্তু চিকাৰৰ দ্বিতীয় চিন স্বৰূপে সেই বৰাটোৰ মূৰটো সম্বলপুৰৰ চ'ৰা ঘৰত আৰি থৈছিল।

লক্ষ্মীনাথৰ তৃতীয় তথা শেষ চিকাৰটো হৈছিল ১৯৩০ চনত। হামিদ নামৰ বন্ধু এজনৰ সৈতে তেওঁ সম্বলপুৰৰ পৰা ২২/২৩ মাইল দূৰত অৱস্থিত ঘিচামৰা নামে ঠাই এখনৰ হাবিত চিকাৰ কৰাৰ উদ্দেশ্যে ৯ ফেব্ৰুৱাৰীৰ দিনা যাত্ৰা আৰম্ভ কৰে। তেওঁলোকে ঘিচামৰাৰ পৰা ডেৰ মাইল দূৰৰ গাঁও এখনত তামিঘৰা তৰি ৩/৪ দিন থাকি তিনিখন ওচৰা-ওচৰি হাবিত খেদা চিকাৰ আৰম্ভ কৰিছিল। প্ৰথম দুদিনৰ চিকাৰত একো নাপালে। তৃতীয় দিনা দুয়ো দুখন চাঙত উঠি চিকাৰৰ কথা ভাবি থাকোতে হাবিখন খোজৰ দপদপনিত তল-ওপৰ কৰি কিবা ডাঙৰ জন্তু এটা অহা দেখিলে আৰু লগে লগে দুয়ো নিজ নিজ চাঙৰ পৰা গুলী কৰিলে। আকৌ তিনিটা প্ৰকাণ্ড জন্তু লক্ষ্মীনাথৰ ফালে অহা দেখি তেওঁ লগে লগে কানিমুনি কৰি এজাই গুলী মাৰিলে। তাৰ পিছত দুয়ো চাঙৰ পৰা নামি আহে আৰু খেদা কৰা মানুহো সেইখিনি ঠাই পালেহি। ইফালে কিছুমান মানুহে কুৰিবেওমান আঁতৰত শুকান নলা এটাত ডাঙৰ জন্তু এটা পৰি থকা বুলি ক'লে। তেওঁলোক গৈ দেখে যে সেইটো এটা মেঠোন। জন্তু মৰাৰ বাতৰি পাই তিনিখন গাঁৱৰ ৰাইজ গোট খালে আৰু জন্তুটোৰ মঙহ কাটি ভগাই খালে। লক্ষ্মীনাথে চিকাৰৰ চিন স্বৰূপে শিঙেৰে সৈতে মূৰটো আৰু ছালখন ৰাখিলে। পাছত এই ছালেৰে দুটা বাকচ বনায়।

এইদৰে লক্ষ্মীনাথ এজন উল্লেখযোগ্য চিকাৰীৰ লেখত উঠিছিল। ❐

*নব কুমাৰ ডেকা, মহাবিদ্যালয়ৰ স্নাতক দ্বিতীয় বৰ্ষৰ শিক্ষা বিভাগৰ ছাত্ৰ।*

# অসমীয়া লোকসাহিত্য

প্ৰবীণ বৰুৱা

অসমীয়া সাহিত্যৰ বুৰঞ্জীত এখন সুকীয়া স্থান অধিকাৰ কৰি থকা অসমীয়া লোক সাহিত্য বা মৌখিক সাহিত্য খিনি অসমীয়া সাহিত্যৰ ভড়াল চহকী কৰি ৰাখিছে। খ্ৰীষ্টীয় দশম শতিকাত অসমীয়া ভাষাৰ উদ্ভৱ হোৱাৰ লগে লগে অসমীয়া ভাষাত লিখিত বা অসমীয়া সাহিত্যৰ সৃষ্টি হবলৈ ধৰিছিল আৰু সেই সময়ৰ পৰাই অসমীয়া ভাষা তথা অসমীয়া লিখিত সাহিত্যই বিকাশৰ পথত আগবাঢ়ি বৈশিষ্ট্য পূৰ্ণ বিশাল অসমীয়া সাহিত্যৰ সৃষ্টি হ'ল। কিন্তু অসমীয়া সাহিত্যত এই লিখিত সাহিত্যৰ জন্ম আৰু বিকাশৰ ধাৰা আৰম্ভ হোৱাৰ বহু পূৰ্বৰে পৰা অসমীয়া মানুহৰ মাজত এবিধ সাহিত্য মুখে মুখে প্ৰচলিত হৈ আহিছিল। গীত মাত আৰু কথা মাধ্যমেৰে লোক পৰম্পৰা অনুসৰি অতীজৰেপৰা অসমীয়া মানুহৰ মাজত প্ৰচলিত হৈ অহা এই সাহিত্যখিনিক অসমীয়া সাহিত্যৰ আদি পৰ্বৰ সাহিত্য বুলি কব পাৰি। মানুহৰ মনৰ স্মৃতিৰ জৰিয়তে লোক মুখে প্ৰচলিত হৈ অহা বাবেই এই সাহিত্যৰ খিনিক অসমীয়া সাহিত্যৰ বুৰঞ্জীত মৌখিক সাহিত্য বা লোক সাহিত্য বুলি কোৱা হয়। অৱশ্যে লোক সাহিত্য বুলি কোৱাৰ যুক্তি আৰু দুই চাৰিটা থাকিব পাৰে। এই সাহিত্য খিনিৰ মাজেদি সাধাৰণতে লোক জীৱনৰ জীৱন ধাৰণ পদ্ধতি, ধৰ্মীয় বিশ্বাস, উৎসৱ পাৰ্বণ আদি কথাবোৰ সমূহিয়া ৰূপত প্ৰকাশ পাইছিল। এনে বিষয় বস্তুৰ প্ৰতি দৃষ্টি ৰাখিও এই সাহিত্য খিনিক লোক সাহিত্য বুলি কোৱাৰ যুক্তি আছে।

গীত আৰু কথাৰ ৰূপত মানুহৰ মুখে মুখে বাগৰি প্ৰকাশ লাভ কৰা অসমীয়া লোক সাহিত্যৰ মাজত সাধাৰণতে ব্যক্তি মনৰ ভাৱ চিন্তা আৰু অনুভূতি আদি প্ৰকাশিত হোৱাৰ পৰিবৰ্তে লোক জীৱনৰ আশা নিৰাশা, হৰ্ষবিষাদ, ভয় ভক্তি, প্ৰেম প্ৰণয় আনন্দ উৎসৱ, লোক বিশ্বাস, কলা সাংস্কৃতি চিন্তাধাৰা আৰু সহজ সৰল জীৱন পদ্ধতি আদি লোক জীৱনৰ সমগ্ৰতা প্ৰকাশ হৈ আছে।

অসমীয়া সাহিত্যৰ প্ৰথম পৰিচয় দাঙি ধৰা ঐতিহ্যপুৰ্ণ অসমীয়া লোক সাহিত্য খিনিৰ ৰচনাৰ সঠিক সময় আৰু ৰচক সকলৰ পৰিচয় নিৰ্ণয় কৰিব পৰা নাযায়। মাথো বুৰঞ্জীৰ সমলেৰে ৰচিত দুই চাৰি গীতৰ সময় নিৰ্ণয় কৰিব পৰা যায়।

সম্ভৱত অসমীয়া লিপি চৰ্চাৰ পূৰ্বতে সৃষ্টি হৈ প্ৰসাৰ লাভ কৰা অসমীয়া লোক সাহিত্যৰ প্ৰকাশ আৰু প্ৰচাৰৰ মাধ্যম হল জন সাধাৰণৰ স্মৃতি। গদ্যতকৈ গীত-পদ্য বা লয়যুক্ত সাহিত্যৰ স্মৃতিৰ লগত বেছি সমন্বয় আছে। সেয়েহে অসমীয়া লোক সাহিত্য খিনিক গীতি ধৰ্মীতাই বিশেষ প্ৰাধন্য লাভ কৰিছে। গদ্যৰ মাধ্যমেৰে প্ৰচলিত হৈ অহা সাহিত্যখিনিতো লয়যুক্ত পদ্যৰ প্ৰাধন্যহে দেখিবলৈ পোৱা যায়।

পণ্ডিত সকলৰ মতে লোক সাহিত্য সংহত সমাজৰ সামূহিক সৃষ্টি, ব্যক্তি বিশেষৰ একক সৃষ্টি নহয়। অসমীয়া লোক সাহিত্যৰ ক্ষেত্ৰতো কব পাৰি যে এই সাহিত্য খিনি অসমীয়া জনসমাজত উমৈহতীয়া সৃষ্টি। কোনো ব্যক্তি বিশেষৰ দ্বাৰা এই সাহিত্য খিনি ৰচিত হোৱা নাই আৰু ইয়াৰ মাজত ব্যক্তি বিশেষৰ স্বাক্ষৰো নাই। ই লোক জীৱনৰ সহজ সৰল ভাৱ অনুভূতি আৰু চিন্তা চৰ্চাৰ পৰা জন্ম লাভ কৰা সাহিত্যিক আৰু সাংস্কৃতিক অৱদান। ইয়াৰ মাজেদি অনাখৰী লোকৰ ভাৱ চিন্তা জীৱন পদ্ধতি, সাংস্কৃতি মাথো বৃত্তি আৰু সামাজিক চিত্ৰ জনসাধাৰণৰ কথ্য ভাষাতেই প্ৰাঞ্জল ভাৱে বৰ্ণিত হৈছে। ইয়াতেই সাৰ্বজনীন মানৱীয় আবেদন প্ৰকাশিত হৈছে।

অসমীয়া লোক সাহিত্য, সাহিত্যিক সৌন্দৰ্য্য মাধুৰ্য্যতাৰে ভৰপুৰ স্বকীয় বৈশিষ্ট পূৰ্ণ সাহিত্য। ই অসমীয়া জন জীৱনৰ অভিজ্ঞতা লব্ধ জ্ঞানৰ ভড়াল। বৈচিত্ৰ পূৰ্ণ বিষয় বস্তু, সৌষ্ঠৱপূৰ্ণ প্ৰকাশ ভংগীৰে মানুহৰ মুখে মুখে প্ৰচলিত অসমীয়া লোক সাহিত্যৰ মাজত সামাজিক জীৱনৰ সামগ্ৰীক চিত্ৰ ফুটি ওলাইছে আৰু ই কেতিয়াবা প্ৰকাশিত হৈছে গীত মাতত, কেতিয়াবা যোজনা পটন্তৰত, বচন-ভংগীত, কেতিয়াবা সাধৰ সাধুকথাৰ মাজত আৰু কেতিয়াবা প্ৰকাশিত হৈছে আখ্যান কাহিনীৰ ব্যাখ্যাৰ মাজত।

অসমীয়া সাহিত্যৰ পণ্ডিত গৱেষক সকলে লোক সাহিত্যৰ শ্ৰেণী বিভাজন কৰি দেখুওৱাইছে। এনে শ্ৰেণী বিভাজনৰ ভিতৰত (১) লোকগীত (২) ফকৰা যোজনা আৰু সাধৰ (৩) সাধুকথা, এই তিনি বিধ বিশেষ ভাবে উল্লেখ যোগ্য। এই বিভাগৰ লোক সাহিত্যৰ ভিতৰত লোক গীতৰ ৰচনাই সৰহ সংখ্যক।

লোক গীত সমূহ লোক সাহিত্যৰ প্ৰধান অংগ। ড° সত্যেন্দ্ৰ নাথ শৰ্মাদেৱে লোকগীত সমূহক বিশেষকৈ (ক) অনুষ্ঠানমূলক যেনে বিহুগীত, বিয়ানাম আদি। (খ) আখ্যান মূলক যেনে (বেলাড) মণিকোঁৱৰৰ গীত, শান্তি বাৰ মাহীৰ গীত, বৰফুকনৰ গীত (গ) বিবিধ বিষয় গীত যেনে নিচুকনি গীত, গৰখীয়া গীত, নাওখেলা গীত ইত্যাদি। এই তিনি শ্ৰেণীত ভাগ কৰিছে। সেইদৰে আখ্যানমূলক গীতবো শ্ৰেণীবিভাগ (বুৰঞ্জীমূলক, কিংবদন্তি বা জনশ্ৰুতি, বাৰমাহী, প্ৰেমমূলক) কৰিছে ইয়াৰ উপৰিও তেওঁ কৰ্ম বিষয়ক লোক গীতৰ কথাও আলোচনা কৰিছে।

বিষয় বস্তুৰ বিভিন্নতাৰ বাবে ভিন্ন শ্ৰেণীৰ লোক গীতৰ সৃষ্টি হলেও এই গীত বোৰৰ প্ৰকাশ ভংগীৰ সাদৃশ্য আছে। অনাড়ম্বৰ সহজ সৰল ভাষা, ঘৰুৱা চিত্ৰ, আঞ্চলিক প্ৰকাশ ভঙ্গী, ভাৱৰ মুকলি প্ৰকাশ, সৰল বিশ্বাস আৰু অলৌকিকতাৰ প্ৰভাৱে অসমীয়া লোক গীতবোৰক সৌন্দৰ্য্য মাধুৰ্য্য দান কৰিছে। সৰহ সংখ্যক লোক গীত একোটি স্তৱকৰ মাজত সম্পূৰ্ণ আৰু ইয়াৰ মাজত ভাৱৰ একতা দেখিবলৈ পোৱা যায়। অসমীয়া লোকগীতবোৰ বিশেষকৈ ত্ৰীপদী দুলড়ী ছন্দত ৰচিত। অৱশ্যে পয়াৰ ছন্দত ৰচিত লোকগীতো আছে।

উপমা অলংকাৰ আদিৰ ব্যৱহাৰ বহুতো লোকগীতৰ মাজত দেখিবলৈ পোৱা যায়। যেনে -

"ঘৰতো নবহে মনে সমনীয়া পথাৰতো নবহে মন
কমোৱা তুলাবোৰ যেনেকৈ উৰিছে
তেনেকৈ উৰিবৰ মন।"

থলুৱা কথ্যভাষাৰ প্ৰয়োগে লোকগীত সমূহক স্থানীয় ৰহন ভৰোৱাত সহায় কৰিছে। এনেদৰে প্ৰায়বোৰ লোকগীতৰ চহা প্ৰাণৰ উন্মুক্ত প্ৰকাশ অসমীয়া লোকগীতৰ অন্যএক বৈশিষ্ট্য আৰু ইয়াৰ মাজত ব্যক্তি বিশেষৰ ভাৱ অনুভূতি প্ৰকাশ পোৱাত কৈ সামূহিক জীৱনৰ আশা আকাংখাহে বেছি পৰিস্ফুট হৈছে।

ফকৰা যোজনা প্ৰবচন বোৰে অসমীয়া লোক সাহিত্যক বৰ চহকী কৰি ৰাখিছে। এইলোক কথাবোৰৰ মাজত বহু শতিকাৰ লোক জীৱনৰ জ্ঞান আৰু অভিজ্ঞতা ৰক্ষিত হৈ আছে।

বহু ক্ষেত্ৰত বৰ্ণনাই সীমা চেৰাই যোৱাত দেখা যায়। ইয়াক লোক সাহিত্যৰ গ্ৰাম্য দোষ বুলি কব পাৰি। কথা কোৱাৰ চমৎকাৰিত্ব, বুদ্ধিদীপ্ত, পৰ্য্যবেক্ষণ শক্তি আৰু সাংসাৰিক জ্ঞান স্বাক্ষৰ এই ফকৰা যোজনা আৰু সাংসাৰিক জ্ঞানৰ স্বাক্ষৰ এই ফকৰা যোজনা আৰু প্ৰবাদ বচন বোৰে বহন কৰে। লোক গীতৰ দৰে লোক কথা সমূহৰো ৰচনা ক্ৰম বা সক্ষম নিৰ্ণয় কৰাটো সহজ নহয়। অৱশ্ৰে বুৰঞ্জীৰ ঘটনা বা ইতিহাসে ঢুকি পোৱাৰ কথাৰ ওপৰত ৰচনা হোৱা প্ৰবাদ প্ৰবচন বোৰৰ সময় সম্পৰ্কে কব পৰা যায়। - "গড়গএগ কটাবীৰ ডাবেও কাটে"। আদি আহোম ৰাজত্বৰ সময়ত ৰচিত হোৱা আৰু "ৰামৰ কাৰ্য্যক লাগি বৈদে কৰা হেলা।" আদি বৈষ্ণৱ যুগৰ ৰচনা বুলি অনুমান কৰিব পাৰি।

অসমীয়া লোক জীৱনত বিশেষ ভাৱে প্ৰভাৱ পেলোৱা এবিধ উৎকৃষ্ট লোক কথা হল সাধু কথাবোৰ। অসমীয়া সাহিত্যত সাহিত্যিক দৃষ্টি কোণৰ পৰা সাধু কথাবোৰৰ বিশেষ মুল্য নাই যদিও নৃতত্ব আৰু সমাজ তত্বৰ অধ্যয়নৰ ফালৰ পৰা সাধু কথাবোৰ গুৰুত্ব নথকা নহয়। পৃথিবীৰ প্ৰায়বোৰ জাতিৰ মানুহৰ মাজত সাধু কথাৰ প্ৰচলন আছে। পুৰণি মূল ঘটনা একোটাক সাধু কওতাই নিজৰ অভিৰুচি মতে কল্পনাৰ সহায়ত কৈ যাব পাৰে। সেয়েহে স্থিৰ ৰূপ এটা থাকে বুলি কব নোৱাৰি। উদাহৰণ স্বৰূপে তেজীমলাৰ সাধুটোৰেই বিভিন্ন বক্তাৰ মুখ বাগৰি বেলেগ বেলেগ ৰূপত প্ৰকাশ হোৱা দেখা যায়। কেৱল ইয়াত মূল ঘটনাটোৰহে পৰিৱৰ্তন নাই।

সাধু কথাবোৰত সমাজৰ বিভিন্ন স্তৰৰ আভাষ পোৱা যায়। পিতৃ স্নেহ, মাতৃ স্নেহ, সপত্নী বিদ্ৰোহ, প্ৰেম-প্ৰীতি আদি ভাৱ-অনুভূতি সমূহৰ সবল আৰু মুকলি প্ৰকাশ সাধুকথাবোৰত দেখা পোৱা যায়। নৈতিক জীৱনৰ আদৰ্শও কিছুমান সাধুকথাত পোৱা যায়।

ড° মহেশ্বৰ নেওঁগদেৰে অসমীয়া জনজীৱনৰ ওপৰত আদিম কালৰে পৰা বিশেষ ভাবে প্ৰভাৱ পেলোৱা মন্ত্ৰ সমূহকো লোক সাহিত্যৰ নিদৰ্শন হিচাপে দাঙি ধৰিছে। অসমীয়া সমাজত প্ৰচলিত আৰু জাতীয় জীৱনৰ ব্যৱহাৰিক দিশত প্ৰভাৱ পেলোৱা 'ডাকৰ বচন' সমূহক ড°- নেওগ দেৰে লোক সাহিত্যৰ ভিতৰত ধৰিছে। ড°- নেওগদেৱৰ দৰে এই সাহিত্যখিনি লোক সাহিত্যৰ ভিতৰতে আলোচনা কৰিছে। ড° সতেন্দ্ৰনাথ শৰ্মা দেৱে এই দুবিধ সাহিত্যিক লোক সাহিত্যৰ নিদৰ্শন হিচাপে দাঙি ধৰিছে।

লোক জীৱনৰ অভিজ্ঞতা, জীৱন পদ্ধতি মূলক কথা জীৱনৰ আদৰ্শ জাতিৰ মনস্তত্ব, আচাৰ-ব্যৱহাৰ আদিৰ বিষয়ে এই লোক কথা সমূহৰ মাজত পোৱা যায়। ড° শৰ্মাদেৱে মন্ত্ৰ সমূহৰ বিষয় বস্তু আৰু ৰচনা ৰীতিলৈ চাই এই সাহিত্য খিনিক প্ৰাক শংকৰী যুগৰ বুলি স্থাপন কৰিব বিচাৰিছে। ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে খ্ৰীঃ দশম একাদশ শতিকা হব ধৰে। সেয়ে মন্ত্ৰসমূহৰ বেছি ভাগেই একাদশ শতিকাৰ পৰা পঞ্চদশ শতিকাৰ ভিতৰত ৰচনা হোৱাৰ স্থল আছে বুলি ড° সত্যেন্দ্ৰনাথ শৰ্মাদেৱে মত পোষণ কৰিছে। গতিকে মন্ত্ৰ সমূহৰ বিষয় বস্তু, ৰচনাৰ পটভূমি আৰু ভাষা ৰীতিলৈ চাই ইয়াক লোক সাহিত্য বুলি কোৱাত কৈ কিছু পৰিমাণে আধুনিক ৰচনা বুলি কব পাৰি। ড° সত্যেন্দ্ৰ নাথ শৰ্মাদেৱে ডাকৰ বচনসমূহো অসমীয়া সাহিত্যৰ আদি যুগৰ সৃষ্টি হোৱা বুলিহে মত পোষণ কৰিছে।

প্ৰাচীন কালৰে পৰা অসমীয়া মানুহৰ মুখ বাগৰি প্ৰচলিত হৈ অহা বিবিধ অসমীয়া লোক সাহিত্যই লোক জীৱনৰ ওপৰত প্ৰভাৱ পেলাই আহিছে, এই বিশাল লোক সাহিত্যই অসমীয়া সাহিত্যৰ ভড়াল চহকী কৰি ৰাখিছে। অসমীয়া লোক সাহিত্যৰ বহু যুগৰ অসমীয়া লোক জীৱনৰ অভিজ্ঞতা লব্ধ জ্ঞানৰ ভড়াল আৰু বিশ্বাসৰ পৰম্পৰাৰ ওপৰত প্ৰতিষ্ঠিত। ইয়াৰ মাজেদি সমাজ জীৱনৰ ইতিহাস বুলি কব পাৰি। এই বৈচিত্ৰপূৰ্ণ বিশাল অসমীয়া লোক সাহিত্যৰ বিভিন্ন দিশৰ ওপৰত বৈজ্ঞানিক সমীক্ষা আৰু সুক্ষ্ম গৱেষণা কৰাৰ অধিক থল আছে। ❒

(লোক সাহিত্যৰ বিভিন্ন উৎসৰ পৰা সংগৃহীত)

জাতীয় সাহিত্য জাতীয় জীৱনৰ প্ৰতিধ্বনি মাথোন। জাতীয় জীৱন যদি সংকীৰ্ণ হ'ল জাতীয় সাহিত্যইও সেই সংকীৰ্ণতাৰ হাত সাৰিব নোৱাৰে। যি জাতিৰ জীৱন মুক্ত আৰু স্বাধীন, সেই জাতিৰ সাহিত্যও মুক্ত, স্বাধীন আৰু অব্যাহত গতি । সেই সাহিত্যই নিৰ্ভয়ে নিঃসংকোচে কল্পনা আৰু ভাৱৰ ৰাজ্যত স্বচ্ছন্দে বিচৰণ কৰিব পাৰে; যিকোনো কালে কদাপিও বিদেশী বিজাতিৰে সৈতে ভাৱ আৰু কল্পনাৰ আদান প্ৰদানত নিজৰ অস্তিত্ব হেৰুৱাৰ ভয় কৰি নিজক সংকোচিত কৰি নুফুৰে। পুখুৰীৰ বন্ধপানীহে অশুদ্ধ, অশুচি কলুষিত হয় আৰু অশুদ্ধ হবৰ ভয়ত পুখুৰীৰ গৰাকীয়ে সদায় সতৰ্ক থাকিবৰ আৱশ্যক হয়। নৈৰ সোঁত বলাপানীত সেই 'বালাই' নাই। তাত হাজাৰ বালি, হাজাৰ আবৰ্জনা পৰক, তথাপি সি অশুচি, অদৃশ্য বা কলুষিত নহয়। পৰাধীন জাতিৰ সাহিত্যক সেইদেখি সততে শুচি বায়ু ৰোগগ্ৰস্ত দেখা যায়। তাৰ সততে ভয়, পিছে বিদেশী ভাষাৰ সংস্পৰ্শত সি কলংকিত আৰু অশুচি হৈ নিজৰ পৈতৃক প্ৰাণটি হেৰুৱায়।

*লক্ষ্মীনাথ বেজবৰুৱা*

সভাপতি, অসম সাহিত্য সভা, সপ্তম অধিবেশন, ১৯২৪ চন, গুৱাহাটী

# মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ প্ৰয়োজনীয়তা

*গীতিকা কাকতি*

"ৰাষ্ট্ৰীয় সেৱা আঁচনি" ইয়াৰ ইংৰাজী প্ৰতিশব্দটো হৈছে National Service Scheme। এই ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ গৰ্বিত ৰেহৰূপেই মহাবিদ্যালয়ত এক ৰেঙনিৰ চাপ বোলাই তুলিছে। তাৰেই ফলস্বৰূপে সমাদিত -

দেশৰ মূল শক্তি ছাত্ৰ সমাজ। এই শক্তি কোমল ঠাইৰ নিচিনা। যিফালে ভাজ দিয়া হয় সেইফালেই ভাজ লয়। গতিকে এই শক্তিক ৰাষ্ট্ৰ গঠনত ব্যৱহাৰ কৰি দেশৰ উন্নতি ঘটাব পাৰি। সেয়ে মহাত্মা গান্ধীয়ে কৈছে- "Power comes from Sincere Service"। গতিকে এই Sincere Service আমি ছাত্ৰ সমাজৰ পৰাই পাব পাৰো। এই ছাত্ৰ সমাজৰ লগত সংগতিপূৰ্ণ ৰাষ্ট্ৰীয় সেৱা আঁচনিয়ে ইয়াক বিশেষ ভাৱে উজ্বল পথলৈ আগবঢ়াই নিছে। ছাত্ৰ সমাজে ৰাষ্ট্ৰীয় সেৱা অংাচনিত সক্ৰিয়ভাৱে সময় সহযোগিতা আগবঢ়াব পাৰে। কাৰণ ছাত্ৰ সমাজৰ প্ৰতি জনসাধাৰণৰ অগাধ বিশ্বাস আৰু ভালপোৱা আছে প্ৰত্যেক মানুহৰে নিজৰ দেশৰ এক এৰাব নোৱাৰা আকৰ্ষণ থাকে। জন্মভূমি স্বৰ্গতকৈও অধিক মৰমৰ। সেইদৰেই ছাত্ৰ-ছাত্ৰীৰ একমাত্ৰ মৰমৰ স্থলীখনেই হৈছে বিদ্যালয়, মহাবিদ্যালয় ইত্যাদি। গতিকে এই মহাবিদ্যালয় বা বিদ্যালয়ৰ সমুদিত কোনো বিভাগৰ দায়িত্বৰ প্ৰতি আওকাণ কৰি কোনো ছাত্ৰ-ছাত্ৰীয়ে তেওঁৰ কাৰ্য্যৰ পৰা বিৰত নাথাকে। ছাত্ৰ অৱস্থা এফালে যেনেকৈ মধুময় আনফালে আকৌ অতি গুৰুত্বপূৰ্ণ। এই সময়ছোৱাত জীৱনক গঢ় দিব লাগে। সেইকাৰণে এই সময় ছোঁৱাত সু শিক্ষা লোৱাৰ উপৰিও এক সুস্থ পৰিৱেশৰ দৰকাৰ।

অকল স্কুল কলেজত পঢ়া কালছোৱাই ছাত্ৰাৱস্থা নহয়। পুথিগত জ্ঞান আহৰণ কৰা যেনেকৈ ছাত্ৰৰ কৰ্তব্য ঠিক তেনেকৈ বৰ্হিঃ জগতৰ জ্ঞান আহৰণ কৰাটোও ছাত্ৰৰেই কৰ্তব্য। ছাত্ৰ-ছাত্ৰীসকলে মূল পাঠ্যক্ৰমৰ উপৰিও বাহিৰা জগত খনৰ বিষয়ে জ্ঞান আহৰণ কৰিবৰ কাৰণে মহাবিদ্যালয় /বিদ্যালয় সমূহত কিছুমান (গোট) আঁচনি হাতত লয়। তাৰ ভিতৰত ৰাষ্ট্ৰীয় সেৱা আঁচনি (N.S.S.), ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (N. C. C.) ইত্যাদি ।

ছাত্ৰ-ছাত্ৰীসকলে সা-সুবিধাৰ্থে মহাবিদ্যালয়ত অন্তৰ্ভূক্ত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ প্ৰয়োজনীয়তা থকা বুলি মই ভাবো। এই ৰাষ্ট্ৰীয় সেৱা আঁচনিটো সমাজ সেৱাৰ এক অবিচ্ছেদ্য অংগ বুলি ধৰিব পাৰি। ছাত্ৰ কালত সমাজ আৰু ৰাজনীতিৰ পৰা আতৰত কোৱা হয়যদিও ৰাজনৈতিক উদ্দেশ্যৰ প্ৰণোদিত নোহোৱা সমাজে সেৱা কাৰ্য্যৰ বিশেষ মূল্য আছে। ইয়ে ছাত্ৰ সকলক মানৱতাবাদী কৰি তোলে। সমাজৰ বাস্তৱ সমস্যা সম্পৰ্কে অৱগত কৰি তোলে। এই ৰাষ্ট্ৰীয় সেৱা আঁচনিত অন্তৰ্ভূক্ত সমূহ স্বেচ্ছাসেৱক স্বেচ্ছাসেৱিকা সকলে সমাজৰ সৰ্বাংগীন উন্নতিৰ কাৰণে বিশেষ মনোযোগ দিব লাগে, বিশেষকৈ ভূকিম্প, বানপানী আদিৰ সময়ত দুৰ্গত লোকক সহায় কৰা, স্কুল বা গাওঁৰ পাৰিপাৰ্শ্বিক দিশ উন্নত কৰা আদি লোকক সহায় কৰা, স্কুল বা গাওঁৰ পাৰিপাৰ্শ্বিক দিশ উন্নত কৰা আদি কামত ছাত্ৰ সকলে সহায় সহযোগ কৰিব লাগে। এই কামবোৰত ব্যস্ত হৈ থাকিলে ছাত্ৰৰ মনত কোনো কুচিন্তাই বাহ ল'ব নোৱাৰে। সমাজৰ স্বাৰ্থৰ ইয়াৰ শত্ৰুবোৰৰ লগত যুজিবলৈ ছাত্ৰসকলে কুণ্ঠাবোধ কৰিব নালাগে। এই ক্ষেত্ৰত পোৱা বাধ্যই ছাত্ৰসকলক সাহসী আৰু উৎসাহী কৰি তোলে।

ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উল্লেখনীয় দিশসমূহ হৈছে - প্ৰধানকৈ গাওঁৰ গঠনমূলক কাম, জৰীপ, কৃষি উদ্যোগ, প্ৰাথমিক চিকিৎসা ব্যৱহাৰিক জনস্বাক্ষৰতা আঁচনি ইত্যাদি।গাওঁৰ গঠনমূলক কামৰ ভিতৰত উৎপাদন কাৰ্য, উৎপাদিত বস্তু বিক্ৰয়ৰ বাবে প্ৰয়োজনীয় বজাৰৰ উদ্ভাৱন, উৎপাদন সংৰক্ষণৰ বাবে উপযুক্ত গুদামঘৰ আদিৰ সুব্যৱস্থা আদিৰ দায়িত্ব ৰাষ্ট্ৰীয় সেৱা আঁচনিয়ে হাতত ল'ব পাৰে।

ভাৰতবৰ্ষ এখন কৃষি প্ৰধান দেশ। গতিকে ভাৰতৰ নিবনুৱা সমস্যাটো কৃষিৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত হৈ আছে। গাৱত বাস কৰা ৭৬% লোকেই কৃষিজীৱী। চৰকাৰে প্ৰতিগৰাকী কৃষকলৈ সাৰ পানী যোগান আদিৰ ব্যৱস্থা কৰি গোটেই বছৰটো যাতে খেতি কৰিব পাৰে তাৰবাবে এই ৰাষ্ট্ৰীয় সেৱা আঁচনিয়ে বিশেষভাৱে গুৰুত্ব দিব পাৰে। কাৰণ কৃষিৰ উন্নতি হ'লেহে দেশৰ উন্নতি হব আৰু নিবনুৱা সমস্যাবো সমধান হ'ব।

দেশৰ বুৰঞ্জীৰ পাত মেলিলেই দেখা পাওঁ ভাৰতৰ ইতিহাসত ছাত্ৰ সমাজে বিভিন্ন আচঁনিৰ দ্বাৰা বিশেষ ভূমিকা পালন কৰি আহিছে। বিভিন্ন সমস্যা সমাধানত অংশ লৈ ছাত্ৰ সমাজে দেশৰ প্ৰগতিৰ অৰিহণা যোগাই আহিছে। দেশৰ খাদ্য সমস্যা, নিবনুৱা সমস্যা, শিক্ষাৰ মাধ্যম সম্পৰ্কীয় সমস্যা, বিচ্ছিন্নতাবাদী সমস্যা, সন্ত্ৰাসবাদী সমস্যা আদি সমস্যাবোৰ ভাৰতৰ অৰ্থনীতিৰ সমাধান কৰিবৰ কাৰণে ছাত্ৰ সমাজে সক্ৰিয় অংশ গ্ৰহণ কৰিছে।

ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ (N. S. S.) মূল উদ্দেশ্যই হৈছে ৰাষ্ট্ৰ এখনৰ বা দেশখনৰ উন্নতিৰ কাৰণে অহোপুৰুষাৰ্থ সেৱা আগবঢ়োৱা।

জনস্বাক্ষৰতাৰ ওপৰত ৰাষ্ট্ৰীয় সেৱা আঁচনিয়েও এক বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে। এই জনস্বাক্ষৰতাই সমাজৰ এক উল্লেখনীয় দিশ বুলি আলোক পাতে কৰিব পাৰি। আমাৰ শিক্ষা ব্যৱস্থাও নিবনুৱা সমস্যাৰ বাবে দায়ী। অপৰিকল্পিত শিক্ষা ব্যৱস্থাই আজিৰ যুৱকক বিশেষ একো দিব পৰা নাই। সেইবাবে কামত লগাকৈ চৰকাৰে গোটেই শিক্ষা ব্যৱস্থাটোক সলনি কৰিব লাগে। কাঠফুলাৰ দৰে য'তে ততে স্কুল কলেজ স্থাপন কৰি শিক্ষিত নিবনুৱা সংখ্যা বৃদ্ধি কৰাৰ কোনো যুক্তি নাই। গতিকে এইবোৰ দিশ চিন্তা কৰি ছাত্ৰ সমাজে এই ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ দ্বাৰা শিক্ষা ব্যৱস্থা ব্যৱহাৰিক আৰু বাস্তৱমুখী কৰি তুলিব লাগে। ❒

গীতিকা কাকতি, স্নাতক দ্বিতীয় বৰ্ষ (কলা)ৰ ছাত্ৰী তথা বছৰৰ শ্ৰেষ্ঠ পত্ৰ লেখিকা।

# এজাক ধুমুহাৰ পিছত

চিনুপ্ৰিয়া ডেকা

## চৰিত্ৰসমূহ

| নাম | বয়স | চৰিত্ৰ |
|---|---|---|
| শ্ৰীঅবিনাশ কাকতি | ২৮ বছৰ | এজন সন্ত্ৰাসবাদী যুৱক |
| শ্ৰীনন্দিতা চৌধুৰী | ২৫ বছৰ | এগৰাকী সাংবাদিক, লেখিকা |

*নিৰ্দ্দেশনা* ঃ মঞ্চত অৰণ্যৰ লোকেচন। অবিনাশে ব্যস্ত ভাৱে কিবা লিখি থাকিব। মঞ্চখোলাৰ পিছমুহূৰ্ত্ততে সি উঠি নিজৰ পজিচন লব।

*অবিনাশ* ঃ (Off Voice) মৰমৰ দিতা, আজি সুদীৰ্ঘ বাৰ বছৰৰ মূৰত তোলৈ মোৰ খুব মনত পৰিছে। মনত পৰিছে মৰমী মাজনীলৈ। তহঁত বা এতিয়া ক'ত আছ। মোৰ কথা মনত পৰেনে? দিতা, তই চাগে এতিয়া বৰ এজনী হলি। দেখিলে মই হয়তো চিনিয়েই নাপাম। এৰা, ক'ত জানো হেৰাই থাকিল আমাৰ শৈশৱৰ মৰমবোৰ।

মই ঘৰৰপৰা অহাৰ পিছত তইঁতৰ একো খবৰেই পোৱা নাই। তইঁতো ইতিমধ্যে খবৰ পাইছয় মোৰ লক্ষ্য স্থান কি? এদিন জননীৰ উদ্ধাৰৰ কাৰণে ওলাই আহিছিলো নিজৰ আপোন অসহায় মা জনীক অথায় সাগৰত পেলাই। সেই সময়ত মোৰ দুচকুত ভাহি উঠিছিল একমাত্ৰ দেশমাতৃৰ ছবি। হাজাৰ হাজাৰ জনগণৰ মুক্তিৰ পথ দিবলৈ ওলাই আহি নিজেই অন্ধকাৰ গহ্বৰত সোমাই পৰিলো। তথাপি মই হাৰি যোৱা নাই দিতা। মই সময়ৰ ওচৰত হাৰ মনা নাই। এটা মাত্ৰ অপাৰেচন আছে। সেইটো কৃতকাৰ্য কৰিব পাৰিলে মই ইয়াৰ পৰা গুচি যাম বহুদূৰলৈ। যোৱাৰ আগতে মাক এবাৰ দেখা পোৱা হলে ........। বিশেষ নাই।

ইতি

তোৰ পল ককাইদেউ

পুনশ্চঃ মাৰ শৰীৰটোৰ অকমান যত্ন ল'বি।

(চিঠিখন পঢ়া শেষ কৰি এটা হুমুনিয়াহ কাঢ়িব। অস্থিৰ ভাবে ঘড়ী চাব। যেন কাৰোবাক অপেক্ষা কৰি আছে। এজন সতীৰ্থই নন্দিতাক চকুত কাপোৰ বান্ধি লৈ আহিব। বেগ এটা, এযোৰ চেণ্ডেল হাতত থাকিব।)

*অবিনাশ* ঃ ঐ ছোৱালী কান্দি দেখুৱাব নালাগে। এতিয়া মুখ খোলা। তোমাক এনেয়ে কিডনেপ কৰি অনা নাই নহয়। জৰুৰী কথা আলোচনা কৰিব লগা আছে।

*নন্দিতা* ঃ (নিমাত)।

*অবিনাশ* ঃ কি মস্কিল। তুমি কান্দিয়েই থাকিবানে কথাও কবা। যিমান সোনকালে কথা কবা সিমান সোনকালে যাব পাৰিবা। কোৱা (উচ্চ স্বৰত)।

*নন্দিতা* ঃ কি?

*অবিনাশ* ঃ কথা।

*নন্দিতা* ঃ নকওঁ।

*অবিনাশ* ঃ নকৱ।

*নন্দিতা* ঃ কম, কিন্তু এটা চৰ্তত।

*অবিনাশ* ঃ কি চৰ্ত।

*নন্দিতা* ঃ আগতে চকুৰ বান্ধ খুলি দে।

*অবিনাশ* ঃ যদি নিদিও।

*নন্দিতা* ঃ তেন্তে মোৰ দ্বাৰা কথা কোৱা নহব।
(বিৰক্তিৰে বান্ধ খুলি দিব)

*নন্দিতা* ঃ আহঃ কিমান সময়ৰ মূৰত পোহৰ দেখিছো। অনুগ্ৰহ কৰি মোক অলপ পানী দিবনে? কিন্তু মোৰ লগত অহা আন যাত্ৰীবোৰ ক'ত? কি কৰিলে তেওঁলোকক?

*অবিনাশ* ঃ No, No সিহঁতক এক নম্বৰ বেচ কেম্পলৈ নিয়া হৈছে। তোমাৰ লগৰ আৰু এজন ইয়াত ৰখা হৈছে, এটা বিশেষ কামৰ বাবে।

*নন্দিতা* ঃ তাৰ মানে?

*অবিনাশ* ঃ এতিয়া আমি আচল কথালৈ আহো। বাৰু কোৱাচোন তুমি এই শিল্পী, সাহিত্যিক নন্দিতা চৌধুৰী নহয়নে?

*নন্দিতা* ঃ হোৱাত কিবা আপত্তি?

*অবিনাশ* ঃ হোৱাত একো আপত্তি নাই। কিন্তু আপত্তি তোমাৰ কৰ্মবাজিতহে।

*নন্দিতা* ঃ কৰ্মবাজিত?

*অবিনাশ* ঃ Yes.

*নন্দিতা* ঃ মোৰ কৰ্মবাজিয়ে আপোনালোকৰ সংগ্ৰামত বাধা দিয়া বাবে মই দুখিতঃ। কিন্তু মই নিৰুপায়।

*অবিনাশ* ঃ এতিয়া দুখিতঃ হোৱাৰ প্ৰয়োজন নাই মিচ্ চৌধুৰী। কাৰণ এতিয়া তোমাৰ ভাগ্যৰ চাবি আমাৰ হাতত। আমাৰ ইচ্ছা মতে তোমাক .......।

*নন্দিতা* ঃ বৈ গ'ল কিয়? কৈ যাওঁক। আপোনালোকৰ ইচ্ছা মতে মোক হত্যা কৰিব পাৰে। এয়েইটো?

অবিনাশ ঃ মৃত্যু ইমান সহজ নহয় মিচ্ চৌধুৰী। মৃত্যু মানে নৰক যন্ত্রণা। তুমি তিল তিল কৈ যন্ত্রণা ভুগি মৃত্যু বৰণ কৰিব লাগিব।

নন্দিতা ঃ মই সেই মৃত্যুলৈ ভয় নকৰো।

অবিনাশ ঃ জানো, ভয় নকৰাৰ বাবেই ওলাই আহিছা। কিন্তু এইবাৰ তুমি ভয় কৰিবই লাগিব। মনত আছে (?) আজি দুবছৰ ধৰি মেলে-মিটিঙে ৰাইজক, চৰকাৰক আমাৰ বিৰুদ্ধে উচতাইছা। আমাৰ সোণৰ অসমৰ স্বপ্নক উপহাস কৰিছা।

নন্দিতা ঃ থুই। সোণৰ অসম । সোণৰ অসম লাগে আপোনালোকক? কিন্তু আপোনালোকে কেতিয়াবা ৰাতি অসম খনক সপোনখনক দেখিছেনে? অসমখন সোণৰ হোৱা, যিখন দেশৰ জনসাধাৰণৰ দুবেলা দুমুঠি খাবলৈ নাই, পিন্ধিবলৈ এযোৰ ভাল কাপোৰ নাই আৰু থাকিবলৈ এটা ভাল ঘৰ নাই। সেইখন দেশ সোণৰ হব নোৱাৰে। কেতিয়াও নোৱাৰে। আপোনালোকে সেই আশা বাদ দিয়ক। আপোনালোকৰ বাবেই আজি দেশত শান্তি নোহোৱা হৈছে। চাৰিওফালে জুই লাগিছে, জুই ...... আৰু ............।

অবিনাশ ঃ বন্ধ কৰা তোমাৰ লেকচাৰ। এজনী সামান্য নাৰী হৈ দেশৰ কথা ভাবিব আহা। লাজ নালাগে ....

নন্দিতা ঃ লাজ। দেশৰ কথা ভাবিবলৈ লাজ কৰিব লাগে, এনে মানসিকতা ঘিণ লগা নহয়নে? আপুনি কিজানি পাহৰি গৈছে- ৰাণী লক্ষ্মীবাঈ এজনী সামান্য নাৰী হৈয়ো বৃটিচৰ দৰে সুবিশাল গোষ্ঠীৰ বিৰুদ্ধে থিয় দিছিল। কিহৰ কাৰণে? একমাত্র দেশৰ কাৰণে। আপুনি নিশ্চয় পাহৰি গৈছে। সেয়ে মনত পেলাই দিছো, ৪২ ৰ গণ বিপ্লৱত? বিপ্লৱৰ নেতৃত্ব দিছিল এজনী নাৰীয়ে। নামটো যদি পাহৰি গৈছে, তেন্তে শুনক, তাইৰ নাম আছিল কণকলতা। নাৰী-পুৰুষৰ প্রভেদ ৰাখি আপোনালোকে কিদৰে দেশ উদ্ধাৰৰ কথা ভাবে মই বুজি নাপাও। সচাঁকৈয়ে কি আচৰিত।

অবিনাশ ঃ আস Shut up তোমাৰ মুখ বন্ধ কৰিবানে, মই কৰিম? তুমি কাৰ আগত কথা কৈ আছা জানা? ইচ্ছা কৰিলে মই তোমাৰ মুখ চিৰদিনৰ কাৰণে বন্ধ কৰিব পাৰো।

নন্দিতা ঃ মুখ মোৰ। গতিকে মই নিজে বন্ধ কৰিম। কিন্তু জানি থব, মোৰ মুখ এবাৰ খোল খালে জাপ যোৱাতো বৰ টান।

অবিনাশ ঃ (চৰম অৱস্থাৰে) কথাৰ সাগৰেৰে জগৎ জিনিব আহিছা। কিন্তু আমাৰ বিৰুদ্ধাচৰণৰ পৰিনাম অতি ভয়ঙ্কৰ।

নন্দিতা ঃ হওক ভয়ঙ্কৰ । মই তালৈ কেৰেপ নকৰো।

অবিনাশ ঃ বাঃ । সাহসী ছোৱালী। তাৰমানে তুমি আমাৰ বিৰুদ্ধা চৰণ কৰিবাই।

নন্দিতা ঃ ও ও, ঠিক কৰিম বুলি কব নোৱাৰিম। কিন্তু আপোনালোকে যদি সন্ত্রাস চলাই যাবলৈ বিচাৰে তেন্তে ময়ো মোৰ মুখ তথা কলম চলাই যাবলৈ বাধ্য।

অবিনাশ ঃ এয়া কিন্তু তোমাৰ ভাল কাম নহব। আমি এক মহান আদৰ্শ লৈ কাঁইটীয়া বাটেৰে আগবাঢ়ি যাম। আৰু তুমি আমাৰ সকলো আশা পণ্ড কৰিবা। নাই এয়া হবঁ দিব নোৱাৰি। তোমাৰ মুখ বন্ধ কৰিবই লাগিব।

নন্দিতা ঃ আৰু যদি নকৰো? সংগ্রাম ময়ো বিচাৰো। কিন্তু সেয়া হব লাগিব শুদ্ধ। সংগ্রাম তথা দেশ উদ্ধাৰৰ ক্ষেত্রত কৰা উদ্ভণ্ডালি মই কেতিয়াও সহ্য কৰিব নোৱাৰিম। জনসাধাৰণ অজ্ঞ। সেইবাবেই আপোনালোকে এটাৰ পিছত এটা ধ্বংস লীলা চলাই যাব পাৰিছে। কিন্তু এদিন জণগণ আপোনালোকৰ বন্দুকৰ শব্দত জাগ্রত হৈ উঠিব আৰু ঠিক সেইদিনাই আৰম্ভ হব এক ভয়ঙ্কৰ বিভীষিকাৰ। আপোনালোকৰ ভুৱা স্বাধীনতাৰ আশ্বাস লৈ আৰু জণগণে ভ্রূক্ষেপ নকৰে। জুইয়ে লেলিহান ৰূপ ধাৰণ কৰিব আৰু সেইদিনাই সকলো আপদ জুইত জাহ যাব। আৰম্ভ হব নতুন অধ্যায়। সেইদিন সমাগত। শান্তি এদিন আহিবই আহিব।

অবিনাশ ঃ মিচ্ চৌধুৰী কথাৰ ফুলজাৰীৰে দেশৰ শান্তি অনাৰ মিছা সপোন নেদেখাই ভাল, তুমি দেশ প্রেমিকাৰ ভাওধৰা কোনোৱা ভ্রষ্টা।

নন্দিতা ঃ What ? ভ্রষ্টা, মই । আপুনি কি কথা কয়। দেশক ভাল পালে চৰিত্রহীনা হয়। কিন্তু আপুনিওটো দেশক ভাল পায়। তেন্তে আপুনি কি? আপুনি চোৰ, ডকাইত, লম্পদ ...... ।

অবিনাশ ঃ Please stop it

নন্দিতা ঃ (ওপৰলৈ চাই) হে বিদেহী শ্বহীদ আত্মা। তুমি শুনিছানে? দেশ প্রেমিকা হলে দেশ ভ্রষ্টা হয়। (অবিনাশৰ পিনে চাই) ছিঃ ইমান ঠেক মানসিকতা আপোনাৰ। নিজে বিপ্লৱী হৈ নাৰীক সন্মান কৰিব নাজানে।

অবিনাশ ঃ জানো, কিন্তু সকলোকে নহয়।

নন্দিতা ঃ সকলোকে নহয়, তেন্তে কাক? যিজনীয়ে দেশক ভাল পাব নাজানে, আপোন পেটীয়া হৈ নিজৰ উদৰপূৰাই এবাৰো দেশৰ কথা নাভাবে সেই নাৰীক আপুনি সন্মান কৰে। শুনক তেন্তে, মই সেইনাৰীক ঘিণ কৰো। সেই নাৰী, নাৰীজাতিৰ কলংক। আপুনি যদি সেই নাৰীক সন্মান কৰে তাত মোৰ কবলগীয়া নাই।

অবিনাশ ঃ কিছুমান আবোল-তাবোল কথাৰে মোৰ মূৰ গৰম কৰাৰ চেষ্টা নকৰাই ভাল।

নন্দিতা ঃ অনৰ্থক কথা মই কোৱা নাই। মই ভালদৰে জানো, কোৱাৰ বাবেই আপোনাৰ দৰে উগ্রবাদীৰ চিকাৰ হবলগীয়া হম। কিন্তু মই মৃত্যুৰ আগমুহূৰ্ত্তলৈ কথা কৈ যাম। আপোনালোকে পাহৰি নাযাব, আপোনালোকে যিখন দেশক উদ্ধাৰ কৰিব সংগ্রাম কৰিছে সেইখন দেশৰ জণগণেই এদিন বিশ্বাস ঘাটকতা কৰিব। কাৰণ এই সংগ্রাম নিৰৰ্থক। আপোনালোকে সংগ্রামৰ নামত সন্ত্রাস চলাই দেশৰ শান্তি হৰণ কৰিছে। আপোনালোকৰ কাৰণে আজি কত ভগ্নীৰ সতীত্ব নাশ হৈছে। মাতৃৰ বুকু শুদা হৈছে আৰু কত বোৱাৰী অকালতে বিধবা হৈছে। ইয়াৰ দাম কোনে দিব? জীৱণৰ মূল্য বহুত জানে? আপোনালোকে বহুমূলীয়া জীৱন মিছাতে অপব্যয়

কৰিছে। মৃত্যুৰ পিচত জণগণে আপোনালোকক ঘৃণাক্ষৰেও মনত নেপেলায়। মাত্র কৰ সিহঁত মৰিল, ভাল হল।

**অবিনাশ** : তুমি বহু ওপৰলৈ উঠিছা। জণসাধাৰণে মূল্য দিয়া নিদিয়াক লৈ আমাৰ মূৰ ঘামোৱাৰ সময় নাই। ভালে ভালে কৈছো লেকচাৰ বন্ধ কৰা আৰু আমাৰ কথাত মান্তি হোৱা ( ক্রমাত উত্তেজিত হৈ আহিব)।

**নন্দিতা** : মান্তি হম। কিন্তু আপোনালোক মূল সুতিলৈ উভতি যাওক। আপোনালোকৰ কাৰণে মা, বাই-ভনীয়ে কত হেপাহেৰে অপেক্ষা কৰি আছে। এবাৰ সিহঁতৰ কথা ভাৱক। মাত্র এবাৰ! Please ! ভুৱা সংগ্রামৰ ..... (হঠাৎ উত্তেজিত হৈ অবিনাশে নন্দিতাক সজোৰে এটা চৰ মাৰিব) ।

**অবিনাশ** : বন্ধ কৰা। (ফোপাই) আমাক নীতি বচন শুনাবলৈ তোমাক ইয়ালৈ অনা হোৱা নাই। তুমি পাহৰি নাযাবা তুমি জুইৰ সৈতে খেলিছা। (অবাক হৈ নন্দিতাই তাৰ ফালে চাই ৰয়। থোকা-থোকি মাতেৰে কয়) ।

**নন্দিতা** : আপুনি এজনী নন্দিতাক মাৰি মুখ বন্ধ কৰিব । কাইলৈ । কাইলৈ হেজাৰ জনী নন্দিতা ওলাই আহে, তেতিয়া কি কৰিব?

**অবিনাশ** : সেইটো সময়ে কব। তোমাৰ মুখ আগতে বন্ধ কৰি লোৱা।

**নন্দিতা** : নহ'লে?

**অবিনাশ** : নহ'লে, এইটো কি দেখিছা ? ( জেপৰ পৰা পিষ্টল উলিয়াই)

**নন্দিতা** : অ, দেখিছো, পিষ্টল।

**অবিনাশ** : এইফালে আহা (নন্দিতাই ভয়েভয়ে ওচৰলৈ যায়, অবিনাশে মঞ্চৰ ফালে আঙুলিয়াই দেখুৱাই। নন্দিতাই সেইফালে চাই বিকট চিএঞৰ মাৰিব। চকুদুটা ঢাকি লৈ শোকত, ভয়ত কান্দি উঠিব)। কি হ'ল নন্দিতা? (নন্দিতাৰ ফালে চাই)

**নন্দিতা** : আপোলোকে মানুহক ইমান অত্যাচাৰ কৰে। আপোনালোক মানুহ নহয়। জীৱ শ্রেষ্ঠ প্রাণী হৈয়ো মানুহে আজি বৰ্বৰতা ত্যাগ কৰিব পৰা নাই। আপোনালোকৰ হৃদয় বোলা কোনো বস্তু নাই।

**অবিনাশ** : স্তব্ধ হোৱা মিচ্ নন্দিতা চৌধুৰী। (হাতত উদ্যত পিষ্টললৈ অবিনাশে ক্রমে নন্দিতাৰ ফালে চাব। নন্দিতা ভয়ত বিতত হৈ পৰিব।)

**নন্দিতা** : আপুনি ! আপুনি মোক হত্যা কৰিব, কিন্তু মোক পল ককাইদেক এবাৰ লগ পাবলৈ দিয়ক। (ক্রমাৎ উন্মাদ হৈ যাব) মা, পল ককাইদেউ তোমালোক ক'ত আছা ? পল ককাইদেউ। (কান্দে)

**অবিনাশ** : (Off voice) পল ককাইদেউ, এবা মোৰ মৰমৰ দিতা জনী বা ক'ত আছে। কিমান ডাঙৰ হ'ল চাগে। আৰু মা । দেউতাৰ মৃত্যুৰ পিছত কিমান কষ্ট কৰি মায়ে ডাঙৰ কৰিলে। কিন্তু তোমাৰ দাদাৰ নাম কি? সি এতিয়া ক'ত আছে? কি কৰে? (ব্যতিব্যস্ত হৈ অবিনাশে প্রশ্ন কৰিব)।

**নন্দিতা** : তাৰ নাম উৎপল। উৎপল চৌধুৰী। সি মেট্রিক পাচ কৰি ঘৰৰ পৰা বাহিৰ হৈছে । মই তেতিয়া ক্লাছ চিক্সত, পিছত গম পাইছিলো সি হেনো এটা উগ্রপন্থী গোটৰ এজন ডাঙৰ নেতা। আজি প্রায় দহ বছৰ হ'ল তাক আমি দেখাই নাই। আচলতে মই আগতে সংগঠনবোৰক সমৰ্থন কৰিছিলো। কিন্তু পিছত যেতিয়া গম পালো দাদাকো সংগঠনৰপৰা আতৰাই নিলে, তেতিয়াৰপৰা সংগঠনবোৰক বেয়া পোৱা হলো। আৰু মাৰ মৃত্যুৰ পিছত তাক ক'ৰবাত লগ পোৱাৰ আশাত ময়ো ঘৰৰ পৰা গুচি আহো। কিন্তু সি জানো এতিয়া ক'ত ? (হঠাত অবিনাশৰ ফালে চাই) কি হ'ল? আপুনি ভাবুক হৈ গ'ল যে। (অবিনাশৰ উদ্যত পিষ্টল হঠাৎ পৰি যায়, লগেলগে তাৰ সম্বিত ফিৰি আহে।)

**অবিনাশ** : সি তোমাক ঘৰত দিতা বুলি মাতিছিল নেকি?

**নন্দিতা** : অ ! মোক মৰমতে সি দিতা বুলি মাতিছিল আৰু মই তাক পল ককাইদেউ বুলি মাতিছিলো। কিন্তু আপোনাক কিয়?

**অবিনাশ** : তোমাৰ দাদাৰাই এই লকেটটো পিন্ধিছিল নেকি? জেপৰ পৰা লকেট এটা উলিয়াই।

**নন্দিতা** : (চুই চাই আনন্দত মতলীয়া হৈ ) অ, অ, পিন্ধিছিল। কিন্তু এইটো ক'ত পালে। সি ক'ত আছে? Please এবাৰ তাক চাব দিয়ক। মাত্র এবাৰ।

**অবিনাশ** : (থোকাথুকি মতেৰে) আপুনি নহয় দিতা। মই । মই তোৰ পল ককাইদেউ। তই এবাৰ মোক পল ককাইদেউ বুলি মাত।(হুকহুকাই কান্দে) তহঁতে মোক ক্ষমা নকৰিবিনে? মা ভালে আছেনে দিতা?

**নন্দিতা** : পল ককাইদেউ (আনন্দত) মা...... মা.... আৰু নাই পল ককাইদেউ । আজি দুবছৰ আগতে মা ঢুকাই থাকিল। পল ককাইদেউ (কান্দি কান্দি বাগৰি পৰে)

**অবিনাশ** : (দিতা, দিতাকৈ চিএঞৰি উঠে) অবিনাশে মুৰত পানী ঢালিব আৰু নন্দিতাৰ মূৰটো কোলাত লব। দিতা, দিতা ..... । এ তোৰ কি হ'ল দিতা। তই মোক কিয় নামাত দিতা? তই মোক কিয় নিথৰুৱা কৰি থৈ গ'লি? এদিন মোক বিচাৰি হাবাথুৰি খাইছিলি, কিন্তু আজি ? তই অভিমান নকৰিবি দিতা। তই এবাৰ মোৰ ফালে চা। তই চকু নেমেল কিয় দিতা? (থোকাথুকি মাতেৰে অবিনাশে কৈ যায়। নন্দিতাই জোৰ কৰি চকু দুটা মেলে। ক্ষীণ মাতেৰে সেহাই সেহাই অবিনাশক কয়) পল ককাইদেউ ( মুখখন চুবলৈ নিয়া হাতখন লাহে লাহে নামি যায়, মূৰটো হালি পৰে। অবিনাশে চিএঞৰে) দিতা ! তই মোক অভিমান কৰি কিয় গুচি গ'লি? দিতা..... দি...তা.... ।

(অবিনাশে হুকহুকাই কান্দে লাহে লাহে মঞ্চ এন্ধাৰ হৈ আহে আৰু করুণ সুৰ ভাঁহি উঠে) ♠♠

চিনুপ্রিয়া ডেকা, স্নাতক প্রথম বৰ্ষৰ কলা বিভাগৰ ছাত্রী ।

রম্য ৰচনা

# Admisson Notice

শ্বাহ মহম্মদ নেছাৰ-উল-ইচলাম

নতুন দিল্লীত থকা Indian Institute of Corruption Management ৰ তৰফৰ পৰা আগন্তুক বৰ্ষৰ নিম্নোক্ত পাঠ্যসমূহৰ কাৰণে ইচ্ছুক প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচৰা হৈছে।

__*আমাৰ প্ৰতিষ্ঠান*__ ঃ

ইতিমধ্যে আপোনালোকে আমাৰ প্ৰতিষ্ঠানৰ নাম গম পালেই Indian Institute of Corruption Management (IICM) Indian Institute of Technology, Indian Institute of Science, Indian Institute ofBusiness Management, Indian Institute of Agricultural Research, Indian Institute of Fashion Designing. (Fashion Designing মানে কি, আপুনি সুধিছে নেকি? ৰসিক বন্ধু এজনে কলে- নাৰী দেহৰ নাইন্‌টি পাৰ্চেন্ট উদঙাই ৰাখি বাকী থকা Ten percent বাইজৰ মনোগ্ৰাহী ৰূপত ঢাকি ৰখাৰ কিটিপ-কৌশলেই Fashion Designing ) আদি এশ এবুৰি বিখ্যাত reputed প্ৰতিষ্ঠানৰ বিষয়ে শুনাৰ পিছত আমাৰ প্ৰতিষ্ঠানৰ নাম জানি আপোনলোক হয়তো যথেষ্ট আচৰিত হ'ব পাৰে (কিছুমানে আনকি আমাৰ প্ৰতিষ্ঠানৰ আৱশ্যকীয়তা সম্পৰ্কেও প্ৰশ্ন তুলিব পাৰে।) অলপ কম মনোযোগেৰে তলৰ কথাখিনি পঢ়িলে তেওঁলোকৰ মনৰ ভ্ৰান্ত ধাৰণা দুৰ হ'ব বুলি আমাৰ বিশ্বাস।

সাগৰৰ মাজৰ পৰা চাৰিওপিনে কেৱল পানীয়েই পানী দেখাৰ নিচিনাকৈ আমাৰ দেশৰ কেউপিনেওঁ বৰ্তমান দুৰ্নীতিয়েই দুৰ্নীতি দেখিবলৈ পোৱা যায়। (যদু, মধুৱে ব্যৱহাৰ কৰা) ৰাজহুৱা শৌচাগাৰ নিৰ্মাণৰ পৰা আৰম্ভ কৰি দেশৰ প্ৰতিৰক্ষাৰ কামত নিয়োজিত অস্ত্ৰ-শস্ত্ৰৰ ক্ৰয়-বিক্ৰয়-সকলোতে দুৰ্নীতিৰ Involvement আমাৰ দেশত মোটামুটি Compulsory হৈ পৰিছে। একে আষাৰে প্ৰকাশ কৰিবলৈ হলে আমাৰ দেশত এতিয়া Corruption is the driving force। ইয়াৰ পৰা আমাৰ দেশত যে যথেষ্ট বেমেজালিৰ সৃষ্টি হৈছে; তাক দুনাই আৰু দোহৰাৰ প্ৰয়োজন নাই । প্ৰথম কথা মানুহৰ মাজৰ পাৰস্পৰিক মনোভাৱ ই একেবাৰে নিম্ন পৰ্য্যায়লৈ পৰ্যবেষিত কৰিছে। উদাহৰণ স্বৰূপে ধৰক, আপোনাৰ এটি গুৰুত্বপূৰ্ণ কাম ওলাল । কামটো কৰি দিব পৰা মানুহ এজনৰ আপুনি কাষ চাপিল। কামটো কৰি দিম বুলি (কৰাৰ আগতে) তেওঁ যদি আপোনাৰ পৰা পইচা লয়, তেওঁৰ প্ৰতি আপোনাৰ মনোভাৱ নিশ্চয় বেয়া হ'ব ; -এইটো স্বাভাৱিক কথা। আৰু যদি নলয়? আপোনাৰ মনত ধাৰণা হ'ব ; - তেওঁ কামটো নকৰে (বা কৰিব নোৱাৰে)! দ্বিতীয়তে; এই ব্যাপক দুৰ্নীতিৰ অনুসন্ধান (বা মীমাংসা) কৰিবলৈ আমাৰ দেশত যিবোৰ সংস্থাৰ (CBI, RAM, IB আদি এশ এবুৰি সংস্থাৰ কথা এতিয়া কোনে নাজানে ?) জন্ম দিয়া হৈছে ; সিহঁতৰ পিছতো কম টকা পইচা খৰচ হোৱা নাই। (বফৰ্চ কেলেংকাৰীৰ "মূলধন" আছিল ৬৪ কোটি টকা। ইয়াৰ পিছত CBI ৰ যিমান দিন অনুসন্ধান চলিল (আজি CBI ৰ দল চুইডেনলৈ, কালি ডুবাইলৈ, পৰহি.....) তাৰ খৰচ নিশ্চয় ৬৪ কোটি টকাৰ বহু বেছি হব।) সকলোতকৈ উদ্বেগজনক কথা হ'ল ; International level ত আমাৰ দেশৰ Reputation ই একেবাৰে নষ্ট কৰি পেলাইছে। (হংকং নে চিংগাপুৰৰ পৰা চলোৱা সমীক্ষা এটাত এছিয়াৰ Corrupt দেশ সমূহৰ Third Position ত আমাৰ দেশক ৰখা হৈছে। কিন্তু Third Position কিয় ? স্বাধীনতা লাভৰ সুদীৰ্ঘ ৫০ বছৰ অতিক্ৰম কৰাৰ পিছতো Corrupt দেশৰ আমি যদি শীৰ্ষস্থান দখলেই কৰিব নোৱাৰিলো, তেন্তে স্বাধীনতা আমাক লাগিছিলনো কেলেই ? আমি স্বাধীন হোৱাৰ অৰ্থনো থাকিল ক'ত ?? অৱশ্যে উপৰোক্ত সমীক্ষাটোৰ বিশ্বাসযোগ্যতা সম্পৰ্কত সন্দেহৰ যথেষ্ট অৱকাশ আছে। আশা কৰা ধৰণে পৰীক্ষাত নম্বৰ নাপালে Candidate এ Council ৰ পৰা বহী Call কৰে। আমি ভাবো, উক্ত সমীক্ষাটোওঁ Re-examine কৰিলে আমাৰ দেশৰ Position ভালেখিনি উৰ্দ্ধগামী হব।) দুৰ্নীতিৰ পৰা উদ্ভৱ হোৱা এই ব্যাপক খেলিমেলিৰ কাৰণ এটাই ঃ দুৰ্নীতিৰ পয়োভৰ সকলোতে থাকিলেওঁ তাক কেনেদৰে Handle কৰিব লাগে আমাৰ দেশৰ মানুহবোৰ এই সম্পৰ্কত এতিয়াওঁ অজ্ঞ হৈয়ে আছে। চমুকৈ কবলৈ হলে — এই সম্পৰ্কত সকলোকে "শিক্ষিত কৰি তোলাই আমাৰ প্ৰতিষ্ঠানৰ লক্ষ্য আৰু উদ্দেশ্য"। সন্দেহপৰায়ণ লোক কিছুমানৰ মনত এইখিনিতে প্ৰশ্ন জাগিব পাৰে ঃ দুৰ্নীতিৰ বিষয়ে মানুহক "জ্ঞানী" কৰি তোলাৰ পৰিবৰ্তে দেশৰ পৰা দুৰ্নীতি নিৰ্মূল কৰাৰ উদ্যম আমিনো নললো কিয় ? তেওঁলোকৰ কাৰণে — তলৰ কথাখিনি আগবঢ়োৱা হ'ল—

চাহিদা অনুপাতে যি দেশত কাপোৰৰ উৎপাদন কম, (আৰু তাক বৃদ্ধি কৰাৰ সম্ভাৱনাওঁ শূণ্য ।) সকলোৱে তাত উলঙ্গ হৈ থকাটোৱেই Better। তাকে নকৰি কিছুমানে কাপোৰ পিন্ধি বাকীবোৰক Total Disclose কৰি ৰাখিলে ; কাপোৰ নিপিন্ধাবোৰৰটো লাজেই ; পিন্ধাবোৰৰো সমানেই লাজ। তাৰ সলনি সেই দেশত যদি সৰ্বসম্মতি ক্ৰমে (Unanimously) কাপোৰ বোলা বস্তুবিধকেই Boycott কৰা হয়; তেন্তে স্বয়ং লাজ বোলা বস্তুটোৱেই সেই দেশত প্ৰবেশ কৰিবলৈ লাজ লাগিব। গাওঁ পঞ্চায়তৰ পৰা আৰম্ভ কৰি PMO (Prime Minister's Office) লৈকে দুৰ্নীতিয়ে আমাৰ দেশত এনেদৰে খোপনি পুতিছে যে, নিৰ্মূল কৰাৰ সলনি তাৰ লগত কেনেদৰে সহাৱস্থান (Co-existence) কৰিব লাগে, মানুহক তাৰ শিক্ষা দিয়াৰ সলনি- আমি ভাবো বৰ্তমান আমাৰ দেশত এতিয়া আৰু অইন উপায় নাই। (ৰব, আমাৰ প্ৰতিষ্ঠানৰ Introduction ৰ নামত আমাৰ দেশৰ দুৰ্নীতিৰ ভয়াৱহ চিত্ৰ এখন দাঙি ধৰাৰ বাবে আপুনি নিৰাশ হৈছে নেকি ? মুঠেও নহব। কাৰণ

ই এক সাধাৰণ কথা আৰু আইনষ্টাইনৰ Theory of Relativity ৰ সহায়ত সহজে ব্যাখ্যা কৰিব পাৰি। Theory of Relativity আৰু দুৰ্নীতি আচৰিত হোৱাৰ সলনি তলৰ কথাখিনি মন কৰক –

প্ৰথম অৱস্থাত তাহানি আইনষ্টাইনৰ Theory of Relativity সকলোৰে কাৰণে আচহুৱা যেন লাগিছিল যদিও এতিয়া আৰু ই কাৰো কাৰণে দুৰ্বোধ্য হৈ থকা নাই ঃ আপোনাৰ ভাল লগা ধুনীয়া ছোৱালী জনীৰ লগত পাৰ্কত বহি অকলশৰে এক ঘন্টা কথা পাতক। এনে লাগিব যেন আপুনি মাত্ৰ এক মিনিটহে কথা পাতিলে। আনহাতে, আগতে নেদেখা অচিন, বিৰক্তিকৰ ঠাই এখনত অকলশৰে আপুনি গাড়ীৰ কাৰণে এক ঘন্টা অপেক্ষা কৰক। মনত ভাব হ'ব; আপুনি যেন আপোনাৰ মা-দেউতাৰ বিয়াৰ পিছৰপৰাই গাড়ীৰ কাৰণে অপেক্ষা কৰি আছে। এইখিনি সময় ঃ একঘন্টা। কিন্তু পাৰ্থক্যটো লক্ষ্য কৰক। আৰু এয়াই Theory of Relativity অৰ্থাৎ; সময় এটা আপেক্ষিক (Relative) বাশি; ই কেতিয়াও পৰম (Absolute) হব নোৱাৰে। টকা পইচাৰ ক্ষেত্ৰটো একে কথা। ডাঙৰ বিল্ডিং এটা নিৰ্মাণৰ বাবে আমেৰিকা বা জাপানত ১০০ কোটি চৰকাৰী ধন (ঠিকাদাৰ আমোলাৰ মাধ্যমেৰে) খৰচ কৰা হওঁক। দেখিব ঘৰ সম্পুৰ্ণ হৈ উঠিছে। একেখিনি ধন এইবাৰ একেটা বিল্ডিঙৰ বাবে (একে মাধ্যমেৰে) আমাৰ দেশত খৰচ কৰা হওঁক। দেখা যাব; Foundation ৰ এক চতুৰ্থাংশওঁ সম্পুৰ্ণ হৈ উঠা নাই। একেটা বিল্ডিং আৰু একেখিনি টকা । কিন্তু পাৰ্থক্যটো চাওক । ইয়াৰ পৰা আমি কব পাৰো- (সময়ৰ নিচিনাকৈ) টকা পইচাও এটা পৰম বস্তু নহয়। ই সদায় আপেক্ষিক (*An extention of theory of reletivity to money-from time*)এই সাধাৰণ কথাটো নজনাৰ বাবে আমি বুৰ্বক ভাৰতীয় সকলে আজি দেশখন দুৰ্নীতিয়ে গ্ৰাস কৰিলে বুলি অযথা চিঞৰ বাখৰ কৰি আছো । (এৰা, যুগান্তকাৰী উদ্ভাৱন হোৱাৰ স্বত্বেও কোনো Pratical application নোহোৱাৰ বাবে Theory of Relativity ৰ কাৰণে আইনষ্টাইনক নোঁবেল বঁটা দিবলৈ চুইদিছ একাডেমীয়ে ইতস্ততঃ বোধ কৰিছিল। আমাৰ দেশৰ মূল চালিকা শক্তিটোৰ এনে উজু ব্যাখ্যা দিয়াৰ বাবে মৰণোত্তৰ ভাবে হলেও Theory of Ralativity ৰ কাৰণে আইনষ্টাইনক আমাৰ দেশে "ভাৰতৰত্ন" জাতীয় সন্মান এটা আগবঢ়োৱা উচিত।

***আমাৰ পাঠ্যক্ৰম সমূহ ঃ***

প্ৰাৰ্থীবপৰা আবেদনপত্ৰ বিচৰা আমাৰ প্ৰতিষ্ঠানৰ পাঠ্যক্ৰম সমূহ তলত দিয়া ধৰণৰ–

১) Certificate in Pre-corruption Initiatives (CPI): মহাপুৰুষ সকলে কৈ গৈছে, কাম এটা ভালদৰে আৰম্ভ কৰা মানে কামটোৰ আধা সম্পুৰ্ণ কৰা। তিনিমহীয়া এই পাঠ্যক্ৰমত দুৰ্নীতি কৰাৰ পূৰ্বে কেনেকুৱা উদ্যম লোৱা উচিত, তাৰ বিশদ আলোচনা কৰা হ'ব।

২) Certificate in During-corruption Connections (CDC): সঠিক উদ্যম লৈ "কামফেৰা" কৰি থকা সময়ত কোন কোন মানুহৰ লগত কেনে ধৰণৰ যোগাযোগ ৰাখিব লাগিব (যাতে পিছত আপোনাৰ একো বিপদ নহয়) তিনিমহীয়া এই পাঠ্যক্ৰমৰ সেয়াই মূল বিষয়।

৩) Diploma in Post-corruption Finishing (DPF): যিকোনো কামৰেই শেষ ভালেই সকলো ভাল। (All is well that ends well) দুৰ্নীতি কৰি উঠাৰ পিছত ভালদৰে কেনেকৈ তাৰ মোখনি মাৰিব লাগে তাকেই এই পাঠ্যক্ৰমত শিকোৱা হ'ব। সুবিধাজনক কথাটো হ'ল- এবছৰীয়া এই পাঠ্যক্ৰমৰ আৰম্ভনিতেই ইয়াৰ পূৰ্ব সুবি CPI আৰু CDC পাঠ্যক্ৰম দুটাৰ এক চমু পৰ্যালোচনা (Review) দাঙি ধৰা হ'ব।

***প্ৰাৰ্থীৰ নাগৰিকত্ব ঃ***

ইচ্ছুক প্ৰাৰ্থী আমাৰ দেশৰ সংবিধানে পঞ্চমৰ পৰা অষ্টম অনুচ্ছেদত নিৰ্দিষ্ট কৰি দিয়া ধৰণৰ ভাৰতীয় নাগৰিক হোৱাৰ কোনো দৰকাৰ নাই। আচলতে, দেশী আৰু বিদেশী এনেকুৱা ঠেক মনোভাৱৰ আমাৰ প্ৰতিষ্ঠানত কোনো স্থান নাই। দুৰ্নীতি কৰাৰ সামান্যতমো আগ্ৰহ থকা যিকোনো প্ৰাৰ্থীয়ে আমাৰ প্ৰতিষ্ঠানত নাম ভৰ্ত্তিৰ কাৰণে আবেদন কৰিব পাৰে,- লাগিলে তেওঁৰ নাগৰিকত্ব মঙ্গল গ্ৰহৰেই হওক কিয়। (অৱশ্যে আমাৰ দেশৰ মৰম উপেক্ষা কৰিব নোৱাৰি সীমান্তৰ কাইটৰ বেৰলৈও কেৰেপ নকৰি) আমাৰ দেশত প্ৰবেশ কৰা বাংলাদেশী প্ৰাৰ্থী সকলে নিজৰ নিজৰ আবেদন একে উপায়েৰে আগতে প্ৰবেশ কৰা বাংলাদেশী লোকৰ দ্বাৰা (সম্বন্ধীয় হলে বেছি ভাল হয়) প্ৰত্যায়িত (Attested) কৰি পঠাব লাগিব ।

ইমানৰ পিছত আমি ভাবো- নিজৰ বিষয়ে আৰু অধিক কোৱাৰ নিশ্চয় দৰকাৰ নাই। গতিকে, পলমনো কৰে কিয় ? লৰালৰিকৈ তলৰ ঠিকনাত যোগাযোগ কৰক ঃ

The Registrar,
Indian Institute of Corruption Management (IICM)
Opposite to Bharat Wine Shop
P.B. No 420
New Delhi.

শ্বাহ মহম্মদ নেছাৰ-উল-ইচলাম মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ প্ৰবক্তা।

আধুনিক পৃথিৱীত কিছুমান ব্যক্তিয়ে প্ৰেমক প্ৰশ্ৰয় দিলে তেওঁলোকৰ ব্যক্তিত্বৰ ওজন কমি যাব বুলি ভয় কৰে। সেই কাৰণে তেওঁলোকে নিজক নিজৰে ব্যক্তিত্বৰ আইনাৰে বন্দী কৰি ৰাখে। ফলত ব্যক্তিত্ব আইনাৰ সজাত মৰহি যাবলৈ বাধ্য হয়। আধুনিক জীৱনৰ ইও এক মুৰ্খালি।

*বাট্ৰাণ্ড ৰাছেল*

# কবিতাৰ কৰণি

*কবিতা হ'ল সেই বিধ কলা য'ত কল্পনা আৰু দিঠকে হাতে হাত ধৰি আহি যোগান ধৰে আনন্দময় ৰসৰ আস্বাদ। একোটা মাত্ৰ উচ্চাৰিত শব্দই য'ত অনেক অনুচ্চাৰিত শব্দৰ অৰ্থ বহন কৰে। নোকোৱাকৈয়ে হৈ যায় বহু কোৱা। প্ৰতিটো শব্দই দিয়ে শ্ৰৱণৰ তৃপ্তি, কল্পনা আৰু আবেগৰ উম।*

"কবিতা হ'ল বিজ্ঞানৰ বিপৰীত যেৰুৰ ৰচনা। কাৰণ কবিতাৰ লক্ষ্য বস্তু হ'ল আনন্দ প্ৰদান, বিজ্ঞানৰ দৰে সত্যোপলব্ধি নহয়।"

—কবি কলাৰিজ্ঞ

"কবিতা পঢ়ি পাহৰিব পাৰি
পাহৰিব পাৰি কিছু দুখ, আনকি গ্লানি।
কবিতা জীৱনৰ অন্য বিষয় কুশল, অন্য প্ৰত্যাশা,
শব্দ সংঘ ভাঙি তিৰবিৰ
বন তুলসীৰ উজাৰি লুকুৰা সুগন্ধি দীঘল উপত্যকা"

—হীৰেন ভট্টাচাৰ্য



# তপত তেজৰ কবিতা



■ কুশল কলিতা
প্ৰাক্তন ছাত্ৰ

তুমি হেৰা প্ৰিয়ম্বদা!
বুজানে, আহত পখীৰ কি বেদনা!

এটা ৰঙাজুইৰ কমাৰশাল মোৰ বুকুত
কক্‌বকাই থাকো মই উত্তাপত
হিচ্‌ হিচকৈ ওলাই আহে হুমুনিয়াহ
ছাই হৈ যায় মোৰ সমুখ
এক ধূসৰিত শূণ্যৰ কুণ্ডলী সন্মুখত।

ইমান দুৰ্বল মোৰ খোজবোৰ!
ইমান হতাশা মোৰ চকুত!
তুমি প্ৰিয়ম্বদা! দিয়াচোন অলপ প্ৰেৰণা,
মোৰো পাবলৈ বৰ হেঁপাহ
এটি সুখৰ ৰাতিপুৱা, অকণমান সেউজ সান্নিধ্য।

প্ৰিয়ম্বদা; নিবাচোন মোক এদিন নিৰ্জন ক'ৰবালৈ
মুকলিকৈ পাতিম বহুকথা, যুদ্ধৰ প্ৰসঙ্গ,
চিনাকি হ'ম প্ৰেমৰ ৰঙৰ স'তে।
তোমাৰ কাষত বহি বুজি লম সুখৰ সংজ্ঞা
প্ৰশমিত কৰিম আশৈশৱ যন্ত্ৰণা,
শাৰদী জোনাক ৰাতিত আমাৰ ওঁঠত পৰিবহি
সদ ইচ্ছাৰ হাচনাহানা।

কেতিয়াবা প্ৰিয়ম্বদা, মোলৈ পঠিয়াই দিবাচোন
এটোপাল কুশল বতৰা,
তুমিওতো জানা, যুদ্ধৰ খবৰে ভাঙিনিছে নীৰৱতা
শান্তিৰ চৰাইবোৰৰ গতি জুই জ্বলিছে আৰু
এনথ্ৰাক্স উৰি ফুৰিছে বতাহত,
কোনে জানে! কবিতাৰ শব্দসংঘটো হ'ব পাৰে পৰমাণু বিস্ফোৰণ

প্ৰিয়ম্বদা! আহিবাচোন কেতিয়াবা!
উঠি যাম মন্দিৰৰ খটখটিত,
ঘূৰি ফুৰিম লুইতৰ চাপৰিত,
বেলৰ আলিত পৰি আছে মোৰ সকলো আঙুলি
তুমি আহিলে, খুটুৰা শাকৰ দৰে উঠাই আনিম এইবোৰ
এডাল মালা গাঠিম, যাক তুমি পিন্ধাবা শান্তিৰ অশ্বমেধক!

চকু এটাও মৰি পৰিছিল প্ৰলয়ৰ এৰাতিত
বুৰ গৈছিল বিভেদৰ এন্ধাৰ সমুদ্ৰত
তোমাক বুকুত বান্ধি ডুবি যাম তললৈ, বিচাৰি ফুৰিম চকুটো,
যদি পাওঁ! অনুভৱৰ সুতাৰে চকুটো ফুটাই তোমাৰ গলত পিন্ধাম
নিজে নিজে খহি পৰিব 'এন্ধাৰৰ নিলাজ লিপি।'
হৃদয়খন ভাড়ালৈ নিছিল এজনী পতিতাই
দোকানত ওলোমাই থৈ তাই বিজ্ঞাপন লিখে মোৰ হৃদয়ত
গ্ৰাহকবোৰে চেলেকি চায় মোৰ হৃদয়, চোবাই খায় তাইৰ শৰীৰ।
মাজৰাতি তাই হৃদয়খন ফেনাইলেৰে ধোঁৱে আৰু
সাজু কৰে, পিছৰ দিনাৰ নতুন বিজ্ঞাপন।
হৃদয়ৰ ককপিটত ৰৈ যায় মন্ত্ৰী-সম্ভ্ৰান্তৰ চৰিত্ৰহীনমুখা।

ওঁঠ দুটা আৰু জিভাখন খুজি নিছিল এজন বৃদ্ধ বুদ্ধিজীবিয়ে
তেওঁৰ লিখনি আৰু ব্যক্তিত্ব পিপাসু প্ৰেয়সীবোৰৰ বাবে।
কলিজাটো মাথো পৰি আছিল চোতালখনত,
যোৱাকালি এজন শিল কাটোতাই তাকো নিলে উঠাই
অপৰূপ ভাস্কৰ্য্যৰে সি ছবি কাটিলে কলিজাত
আঠশ শ্বহীদৰ তপত তেজেৰে লিখা হ'ল ছবিৰ নাম
'মুৰ্খ প্ৰেমিকাৰ দল ইহঁত'

প্ৰিয়ম্বদা! তুমিতো বুজিলাই;
নিজৰ মাজতেই মোৰ অসংখ্য বিদ্ৰোহ,
তথাপি তুমি আহিবা.......
চুমা খাবা মোৰ নিৰস-নিৰুত্তাপ শৰীৰত।
তোমাৰ সান্নিধ্যত চকু মেলি চাম আকাশ আৰু প্ৰজন্মক,
দাঁত আৰু কণ্ঠৰে বজাম শান্তিৰ তেজাল দোঁতাৰা
তুমি গাবা জীৱনৰ মোৰ সুৰৰ গান
ভাহি যাব দিগন্তলৈ গানৰ সুৰভি
প্ৰিয়ম্বদা! মাথো তোমালৈ অপেক্ষাত ❑❑

❑ মৰমৰ ভাইটি জ্যোতিষৰ অনন্য স্মৃতিত উৎসৰ্গিত ❑

# এটা সুগন্ধিৰ বটল

■ গৌতম বৰুৱা
স্নাতক ৩য় বৰ্ষ

চতিয়না ফুল ফুলিল
আৰু গোন্ধ ওলাল।
গোন্ধে আমোল মোলায় তাৰ।
চৰাইবোৰো যায় তাত,
পানীৰ মাছবোৰৰ উজান উঠে
আৰু দেওঁ-ভূতবোৰৰো।
মানুহবোৰ কিন্তু তাত নাযায়।
আজি কেইদিন মানৱ পৰা
কি হ'ল দেখোন
চৰাইবোৰ, মাছবোৰ আৰু
দেওঁ-ভূতবোৰে
মোৰ কাষ নেৰাই হ'ল।
এদিন সিহঁত আটাইবোৰৰে প্ৰশ্ন
বোলো ককাই
আমাকো অলপ সুগন্ধি
ঢালি দিবানে?
ক'ত পালি তই সেইটো?
কিনো নাম তাৰ
কোৱাচোন কোৱা।
মই ক'লো, কিয় কম
তহঁতক। সেইটো যে
মোক সপোন কুঁৱৰীয়ে
দিয়া। □□



# দুখৰ দিনৰ কবিতা

■ ঋতুৰাজ
প্ৰাক্তন ছাত্ৰ

বৰ বেছি আবেগত ক'ব পৰা তুমি
মোক ভাল পাওঁ বুলি
মই জানো—
তুমি মোৰ হ'ব নোৱাৰিবা
মোৰ হ'ব নোৱাৰিবা তুমি
কাৰণ,
পৰ্বতৰ টিঙৰ বৰফ গলি
বৈ অহা শীতল নিজৰা তুমি
আৰু মই।
মই এটি উত্তপ্ত আগ্নেয়গিৰি।
মই জানো
এদিন তুমিও যাবাগৈ গুচি
যিদৰে পথিকে এৰি যায় পান্থশালা।
সেইদিনা—
বৰ বেছি খেলিব পাৰিম
ৰঙচুৱা পানীয়ৰে বন্ধুৰ স'তে
কোনোবা বিয়েৰ বাৰৰ চুকত বহি
কুণ্ডলী পকোৱা চিগাৰেটৰ ধোঁৱাৰে
ধুৱলী-কুৱলী কৰি
আৰু হয়তো লিখিব পাৰিম এটি কবিতা
যি হ'ব
দুখৰ দিনৰ কবিতা। □□

# আশা

■ উপমা শৰ্মা

অন্তহীন মানুহৰ
আশাৰ পৰিধি
কল্পনা-বিলাসী
মন দিগন্তৰ পৰিধিত
অলেখ কামনাই
লুকাভাকু খেলে।
মানুহৰ কল্পনাই
বিচাৰে বগলীৰ
শুধ বগা দেউকাত,
দেও দি উৰি উৰি
সাত ৰঙৰ
নতুন কাৰেং গঢ়িবলৈ
দিগন্তৰ সিপাৰৰ
কোনোবা মনোৰম
এক সপোন ৰাজ্যত।
কিন্তু কিয় বাৰু
সীমাহীন কামনাৰ
অন্তহীন দিগন্তত
অসীমৰ সীমাবদ্ধ
জীৱনৰ পৌৰুষ ৰয়
বহু বহু আঁতৰত। ❑❑

# মই তোমাৰ অভিমানী প্ৰিয়া

■ কমৰুণ জান্নাত
স্নাতক ২য় বৰ্ষ

নাহিবা কাষলৈ
নুচুবা হিয়াখন
নাচাবা চকুলৈ
নালাগে শুভেচ্ছা নতুনৰ
নকৰিবা তুমি সেই আয়োজন
মোৰ হিয়াখনত থাকে, ভাঁজে ভাঁজে
অশান্তিৰ ডাৱৰ-নিদ্ৰাহীনতা
আঁউসীৰ বাৰ্তা
জঘন্যৰ শুভ কামনা (?)
গোপনে আহা যদি কেতিয়াবা
ভুলতো ৰামধেনু নাকিবা
মোৰ বুকুৰ সোঁমাজত
প্ৰিয়তমা বুলি
হেপাহৰ আকাশত
হৃদয়ৰ নীলিম সাগৰত
মাথো আঁকিবা
দুচকুত সাগৰৰ বতৰা
জোনাক নিশাৰ মধু চন্দ্ৰা
আৰু মোৰ দুগালত চকুলোৰ চুমা,
লগতে আনিবা—
খৰিকাজাই ফুলৰ অকণমান সুবাস
তলসৰা
'গোন্ধ'
'মৰম'
'ভালপোৱা'.......
এয়াই তোমাৰ অভিমানী প্ৰিয়া। ❑❑




# জীৱাশ্ম

■ গৌতম ঠাকুৰীয়া
স্নাতক ৩য় বৰ্ষ (কলা)

এমোকোৰা হাঁহি ওফৰাই দিছিলা
এটা শতিকাৰ আগতে,
এতিয়া 'জীৱাশ্মত' পৰিণত হোৱা
মোৰ জঁকাটোত লাগি আছে
ক'ৰবাত দুই এটুকুৰা
এতিয়া প্ৰয়োজন
এটোপাল অশ্ৰুৰ
আন এটা শতিকাৰ বাবে।

* * *

দূবৰিৰ পাতত নিয়ৰ কণাৰ দৰে
তোমাৰ মৰমবোৰ আৰু
কুঁৱলীৰ দৰে কোমল
তোমাৰ কথাবোৰ।
এতিয়া ভৰদুপৰীয়া
সেই নিয়ৰো নাই
কুঁৱলীও নাই,
অপেক্ষা কাইলৈৰ ৰাতিপুৱালৈ। □□

# শৈশৱৰ অনুভূতি

■ প্ৰদীপা শৰ্মা
স্নাতক ৩য় বৰ্ষ (কলা)




সেউজীয়া ঘাঁহনি ডৰাৰ সিটোপাৰে
মোৰ অতীতৰ শৈশৱ
তেতিয়া
আমি সৰু হৈ আছিলো
একেলগে খেলিছিলো
দৌৰিছিলো
হাঁহিছিলো
গানো গাইছিলো
এতিয়া তুমি ডাঙৰ হ'লা
মইও............।
আগতে
তুমি গীটাৰত বুলোৱা
অপূৰ্ব সুৰ শুনিছিলো
এতিয়া বুজা হ'লো
সেই সুৰৰ ঝংকাৰ
এতিয়া
মই কঁপি উঠো
মোৰ বুকুখন কপি উঠা হ'ল
তোমাৰ গীটাৰত বাজি উঠা
সেই সুৰৰ ঝংকাৰত
নাজানো
কিয় এনে হ'ল
বোধ কৰো,
তোমাৰ স'তে মোৰ প্ৰেম হ'ল
মই তোমাক ভাল পোৱা হ'লো
ও মই তোমাক ভাল পাওঁ
ব–হু–ত ভাল পাওঁ। □□

> *..........আৰু সেউজীয়াই নাজানে*
> *এই আকাশ তলৰ পথাৰখনৰ পৰা ঘৰবোৰলৈকে*
> *দীঘল হেঙুলীয়া এখন চামনি পৰিছে, তাৰ বাবে মই মৰিম।*
>
> **নীলিম কুমাৰ**

# সময়

■ *মানসজ্যোতি ডেকা*

(১)

এইবাৰো
চুলিটাৰিত
জোক লগাদি লাগি আছিল
ডুবো ডুবো বেলিটো
তাৰেই কুহুমীয়া পোহৰত
সি ওকণি মাৰিছে
তাইৰ চুলি ফালি-ফালি।

(২)

ৰ'দত মেলি দিয়া তাইৰ ভিজা পিঠিখনি
উহুমা-উহুমা সুবাসত মতলীয়া
ধনবৰৰ কান্ধত
আশাবোৰ
দেও পাৰি পাৰি ওলাই গৈছে
দোকমোকালিতে। ☐☐

# ব্যথাৰ চকুলো

■ *অঞ্জলি ডেকা*

*স্নাতক ২য় বাৰ্ষিক (বিজ্ঞান)*

নোপোৱা নাপালো, পোৱা হেৰুৱালো
পায়ো নুগুচে মনৰ হেঁপাহ।
নোপোৱাটো বিচাৰি হাবাথুৰি খাওঁ
থকাখিনি জুকিয়াই নাচাওঁ।।
মনৰ কথা মনৰ মনতে থাকিল
কল্পনাৰ প্ৰতিমা আৰু নাহিল।
প্ৰকাশৰ ভাষা মই বিচাৰি নাপালো
নিগৰি পৰিল মাথো ব্যথাৰ চকুলো।। ☐☐





# সূচনা পৰ্ব

■ হেমন্ত কুমাৰ বৰুৱা
স্নাতক ২য় বৰ্ষ (বিজ্ঞান)

সূচনাটো আৰম্ভ হৈছিল
শ্ৰাব্য শক্তিৰে......।
দৃষ্টিৰ তাড়ণা বোধৰ অনুকম্পাত
জীয়াই আছিল গগন চুম্বী আশাৰ
মিঠা প্ৰলম্বন..................
ডুবি গৈছিল জাগৃতি, বিস্মৃতি আৰু কল্লোলৰ
জেকেটা বসত, হৰিদ্ৰাৰ সাধুকথা।।
"সময়ৰ পাখি লাগিল।"
কেতিয়াবা সন্মুখত
কেতিয়াবা আঁতৰত,
কেতিয়াবা মিছা আৰু
কেতিয়াবা সঁচা হৈ গ'ল...............
.........আশাৰ নিৰ্মালি।।
"গোপন সূচনাই পাখি মেলিলে......"
ৰঙৰ বাকোহাত দেও দিলে
কচন্দা সেউজীয়া আৰু নীলাবোৰে,
কিন্তু এইয়া; কিয় জানো জ্বলিছিল, উমিছিল!!
"মোৰ সময়বোৰ বৰফ হৈ গ'ল;
যন্ত্ৰ হৈ গ'ল এটি বিৰাট সাঁথৰ।"
শব্দ বানতেই বন্ধা হ'ল
মোৰ সূচনা পৰ্বৰ ঘাট।
এতিয়া, অখল বান্ধি বান্ধি ওলায়
মোৰ বেদনা সিদ্ধ সঞ্চিত সময়......!!
কাৰণ, ইয়াৰ জন্ম যুদ্ধত নহয়।
বিশ্বাস, আশ্বাস আৰু ৰজনী গন্ধাৰ
পদুম কোলাত......। ❑❑

কাহ পৰি জীণ যাওঁক মন
প্ৰসাৰিত স্তব্ধতাত মেঘময় গানৰ জাগৰণ
হীৰেন ভট্টাচাৰ্য



# মোক নবীন নগৰত সমাধিস্থ কৰিবা

■ বন্দনা ডেকা
স্নাতক ২য় বৰ্ষ (কলা)

মোক নবীন নগৰত সমাধিস্থ কৰিবা।
তাত আছে এখন মুকলি আকাশ,
আৰু আছে এখন সেউজীয়া চাদৰ।

মোক এসাজ বগা কাপোৰ দিবা।
নিয়ৰ কণা আৰু তৰাৰ স'তে খেলিবলৈ।

হালধীয়া ৰং এতিয়া মোৰ ভাল লাগে।
মোক নবীন নগৰত সমাধিস্থ কৰিবা।
মই ভাল পোৱা মানুহজন নবীন নগৰত থাকে। ❑❑

# তুমি নদী হৈ

■ মিন্টু দিব্যমোহন
স্নাতক ১ম বৰ্ষ



তুমি যদি নদী হোৱা
মোৰ এখন সাগৰ আছে
তোমাৰ অৱগমনে মোৰ
নীলা নীলা ঢৌবোৰ
হেন্দোলনি তুলিব

আৰু সাগৰ আৰু নদী মিলিত হ'ব
এবুকু আশাৰ গভীৰতাত.....
তুমি চাগে নদী হোৱাই ভাল হ'ব। ❑❑



> *শইচৰ পথাৰ মানুহ। আমি নাম থলো জীৱন।*
>
> **হীৰেন ভট্টাচাৰ্য**

# বেদনা

■ ভাগ্য কুমাৰ ডেকা
স্নাতক ২য় বৰ্ষ (কলা)

তোমাক লগ পাইছিলো
শৰতৰ এটি নিৰিবিলি সন্ধিয়াত।
মোৰ হৃদয়ত প্ৰতিস্ফুট হৈছিলা
এপাহি শুভ্ৰ গোলাপ ফুলৰ দৰে।।
জীৱনৰ নাওঁখনি মেলি দিছিলো
তোমাৰ বুকুৰ গভীৰত।
কিন্তু, হৃদয়ৰ মণিকোঠাৰ খিৰিকী খন
খুলিবলৈ নেপাওঁতেই গুচি গ'লা।।
আনকি মোৰ বেদনাৰ নীৰস কথাবোৰ
শুনিবলৈ নিবিচাৰিলা।
মাত্ৰ তলসৰা শেৱালি ফুলৰ দৰে
গচকত নিঃশেষ কৰি গুচি গ'লা।।
মই যে স্মৃতিৰ এলবামত তোমাক
সজাই থৈছো অতি সযতনে।
কেনেকৈ পাহৰো তোমাক
তুমি বাৰু কেতিয়াবা আহিবানে? ❑❑



# মধুৰতম স্মৃতি

■ পঙ্কজ শৰ্মা
স্নাতক ২য় বৰ্ষ (কলা)



জ্বলি জ্বলি জীয়াই থকা জীৱনত
তুমি এদিন আহিছিলা
মোৰ সপোন কুঁৱৰী হৈ
আৰু........,
জীৱন জুৰি তুমি বৈ আছিলা
মোৰ প্ৰতিটো পল-অনুপল
মৰমবোৰ অ কৃপণে যাচি
মোক কৰি তুলিছিলা উন্মনা
মোৰ অনুভৱে অনুভৱে
এদিন তুমিয়েই ধৰা দিছিলা।
মোৰ চিন্তাই চুই গৈছিল
তোমাৰ মন আকাশ।

ক'তা,
এতিয়াটো তুমি দূৰ দিগন্তত
সীমান্তৰ সিপাৰৰ
এটি পপীয়া তৰা,
সিদিনা সন্ধিয়া
তুমি মোক হাঁহি হাঁহি
নাচি নাচি আঁতৰি গৈছিলা
মোক জ্বলাই জ্বলাই বিষাদৰ অগনি।
তেতিয়া তোমাৰ চকুত মই কি
বিচাৰি পাইছিলো জানা
এটি...........
এটি ক্ৰুৰ চাৱনী।
এৰা এতিয়াতো তুমি মোৰ
সপোনৰ অগোচৰৰ
আৰু, মই..........
মই এটি দিশহাৰা উল্কা। □□

# স্মৃতিৰ চাকনৈয়াত তুমি

('বিজু'লৈ)

■ মিৰ্জাফৰ হুছেইন
স্নাতক ৩য় বৰ্ষ (কলা)

তোমাৰ হৃদয়ৰ উদ্বাস্তু উন্মত্ত মই
এৰি অহা আশৈশৱ প্ৰেম সীমনাৰ
চাব ৰোৱা স্মৃতিৰ তেজাল কষাঘাত।

অনাদৃত অপ্ৰীতিৰে পৰিপূৰ্ণ জোনাকী মন

প্ৰজ্বলিত বেদনাদগ্ধ প্ৰেম অভিলাষী হৃদয়ত
মুমূৰ্ষু নিষ্ফল আত্মাৰ আৰ্তনাদ।

মোৰ মন দাপোনত উদ্ভাসিত
পৰ্যুদস্ত প্ৰেমৰ দুঃস্বপ্নময় আলেখ্য।

প্ৰেম অৰ্ণৱৰ গভীৰতাত উদ্ধত আতমা

অহোৰাত্ৰ প্ৰতাৰিত চূচুৰ্মৈ আশাবোৰ
ভাহি ভাহি ধৰা দিয়ে
স্বপ্নীল জীৱনৰ বিষণ্ণ স্মৃতিত।

সেয়েহে ৰিক্ত হৃদয়ৰ পিপাসা নাশিবলৈ
এতিয়াও মোৰ অবিৰত হয়
অতীজ প্ৰেমৰ জীৱাশ্ম অন্বেষণ। □□



# বিদায়ৰ শেষ মুহূৰ্ত্তত

■ *ৰোনাল্ড হাজৰিকা*
*স্নাতক ২য় বৰ্ষ (কলা)*



তোমাৰ স'তে পৰিচয় হোৱা
বহুদিন হ'ল;
তুমি কোৱা সেই কথাবোৰ
স্মৃতি হৈয়ে ৰ'ল.........।

জ্বলি ৰ'ল তুলসীৰ তলত
মাথো এগছি চাকি;
শেঁতা পৰা সেই চকুযুৰি
দুহাতেৰে ঢাকি..........।

তুমি থকা পদূলিত আৰু
এতিয়া জোনাক নাহে;
মাত্ৰ বিৰাজ কৰে এক
বিশাল নিৰ্জনতা, অন্ধকাৰ।

উন্মাদ মনটোৱে মাত্ৰ
হাঁহাকাৰ কৰি উঠে
বাৰে বাৰে কয়; তুমি মৰিব নোৱাৰা,
কাৰণ পোহৰৰ জানো
কেতিয়াবা মৃত্যু হয়..........।□□

(মৰমৰ বন্ধু জ্যোতিষ নাথৰ স্মৃতিত)



# বাস্তৱত এনিশা

■ *ৰশ্মিৰেখা বড়া*
*স্নাতক ২য় বৰ্ষ*

হৃদয়খন খহি পৰে
বাৰে বাৰে শূণ্যতাৰ বুকুত।
আকাশেও পানী চটিয়ায়
মোৰ দুচকুত।
সাৰ নেপায় তথাপিও
সিহঁতবোৰ.................
শ্মশানৰ চিৰিৰে নামিছে
স্মৃতিৰ সফুৰাবোৰ
বহুতো উজাগৰি নিশা মোৰ
সাৰ নেপায় তথাপিও
সিহঁতবোৰ..................। □□

*বাৰিষাৰ ৰাতি তোমাৰ কবিক*
*মনত পৰেনে অৰুন্ধতী?*

**নৱকান্ত বৰুৱা**

সোণালী জয়ন্তী বৰ্ষ

## দস্তাবেজ

■ জয়ন্ত কুমাৰ নাথ
স্নাতক ২য় বৰ্ষ (বিজ্ঞান)

তেজে ফুটো ফুটো শব্দৰ পৃষ্ঠাত
এপিয়লা-দুপিয়লাকৈ
অনন্ত হেঁপাহৰ পপীয়া তৰাবোৰে
নীৰৱতা পান কৰে,
ঈৰ্ষান্বিত হয় কজলা আকাশ
উপায়ন্তৰ প্ৰতীতিত
বিশ্বাসৰ ডাকোৱালে খেপিয়াই
"কিজানিবা তেজৰ কোনো নিজান ঘূলিত
বিচাৰি পাই'
–সিত কণ্ঠৰ নিমাখিত প্ৰৱাহ"।

নৈঃশব্দৰ কপট সেঁওতা ফালি
চকুৰ কোণত হাঁহি আৰু অশ্ৰুৱে
আঁসৈ মাতে,
এচাটি শলখা পিছলি পৰা বতাহৰ
অসহায় কাতৰত
দুৱাৰৰ ডাং খোল খাই,
বৰ সঘনে বিষাদ আহে মোৰ ঘৰলৈ'
মোৰ এখুদমান কলিজাত
একোঠালি নীৰৱতাৰ আখৈ ফুটে
আৰু সেয়ে—
বসন্তৰ দস্তাবেজ মোৰ ঠিকনাত বিৰল। ❑❑

> *গোলাপ, তগৰ, জাই, বকুল, মালতী,*
> *খুলাই মুখত দিছা মধুৰ হাঁহিটি।*
> হেমচন্দ্ৰ গোস্বামী

## তুমি সপোন হৈয়ে আহিবা

■ অংকুৰ জ্যোতি
স্নাতক ৩য় বৰ্ষ (কলা)

প্ৰতি নিশাই মোৰ টোপনিত
তুমি এটা সপোন হবাহি
ভাঙিবাহি মোৰ চিলমিল্ টোপনি
সপোনৰ মাজেৰে চুই চাম ভালপোৱা
দূৰু দূৰুকৈ কঁপিব মোৰ প্ৰেমৰ পদূলিত দুখৰ কবিতা
তোমাৰ কৰবীৰ গধূলি ছাঁয়াত
অ' মোৰ কপাহী কোমল সপোন
জিদ নধৰিবা অ' ...........
কঙাল পদূলি মোৰ দুখৰ পজাঁত
অন্ধকাৰ কক্ষৰ দেৱাল কাৰঘাট পৰি পোহৰ বিচাৰি
তুমি আহি প্ৰতি নিশাই সপোন হবাহি
শ্ৰমৰ টোপনিত চিল্‌মিল্ জোনাকেৰে
সিঁচিবাহি সুখৰ এমুঠি গান
সেউজ ভৰা ফুল আৰু
তৰাৰ চোতাল। ❑

## অপেক্ষাৰত

■ ছবিন ডেকা
স্নাতক চূড়ান্ত বৰ্ষ (কলা)



হ'বা জানো লগৰী প্ৰিয়া
অপেক্ষাৰত অৱস্থাত মই;
নহবা তুমি উচ্চাকাংক্ষী
কাৰণ নিঠৰুৱা মই।
তুমি অলপ শকত হ'লে বেয়া নাছিল।
তথাপি আপত্তি নকৰো।
কিন্তু, অভিমানী প্ৰিয়া
তুমি বৰ খঙাল,
যদি মোৰ প্ৰেয়সী হোৱা
পাৰিবানে ত্যাগী হ'বা?
সেয়ে প্ৰেয়সী
ভাবি চাবা। ❑❑

# ধৰ্মৰ বেদীত মোৰ প্ৰেম

■ *নিবেদিতা শৰ্মা*
*স্নাতক ৩য় বৰ্ষ (কলা)*

প্ৰথম বাৰলৈ শ্বহীদ হ'ল
মোৰ প্ৰেম,
ধৰ্মৰ বেদীত।
টুকুৰিয়াই চোৱাত জানিলো,
হৃদয়ৰ মণিকূটটো
খালী হৈ পৰিছে।
উছৰ্গিত হ'ল আত্মাৰ থালিত,
মোৰ বিবেকৰ আহ্বান।
উচুপনি চাই ৰোৱা এটি নীৰৱ গধূলিত
আবেগৰ তুলাচনীত অন্তৰৰ
ওজন কমি গ'ল।
সমগ্ৰ সত্বাৰে দলিয়াই দিলো,
ধৰ্মৰ বুকুলৈ,
আবেগ বিহুল ভাল পোৱাবোৰ।
আধৰুৱা হৈ ৰ'ল,
সপোন,
আশা
আৰু
মই.........। ☐☐

*আমাৰ এনিমিক কলিজাৰ তেজ*
*ছোৱালী হোষ্টেলৰ পৰ্দাবোৰতকৈও পাতল।*
**হৰি বৰকাকতি**

*ফুল কুমলীয়া সপোনবোৰ যায় লেৰেলি*
*এতিয়া কিদৰে জুখিঁ চাওঁ বান্ধনী বেলি।*
**সমীৰ তাঁতী**

# আহিবা কেতিয়াবা

■ *নীলাক্ষি শৰ্মা*
*স্নাতক চূড়ান্ত বৰ্ষ (কলা)*

কেতিয়াবা মন গলে এনেয়ে হলেও ওচৰলৈ আহিবা
সেউজীয়াৰ দলিচাত বহিম আমি
মুখামুখিকৈ দুয়োয়ে দুয়োকে দেখাকৈ
মন গলে এনেয়ে হলেও আহিবা
আধা কোৱা প্ৰেমৰ পাতনি মেলিম
তুমি বাৰু পাহৰিলা নেকি
সেউজী গছত ফুল ফুলাৰ কাহিনী
আৰু যে কৈছিলা............
নীল আকাশত উৰা বগলী জাকৰ কথা
তোমাৰ বাৰু মনত পৰেনে
সেউজীয়াৰ কোহে কোহে হাত বুলোৱাৰ
কেৱল মাথোন তুমিহে পাবা বুজি
কি কথা কলো তোমাক
মনে মনে আপোন পাহৰা হৈ
কেতিয়াবা মন গলে এনেয়ে হলেও
ওচৰলৈ আহিবা
কহুৱা ফুলৰ বতৰত
প্ৰকৃতিৰ কোলাত বহি
বচা বচা কথাবোৰ আমি
মনতে দুয়োকে দুয়োয়ে জনাম। ☐☐



সোণালী জয়ন্তী বৰ্ষ

# প্ৰতিটো দিন প্ৰতিটো ৰাতি

■ বন্দনা নাথ
স্নাতক ১ম বৰ্ষ (অসমীয়া)



মোৰ বুকুৰ কেঁচা তেজৰ খেতি ডৰাত
হুৰ মুৰকৈ আউল লগাই তুমি
সোমাই পৰিলা বন্ধ কোঠাত
এটা সোণ বৰণীয়া সপোনে
হেতা-ওপৰা দি আলিঙ্গণ কৰে
যাৰ বাবে কাৰণ তুমিয়ে যে
মোৰ নগ্নতাৰ প্ৰথম প্ৰতিদ্বন্দ্বী
তোমালৈ হাত মেলি, এডিঙি পানীত
ওপঙি আছে জোনাকী হিয়া
"বিনিময় কৰিম সুখ-দুখ হাঁহি
তুমি প্ৰেম দিয়া, মই তোমালে' ৰ'দৰ পোহৰ চতিয়াম ❑❑

*তুমি য'ত আছা, সৰু কাৰাগাৰ,*
*থিয় একেখনি ইটাৰ দেৱাল।*

**বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য**

*ধুমুহাৰ বাঢ়নী লাগে*
*লাগে আজি মটিহীন খেতিয়ক*
*ঢোলৰ চাপৰ*

**হেমাংগ বিশ্বাস**

# অনিন্দিতা

■ লব কুমাৰ বৰুৱা
স্নাতক তৃতীয় বৰ্ষ

সিদিনা, যিদিনা এটি এটি কৰি স্মৃতিয়ে
ৰুই থৈ গ'ল জীৱনৰ পথাৰত
দুখৰ ভুঁই।
মই তেতিয়া দুখ বেজাৰত জৰ্জৰিত
এটি পাষাণ প্ৰতিমা।
দুয়োৰে ৰচিছিলো কল্পনাৰ গান,
বুকুত প্ৰিয়া তোমাৰ চিনাকি সুবাস।
এতিয়া, এটি এটি অভিনয় কৰিবলৈ
তুমিয়ে শিকালা
তুমি যেতিয়া ওচৰৰে পাৰ হৈ যোৱা।
জানা, মোৰ হৃদয়খন চূৰ্ণ হৈ যায়
তেতিয়া দুখবোৰে পুনৰ উকি দিব বিচাৰে
তুমি বাৰু আহিবানে। ❑❑

# প্ৰেয়সী মোৰ গাৰ্লচ হোষ্টেলত থাকে

■ কমলজ্যোতি শৰ্মা
স্নাতক ২য় বৰ্ষ

এম, চি গাৰ্লচ হোষ্টেললৈ গৈছানে ?
প্ৰেয়সী,
মোৰ তাতেই থাকে।
ভিজিত কৰিছানে ?
সপোন লৈ ফুৰা
সেই গাভৰু জনী
(তায়েই মোৰ প্ৰেয়সী)।
প্ৰশান্তৰ,
বিশালতাৰ বুকুত সাতুৰি
হিমালয়ৰ,
শিখৰত আৰোহণ কৰি
আকাশৰ,
জোনটো অনাৰ কথা।
জানা নেকি (?)
(মোৰ) শাওনমহীয়া বুকুৰ পথাৰ
ৰজনজনাই ক'ত গৈছে তাই
শিলৰ
বোজা কঢ়িয়াই । □□



# সময়

■ ভাগ্য শইকীয়া
স্নাতক ২য় বৰ্ষ (কলা)

এদিন দুদিনকৈ সময়বোৰ পাৰ হৈ গৈছে,
কালৰ বুকুত এনেদৰেই দিনবোৰ হেৰায় ।
অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ
এই তিনিও সময়ৰ মাজত
ডাঙৰ ব্যৱধান।
অতীতৰ সময়ত
প্ৰকৃতিয়ে হাঁহিছিল
অকল প্ৰকৃতিয়ে নহয়
গোটেই বিশ্বৰ মানৱ
প্ৰীতিত আপ্লুত আছিল।
কিন্তু
বৰ্তমান সময়ত
পৃথিৱী হৈ পৰিছে অন্ধকাৰ
এতিয়া মানুহৰ মন হিংসা বিদ্বেষেৰে ভৰা।
সেয়ে
হে ভৱিষ্যতৰ সময়
তুমি যেন বৰ্তমান সময়ৰ
সকলো দুষ্কৃতি নোহোৱা কৰি
এখন শান্তিৰ পৃথিৱী সৃষ্টি কৰা
তাৰেই আশাৰে ......... ।। □□

# স্মৃতি

■ লখিমী নয়না শৰ্মা
স্নাতক ২য় বৰ্ষ

মেঘাচ্ছন্ন আকাশৰ তলত
শীতল নীৰৱ নিশাত
যেতিয়া বহোঁ
ঘনে ঘনে মনত পৰে।
তোমালৈ,
কেৱল তোমালৈ
তোমাৰ মৌ মিঠা চাৱনিবোৰ
তোমাৰ মৌ মিঠা মিঠা লগা
হাঁহিবোৰ, কথাবোৰ
মই জানো পাহৰিম?
কিন্তু??
তুমি পাহৰিলা
পাহৰিলা মোৰ
আশা-আকাংক্ষাবোৰ
তোমাৰ জানো মনত নপৰে
আমি দুয়ো যে গৈছিলো
সৌ ওখ টিলাটোলৈ?
মনত নপৰে সৌ
কপৌ
হালিলৈ?? □□





# অপেক্ষা

■ লক্ষ্যজ্যোতি বৰুৱা
স্নাতক ১ম বৰ্ষ (কলা)

হৃদয় মানে মই বুজো
প্ৰেমৰ এক স্নিগ্ধ জোনাক।
উত্তপ্ত হৃদয়ৰ তুমি মোৰ জ্যোতি
হৃদয়ে বিচাৰে তোমাৰ সহাৰি,
দিবানে প্ৰিয়া........
নোৱাৰো দিব মই জ্যোতি
পাবা মাথো তুমি অমানিশা।
লবা জানো তুমি মোৰ,
অমানিশাবোৰ আদৰি
জ্যোতি আৰু অমানিশাৰ যুজত
জ্যোতিৰ হয় জয়,
অমানিশা যায়, আঁতৰি।
দিবানে তুমি মোক সহাৰি.....
লবানে তুমি মোক আকোৱালি? □□

সোণালী জয়ন্তী বৰ্ষ

# অ' তুমি নামৰ এটা শিল্পায়ন

■ পংখী কাজল কায়স্থ
প্ৰাক্তন ছাত্ৰ

অ' তুমি নামৰ এটা শিল্পায়ন
এতিয়া যে মোৰ একোৱেই নাই,
কোনো দাবী অথবা তোমাৰ সেই
আঁকৰী অভিমানী মনৰ জোখেৰে

হয়তো ভাবিছিলা এদিন
ময়েই পাৰিম
থপিয়াই আনিদিব তোমাৰ' আকাশী কোঁচত
বিচাৰিলেই সপোনৰ সুৰুযটো
পাৰিম আঁজলি ভৰাই সেউজীয়াৰ গান হ'ব

অ' বিমল আমোলন তুমি
বৰ অঁকৰা আছিলো মই
একোকে নুবুজিছিলো সেইবোৰ
জিদ্ ধৰিছিলো মাথো তোমাৰ প্ৰতিটো কথাতে'
তথাপিও দুলিছিলি নেকি

প্ৰেমৰ পতাকা খন'
কলিজাৰ কবিতাত



বহুদিন বহুৰাতি অকলে অকলে

এদিন ময়েই নমালোঁ সেইখন স্বাৰ্থহীন ভাবে
আত্মা-অপেক্ষাত উচুপি উচুপি
নহ'লে যে মই দায়ী হ'ম
ৰংহীন হ'ব ৰাতিপুৱাৰ সকলো ভাস্কৰ্য,
সেইবাবেই

বৰ আমনি হ'লো নেকি অ' মই, তোমাৰ বাবে
নহ'লে ৰুকি-মচি পেলাই দিবা দিয়া
তোমাৰ হৃদয়ত মোৰ স'তে সংপৃক্ত
উচ্পিচনিৰ উজান স্মৃতি ৰাশি
মইতো এতিয়া অপ্ৰেম হৈ ৰ'লো
পুৰণি দিনবোৰৰ উৎসৱ সামৰি
হেঁপাহৰ ৰ'দালিৰ তোৰণ ভাঙি
এতিয়া যে মোৰ একোৱেই নাই
কোনো দাবী অথবা তোমাৰ সেই
আঁকৰী অভিমানী মনৰ জোখেৰে । □□

*বনৰ চৰাই পহ বনে বনে আছে বহু*
*সিহঁতেই সংগী মোৰ জীৱনে মৰণে।*
**ৰঘুনাথ চৌধাৰী**

*খিৰিকীৰে চালোঁ, পূৰ্ণিমা ৰাতিৰ জোনটো আছিল শুই*
*আকাশৰ কোণা জুৰি যেন ৰঙচুৰা এখনি শিশুৰ মুখ*
**মহেন্দ্ৰ বৰা**

# হৃদয়ত কবিতা

■ পৰেশ ডেকা
স্নাতক ১ম বৰ্ষ (বিজ্ঞান)

শুনিছোঁ কবিতাবোৰ হেনো
হৃদয়ত থাকে,
সেয়ে হৃদয় ফালি বিচাৰি চাওঁ,
কলিজাৰ তেজেৰে
দুহাত ৰাঙলী কৰিও
কবিতা বিচাৰি নাপাওঁ। ❑❑



# জোনাকে মাথো চায়

■ জেচমিন বেগম
স্নাতক ৩ম বৰ্ষ



স্নিগ্ধ জোনাক নিশা
ফটিকাৰ বাগীত ৰাগিয়াল
এজাক
উদণ্ড দানবৰ কিল্ বিল্ ।
বৰ ঘৰৰ পিছৰ ছাঁ

নতুবা
ওখ দেৱালৰ ছাঁ
নতুবা
বিৰাট গছৰ ছাঁৰ
আৰ লৈ বিশৃংখল মাতাল উইচিৰিঙাৰ
অশ্লীল মন্তব্য

উপলুঙা জোনাকক
'পোহৰ হলেও আমাৰ মৰণ নাই
আমাৰ কক্ষৰ অভাৱ নাই"
চকুলোৰ নিজৰা বোৱাই
জোনাকে মাথো চায়
অসহায় বদনে ....... । ❑❑

# এটি কামিজৰ কবিতা

■ ৰূপজ্যোতি নাথ
স্নাতক ২ম বৰ্ষ

তোমাৰ বুকুৰ মাজত এমুঠি
এমুঠি জোনাক বিচাৰি
মোৰ উদ্বাউল হাতখনে
কিলবিলাই ফুৰে
তুমি গাভৰু হলা
যৌৱনৰ আদি পাঠত
বুকুত সুমোৱাই ললা
এটি তেজাল পুৰা
তল সৰা শেৱালিৰ দুখত
নিয়ৰে চকুলো টোকে
মোৰ ফটা কামিজত
সিয়নীৰ ফাটমেলে
নতুনৰ সন্ধানত অবিৰত যাত্ৰা। ❑❑

# গল্পাঞ্জলি

এটা বৰ্গক্ষেত্ৰত গল্প সাহিত্যক স্থাপন কৰা হওঁক, সেই বৰ্গক্ষেত্ৰৰ চাৰি চুকত থাকিব বৰ্ণনাত্মক ৰচনা বা স্কেচ, গীতি-কবিতা, গদ্য, নাট আৰু স্থানীয় সামাজিক বুৰঞ্জী। কিছুমান গল্প বৰ্গক্ষেত্ৰৰ মাজভাগত থাকিব, কিছুমান বৰ্গক্ষেত্ৰৰ ভিতৰতে পৰিলেও আন তিনিটা চুকতকৈ যিকোনো এটা চুকৰ বেছি ওচৰত স্থাপিত হ'ব। অৰ্থাৎ চুটি গল্প এনে এবিধ গদ্য-কাহিনী থাক তাৰ চুম্বকত্ব আৰু গভীৰতাই উপন্যাস আৰু উপন্যাসিকাৰ পৰা পৃথক কৰিছে আৰু ইয়াৰ মাজত লিৰিক, নাট্য ৰচনা আৰু সামাজিক ইতিহাসৰ কিছু কিছু লক্ষণ নিহিত থাকে।

এনচাইক্লোপিডিয়া ব্ৰিটেনিকা

নাহি বৰ্ণনাৰ ছটা    ঘটনাৰ ঘনঘটা<br>
নাহি তত্ত্ব নাহি উপদেশ<br>
অন্তৰে অতৃপ্তি ৰবে    সাঙ্গ কৰি মনে হবে<br>
শেষ হয়ে হইলো না শেষ

কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ

# উদিত সূৰ্য

করবী শৰ্মা

কোঠাটোৰ চাৰিওখন বেৰেই দুৰ্বল । আগৰ দিনৰ বাঁহ, বালি আৰু চিমেণ্টেৰে সজা । খলপা-খলপকৈ বেছি ভাগেই এবাই গৈছে । বতাহ-ধুমুহা বুলি কথা নাই । হাতেৰে চুলেই বুঢ়া মানুহৰ দাঁত লৰাদি লৰে । কিন্তু কোঠাটোৰ চাৰিওখন বেৰকেই এক শক্তিশালী স্থিতি প্ৰদান কৰি ওলমি আছে । চাৰিখনকৈ আয়নাৰে বন্ধা ফটো । এখন ভঙা মেজ, উঁই পৰুৱাই খোৱা এটা খুটাৰ তলত সুমুৱাই থোৱা আছে দুটি ইটাৰ টুকুৰা । মেজৰ কাষত এজাপ কিতাপ, এখন পকা বন্ধা বহী আৰু এটা কলম । এখন চকী আৰু এখন কাপোৰ বিহীন বিছনা । নাৰিকলৰ ৰচী এডালত ওলমি আছে এখন গামোচা আৰু এটি ছাতি ।

দুৱাৰ খন খুলি দিয়াৰ লগে লগে এটা কেৰ্ কেৰ্ শব্দ শুনা গ'ল । খুব সন্তৰ্পণে শব্দ তৰঙ্গৰ ভেদ অতিক্ৰম কৰি সোমাই আহিল প্ৰশান্ত । জন্মৰ দিন ধৰি আজি একৈশ বছৰে এক বুজাব নোৱাৰা সম্পৰ্ক । ইয়াৰ কোনো এপদ বস্তুৱে তাৰ অচিনাকি নহয় । সেয়া তাৰ দেউতাক আৰু দাদাকৰ মৰমৰ কোঠা ।

এই কোঠাটোতে বহিয়েই দেউতাক আৰু দাদাকে দেশৰ বিভিন্ন সমস্যাৰ বিষয়ে আলোচনা কৰিছিল । প্ৰশান্তৰ ককাক আছিল স্বাধীনতা আন্দোলনৰ মুক্তিযোদ্ধা । ককাকৰ আদৰ্শৰ প্ৰতি সন্মান জনায়েই দাদাক সুশান্তক দেউতাকে সৈন্য বাহিনীত নাম ভৰ্তি কৰি দিছিল । মাকৰ হাজাৰ কাকুতি-মিনতি, চকু পানীকো আওকাণ কৰি এদিন সুশান্ত গুছি গৈছিল ট্ৰেইনিঙলৈ । সৈন্য বাহিনীৰ কঠোৰ অনুশাসনৰ মাজত ব্যস্ত হৈ পৰিল । আৰু এদিন সকলোৰে আশা বাস্তৱত ৰূপ দি সি কেপ্টেইন হ'ল । কিন্তু হায় ; ভাৰত-পাকিস্তানৰ যুদ্ধত সুশান্ত দেশৰ কাৰণে ছহীদ হ'ল ।

চৌদিশে মাথো নীৰৱতা । মৰিশালীৰ নিস্তব্ধতা । হত্যা, যুদ্ধৰ বিভীষিকাই আকাশ-বতাহ সকলো আচ্ছন্ন কৰি ৰখাৰ সময় এয়া । নীৰৱতাৰ মাজতে হঠাতে আকাশ-বতাহ কঁপাই ফুটি উঠে মাৰণাস্ত্ৰ, আগ্নেয়াস্ত্ৰ । বিপৰ্যস্ত জন-জীৱনৰ হাঁহাকাৰ, আৰ্তনাদ আৰু চৌদিশে মাথো তেজ আৰু তেজে তুমবলি দিয়া অগণন মৃতদেহ । অঞ্চলটোৰ জনসাধাৰণৰ বাবে এয়া এক সাধাৰণ প্ৰতিচ্ছবি । সুশান্তৰ মৃত্যুৰ চাৰি বছৰ পিছতো অঞ্চলটোৰ জনসাধাৰণৰ বাবে স্বাভাৱিক জীৱন-যাপন কৰাটো সম্ভৱ হৈ উঠা নাই । সকলোতে এক আচহুৱা আৰু অস্বাভাৱিক পৰিৱেশ বিৰাজমান ।

এই কোঠাটোও তেনে এটা পৰিৱেশৰ পৰা মুক্ত নহয় । একেই নিঃশব্দতা, নীৰৱতাই খুব অভিমানেৰে গ্ৰাস কৰি আছে কোঠাটো । কোঠাটোৰ প্ৰতিটো বস্তুতে আকৌ এবাৰ চকু ফুৰালে । এনেতে হঠাতে বেৰত ওলমি থকা ফটো চাৰিখনত তাৰ চকু থিৰ হৈ ৰ'ল । ফটোকেইখন চাই সি মনত পেলালে- কেনেকৈ দেউতাকে তাক আৰু দাদাকক ফটোত থকা ব্যক্তিকেইজনৰ আদৰ্শৰ লগত পৰিচয় কৰি দিছিল । কেনেকৈ তেওঁলোকৰ আদৰ্শৰে অনুপ্ৰাণিত কৰিছিল । এটি যুদ্ধ বিধ্বস্ত অঞ্চলৰ যুৱক হ'লেও মানুহ হত্যা কৰা স্বত্বেও নিজ পিতৃক, নিজ ভাতৃক.............. ।

চকীখনত বহী পৰিল প্ৰশান্ত । হঠাতে তাৰ চকুত পৰিল, মেজখনৰ ওপৰত থকা কলমটোৰ ওপৰত । দাদাকৰ মৃত্যুৰ পিছত এই কলমটোৰেই দেউতাকে নিজ জাতিটোৰ ডেকা শক্তিয়ে কৰা অপকৰ্মৰ বিৰুদ্ধে সকিয়াই দিছিল । যিখন দেশৰ সন্মান ৰক্ষাৰ্থে তেওঁৰ পুত্ৰই প্ৰাণ আহুতি দিলে, সেইখন দেশৰ যুৱকসকলে আজি সমাজ বিৰোধী কামত লিপ্ত হোৱাটো সহ্য কৰিব নোৱাৰি শিক্ষকতাৰ কাম বাদ দি সাংবাদিকতাক পেছা হিচাবে গ্ৰহণ কৰিছিল ।

প্ৰশান্তই জানিছিল যে, দেউতাকক বিভিন্ন সময়ত ভিন ভিন সংগঠনৰ পৰা কঠোৰ ভাৱে সকিয়াই দিয়া হৈছিল । তথাপিও তেওঁ যেন এই সকলোৰে প্ৰতি উদাসীন আছিল । কোনো ভ্ৰুক্ষেপেই নাছিল । কেৱল লিখিছে আৰু লিখিছে । হত্যা, অপহৰণ, ভ্ৰাতৃঘাতী সংঘৰ্ষ, বোমা বিস্ফোৰণ আদি বিভিন্ন ঘটনাৰ অন্তৰালত থকা সংগঠন সমূহক, কাপুৰুষালিৰ চৰম নিদৰ্শন বুলি কৰ্ফথনা কৰিছিল আৰু অৱশেষত সেয়াই হ'ল তেওঁৰ............ । হওঁতে প্ৰশান্তৰ দেউতাকে কথাষাৰ অনুভৱ নকৰা নহয় । কলম হাতত লওঁতেই তেওঁ গম পাইছিল যে তেওঁৰ বাবে আৰু ......... । তথাপিও তেওঁ আছিল অন্যমনস্ক । যি জাতিৰ বাবে তেওঁৰ পুত্ৰ ছহীদ হ'ল সেই জাতিৰ এচামে কৰা অমানৱীয় কাৰ্যক তেওঁ কলমেৰে প্ৰতিবাদ কৰিছিল । তেওঁৰ আশা আছিল যে, জাতিটোক তেওঁ এটা উল্লেখনীয় জাতিলৈ ৰূপান্তৰিত কৰিব । কিন্তু হায় ! সকলো আশাই জানো বাস্তৱ ৰূপ পায় ? ই ব্যতিক্ৰম নহ'ল প্ৰশান্তৰ দেউতাকৰ ক্ষেত্ৰতো যি দৰে অবাস্তৱ হৈ ৰ'ল গান্ধীৰ স্বপ্নৰ ৰামৰাজ্য ।

সেই দিনা সিও আন বহুতৰ দৰে ঢাপলি মেলিছিল ঘটনাস্থলীলৈ । ঠাইখন খুব গোন্ধাইছিল তথাপি মানুহবোৰে জুম বান্ধি চাইছিল আৰু উলটি গৈছে অহা বাটেৰে । আৰক্ষীয়ে পৰিস্থিতি চম্ভালিছে যদিও আয়ত্বত আনিব পৰা নাই । ভিৰৰ মাজৰ পৰা প্ৰশান্তই যি দেখা পালে তাক বিশ্বাসত লব পৰা তাৰ ক্ষমতা নোহোৱা নহয়, কিয়নো এনে এক পৰিস্থিতিৰ মুখামুখি হবলৈ হাতত তুলি লৈছিল কলম । তথাপি তাৰ দেউতাকৰ গলিত মৃত দেহৰ ওচৰত তেনেই অৱশ হৈ পৰিল । আৰু মাক ভনীয়েক যেন চাবি দিয়া দুটা পুতলা সদৃশ হৈ পৰিল ।

এনেতে দীপাৰ উপস্থিতিত প্ৰশান্ত বাস্তৱলৈ ঘুৰি আহিল । চাহ একাপ ওচৰত থৈ দীপা যাব লৈ ওলোৱাত সি সুধিলে, "দীপা তই আজি স্কুললৈ যোৱা নাই"? দীপাই লগে লগে মাত লগালে, "কিয় দাদা তই জানো গম পোৱা নাই, কালি যে আমাৰ স্কুলখনত কোনোবাই জুই লগাই দিলে" । দুৱাৰখন বন্ধ কৰি দীপা ওলাই গ'ল । আনহাতে প্ৰশান্তৰ মনত এক বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ল । নিজকে সি প্ৰশ্ন কৰিলে, কি হৈছে বাৰু এইবোৰ ? কিয় হৈছে ?

আৰু তাৰ দেউতাক আৰু অনুৰূপমান হ'ব কাৰ চিকাৰ হব ধৰিছে ? এইবোৰৰ কেতিয়াবা অন্ত হবনে ? তাৰ মুৰটো আচন্দ্ৰাই কৰি গ'ল।

এনেতে দুৱাৰত কোনোবাই টোকৰ দিয়াত সি উচপ খাই উঠিল। কিবা এটা কোৱাৰ আগতে প্ৰায় ওঠৰ-বিশ বছৰীয়া ল'ৰা দুজন সোমাই আহিল দুৱাৰ খুলি। প্ৰশান্তই লক্ষ্য কৰিলে দুয়োৰে হাতত দুটা মাৰণাস্ত্ৰ। আহিয়েই সিহঁতে অস্ত্ৰ দুটা মেজখনৰ ওপৰত থলে আৰু প্ৰশান্তক প্ৰশ্ন কৰিলে। আমাৰ সংগঠনত তই ভৰ্ত্তি হবিনে নাই। বাপেৰ হত্যাৰ প্ৰতিশোধ লবৰ বাবে আমাৰ সংগঠনত ভৰ্ত্তি হোৱাৰ বাহিৰে আন উপাই নাই। হুঃ এইটো ল বুলি অস্ত্ৰ এটা তাৰ হাতত গুজি দিলে.......... । প্ৰশান্তৰ এইবোৰ শুনাৰ ধৈৰ্য নহ'ল। মেজৰ ওপৰত দেউতাকৰ কলমটোৰ সতে মাৰণাস্ত্ৰৰ চিক্ মিকনি দেখি তাৰ নিজৰে আচহুৱা যেন লাগিল। দেউতাক আৰু দাদাকৰ মুখ দুখন চকুৰ আগত ভাঁহি উঠিল। সি উপলব্ধি কৰিলে, এনেকৈয়ে যেন তাৰ স্বজাতিৰ কুমলীয়া লৰাবোৰক মানুহ হত্যাৰ যজ্ঞত সাঙুৰি লোৱা হৈছে। সি খন্তেক সময়ৰ বাবে হলেও চিন্তা কৰিলে যে এই বিভীষিকাৰ গতিৰোধ কৰিবই লাগিব। লাগিলে সি দেউতাকৰ দৰেই মৃত্যুক সাবতি লব।

প্ৰশান্তই চিৎকাৰ কৰা দি উঠিল। তাৰ হাতৰ আৰু মেজৰ অস্ত্ৰ দুটা দলিয়াই দি ল'ৰা দুজনক ঠেলি বাহিৰ কৰি দিলে। অতিপাত গৰম নহলেও সি যেন ঘামি পৰিছে। সি দেখিলে মেজৰ ওপৰত থকা দেউতাকৰ মৰমৰ কলমটোৱে খুব অকাতৰে তাকো যেন মাতিছে। সি যে এতিয়া গৰাকী বিহীন। দেউতাকৰ অবাস্তৱতাক বাস্তৱ কৰাৰ প্ৰতিশ্ৰুতি দি সি খুব আলফুলে কলমটো হাতত তুলি ললে। প্ৰশান্তই মুৰ তুলি বেৰত ওলমি থকা ফটো কেইখনলৈ চালে- মহাত্মা, লোকপ্ৰিয় তৰুণৰাম ফুকন, জৱাহৰলাল। ভঙা বেৰৰ ফাকেৰে সোমাই অহা সূৰ্যৰ হেঙুলীয়া কিৰণে গোটেইকেইখন ছবিকে অধিক উজ্বল কৰি তুলিছে।

প্ৰশান্তৰ কাণত পৰিল কেইটামান বাহিৰৰ পৰা অহা শব্দ-"তোকো চাই ল'ম বেটা। বাপেৰক সিহঁতে (?) মাৰি পুতি থৈছিল, তোক আমি জীয়াই জীয়াই..................... ।

কৰবী শৰ্মা মহাবিদ্যালয়ৰ স্নাতক তৃতীয় বৰ্ষ (কলা)ৰ ছাত্ৰী ।

# সেই অভিশপ্ত দিনটো

○দীপক কলিতা

প্ৰকৃতিৰ কি নিষ্ঠুৰ পৰিহাস । ইয়াৰ অভাৱনীয় ৰূপৰ লগত ৰজিতা খুৱাই বিজুৰ ভগ্ন হৃদয়ে কিবা এটা বুজাব নোৱাৰা বেদনাত হাঁহাকাৰ কৰি উঠিল । এদিন কল্পনাৰো বাহিৰত থকা কথাবোৰ আজি আকস্মিক ভাৱে বাস্তৱত পৰিণত হ'ল । তাইৰ দুচকুত জিলিকি উঠিল বাধাহীন অশ্ৰুধাৰা । অব্যক্ত বেদনাত বিজুৱে উচুপিব ধৰিলে । সেই সমগ্ৰ দৃশ্যটো যেন তাইৰ মনত ভাঁহি উঠিল । হঠাৎ সিহঁতৰ গাওঁখনৰ ওপৰেদি যি কাল ধুমুহা পাৰ হৈ গ'ল তাক বুজাব নোৱাৰি । সেই ভয়াবহ কাল ধুমুহাত সিহঁতৰ গাঁৱৰ প্ৰায় সংখ্যক ডেকাই শাস্তি পাব লগা হৈছিল । ঠিক সেই মুহূৰ্ত্ততে বিজুৰ মনত পৰিল সেই ৰঙীণ কল্পনাবোৰৰ কথা । যৌৱনৰ প্ৰথম দুৱাৰডলিত ভৰি দিয়েই তাই ক'ত যে কৰিছিল ৰঙীণ কল্পনা, ক'ত সাজিছিল আশাৰ বালিঘৰ আৰু ক'ত ৰচিছিল ৰঙীণ সপোন । তাইৰ কল্পনাৰ কাৱেঙৰ কোঁৱৰ আছিল, সিহঁতৰ গাঁৱৰে সেই বিকাশ নামৰ ল'ৰাজন । যিয়ে হাইস্কুলীয়া শিক্ষা সাং কৰিয়েই উচ্চ শিক্ষাৰ কাৰণে কলিকতালৈ পঢ়িবলৈ গৈছিল । বিজু আৰু বিকাশৰ মাজত আছিল এক সীমাহীন ভালপোৱা । বিকাশ যেতিয়া ক্লাছ নাইনৰ ছাত্ৰ আছিল, সেই সময়তে বিজু আছিল সপ্তম মানৰ ছাত্ৰী । বিকাশ যেনেদৰে আকাশৰ দৰে বিশাল মনৰ আছিল, ঠিক তেনেদৰে পঢ়াতো বেচ চোকা আছিল । সিহঁতৰ স্কুলৰ বিদ্যালয় সপ্তাহৰ যিদিনা নাটক আছিল, সেই শুভ দিনটোত বিকাশ আৰু বিজুৰ মাজত ভালপোৱাৰ সৃষ্টি হয় । বিকাশেও প্ৰাণ ভৰি ভাল পাইছিল বিজুক । প্ৰকৃত প্ৰেমৰ মূল্য সি ভালদৰে বুজি পাইছিল । বিকাশৰ দৰে বিজু বেচ ধুনীয়া আছিল । তাইৰ ওঁঠত ভাঁহি আছিল সদায় এটা মিচিকিয়া হাঁহি । সিহঁতৰ প্ৰেমে যুগ্ম-জীৱনৰ ফালে গতি কৰিছিল । অৱশ্যে দুয়োটা পৰিয়ালে সিহঁতৰ মিলনত বাধা দিয়া নাছিল । স্কুল চুটীৰ পিছত বিকাশ আৰু বিজুৱে হোটেলত চাহ খাবলৈ যায় । বিকাশে হোটেলত চাহ খাই উঠি মুখত যেতিয়া চিগাৰেট লয় তেতিয়া বিজুৱে মুখৰ পৰা চিগাৰেট কাঢ়ি নি মৰমেৰে কয়– প্লিজ বিকাশ দা এইবোৰ পেলাই দিয়া । এইবোৰে দেহৰ কিমান অপকাৰ কৰে তাক তুমি নাজানা নে ? বিজুৱে প্ৰেৰণাৰ সুৰত কৈছিল- বিকাশ দা, তুমি পঢ়া, পঢ়ি-শুনি ডাঙৰ মানুহ হোৱা । এটা কথা সদায় মনত ৰাখিবাদেই বিকাশ দা, - "হাঁহিৰে জীৱন সুন্দৰ কৰা, চকুপানীৰে নহয়/কামেৰে যুগজয়ী হোৱা, প্ৰতিশ্ৰুতিৰে নহয় ।" কিন্তু সেই ৰঙীণ কল্পনা, আশাৰ বালিঘৰ, মধুময় প্ৰেৰণা ধুমুহা এজাকে ভাঙি লৈ গ'ল ।

সিদিনাখন আছিল ৰবিবাৰ । জুলাই মাহৰ পোন্ধৰ তাৰিখ । ৰাতি প্ৰায় দুই মান বজাত এজাক বন্দুকধাৰী নৰ পিশাচ আহি সিহঁতৰ গাওঁখনত সোমাইছিল । গাওঁখনৰ প্ৰায় সংখ্যক ডেকাকে সিহঁতে বান্ধি লৈ গৈছিল। তেতিয়া বাকী বৈছিল নিঃসহায় বোৱাৰী-জীয়াৰীহঁত । কিন্তু পিশাচহঁতে সিহঁতকো সুদাই নেৰিলে । পশুৰ দৰে জপিয়াই পৰিল পিশাচহঁত বোৱাৰী-জীয়াৰীহঁতৰ ওপৰত । কামনাৰ বলি হ'ব লগা হ'ল সিহঁত । প্ৰাণটাকি চেষ্টা

কৰিও নিজৰ সতীত্ব ৰাখিব নোৱাৰিলে গংগাৰ দৰে পবিত্ৰ বিজুৰে । বিজুৰ দদায়েক পলাশকেই বিচাৰি আহিছিল সিহঁতে । বিপ্লৱী পলাশ কেইবাদিনো ধৰি ঘৰত নাছিল । সিদিনাখন যেন তাৰেই শেষ দিন আছিল । দৌৰি আহি ঘৰ সোমোৱা পলাশক সিহঁতে বান্ধি লৈ গৈছিল । মাক-বিজুৰে চাই আছিল মাথো পলাশক লৈ যোৱা সেই দৃশ্যটো । এইদৰেই সেই কালৰূপী ধুমুহা পাৰ হৈ গৈছিল সিহঁতৰ গাওঁখনৰ ওপৰেদি । বিজুৰে চকুপানীৰে বাট নেদেখা হৈছিল । নিজৰ ভৱিষ্যতৰ চিন্তাই বাৰে বাৰে আঘাত দিছিল তাইক । সৰ্বস্ব হেৰুওৱা বিজুৰে মনত পেলাইছিল তাইৰ বিকাশৰ কথা । বিকাশে জানো তাইক নিজৰ কৰি ল'ব ? বিকাশৰ মাক-দেউতাকে তাইক গ্ৰহণ কৰিবনে ? সেই চিন্তাই তাইক বৰ ভাবাক্ৰান্ত কৰি পেলাইছিল । সিহঁতৰ বিয়াৰ বন্দোবস্ত এমাহ আগতেই বিকাশৰ দেউতাকে ঠিক কৰি থৈ গৈছে । কিন্তু হঠাৎ যে এই কাল ধুমুহা আহিব কোনে জানে । সকলো ভাঙি চিঙি চুৰমাৰ কৰি থৈ গ'ল । বিজুৰে কিবা এটা হেৰুওৱাৰ বেদনাত উচুপিব ধৰিলে । বিকাশৰ ওপৰত তাইৰ দৃঢ় বিশ্বাস আছে, কাৰণ বিকাশে তাইক প্ৰকৃত হৃদয়েৰে ভাল পায় । সেইকাৰণে হয়তো তাক মাক-দেউতাকে বাধা দিলেও সি নামানে । কাৰণ সি আজি উচ্চ শিক্ষাৰে শিক্ষিত যুৱক । অকলটো বিজুৰে নিজৰ সতীত্ব হেৰুওৱা নাই । বিজুৰ দৰে আজি আৰু কতজনী বিজুৰে নিজৰ সতীত্ব দিব লগা হৈছে সেই নৰ পিশাচহঁতৰ হাতত । কিয় ইয়াৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ কোনো ওলাই আহিব নোৱাৰে ? নে সিহঁতৰ এনেকুৱা অত্যাচাৰ বিনা প্ৰতিবাদেই মানি যাব লাগিব আমি ? এয়ে নেকি আমাৰ শাসন ব্যৱস্থা ?

ইয়াৰ ঠিক এমাহৰ পিছতেই বিকাশ আহিছিল কলিকতাৰ পৰা শিক্ষা সাং কৰি । বিয়াত পিন্ধিবৰ কাৰণে কাপোৰ যোৰ সি তাৰপৰাই কিনি আনিছিল । সি আহিয়েই শুনিছিল সেই অসহনীয় ঘটনাটোৰ কথা । শুনিছিল বিজুৰ কথা । মৰমৰ বিজুৰ তেনেকুৱা অৱস্থাৰ কথা শুনি প্ৰথম অৱস্থাত বিশ্বাস কৰিব টান পাইছিল । ভঙা ভঙা মাতেৰে মাকক মাথো কৈছিল- "এইবোৰ কি বকিব ধৰিছা মা" । বিজুৰ তেনেকুৱা অৱস্থা কেতিয়াও হ'ব নোৱাৰে । আনহাতে তাক বিজুৰ পৰা আঁতৰত থাকিবলৈ সকীয়াই দিলে । কাৰণ বিজু এতিয়া কলংকিতা ছোৱালী । এনে এজনী ছোৱালীক বিয়া কৰাই তেওঁলোকৰ ঘৰৰ মান সন্মান ধ্বংস হ'ব দিব নোৱাৰে । আনহাতে বিকাশে কোনো কথাকে নুশুনি ঢাপলি মেলিছিল বিজুৰ ওচৰলৈ । কিন্তু বিকাশে বিজুক লগ পোৱা আগতে লগ পাইছিল পাপৰিক । পাপৰি বিজুৰ সম্বন্ধীয়া বাইদেৱেক । পাপৰি আৰু বিকাশ একে শ্ৰেণীতে পঢ়া । কিন্তু তাই বিকাশৰ দৰে বাহিৰৰ কলেজত পঢ়িবলৈ যাব পৰা নাছিল । সেয়েহে ওচৰৰ কলেজ এখনৰ পৰা বি.এ. ডিগ্ৰীটো লৈয়েই স্থানীয় স্কুল এখনত শিক্ষয়িত্ৰী ৰূপে সোমাইছিল । এসময়ত হয়তো বিকাশৰ প্ৰতি পাপৰিৰ দুৰ্বলতা আছিল । সেয়ে বিকাশ বিজুৰ ওচৰলৈ অহা গম পায়েই বিজুৰ হকে অযথা কথা কিছুমান কৈছিল । আনহাতে বিজুৰে আশা পালি আছিল, বিকাশ আহিয়েই তাইৰ ওচৰলৈ আহিব আৰু সেই অসহনীয় ঘটনাটো কেনেকৈ ঘটিল সুধিব । কিন্তু সি দেখোন আজি আহি পোৱা এসপ্তাহ হ'ল । কোনো খা-খবৰ নকৰিলে দেখোন । বিজু শোকত ভাঙি পৰিল । তাই ভৱা কথা, আশা কৰা কল্পনাবোৰ মনতে ৰ'ল । আনফালে বিকাশে পাপৰিক পাই সেই মৰমৰ বিজুৰ কথা পাহৰিয়েই পেলালে । বিকাশৰ হৃদয়ত ঠাই পালে পাপৰিয়ে । কিন্তু ইমান সোনকালে বিকাশে তাইক পাহৰিব, তাই সপোনতো ভৱা নাছিল । কিন্তু বিকাশ আৰু পাপৰিৰ চলন-ফুৰনে বিজুক দোমোজাত পেলালে । বিকাশৰ ব্যৱহাৰত বিজুৰ হৃদয়ে হাঁহাকাৰ কৰি উঠে । বিজুৰ মনত পৰে অতীতৰ সেই কল্পনাবোৰ, মনত পৰে সেই হোটেলত বহি একেলগে চাহ খোৱাৰ কথা, বিকাশক তাই শাসন কৰাৰ কথা ।

বিজুৰ ঘৃণা উপজিল আজিৰ শিক্ষিত সমাজৰ যুৱকবোৰৰ ওপৰত । ঘৃণা উপজিল পাপৰিৰ ওপৰতো । কি, তাইতো জানে সকলোবোৰ কথা । তেনেহ'লে তাই নিজৰ ভনীয়েক স্বৰূপা বিজুক কিয় এনেকুৱা অৱস্থাত পেলালে । আৰু বিকাশ, সিওটো আজিৰ উচ্চ শিক্ষাৰে শিক্ষিত যুৱক । তেনেহ'লে কিয় সি আগবাঢ়ি আহিব নোৱাৰে বিজুৰ দৰে এজনী ছোৱালীক গ্ৰহণ কৰিবলৈ । নিজৰ দদায়েকৰ ওপৰতো তাইৰ ঘৃণা উপজিল । তিৰোতাৰ আঁচলৰ তলত লুকাই বিপ্লৱ কৰিব আহিছে । সঁচাই যদি বিপ্লৱ কৰিবলৈ ওলাইছা, তেনেহ'লে মৰিবলৈ ইমান কিহৰ ভয় ? জন্মভূমিৰ প্ৰতি যদি কৰ্তব্য আছেই তেনেহ'লে লুকাই চুৰ কৰি বিপ্লৱ কৰিলে কি হ'ব ? এই সমগ্ৰ ঘটনাটো মনত পেলাই চকুপানী টুকি থাকোতেই হঠাৎ সিহঁতৰ পদূলি মুখত গাড়ীৰ হৰ্ণ শুনি তাই চক্ খাই উঠিল । টোপনিৰ পৰা সাৰ পোৱা মানুহৰ দৰে তাই পদূলিলৈ চাই পঠিয়ালে । ইতিমধ্যে বিকাশ আৰু মাক গাড়ীৰ পৰা নামি আহিছিল । বিজুৰ চকু মেল খাই গ'ল । চকুৰ সন্মুখতে যেন সৰগ উপস্থিত হ'ল । আনন্দত তাইৰ হৃদয়ে কান্দি উঠিল । তাই ভাবিব ধৰিলে- কি ? তেনেহ'লে তাই বিকাশক মিছাতে ভুল বুজিছিল । বিভিন্ন কামৰ বেমেজালিত পৰিহে হয়তো সি তাইক লগ ধৰিব পৰা নাছিল । তাৰমানে বিকাশে তাইক প্ৰকৃত হৃদয়েৰে ভাল পায় ?

'বিজু', 'বিজু' । এয়া দেখোন বিকাশৰ মাকৰ মাত । চিনাকী মানুহৰ মাত শুনি তাই লৰা-লৰিকৈ ওলাই আহিল । বিকাশৰ মাকে তাইক গালত এটা আলফুলকৈ চুমা আঁকি দি কৈছিল 'বিয়াৰ দিন ঠিক কৰিব আহিছোঁ ।' কথাষাৰ শেষ হ'বলৈ নৌপাওঁতেই বিজুৰে সুধিলে- কাৰ ? তোমাৰ আৰু বিকাশৰ বিয়া । অহা মাহৰ ওঠৰ তাৰিখে পাতিম বুলি ভাবিছো । বিজুৰে বিকাশৰ মাকৰ ফালে একেথৰে চাই থাকি ক'লে- "মোৰ আৰু বিকাশৰ বিয়া ।" তাই যেন ক'ত আছে ক'বকে নোৱাৰা হ'ল । ভিতৰলৈ গৈ মাথো মাতিলে মা অ' মা কোন আহিছে চোৱাহি ছোন ? □

মানুহক মানুহৰ স্পৰ্শৰ প্ৰয়োজন । দীৰ্ঘদিন ধৰি কাকো আলিঙ্গন নকৰাকৈ থাকিলে ধীৰে ধীৰে মানুহৰ মনৰ পৰা হেৰাই যাই সকলো শক্তি উদ্যম ।

'অনুৰাধাৰ দেশ'

*ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী*

অপৰাধ মূলক গল্প



# কেন্দ্ৰবিন্দু

পলাশ চন্দ্ৰ নাথ

ঘোপ মাৰা অন্ধকাৰ । এই অন্ধাকাৰৰ মাজেৰেই সি তাৰ চিনাকী সৰু, লুংলুঙীয়া পথটোৰে প্ৰাণটাকি দৌৰিছে । লক্ষ্য তাৰ সেই জৰাজীৰ্ণ ঘৰটো, য'ত সি আজি প্ৰায় দহ বছৰ ধৰি বাস কৰি আহিছে । তাৰ আজি পথটো বৰ দীঘলীয়া যেন লাগিছে । সি যেন দৌৰি দৌৰি নাপাবই তাৰ সেই বাসস্থান । মাঘ মহীয়া, ফেৰফেৰিয়া, চেঁচা বতাহ জাকেও আজি তাৰ ঘৰ্মজলক প্ৰতিবাদ জনাবলৈ অসমৰ্থ ।

ঘৰ বুলিবলৈ একেটাই মাথো কোঠা । সেইটোতেই সি খায়ো আৰু শোৱেও । কোনোমতে দুৱাৰখন জপাই পিঠিখন দুৱাৰত লগাই সি ফোপাবলৈ ধৰিলে । কোঠাটোও বেচ আন্ধাৰ । সি অনুভৱ কৰিলে, বুকুখনে যেন ধান বানিব লাগিছে । উশাহ-নিশাহবোৰে খাওঁ খাওঁ শব্দ কৰি তাকেই যেন খেদি আহিছে । কি যে অৱশ লাগিছে তাৰ । যি নহওক নিজৰ ঘৰ খন যে ল'ব পাৰিলেহি । কিছু প্ৰশান্তিত সি চকুকেইটা এখন্তেক মুদি দিলে । মনত তাৰ তেতিয়াও ভয়-শংকাৰ হেন্দোলনি । জানোচা............

সি কথাবোৰ আকৌ এবাৰ জুকিয়াই চালে । কি যে দুঃসাহস কৰি আজিৰ এই অভিযানটো কৰিছিল সি । সকলো গোলমাল কৰি দিলে এই বাম সিঙে । সি যদি বাটতে চিগাৰেটডাল নজ্বলালে হয়, সিহঁতক আৰু কোনেও দেখা নাপায় । তাৰ খং উঠি যায় । মূৰ্খ ক'ৰবাৰ । সেইবাবে এইবোৰ পাগলক লগত ল'বই নালাগে চাল্লা । টকাটো গ'লেই, এতিয়া লাইফৰে ৰিস্ক নোহোৱা হ'ল । নিজৰ ওপৰতে খং উঠে তাৰ ।

সি লাহেকৈ নিজৰ বুকুত হাত দি চালে, ঢাপ-ঢিপ্ কিছু কমিছে । সি আকৌ এবাৰ দুৱাৰৰ দাং ডাল পৰীক্ষা কৰি চালে । ঠিকেই আছে । লেম জ্বলোৱাটো এতিয়া বিপদজনক । সেয়ে খেপিয়াই খেপিয়াই সি বিছনাখনত গৈ বাগৰ দিলে । সি কিন্তু চকু মুদিব নোৱাৰিলে। চকু মুদিলেই বুকুখনে আৰ্তনাদ কৰি উঠে । ভয়, শংকাত । আন্ধাৰৰ মাজতে চকু মেলি সি ভাবিবলৈ ধৰিলে। সি স্বৰ্গোক্তোতিৰ দৰে ভোৰ-ভোৰাই কৈ গ'ল—

চাল্লা চুৰ নকৰি আৰু কি কৰিম ? খাবলৈ নাপাইতো মৰিব নোৱাৰি। চাল্লা মা-বাপে জনম দিবহে জানিলে, কেনেকৈ খাই বৈ জীয়াই থাকিব লাগে তাক শিকাবই নাপালে, গ'লেই নহয় মৰি । চাল্লা এই ভগৱানটোৱেও একো নুবুজে, বুৰ্বক ক'ৰবাৰ। খং উঠে তাৰ ভগৱানৰ ওপৰত। পুনৰ সি ভোৰ-ভোৰায়। পঢ়া-শুনাও নহ'ল। এই চহৰতে কিবা এটা কৰো বুলি ওলাই আহিলো পিছে ক'ত কিবা কৰিবি? আমাৰ দৰে গাধবোৰক কোনে চাকৰি দিব? পকেটমাৰ, চোৰ, ব্ৰেকাৰ হোৱা বাদে আৰুতো আন উপায় নাই। অৰ্জুনক বোলে ধনু বিদ্যা শিকালে দ্ৰোণাচাৰ্যই আৰু তাক পকেটমাৰ, চোৰৰ বিশাৰদ বনালে ঢোদৰ পচলাই। পচলাৰ কথা মনত পৰাৰ লগে লগে তাৰ কথা এষাৰলৈ মনত পৰিল। "বোলে গুৰুতকৈ শিষ্য সিয়ান খোচৰি খোচৰি লয় জ্ঞান।" এদিন তাক ঢোদৰ পচলাই নিজেই কৈছিল "বুজিছ কেৰ পাই তই সচাই বৰ সিয়ান হলি, তই দেখোন এতিয়া মোকেই চেৰ পেলাবি। তোৰে মেঠা কিন্তু কম নহয় দেই। মোক পিছে পাহৰি নাযাবি। যিমান যি হলেও মই তোৰ গুৰু দেচোন"।

তাৰ মনেমনে হাঁহি উঠি গ'ল। পুনৰ সি নিজকে কোৱাদি কলে "নাযাওঁ নাযাওঁ গুৰু পচলাক কিয় পাহৰি যাম? গুৰুৰ কৃপাতে এতিয়ালৈ কতো মাৰ কিল নোখোৱাকৈ আছো; অ, অৱশ্যে সিদিনা দুকোব নোখোৱা নহয় উদয়ন চিনেমা হলৰ সন্মুখত। চাল্লা ক'ৰ পৰা জানো চাই আছিল সেই পুলিচটোৱে। বেটা সম্ভৱ নতুন আছিল। নহলে এই কেৰপাইক চিনি নোপোৱা ইয়াত কোন আছে?

হঠাৎ কিবা এটা নিশাচৰ চৰাই ধপ্ ধপাই উৰি যোৱাত সি চক্ খাই উঠি বহিল। চৰাই বুলি গম পাই বুকুখন অকণ থু দি ভগৱানক স্মৰণ কৰি পুনৰ শুই পৰিল সি, -এই চৰাই বোৰ আৰু তাৰ ঘৰটোৰ কাষতেহে বাহঁ ল'ব পাৰেনে? অৱশ্যে তাৰ কাষত নাথাকি ক'ত থাকিব, হাবি বোলা বস্তুটো এই খিনিতহে আছে। গতিকে হাবিত পশু পক্ষীবোৰ থাকিবই।

আকৌ খৰ খৰ শব্দ। পুনৰ সি চক্ খাই উঠিল, - ধেৎ তেৰি, নিগনি। তাৰ ভয় দেখি নিজৰে হাঁহি উঠি গ'ল। পইচা অলপ বেছিকৈ সৰকাব পাৰিলেই ঘৰটোও কিছু মেৰামতি কৰিব লাগিছিল।

সি বাগৰটো সলাই ললে। ৰাম সিংলৈ তাৰ মনত পৰিল। লগে লগে তাৰ খঙে চুলিৰ আগ পালেগৈ। কাইলৈ তাক লগ পালেই ভালকৈ এশিকনি দিব লাগিব। এতিয়াৰা ক'ত থাকিল, নে তাক ধৰিলেই সিহঁতে। তাক ধৰিলেতো কথা ফিটিং ফিটেই হ'ব। নাই তাক ধৰিব নোৱাৰে। সিও এই কেৰপাই ওস্তাদৰহে শিষ্য।

আকৌ তাৰ টকালৈ মনত পৰিল। "চেহ্ বহু টকা বৰবাদ হ'ল। ৰাতিপুৱাই উঠি কাৰ মুখ দেখিছিলো জানো?" সি নিজকে প্ৰশ্ন কৰে। ৰূপাৰ ঘৈনীয়েককো আজি এবাৰো দেখা নাই। তাইক নেদিখিলে আকৌ মনটোৱেই কিবা ভাল নালাগে। চাল্লা খাবলৈটো টকা নাপাওঁৰেই, প্ৰেম কৰিবলৈয়ো ভাল ছোৱালী নাপাওঁ। চৰ চেকেগু হেগু। আজি এই খিনি টকা আনিব পাৰিলেই ৰূপালীক ৰূপৰ চেইন ডাল দিয়াৰ কথা আছিল। পিছে চৰ বৰবাদ হৈ গ'ল। দুই হাজাৰ টকা। ধেৎ তেৰি বহুত টকা আছিল। কল কঢ়িয়াই এতিয়া বাটৰ কুকুৰকহে খুৱালো। চাল্লা চুইটকেচটোত নানি যদি পকেটত আনিলো হয় কোনো কথাই নাছিল। সেই 'ক' শ্ৰেণীত সৰু মাষ্টৰে ঠিকেই কৈছিল বোলে "লোভেই পাপ, পাপেই মৃত্যু"। মৃত্যু নহৈ আৰু কিবা বাকী থাকিলনে? তাৰ খং উঠে পুলিচৰ ওপৰত -চাল্লা ইহঁতেই যতকুটৰ ঘাই। আমিবোৰ কি জীয়াই থাকিব নালাগে? দে চোন দে চাকৰি এটা দে। সেইবোৰ তহঁতে নোৱাৰ আৰু

চোৰ ধৰিব পাৰিলে সুধাই মুধাই ঘৈনীয়েকৰ খংটো আনি জাৰিব পাৰ। চব বুৰ্বক-

অলপ সময় আকৌ কোনোবা আহিছে নেকি মুৰটো ডাঙি গম লয়। নাই কোনো শব্দ নাই। পুনৰ সি শুই পৰে। পুনৰ ভাবে - চুৰ কৰি দিন দয়ালৰ ঘৰত। সি বেটাই মহাজন চেলাই টকা ঘটে আমাৰ দৰে দুখীয়া নিছলা পৰাই। সি টকা অন্যায় কৈ ঘটিছে, সেই টকা আমি চুৰ কৰিছো, তাত কি জগৰটো লাগিল ? সি বেটাই গাঁৱৰ ছোৱালীক চাকৰি দিয়ে। ক'ত দিয়ে ? তাৰ ঘৰতেই। এদিন ৰাখি পিছদিনা পুনৰ পঠাই দিয়ে ঘৰলৈ। সেই বিলাক পুলিছে দেখা নাপায়। এতিয়া আমাৰ দৰে খাব নোপোৱাৰ ওপৰত আকৌ ইহঁতৰ দাদাগিৰি কি চাবা। চাল্লা ইহঁতৰ মেঠাটো মাল নাই।

পেটৰ ফালে এটা চমচমনি অনুভৱ কৰি পেটতো লাৰি চালে কেৰপাই। একদম খালি। আজি সি একো খাবই পোৱা নাই। দিনত চাল্লা বন এটা খাওঁ বুলি লাৰোতেই হোটেলৰ মালিকৰ গালি। "ঐ বাকী তোৰ কিমান হ'ল, হিচাব ৰাখিছ নে ?" চাল্লা নাখাওঁ বুলি পেলাই থৈ গুছি আহিলো।

এবাৰ লেমটো জ্বলাওঁ বুলি ভাবিও ৰই গ'ল সি। "লেম্প জ্বলাই কৰিম কি ? চকুতটো একো নাই, যা এনেকৈয়ে শুই থাকো।"

ঃ ও......স্তা.....দ..........

কাবোবাৰ মাতত সি চক্ খাই উঠিল। বিদ্যুতাত সি উঠি ৰহি ক'ৰ পৰা আহিছে শব্দটো শুনিবলৈ যত্ন কৰিলে।

ঃ ও......স্তা......দ । এটা চেপা মাত সি পুনৰ শুনিলে। সি লগে লগে বুজিলে সেয়া ৰাম সিঙৰ মাত। ৰক্ষা তেও সি ধৰা পৰা নাই। তাৰ জিভাত অলপ পানী আহিল।

ঃ ওস্তাদ, দুৱাৰখন খোলাচোন। -পুনৰ চেপা মাত। কেৰপাই দৌৰ মাৰি দুৱাৰখনৰ ওচৰ পালেগৈ। হঠাৎ কিবা চিন্তা কৰি সি দুৱাৰ খন নুখুলিলে। সিও চেপা মাতেৰে সুধিলে।

ঃ কোন অ'.......... সিং গাধ নেকি ?

ঃ অ' ময়েই ওস্তাদ, দুৱাৰখন খোলা।

ঃ চব ঠিকে আছেতো ?

ঃ আছে। আগতে দুৱাৰখন খোলা পিছত চব কম।

এই বাৰ কেৰপাই দুৱাৰখন ফটকৈ খুলি দিলে। লগে লগে সি নভৱাকৈয়ে পাচঁ ছয়টামান তীক্ষ্ণ টৰ্চৰ পোহৰ ভিন্ন দিশৰ পৰা তাৰ দেহত কেন্দ্ৰ এটা স্থাপন কৰিলে। সি টলকিবই নোৱাৰিলে। দৌৰিবলৈয়ো সি আৰু চেষ্টা নকৰিলে। বাওঁ হাতখন সি বুকুৰ ওপৰত থলে। ধাপ্ ধিপ্ পুনৰ বৃদ্ধি পাইছে। প্ৰথমতে ঢেঁকী আৰু তাৰ পিছত কাৰেন্টৰ মিল চলাই দি তাৰ বুকুৰে ধান বানিবলৈ ধৰিলে। □

পলাশ চন্দ্ৰ নাথ মহাবিদ্যালয়ৰ স্নাতক তৃতীয় বৰ্ষ (কলা বিভাগ)ৰ ছাত্ৰ।

প্ৰেমৰ দীঘল গল্প

# দুখন নদী, এটা মৰাসুঁতি

নিৰঞ্জন বড়া

(এক)

ভাড়াত ল'বৰ বাবে ল'বা এজনে ঘৰ এটা বিচাৰি আছে। প্ৰায়বোৰ ঘৰতে সি পাইছে ঋণাত্মক আশ্বাস। অৱশ্যে চহৰখনৰ মাজ মজিয়াত সি ঘৰ বিচৰা নাই। মনৰ ভিতৰত ঘৰটোৰ এটা পেটাৰ্ণ অৱশ্যে লগত লৈ ফুৰিছে কেনেকুৱা হ'ব তাৰ ঘৰটো, ঘৰটোৰ আশে-পাশে থাকিব লাগিব সেউজীয়া ফুলনি নতুবা থাকিব লাগিব প্ৰকৃতিৰ অপূৰ্ব সম্ভাৰ। পিছে অৰ্ণৱে এনে এটা ঘৰ বিচাৰি নাপালে। চহৰখনৰ দক্ষিণ প্ৰান্তত উপনীত হৈ উদাস ভাবে দৃষ্টি এৰি দিলে আবেলিৰ নীলা সোণ বৰণীয়া আকাশ খনলৈ, পিছফালে কাৰোবাৰ খোজৰ শব্দত ঘূৰি চালে অৰ্ণৱে। এজন প্ৰায় ৫০ বছৰীয়া আদহীয়া লোক। ব্যক্তিত্ববৰ্ধক দামী পোছাক যোৰেৰে তেওঁক গভীৰ ব্যক্তিত্বৰ অধিকাৰী যেন লাগে। মাত নলগাও বুলি ভাবিও সুধি পেলালে- ঘৰ এটা ভাড়াত পাব নেকি? ঘৰটোৰ পেটাৰ্ণটো অৰ্ণৱে একে উশাহতে কোৱাত মানুহজনে হাঁহিলে। নিজৰ ভিতৰত কিবা এটা হিচাব কৰি মানুহজনে হাঁহিছে। এইটো অৰ্ণৱে গম পাইছে। অৰ্ণৱে বুজিলে যে ঘৰৰ ব্যৱস্থা নিশ্চয় হ'ব। অৰ্ণৱক পিছে পিছে আহিব দি দুয়ো আগবাঢ়িল। মাত্ৰ এটা কেকুৰী পাৰ হৈ তেওঁলোক সোমাই পৰিল এখন সেউজীয়া পৃথিৱীত। চাৰিওফালে দীঘলীয়াকৈ বিস্তৃত হৈ আছে বন বিভাগৰ বাগিছা আৰু অলপ দূৰ অতিক্ৰম কৰি দেখিলে যে উত্তৰা-দক্ষিণা কৈ থকা ৫ মিটাৰ বহল ৰাস্তাটোৰ দুয়োফালে দুখন ফুলৰ বাগিছা আৰু দুটা ঘৰ। ঘৰ দুয়োটা মুখামুখিকৈ আছে। অৰ্ণৱৰ হাতত একোছা চাবি দি মানুহজনে কৈ উঠিল- "মোৰ নাম দ্বীপ দত্ত পৰাশৰ। পূবৰ ঘৰটোত মই থাকো। গধূলি আহিবা।"

অৰ্ণৱে নীৰৱে পৰ্যবেক্ষণ কৰিলে দ্বীপদত্তৰ অটল ব্যক্তিত্ব, সাজ পোছাক। মানুহজনৰ পৰিপাটি দামী সাজ-পোছাক সুন্দৰকৈ চেভ কৰা মসৃণ

ৰঙা দুগাল, কলামোটা মোচ, ভৰিত চিক্‌চিকিয়া পুলিচৰ জোতাযোৰ; মূৰত এটা ঘূৰণীয়া অফিচাৰ কেপ, চকুত গল্ডন ফ্ৰেমৰ এজোৰ চশমা সকলো সাংঘাতিক ভাৱে শালীনতাৰ পৰিচায়ক। ওখ, নিটোল দেহ, শৰীৰৰ আলসুৱা অংগী ভংগীবোৰ চব আকৰ্ষণীয় আৰু মোহনীয়া। দেহত যৌৱনৰ ৰংটো পাতল হব এতিয়াও বাকী আছে যেন লাগে। দেহত আছে যেন এক উদ্দাম সজীৱতা, ধম ধমকৈ জ্বলি আছে বুকুত একুৰা গভাগ্নি আৰু মগজুত আছে বুদ্ধিৰ এটা গভীৰ ভাণ্ডাৰ !

দত্তৰ হৃদয় সাপেক্ষে বাক্য কেইটাই এতিয়াও প্ৰতিধ্বনিত হৈ আছে অৰ্ণৱৰ কৰ্ণ পটহত । কিমান নিমজ আৰু মসৃণ সেই ভাষাৰ মধুৰতা । মাত্ৰ চাৰিটামান বাক্যৰ বিনিময় ! মানুহে তেওঁক পাগল বুলি ভাবে । সাংঘাতিক ভাবে অবাস্তৱ । কথা পাতি থাকোতেই পিছলৈ গৈ আত্মবিভোৰ হয় ; আৰু যাপন কৰে নিজৰ পৃথিৱীত । মানুহজন সঁচাই অন্তৰৰ পৰা শিল্পী নতুবা এজন নিখুত ভাস্কৰ । যি স্বপ্নভাষী দত্তই ছবি আঁকে আৰু লিখে বিষাদৰ কবিতা । পিয়ানো আৰু বেহেলা বজাই সৌষ্ঠৱ বঢ়াই প্ৰতিদিনে নিজৰ নিৰল পৃথিৱীখনৰ পিয়ানোৰ সেই স্বৰ্গীয় সুৰেৰে কুৰুকি কুৰুকি সোমাই যায় ধাতু আৰু শিলত, তাত প্ৰসৱ কৰে এডোখৰ সজীৱ প্ৰাণ । সেই সময়ত গছৰ পাতো নলৰে; চৰাইৰ ডেউকা স্তব্ধ হৈ যায় । সেই সুৰৰ কোমল নৃত্যই কঁপাই তোলে প্ৰাণহীন বস্তুবো অন্তৰাত্মা । তেনে সুৰ সৃষ্টি কৰিব পাৰেণে মানুহে??? পাৰে ! দ্বীপদত্তৰ হাতৰ যাদুকৰী আঙুলি যেতিয়া বগায় পিয়ানোৰ পৃষ্ঠত তেতিয়া সৃষ্টি হ'ব পাৰে এনে স্বৰ্গীয় সুৰ ।

দত্তই ছবি আঁকে হৃদয় আৰু জীৱনৰ ; যিয়ে সামৰি লয় সজীৱতা আৰু গুকান অৱগুণ্ঠন ।

## (দুই)

আজিকালি দ্বীপদত্ত আৰু অৰ্ণৱৰ বৰ মিলামিছা । দুয়ো দুয়োৰে অন্তৰঙ্গ বন্ধু হৈ পৰিছে । অভ্যাসগতভাৱে অৰ্ণৱ পূবৰ দ্বীপদত্তৰ ঘৰটোলৈ গ'ল । হাতত তুলিকা লৈ গভীৰ মনযোগেৰে আঁকি আছে , অৰ্ণৱ পিছত থিয় হৈ ৰ'ল ; তাৰ অৱস্থিতিৰ উমান পোৱা নাই দ্বীপদত্তই । চিত্ৰখনত দেখা গৈছে এখন শিশুৰ হাত মেলি থোৱা আছে । আঙুলি বিলাকে হাতৰ মুঠিতো টান কৰিব পৰা নাই । হাতখনৰ সিফালে অদূৰত অদৃশ্য হৈ আছে এক নাৰী দেহ; ধুঁৱলী কুঁৱলীত অৱস্থান কৰা নাৰীমূৰ্ত্তিটোৰ দেহৰ পাটিবোৰ যেন দোলায়িত হৈ আছে তাইৰ মৃদু নাচোনত । দোলায়িত এটা আচলে হাতখন চো নোচোকৈ আছে । অৰ্ণৱৰ শিৰাই উপশিৰাই বৈ গ'ল বিদ্যুৎ শিৰহণ, দ্ৰুত গতিত সঞ্চাৰিত হৈছে তেজবোৰ । এয়া দেখোন তাৰ মানসপটৰে নকল ৰূপ । পাঁচ আঙুলি মেলি হাতখন আগুৱাই দিছিল নাৰীদেহটোলৈ ; চুব নোৱাৰি শোকাভূত হৈ মুঠি মাৰি ধৰিছে আঙুলিকেইটাই । কিন্তু তাৰ অনন্ত ব্যাকুলতাই শিথিল কৰি তুলিছে অপেক্ষাৰ মুঠিতো ।

দ্বীপদত্ত পৰাশৰে একান্তমনে তুলিকাৰে ৰং দি আছে আশ্চৰ্য্যকৰ পেইণ্টিংখনত । কাবৰ প্লাষ্টিক চকীখনত বহি পৰিল অৰ্ণৱ । এটা হাঁহিৰ বিনিময় ঘটিল ; লগতে বহু কথা কোৱা কুই আৰু বুজাবুজিও হৈ গ'ল । এনেদৰে চকু আৰু ওঠৰে প্ৰকাশ কৰা অন্তৰৰ ভাষা বুজিবলৈ মানুহৰ একধৰণৰ যোগ্যতাৰ প্ৰয়োজন । সেই যোগ্যতা অৰ্ণৱৰ আছে । অৰ্ণৱ লাহে লাহে সোমাই গ'ল ছবিখনলৈ একমিটাৰ ...... দহ মিটাৰ ......... বহু কিলোমিটাৰলৈ অৰ্ণৱ সোমাই গ'ল ; জাহ গ'ল সেই হাতখনত । এখন শিশুৰ হাতত নিমজ্জিত হৈ নিশেষ হৈ গ'ল অৰ্ণৱৰ আত্মা, সেই নাৰী আন কোনো নহয় .........তাৰে প্ৰেম ; 'এলিজা' । হাঁহি থকা ওঠেৰে দুয়োহাত প্ৰসাৰিত কৰি মৃদুভাৱে ঘূৰি ঘূৰি নাচি আছে আৰু চকুৰ দৃষ্টিত এৰিছে ব্যাসৰ মোহমন্ত্ৰ । তাই সঁচাই অপূৰ্ব মোহিনী । তাই লাহে লাহে ওপৰলৈ গৈ আছে ; তাইৰ গাৰ পৰা বিহাৰ দৰে বহু চাদৰৰ আঁচল চাৰিওফালে উৰি আছে । শিৰত সেয়া সৰগৰ মুকুতা ; ডিঙিত হাততো সৰগৰ উজ্জলমণিৰ প্ৰয়োভৰ ! তাই নাচি আছে ঘূৰি ঘূৰি ! বৰফৰ দৰে শুকুলা তুলাৰে আবৃত্ত তাইৰ মসৃণ দেহ ! এয়া এলিজা নহয় ভেনাচ, এয়া ভেনাচ ! ভেনাচৰ কোমল ডিঙি, ফুলা ফুলা আঙুলি, শৃংগৰ দৰে উতঙ্গ বক্ষ ............. । সেয়া এলিজা নে ভেনাচ ??

অৰ্ণৱৰ হাতখন পোণ হৈ গ'ল । সি সুতীব্ৰভাৱে গতি কৰিব । সি ভেনাচক চুব......... । অদ্ভুদ প্ৰচণ্ড গতিৰে টানি নিছে তাইৰ কাষলৈ । তথাপি সি যেন গৈ নাপায় ; চকুৰ দৃষ্টিও আঁতৰাব ভয় হ'ল অৰ্ণৱৰ তাইৰ চকুৰ পৰা; জানোচা দ্বিতীয়বাৰ চকুমেলি সি দেখা নাপায় তাৰ কপৌজনীক ।

কান্ধখনৰ জোকাবণিত অৰ্ণৱে গম পালে যে সি এতিয়াও হাতখন মেলিয়েই আছে । অৰ্ণৱৰ লাজ লাগি গ'ল ! অৰ্ণৱক কফি দি দ্বীপদত্তই মদৰ গিলাচত থন থনকৈ ললে কেইটামান আইচৰ টুকুৰা ! অৰ্ণৱক জোকাৰি দি দ্বীপদত্তই অপৰাধবোধত ভোগা যেন লাগিল । আনৰ সপোন ভাঙিব নোৱাৰে দ্বীপদত্তই । তেওঁ বুজি পায় কিমান মধুৰ কল্পনাৰ বাংময় স্বচ্ছতা, কিমান ঠুনুকা সেই নিৰ্যাস !

অৰ্ণৱৰ কফি খোৱা নহওঁতেই তিনিটা পেগ ললে দ্বীপদত্তই ! গোন্ধ প্ৰায় নায়েই । তেওঁ বাৰু মদ কিয় খায় ! মাতাল হ'বলৈ যে তেওঁ মদ নাখায় সেইটো ঠিক । অৰ্ণৱে মানুহজনৰ মুখখনলৈ চালে । মানুহজৰ আত্মাৰ বৈশিষ্ট্য ধৰা কঠিন । তেওঁক চিনিবলৈ এটা সহজ পৰিচয় হ'ল তেওঁক সেই জীয়া মানুহ যেন লাগে । উদ্দীপ্ত মুখমণ্ডলত সৰলতাৰ আঁকবোৰ একেবাৰে স্পষ্ট। শান্ত চকুহালৰ পৰা উদ্ভিন্ন অভ্ৰভেদী প্ৰশান্তিৰ পোহৰ বিয়পি থাকে সমগ্ৰ মুখাবয়তে ।

তেওঁৰ হৃদয় নিৰ্যাতিত হৈ আছে যেন প্ৰেমৰ তাড়নাৰ দ্বাৰা । নহ'লে কিয় আঁকিলে ছবিখন ! তেওঁৰ এখন ভৰিহে নিজৰ আনখন প্ৰেমাকুলতাৰ । তেওঁক বাৰু প্ৰেমে জীয়াই ৰাখিছে নেকি । হবও পাৰে নহ'লে তেওঁ কিয় আঁকিব কুঁৱলীমণ্ডিত নাৰী ।

মদ আৰু চিগাৰেট, ছবি আৰু কবিতাৰ অন্তৰালত কোনোবা নাৰী নেকি? নাৰী নে নাৰী প্ৰেম । এজন পঞ্চাচ বছৰীয়া ব্যক্তি প্ৰেমৰ ৰাগীত জীয়াই থকাতো কিমান অসম্ভৱ বাৰু ??

## (তিনি)

অৰ্ণৱ অলপ সাঁজি কাচি ওলাই বাইকত কিক্ কৰিলে । মনটো তাৰ এনেয়ে ফৰকাল ফৰকাল লাগিল । আজি অৰ্ণৱৰ বাবে এটা বিশেষ দিন । এলিজাই মাতিছে তাক ; ৰেষ্টুৰেণ্ট বষ্টন লিঃ লৈ । এখন কবি সন্মিলনত দুয়ো চিনাকি হৈছিল । ইটোৱে সিটোৰ কবিতা পঢ়ে প্ৰশংসা কৰে । এনেদৰে সিহঁতৰ মাজৰ ব্যৱধান কমি আহিল । তাইক দেখিলেই সি অনুভৱ কৰে এক অনামী যন্ত্ৰনা ! কি নাম এই যন্ত্ৰনাৰ যি যন্ত্ৰনাই তাৰ নিশাবোৰ কৰি তোলে নববধু ?

সি যলৈকে নাযায় কিয় তাৰ চকুৱে অনবৰত বিচাৰি ফুৰে এলিজাৰ শান্ত চকুহাল, লাহৰী ডিঙিটো । এলিজাক দেখিয়েই প্ৰশমিত হয় তাৰ আতুৰতা

কিন্তু একে সময়তে ওপজে আন এক বিষ শিহৰণ । অৰ্ণৱে ৰেষ্টুৰেণ্টৰ সন্মুখত বাইক ৰখাই সোমাই গ'ল । প্ৰতি খোজতে তাৰ চকুৱে সন্ধান কৰিলে সেই চকুহাল । নাই ক'তো - নাই এলিজা ; তাই অহাই নাই চাগে ইয়ালৈ। অতীষ্ঠ হৈ ওলাই আহি বাইকত উঠিছে মাত্ৰ ; পিছফালৰ পৰা কোনোবাই মতা যেন অনুভৱ হ'ল অৰ্ণৱৰ । ঘূৰি দেখে কাষৰ পাণদোকান খনৰ সন্মুখত থিয় হৈ আছে এলিজা । ঈৰ্ষাৰ এটা আচলে অৰ্ণৱৰ মুখখন বিকৃত কৰিপেলালে। দুয়োপুনৰ ভিতৰলৈ সোমাই গ'ল আৰু বহি পৰিল দুখন চকীত । সিহঁতৰ পৰা আঁতৰা আঁতৰিকৈ সিহঁতৰ দৰেই বহি আছে প্ৰেমিক প্ৰেমিকাৰ জোৰ বিলাক । ওৱেইটাৰে ফ্ৰুইটজুচ পুডিং আৰু কেক দি গ'ল । কাৰো মুখত মাত নাই । দুয়োৰে বুকুত এজাক উমাল স্নেহ মিহলি অভিমানে শুহি নিছে সিহঁতৰ প্ৰাণৰ ভাষা ! দুয়োখন হৃদয়ত আস্ফালিত হৈ আছে প্ৰেমৰ আবেগ ; অৰ্ণৱৰ সন্মুখত বহি আছে এয়া এলিজা, অপূৰ্ব মোহময়ী নাৰী এলিজা । সেই নাৰীদেহৰ সৌন্দৰ্য্য সম্ভাৰৰ বাহিৰে সকলো অবচেতন হ'ল অৰ্ণৱৰ মগজুত । সুন্দৰ আৰু সৌন্দৰ্য্যৰ গৰিমাময় আনন্দ সলিলত ডুব গ'ল অৰ্ণৱৰ অদম্য তৃষ্ণা । সেই কক্ষৰে বহু মাইল দূৰত্বত অৰ্ণৱ দিশহাৰা হৈ উদভ্ৰান্ত হৈ চাই থাকিল এলিজাৰ চকুৰফালে । সাগৰ নীলা সমুদ্ৰ চঞ্চল সেইহাল চকুৰ ফালে ।

ক্ৰমলৈ আহি পুনৰ ভৱিবলৈ ধৰিলে এলিজাৰ কথা, তাই কিবা কম বুলি মাতিছিল যদিও বিশেষ একো নকলে । কবিতাৰ বিষয়টোৰ বাদে দুই তিনিটা বাহিৰা কথাৰেই সমাপ্ত হৈছিল অৰ্ণৱ আৰু এলিজাৰ সাক্ষাত । গধূলি হ'বলৈ বহু বাকী গতিকে দীপদত্ত এতিয়াও চাগে আজৰি হোৱাই নাই । সিহঁত ওলাই যায় সন্ধিয়া গাঢ় নৌহওতেই । গাৰুটোক সমস্ত ভৱেৰে চেপি ধৰি অৰ্ণৱে আঁকিব ধৰিলে এলিজাৰ নীলাভ চকুযুৰি । সঁচাই তাইৰ একক ব্যক্তিত্ব আৰু চেতনাত বিভ্ৰান্তি আনি দিয়া চকুহালে বিদ্ধ কৰিছে তাৰ হৃদয়, তাৰ সুখ আৰু নিদ্ৰা ।

অৰ্ণৱে পূৰ্বতে তাৰ প্ৰেয়সীৰ পেটাৰ্ণ এটা আঁকিছিল —তাইৰ মুখাবয়ৱ অনবৰত তিতি থাকিব বিষাদৰ কাৰুণ্যৰে ; তাই হ'ব অন্তৰ্মুখী আৰু কাব্য দৰ্শনৰ প্ৰতি অনুৰাগী, তাই গান গাব আৰু শুনিবও । তাৰ মাতটোত থাকিব অসীম সৰলতা । এলিজাৰ প্ৰাচুৰ্যাত উপৰোক্ত বস্তুকেই পদৰ অভাৱ নাই । এলিজাৰো আছে নিভাজ এটা মাত, আছে এহাল নীলা চকু । কথাখিনি ভৱাৰ লগে লগে এলিজাৰ স্নেহছায়াত শুৱ মন গ'ল অৰ্ণৱৰ । তাক প্ৰলুব্ধ কৰিছে মুৰ্হুমুহু প্ৰেমৰ আস্ফালনে ।

সন্ধিয়া নহওঁতে অৰ্ণৱ দীপ দত্তৰ ৰুমলৈ গ'ল । সদায় কৰাৰ দৰে তেওঁ পেইণ্ট কৰি আছে। এজন ভিক্ষুকক বুকুত মেখেলা পিন্ধা এগৰাকী নাৰীয়ে ভিক্ষা দি আছে । অৰ্ণৱৰ মনত কিন্তু তেনে ধাৰণা নহ'ল। দ্বীপদত্তই নাৰীৰ ওচৰত জীৱন ভিক্ষা কৰিব —অৰ্ণৱে মানি লব টান পালে । নাৰীৰ প্ৰেমৰ শক্তিয়ে তেওঁৰ দৰে এজন পুৰুষক যে অপদস্থ কৰিব, বিশ্বাস নহয় ।

দ্বীপদত্ত আৰু অৰ্ণৱ প্ৰায়ে খোজকাঢ়ি আগবাঢ়ে কাষৰ গাঁওখনৰ প্ৰান্তলৈ। তাৰে পৰা আৰম্ভ হয় ছন্দময়ী যাত্ৰা । দুয়োৰে বাসনা একেই ; সন্ধিয়াৰ সোণালী বৰণে জন্ম দিয়া মায়াবী ৰাজ্যত ভ্ৰমি হৃদয় আৰু দেহ সতেজ কৰা; পথাৰৰ ঘন কুঁৱলীৰ কণিকাই আঁকা ডাঠ আচ্ছাদনৰ মাজেৰে সূৰ্য্যৰ ব্যাকুল ৰক্ত কণিকাই প্ৰচেষ্টা চলায়, একেই হাবিয়াস পৃথিবীখন বৰ্ণময় কৰাৰ । বতাহে লাহে লাহে কঁপাই তোলে গছবোৰৰ পাতবোৰ । ধীৰ খোজেৰে দুয়ো আগবাঢ়ে দুয়োৰে মুখেৰে ওলাই দিদেৰো, ভলটেয়ৰ, গডউইন অথবা টলষ্টয় । তেতিয়া দুয়োৰে মনবোৰ স্বাধীন হয় । দ্বীপদত্তই স্বপ্ন বাগ্মিতাৰ আস্বাদন ফালি বগাই G. Walls বোদলেয়ৰ অথবা কানবাড । সেই সময়ত দ্বীপ দত্তৰ ব্যাকুল চকুহাল দেখি আচৰিত হয় অৰ্ণৱ। সাহিত্যৰ প্ৰসঙ্গ পৰা কেতিয়া বগাই যায় ৰসায়ণ আৰু পদাৰ্থ বিজ্ঞানৰ নতুন আবিস্কাৰলৈ । খোজ কাঢ়ি দুয়ো ক্লান্ত হৈ ঘৰ মুৰা হয় আৰু ঘৰত আহি গিলাচত আইচৰ টুকুৰা দি দ্বীপ দত্তই দুই পেগ লয় আৰু অৰ্ণৱে একাপ কফি লয় । তাৰ পিছত দুয়ো পঢ়ি যায় নিজৰ নিজৰ কবিতা তাৰ পিছত বৃহৎ উল্লাসেৰে দুয়ো হাঁহে । কেতিয়াবা অৰ্ণৱে কবিতাৰ সলনি পঢ়ে মাক-দেউতাক আৰু ভনীয়েক মুনমুনৰ চিঠিবোৰ।

কিন্তু যদি সিহঁত আগবাঢ়ে নৈৰ পাৰলৈ তেতিয়া দুয়ো আলোচনা কৰে, বিনিময় কৰে নিজৰ নিজৰ ৰক্তাক্ত অন্ত জীৱনটো । দুয়ো আজি আগবাঢ়িল নৈ খনৰ পাৰলৈ । সদায় সিহঁত যি দুটা শিলত বহে আজিও বহিল । কাষতে পাৰ্কখন থকাৰ বাবে কোলাহল বৃদ্ধি হয় সন্ধিয়া । অৰ্ণৱে এলিজাৰ প্ৰসঙ্গটো উলিয়াব নে নুলিয়াব ভাবি ল'লে । বয়সত যদিও তাৰ পিতৃ সম অৰ্ণৱ কিন্তু দ্বীপ দত্তৰ শ্ৰেষ্ঠ বন্ধুহে ! কথাষাৰ ভাবি থাকোতে দ্বীপ দত্তই ক'ব ধৰিলে- 'অৰ্ণৱ তুমি মোক সোধা নাই মোৰ ঘৰ ক'ত, কিয় মই মদ খাওঁ, মই কিয় কমকৈ কথা কওঁ । মোক কোনোবা নাৰীৰ প্ৰেমে জীয়াই ৰাখিছে নেকি ?

অৰ্ণৱ, মোৰ এটা অতীত আছে । প্ৰলয়ংকাৰী অতীত । স্মৃতিৰ খেলীতো জোকাৰি দিলে মোৰ নোমৰ গুৰিয়ে গুৰিয়ে জমা হয় যন্ত্ৰণাৰ সমুদ্ৰ । তেতিয়াই অস্ফুট স্বৰেৰে চিঞৰো আৰু তুলি লওঁ তুলিকা ।

মই সেই অতীতটোৰ পৰা এতিয়া নিৰাপদ দূৰত্বত অৱস্থান কৰি যাপন কৰিছোঁ এক নিঃসঙ্গ জীৱন । ঠিক নিঃসঙ্গ নহয় । মোৰ অৱলম্বন হ'ল এগৰাকী নাৰী । মই ছবি আঁকো প্ৰেমৰ, ছবিত অংকণ কৰা মানৱতা, হৃদয় অতীত আৰু ভৱিষ্যতৰ দ্বীপ দত্তক । জ্ঞানা অৰ্ণৱ ৰংবোৰৰ লগত মিহলি কৰো মই মোৰ বেদনাহত অশ্ৰুৰ জল, সেই ৰঙত মিহলি হৈ থাকে মোৰ অতৃপ্ত আত্মাৰ আস্ফালন আৰু ......... দ্বীপ দত্তৰ প্ৰেম ।"

আবেগত চকুহাল চলচলীয়া হ'ল দ্বীপ দত্তৰ । পুনৰ তেওঁ ক'বলৈ ধৰিলে - " অৰ্ণৱ মই এতিয়া সমাহিত হৈ আছো কাৰোবাৰ প্ৰেমত । মোৰ হৃদয় বীণাৰ ঝংকাৰত আৰোপিত হৈ থাকে মোৰ প্ৰেম, মোৰ বিশ্বাস । মোৰ উষ্ণ ৰক্ত প্ৰবাহত তাই বোৱাই দিয়ে প্ৰশান্তিৰ জল আৰু সেয়াই প্ৰসাৰিত কৰে উমাল প্ৰেৰণা। প্ৰশান্তিৰ সেই স্নিগ্ধতাৰ বানে মোৰ হৃদয় পথাৰি তাত ৰুই দিছে হাজাৰ হাজাৰ প্ৰেম আৰু বিশ্বাসৰ ওখ ওখ পাইন গছ । সেয়ে মই অবিচ্ছিন্ন ভাৱে আঁকো মোৰ বিশ্বাসক ।

অৰ্ণৱ মই ভিক্ষাৰী । প্ৰেমৰ ভিক্ষাৰী । মোৰ বয়সৰ শিথিলতায়ো পিছলৈ টানিব পৰা নাই নতুবা ৰুদ্ধ কৰিব পৰা নাই মোৰ আকাংক্ষাৰ দুৱাৰ । কিন্তু অৰ্ণৱ মই তাইক কোনো দিনে দেখুৱাব নোৱাৰিম কেনেদৰে পুঞ্জীভূত কৰিছোঁ অন্তৰত গৰল ! একমাত্ৰ তাইৰ বাবে । আমাৰ মাজত বয়সৰ দীঘলীয়া ব্যৱধানটোৰ বাবে মই শংকাত ভোগো । তথাপি সেইজনী মোৰ দেৱী, ইন্দ্ৰিয়াতীত সেইডোখৰ ঠাইত মই পূজা দিও তাইৰ সুন্দৰতাৰ । তাইৰ বিভিন্ন নাম দিছো মই- তৰালী, কিন্নৰী, শোভানা, জুলিয়া ........... অনেক নাম ! কিন্তু মোৰ অন্তৰত তাইৰ নাম এটাই মাত্ৰ মোৰ হৃদয়ৰ প্ৰকৃতি।

তাৰ পিছত দ্বীপ দত্ত মৌন হৈ ৰ'ল । অৰ্ণৱে কোনো আশ্চৰ্য প্ৰকাশ নকৰি অনুমান কৰিবলৈ চেষ্টা কৰিলে কেনেকুৱা হ'ব বাৰু দ্বীপ দত্তৰ কলিজাটো। দ্বীপ দত্তৰ কলিজাটো নিশ্চয় আন মানুহৰ দৰে নহয়, তেওঁৰ কলিজা কোষত পৰ্যাবৃত্ত ভাৱে ঘূৰি আছে হাজাৰ হাজাৰ প্ৰেম প্ৰবাহী ইলেক্ট্ৰন । অৰ্ণৱে মনৰ ভিতৰত সেই নাৰীৰ মুখখন আঁকিবলৈ চেষ্টা কৰিলে যাৰ বাবে বলীয়া দ্বীপ

দত্তৰ আত্মা আৰু প্ৰাণ। দ্বীপ দত্তৰ পঞ্চাশ বছৰীয়া হৃদয় খনত এতিয়াও প্ৰস্ফুটিত হৈ আছেনে বাৰু প্ৰেমৰ নাৰ্ছিছাছ ?

অৰ্ণৱে ভাবিলে দ্বীপ দত্তৰ হৃদয়ৰ প্ৰকৃতি গৰাকী চাগে এলিজাৰ দৰেই । অৰ্ণৱৰ শ্বাস-প্ৰশ্বাস তাৰ ভেনাচ !

এন্ধাৰৰ দৈত্যটোৱে সমগ্ৰ চহৰ খন গ্ৰাস কৰাত সিহঁত বহাৰ পৰা উঠিল আৰু খোজ ল'লে । ষ্ট্ৰিট লাইটবোৰে মায়াবী কৰি তুলিছে পদূলিবোৰ, ভৌতিকতাৰে জৰ্জৰিত এটা ৰঙীণ মৃদুৎসাহে মনটো জোকাৰি দিলে । অৱশেষত কৰমৰ্দনেৰে শুভৰাত্ৰি জনাই দুয়ো নিজ নিজ কমলৈ গ'ল ।

## (চাৰি)

স্বল্পবাগ্মিতাত এটা আশ্চৰ্য আৰু মোহময়ী বৈশিষ্ট্য থাকে । স্বল্পভাষী হ'লেও দ্বীপ দত্তৰ প্ৰতিটো শব্দই যেন একোখন শক্তিশালী চুৰী যিয়ে অতৰ্কিতে হৃদয় গহ্বৰত প্ৰৱেশ কৰি চিৰাচিৰ কৰি দিব পাৰে কলিজাৰ নিমজ তন্দ্ৰা । দ্বীপ দত্তৰ সেই হৃদয়খনত দ্ৰৱীভূত হৈ কোনোবা নাৰীয়ে ঢালি দিছে সৃষ্টিৰ বিন্যাস। সেয়ে তেওঁ আঁকিব পাৰে এখনৰ পিছত এখনকৈ হৃদয়ৰ চিত্ৰ ; বিভিন্ন প্ৰকাৰে বিভিন্ন ৰঙেৰে ।

অৰ্ণৱৰ সন্দেহ হয় । দ্বীপদত্তৰ সেই নাৰী গৰাকীয়ে বিচাৰি পাইছেনে তেওঁৰ অন্তৰত সাঁচি ৰখা অটল হৃদয়ৰ অক্ষয় মুকুতা ভাণ্ডাৰ । অৰ্ণৱে ঠিক কৰিলে যে আজি সুধিব দ্বীপদত্তক, সেই নাৰীক বিয়া কৰোৱাৰ বিষয়ে তেওঁ কি ভাবিছে । নৈ খনৰ পাৰৰ শিলত বহি লৈ কথাটো উলিয়ালে সি ।

উত্তৰত দ্বীপদত্ত কিছু সময় মৌন হৈ ৰ'ল আৰু কব ধৰিলে যে তেওঁ কথাটো নভবা নহয় । কিন্তু তেওঁৰ ভয় - আবেগভৰা চিঠিবোৰ তেওঁৰ প্ৰেয়সীয়ে যেন অন্তৰৰ উপলব্ধিৰ পৰা নিলিখে । লিখে তেওঁৰ দুৰ্বলতাক আশ্ৰয় দিবলৈহে । চাবলৈ গ'লে তাইৰ প্ৰেমিকৰ অভাৱ নাই । অৰ্ণৱৰ দৰে আৰু বহুতো ভাল লৰাই কিলবিলাই থাকে তাইৰ পিছত । অথবা শ শ ভাল লগা ল'ৰাক ভাল লাগিব পাৰে তাইৰ । সেইবাবেই ভয় হয় দ্বীপদত্তৰ । ঈৰ্ষাও নাই ; আক্ষেপো নাই । তাই দ্বীপদত্তক লগ কৰিবলৈ প্ৰমিজ কৰে বাছষ্টেচনটোত পুৱা ঠিক ন বজাত । দ্বীপদত্ত অধীৰ আগ্ৰহেৰে বাট চায় আঠ বজাৰ পৰা । কিন্তু তাই ওলায়হি আবেলি ২ বজাত নতুবা চাৰি বজাত । চাৰি বজাত আহিলেও দ্বীপদত্তই খং নকৰে বৰং দুগুণ উৎসাহেৰে সম্ভাষণ জনায়। তেওঁৰ কথা হ'ল চাৰি বজাতো তাই যে আহিছে । দ্বীপদত্তৰ কি ভাল বুলি সোধাত তাই কৈছিল চব ভাল দ্বীপদত্তৰ, তেওঁৰ কথাবোৰ ভাল লাগে, তেওঁৰ ছবিবোৰ ভাল লাগে, কবিতাবোৰ ভাল লাগে আৰু হেনো তাই ভাল পাই দ্বীপদত্তৰ শিল্পী মনটোক।

এনেবোৰ কথা কলে তাইক ঈষৎ সেউজীয়া যেন লাগে দ্বীপদত্তৰ । তাইৰ হাত সেউজীয়া, বুকু কলিজা সেউজীয়া । তাই দ্বীপদত্তক বিয়া নকৰালেও নাই । কিন্তু তাইৰ হৃদয় খন যেন সদায় তাৰ হৈ থাকে । নহলে তেওঁ মৰি থাকিব ।

কথাখিনি কৈ থাকোতে দ্বীপদত্তৰ চকুহাল সিক্ত হৈ পৰিল ।

## (পাঁচ)

অৰ্ণৱৰ হৃদয়ত আজি এলিজাৰ প্ৰাচুৰ্য্যৰে উচ্ছলিত হৈ আছে আনন্দ আৰু সুখৰ বিশুদ্ধ দোলন, আৰু হৃদয়ৰ কোনো ৰহস্যাবৃত স্থানত সৃষ্টি হৈছে অজান সুৰৰ মূৰ্চ্ছনা ; যত সমাহিত হৈ আছে স্বৰ্গীয় ভাৱাবেগ । সন্ধিয়াৰ শিলংখনৰ ওখ ওখ পাইন গছৰ পাতবোৰ বতাহত কপাঁৰ দৰে কঁপি উঠিছে অৰ্ণৱৰ বুকুৰ দ্ৰোনীত গজি উঠা ওখ ওকবোৰ । সেই সুখখিনি, প্ৰাণ থকা বস্তু স্তুপৰ শ্বাস প্ৰশ্বাসকাৰী এটা জীৱাশ্মৰ দৰে পোত খাইছে মগজুৰ স্নায়ুকুলত। বিচৰাতকৈ অধিক মমতাৰ সমুদ্ৰত ডুবাই দিলে আজি এলিজাই । পাৰ্য্যমানে অৰ্ণৱে চেষ্টা কৰিছে তাৰ কলিজাটো প্ৰসাৰিত কৰিবলৈ কাৰণ এলিজাই তাইৰ হৃদয়খন তাক গতাই দিছে, তাকো নিজহাতে । অবিশ্বাস্য হোৱা স্বত্তেও পূৰ্বতে কামনা কৰা স্বৰ্গাৰোহণ কৰি অৰ্ণৱে পাইছে মনত বিপুল আনন্দ । হৃদয় খন যে সি পুৰাকৈ অধিকাৰ কৰি লৈছে তাক অৰ্ণৱে জনাই নাছিল । এই আনন্দৰ উৎসৱত দ্বীপদত্তক মাতি আনিলে অৰ্ণৱে । অৰ্ণৱৰ প্ৰাণৰ খলকনিত উজ্বল হৈ গল দ্বীপদত্তৰ মুখমণ্ডল । এনে এটা বয়সত দীপদত্তই অৰ্ণৱৰ দৰে হাঁহিব পৰা নাছিল । দুৰ্ভাগ্যই খণ্ড খণ্ড কৰি থৈছিল তেওঁৰ প্ৰাণখোলা হাঁহিবোৰ ; নবকৰ ৰক্তাক্ত ফ্ৰীজত । সৌভাগ্যৰ অকালজাত পিণ্ডবোৰ বহুবাৰ প্ৰসৱ কৰিছে দ্বীপদত্তই । প্ৰতিবাৰে গৰ্ভপাত হয় ; সৌভাগ্যক ধাৰণ কৰিবলৈ এতিয়া তেওঁ বন্ধ্যা।

দ্বীপদত্তক চাহ বিস্কুত দি ক'ব পৰা কথাখিনি আৰম্ভ কৰিব ভাবি পোৱা নাই অৰ্ণৱে । অৰ্ণৱে কৈ গ'ল তাই দ্বীপদত্তৰ দৰেই অৰ্ণৱৰো হৃদয়ৰ প্ৰকৃতি । কিন্তু তাইৰ বাবেও যে অৰ্ণৱ কিবা এটা কথাটো ভবাই নাছিল । তাইৰ বুকুত বহি প্ৰতি নিশাই হেনো অৰ্ণৱে শুহি নিয়ে কলিজাৰ পৰা এডোঙাকৈ তেজ । তাইৰ দেহৰ প্ৰতিটো কোষতেই হেনো বিয়পি আছে এটা যন্ত্ৰণা মধুৰ বিষ যাৰ নাম অৰ্ণৱ । সেয়েহে তাই সিদ্ধান্ত লৈছে তাই অৰ্ণৱৰেই হ'ব, আৰু যদি অৰ্ণৱৰ হব নোৱাৰে ; তাই আনৰো নহয় । প্ৰয়োজন হলে তাই বুঢ়ী হৈ যাব ।

কৈ কৈ অৰ্ণৱৰ মাতটো থোকা থুকি হ'ল । সঁচাকৈয়ে অৰ্ণৱৰ হৃদয় খনতো বহু দ লৈ সোমাই গৈছে কোনোবা নাৰী । নিৰ্মল তাৰ হৃদয় খনে স্নেহৰ ইমানবোৰ ভৰ সহজতে দাঙি ৰাখিব পৰা নাই । চকুমুদি অৰ্ণৱ নিশ্চুপ হৈ ৰ'ল । তাৰ পিছত দ্ৰয়াৰৰ পৰা তাইৰ ফটো এখন দ্বীপদত্তৰ কোলাত থৈ ক'লে "তাইৰ নাম এলিজা"। দ্বীপদত্ত কোব খোৱা সাপৰ দৰে ধমধমাই উঠিল । ফটোখন মাত্ৰ এবাৰ দৃষ্টি দি চকীখনত তেওঁ এনেকৈ এৰি দিলে যেন অতৰ্কিতে তেওঁৰ শক্তিবোৰ কেনিবা শুকাই গ'ল । এটা সৰ্বগামী যন্ত্ৰণাৰ উপলব্ধিৰ বাহিৰে সকলো অৱচেতন হৈ পৰিল দ্বীপদত্তৰ । নবক যন্ত্ৰণাৰ গভীৰতম অন্ধকাৰত জা গৈছে দ্বীপদত্ত এই কথা অৰ্ণৱে নুবুজিলে । স্বৰ্গাৰোহন কৰা কক্ষৰ পৰা হাজাৰ হাজাৰ মাইল তলত সৰি পৰিল প্ৰস্তৰময় বালিত মুখ থেকেচা খাই আৰু দ্বীপদত্ত হৈ পৰিল শ্বাসৰোধী অশ্ৰু।

কঁপি কঁপি দ্বীপদত্ত ওলাই আহিল । অৰ্ণৱে ধৰিব নোৱাৰিলে তেওঁৰ এই আচৰণৰ উৎস কি ।

অৰ্ণৱ শুবলৈ গ'ল। লগত লৈ গ'ল এলিজাৰ মধুময় স্মৃতি ।

তাৰ পিছৰ দিনটো আছিল এটা বেয়া দিন । সন্মুখৰ দ্বীপদত্তৰ চোতালত মানুহৰ ভিৰ ভাঙি দেখিলে দ্বীপদত্তৰ প্ৰাণহীন নিশ্চল শৰীৰটো । পুলিচে তাৰ হাতত চিঠি এখন দিলে ।

মৰমৰ অৰ্ণৱ,

মোৰো হৃদয়ৰ কপৌজনীক প্ৰাণ ভৰি ভাল পাওঁ মই । কোষে কোষে সুমুৱাই ৰাখিছো তাইক । তাইৰ এতিয়া বয়স ২৯, আজি ১০ বছৰৰ পিছতো তাইক মই তেনেদৰেই ভাল পাই আছো । কিন্তু কালি তোমাৰ পৰাই গম পালো, আমাৰ দুয়োৰে প্ৰেমিকা এগৰাকীয়ে। মোক আশ্বাস দি আহিছে যোৱা

দহ বছৰ ধৰি । ভয় নাখাবা তাই তোমাক প্ৰতাৰণা কৰা নাই । প্ৰতাৰণা কৰিছে মোক । কিন্তু একেইখিনি কথা মোকো কৈছিল । দেখিলা অৰ্ণৱ মোৰ ভাগ্যৰ ৰং ক'লা । মোৰ ভাগ্যই মোক নিলে পুতি গন্ধময় নৰক কুণ্ডলৈ । হয়তু মোবো মৃত্যু হল অৰ্ণৱ । কাষৰ গিলাচত মদৰ লগতে মিহলাইছো বিষ। হয়তো অলপ পিছতে মৃত্যু হ'ব এই দ্বীপদত্তৰ । কিন্তু তাইৰ আন একো বস্তু নাছিল নেকি যে মোৰ কেঁচা কলিজাটোৰ বিনিময়ত তাই উপহাৰ দিলে মৃত্যু??? অৰ্ণৱ তুমি তাইক কবা, মোক তাই কৰা প্ৰবঞ্চনাৰ উৎস যেন মোৰ পঞ্চাছ বছৰীয়া বয়স বুলি নকয় !!!

## (ছয়)

(দুৰ্ঘটনাটোৰ পিছদিনা)

কলিজাৰ কোনো ৰহস্যাবৃত স্থানৰ পৰা মুষলধাৰে বৈছে বিষাদৰ ফল্গুধাৰা, ই ঘন আৰু ক'লা ; ইয়াৰ নাম কান্দোন নেকি ? যদি চকু পানীয়ে পাতল কৰি দিব পাৰে বিযাদৰ ৰঙতো পিছে অৰ্ণৱে কিয় কন্দা নাই । কান্দিবলৈ তাৰ হৃদয়ত আচলতে চকুপানীয়েই নাই । বেদনাৰ উত্তাপত সেইবোৰ বাষ্পীভূত হৈ ছানি ধৰিছে সমগ্ৰ হৃদয়াঞ্চলত । সেয়েহে অৰ্ণৱে কান্দিবও পৰা নাই ।

এই মুহূৰ্ত্তত এলিজাৰ কথা মনলৈ অহা নাই । এলিজাক তুচ্ছ যেন লাগিল হঠাতে । দ্বীপদত্তৰ শান্ত চকুহাল ভাঁহি উঠিল অৰ্ণৱৰ মানস পটত । লগে লগে অৰ্ণৱে অনুভৱ কৰিলে এলিজাৰ বাবে তীব্ৰ ঘৃণা ।

অৰ্ণৱৰ হাতখন, তিতা যেন পালে অৰ্ণৱে । তিতিছে ; নিয়ৰত তিতিছে শিলটো, শিলটোৱে কান্দিছে ? শিলটোৰ অন্তঃ দেশতো থাকিব পাৰে এডোখৰ কোমল মাংস । যদি সেয়াই সত্য নিশ্চিত ভাৱে কব পাৰি যে শিলটো তিতিছে তাৰ হৃদয় গহ্বৰে ত্যাগ কৰা বিযাদৰ নিৰ্য্যাসেৰে ।

সন্মুখৰ নদীখনৰ পানীৰ ঢৌৱে কোবাই আছে পাৰত । অৰ্ণৱৰ নিগুঢ় হৃদয়াঞ্চলত, মগজুৰ নাৰ্ভ আৰু চেতনাৰ কোষবোৰক অনবৰতে থেকেচি আছে চলপ চলপকৈ । আবেলিতে অৰ্ণৱ আহি এই শিলটোত বহিছিল আৰু তেতিয়াৰ পৰা চকুৰ পতা নমাৰাকৈয়ে চাই আছে উদাসভাৱে সন্মুখলৈ । সন্ধিয়া গাঢ় হৈ অহাত বাষ্টাৰ লাইটবোৰ জ্বলিল । অৰ্ণৱৰ সেইবোৰ দৃষ্টিগোচৰ নহল । তাৰ চকুৰ আগত ভাঁহি থাকিল দ্বীপদত্তৰ মৃতদেহটো । বৰং পূৰ্বতকৈ অধিক নিৰ্মল অনুভৱ কৰিলে দ্বীপদত্তৰ মুখখন । দৃষ্টিত কিন্তু তাৰ অমাৱস্যা। জাগ্ৰত যন্ত্ৰণাটোৱে কচ-কচকৈ চোবাই আছে তাৰ কলিজা । কলিজাৰ পোৰণিটো বেছি হৈ অহা স্বত্তেও চোলাটো খুলিবলৈ ভয় লাগিল অৰ্ণৱৰ জানোছা বেদনাৰ দলিছাই বিদ্ৰুপ কৰি বহলাই পেলায় তাৰ কলিজাৰ ঘাঁ টুকুৰা ।

অৰ্ণৱে চকুৰ পতা জপোৰা নাই । চেষ্টা কৰিও ব্যৰ্থ হ'ল । অৰ্ণৱে বুজিলে পতা দুটা জাপ খোৱাৰ লক্ষণ নাই । চকু জপাবলৈ ব্যক্তিগত ভাবে জিজ্ঞাসাৰ প্ৰয়োজন ; নিজস্ব দৰ্শনেৰে কিবা অনুভৱ কৰিবলৈ । কিন্তু হেৰুৱাই পেলাইছে অৰ্ণৱৰ চকুৱে সেই জিজ্ঞাসা । তাৰ অনিচ্ছুক পেশীৰ তালিকাত সংশ্লিষ্ট হ'ল তাৰ চকুহাল ।

গভীৰ ক'লা আন্ধাৰে ডুবাই পেলাইছে সমগ্ৰ চহৰখন। নিৰ্জনতাই ইয়াৰ সহযোগত সৃষ্টি কৰিছে এনে এটা ভৌতিক পৰিবেশৰ যত সাধাৰন মানুহৰ আত্মা অজান সংশয়ত কঁপি উঠে ! এন্ধাৰৰ অনুভৱটোৱে তাক নিৰ্দেশ দিয়া যেন পালে যে সি উঠিব লাগিব ।

অৰ্ণৱ ঠিয় হৈ থাকিব নোৱাৰি ধুপুচকৈ মুখ থেকেচা খাই পৰিল কপালী বালিছন্দাৰ দলিচাত । বালিৰ লুনীয়া সোৱাদ জিভাত লাগিল অৰ্ণৱৰ। মগজুত অলপ জোৰ দিলে অৰ্ণৱে - তাৰ হাতদুখন দেহত লাগি আছেনে নাই। আৰু যদি আছে সেইয়া ক'ত আছে । মগজু নিৰুত্তৰ । উদয়াস্ত চেষ্টা কৰিও অৰ্ণৱে উপলব্ধি কৰিব নোৱাৰিলে সি ক'ত কি কৰি আছে ।

বেদনাৰ বিষাক্ত কীট আৰু ধাতৱ স্পৰ্শই সংবেদন হীন কৰি তুলিছে অৰ্ণৱৰ ২৮ বছৰীয়া দেহটো ।

হঠাতে বুকুখনত তীব্ৰ বিষ উঠিল অৰ্ণৱৰ । তাৰ পিছতেই স্তব্ধ হৈ গ'ল অৰ্ণৱৰ হৃদ স্পন্দন । চেচা নিশ্চল দেহটো বালিত মুখগোজা খায়েই পৰি থাকিল ।

অৰ্ণৱৰ দেহটো হঠাৎ পাতল পাতল লাগিল ; সি অনুভৱ কৰিব ধৰিলে সি যে প্ৰচণ্ড বেগেৰে ওপৰলৈ গৈছে এটা সুৰঙ্গৰ মাজেৰে । অতি তীব্ৰতৰ বেগ । তাৰ মনত পৰিল মৃত্যুৰ পিছত মানুহৰ আত্মাই এনেদৰে গতি কৰে অজান কোনোবা দেশলৈ ।

অৰ্ণৱে নাজানে তাৰ এই যাত্ৰাৰ শেষ কি । হাজাৰ চেষ্টা কৰিও অৰ্ণৱে মনত পেলাব নোৱাৰিলে দ্বীপদত্ত আৰু এলিজাৰ কাতৰ মুখ দুখন । মাথো প্ৰচণ্ড বেগেৰে সেই সুৰঙ্গৰে গৈ থাকিল ।

নিৰঞ্জন বড়া, মহাবিদ্যালয়ৰ স্নাতক দ্বিতীয় বৰ্ষ (ৰসায়ন বিজ্ঞান বিভাগ)ৰ ছাত্ৰ ।

## সময় কিমান মূল্যবান

- এটা বছৰৰ মূল্য কিমান অনুভৱ কৰিবলৈ এজন ছাত্ৰক সোধক, যি পৰীক্ষাত অকৃতকাৰ্য্য হৈছে ।
- এটা মাহৰ মূল্য কিমান অনুভৱ কৰিবলৈ এগৰাকী মাতৃক সোধক, যি এটা অকালপক্ক শিশুক জন্ম দিছে।
- এটা সপ্তাহৰ মূল্য কিমান জানিবলৈ এখন সাপ্তাহিক কাকতৰ সম্পাদকক সোধক।
- এটা দিনৰ মূল্য কিমান জানিবলৈ দিন মজুৰি কৰা এজন মানুহক সোধক।
- এটা ঘণ্টাৰ মূল্য কিমান তাক জানিবলৈ মন নাযায়নে ? থিক আছে, আপুনি এজন প্ৰেমিকক সোধক, যিয়ে প্ৰেমিকাক লগ পাবলৈ বাট চাই আছে।
- এজন বেল যাত্ৰীক সোধক এক মিনিটৰ মূল্য কিমান? যিয়ে নিৰ্দ্ধাৰিত বেলখন মিচ কৰিছে।
- এটা চেকেণ্ডৰ মূল্য জানিবলৈ কাক সুধিব? থিক আছে; তেওঁক সোধক যি জনে এটা দুৰ্ঘটনাৰপৰা প্ৰাণ বচাইছে।
- তাতকৈ কম চেকেণ্ড এটাৰ মূল্যৰ উমান পাবলৈ সোধক, যি জনে অলিম্পিকত চিলভাৰ মেডেল পাইছে।

সংগ্ৰহ

চায়ফিক গল্প

# হিষ্টৰী অৱ মঙলদৈ কলেজ

ৰমেন ডেকা

শেহতীয়া অত্যাধুনিক মডেলৰ বিলাসী কাৰ "বডোজা-১০০" ৰ চালকৰ আসনত বিশিষ্ঠ উপগ্ৰহ বিজ্ঞানী দীপ কিশোৰ শইকীয়া। বাওঁ হাতৰ তৰ্জনী আঙুলীৰে তেওঁ গাড়ীখনত থকা এটি বিশেষ বুটামৰ ওপৰত সামান্য হেঁচা দিলে, মুহূৰ্ত্ততে কাৰখন বিজুলী বেগেৰে ধাৱমান হ'ল -গুৱাহাটীৰ পৰা মঙলদৈ অভিমুখে। তেতিয়া ৰাতি বাৰ বাজিছে। মাথো দুই মিনিট পিছতে গাড়ীৰ ভিতৰত থকা কম্পিউটাৰৰ পৰ্দাত কেতবোৰ সংকেত ভাঁহি উঠিল। স্পীকাৰত ভাঁহি উঠিল মঙলদৈ কলেজ এহেড"। শইকীয়াই আকৌ ৰিমট কন্ট্ৰোলৰ বুটাম টিপিলে। তীব্ৰ গতিৰে কাৰখনে ভেৰাৰঘাট পাবলৈ কেই চেকেণ্ড মান বাকী থাকোতেই হঠাৎ সোঁফালে ঘুৰি সোমাই গ'ল আৰু এটি বিশেষ পাৰ্কিং প্লেচত নিজে নিজেই পাৰ্কিং হ'ল। কলেজৰ গ্ৰাউণ্ড ফ্ল'ৰ বোৰত তেতিয়া ক্লাচ চলি আছিল। এনেতে কলেজৰ সকলো ৰুমতে এটি ঘোষণা শুনা গ'ল, খন্তেক পিছতে সকলো ছাত্ৰ-ছাত্ৰী, প্ৰফেচৰ সকল কলেজৰ সেই বিশাল গেলেৰী যুক্ত চেমিনাৰ হ'লটোত গোট খালে। প্ৰিন্সিপাল আৰু কেইজন মান প্ৰফেচৰে বিজ্ঞানী শ্ৰীশইকীয়াক আদৰি নিলে আৰু চেমিনাৰ হলৰ বক্তৃত্বা মঞ্চত ঠিয় কৰাই চিনাকি কৰাই দিলে। "ছাত্ৰ-ছাত্ৰী আৰু প্ৰফেচৰ সকল,এয়া আপোনালোকৰ আগত চিনাকি কৰাই দিছো একালৰ আমাৰ কলেজৰ ছাত্ৰ, বৰ্তমান পৃথিৱীৰে উপগ্ৰহ বিজ্ঞানী দীপ কিশোৰ শইকীয়া। এইবাৰ মঙ্গল গ্ৰহৰ জেনাচ তাৰকাৰাজ্যলৈ পঠাব লগা প্ৰকল্পটিৰ মহা পৰিদৰ্শক হিচাপে পৃথিৱী বাসীয়ে এওঁক মনোনীত কৰিছে। অহা মাহৰ এক তাৰিখে এওঁ যাত্ৰা কৰিব। সেয়ে যাত্ৰাৰ আগ মুহূৰ্ত্তত এওঁক সম্বৰ্ধনা জনাবলৈ পাই আমি সুখী হৈছো। শ্ৰী শইকীয়াক তেখেতৰ বৰ্তমান কৰ্মৰাজি তথা অতীতৰ মঙলদৈ কলেজৰ বিষয়ে অলপ স্মৃতি ৰোমন্থন কৰিবলৈ অনুৰোধ কৰিছোঁ।"

বিজ্ঞানী শ্ৰীশইকীয়া ঠিয় হ'ল -সন্মুখৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক সকললৈ চাই তেওঁ আৰম্ভ কৰিলে- "মাননীয় প্ৰিন্সিপাল ডাঙৰীয়াক ধন্যবাদ জনাইছো। মই মোৰ বৰ্তমানৰ কাম কাজৰ বিষয়ে বিশেষ নকওঁ। কিয়নো সদায় কাকতত সেইবোৰ প্ৰকাশ হৈ আছেই। মই অতীতৰ কেতবোৰ কথাহে কবলৈ খুজিছো। অৱশ্যে বেছিভাগেই মই পাহৰিছো কিজানি।

আজিৰ পৰা পঞ্চাশ বছৰ আগতে অৰ্থাৎ কলেজৰ সোণালী জয়ন্তী উদ্‌যাপন বৰ্ষত কিজানি মই স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰ আছিলো। তেতিয়াৰ কথা মই কি কম। এতিয়াৰ লগত যে সেই সময়ৰ আকাশ পাতাল প্ৰভেদ। এতিয়াৰ দৰে হোষ্টেলৰ ছাত্ৰ-ছাত্ৰীবোৰে ৰাতি ক্লাচ কৰা আৰু দিনৰ ভাগত বাকী লৰা -ছোৱালীবোৰে ক্লাচ কৰাৰ ব্যৱস্থা নাছিল। তেতিয়া সদায় দিনৰ ভাগতেই সকলো ক্লাচ হৈছিল । আপোনালোকে বিশ্বাস কৰে বা নকৰে তেতিয়া সকলোবোৰ কোঠাই আছিল টিনৰ ছাল দিয়া। সকলোৱে তেতিয়া কাগজ আৰু কলম ব্যৱহাৰ কৰিছিল। এতিয়াৰ দৰে ছাত্ৰ-ছাত্ৰীয়ে হাতে হাতে পৰ্টেব'ল কম্পিউটাৰ লৈ পঢ়া শুনা কৰাটো তেতিয়া কল্পনাৰো অগোচৰ আছিল। তেতিয়া প্ৰফেচৰে কাঠৰ ব্লেকবৰ্ডত চিত্ৰ আঁকি বুজাব লগীয়া হৈছিল।

শুনি আচৰিত নহব, মোৰ দিনত কলেজৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজতো ইলেকশ্যন হৈছিল। কি যে বিস্ময়কৰ কথা আছিল তেতিয়া। অধ্যয়নৰ বাবে অহা ছাত্ৰ-ছাত্ৰীবোৰৰ বাবে বছৰি ইলেকশ্যন খেলাটো বাধ্যতামূলক আছিল আৰু প্ৰফেচৰ সকলেও ইলেকশ্যনৰ সকলো সুবিধা কৰি দিছিল। ছাত্ৰ-ছাত্ৰী সকলৰ মাজৰ পৰা জি. এচ., এ. জি. এচ., মেগাজিন চেক্ৰেটৰী ইত্যাদি নানা ধৰণৰ এবছৰীয়া পদবোৰৰ বাবে ছাত্ৰ-ছাত্ৰী নিৰ্বাচন কৰা হৈছিল। ইলেকশ্যনৰ নামত এমাহ মান আগৰে পৰাই কাৰো চকুত টোপনি নহা অৱস্থা হৈছিল। আচৰিত কথা! আজিকালি দেখোন দহ বছৰৰ মূৰে মূৰে হোৱা বিধান সভাৰ ইলেকশ্যনটো তেনেকুৱা অৱস্থা নহয়।

তেতিয়াৰ যুগত "ৰেগিং" বুলি সমস্যা এটা আছিল। চা চিনাকিৰ নামত পুৰণি লৰা ছোৱালীবোৰে নতুন বোৰক বৰকৈ হাৰাশাস্তি কৰিছিল। একমাত্ৰ হোষ্টেল দুখনক এই প্ৰথাই বৰকৈ জোকাৰিছিল আৰু মই নিজেও তেনে সমস্যাৰ সন্মুখীন হৈছিলো। আনকি "ৰেগিঙ"ৰ বাবেই একমাত্ৰ বয়জ হোষ্টেলত নতুন ছাত্ৰৰ আগমন নঘটাত হোষ্টেল সম্পুৰ্ণ বন্ধও হৈ পৰিছিল। অৱশ্যে তেতিয়া এইটো কোনো সমস্যা নাছিল। কাৰণ প্ৰিন্সিপালকে আদি কৰি সেই বিষয় লৈ কোনো এজনেও মূৰ ঘমোৱা নাছিল।

শেষত এটা কথা কৈ সামৰিছো। কলেজৰ মাজভাগত এটা ঘৰত ৰঙা চাহ আৰু পুৰণি বিস্কুট দিয়াৰ ব্যৱস্থা কৰিছিল লৰা এজনে। মোৰ কলেজীয়া জীৱনত সেই ঘৰটোৰ ভিতৰত বহি একাপ নে দুকাপ ৰঙা চাহ খাইছিলো আৰু আচৰিত ভাৱে সেই ঘৰটোকে আমি তেতিয়া কেন্টিন বুলিছিলো।"□



ৰমেন ডেকা মহাবিদ্যালয়ৰ স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান শাখাৰ)ৰ ছাত্ৰ।

# জীৱন

কস্তুৰী দেৱী

মোৰ কি হ'ব ? কিয় এনে হ'ল ? এতিয়া মই কি কৰো ! আ-ত্ম-হত্যা !!!

এনে প্ৰশ্নৰ উত্তৰ বিচাৰি বহুদিন হাবাথুৰি খাইছিলো । আৰু এতিয়া; সহলো ইমান সহজ যেন লাগে । হয়তো নিমিষা মোৰ জীৱনলৈ নহা হেতেন নেজানো জীৱন তৰী কোন দিশে ধাৱমান হৈ কোন অচিনা ঘাটত লাগিল হেতেন। এতিয়া আৰু এইবোৰ অতীত । কিয় জানো আজি অতীত সুঁৱৰিবলৈ মন গৈছে।

আজিও নেজানো পাপা মাৰ সেই কাজিয়াখনৰ কাৰণটো । সন্ধিয়া প্ৰায়ে ওলাই যোৱাৰ দৰে পাপা মা ওলাই গৈছিল পাৰ্টিলৈ । সদায় শোৱাৰ দৰে সিদিনাও পদুমী বাইৰ বুকুত সোমাই শুই আছিলো । কিন্তু তেতিয়া পদুমী বাই নাছিল। মোৰ কোঠালিৰ লাইট জ্বলি আছিল । লাইটৰ পোহৰত দেখিছিলো মাৰ মুখৰ পৰা তেজবোৰ ধুইছিল । বন্ধ দুৱাৰখন প্ৰচণ্ড শব্দত কঁপিছিল । মই মুক হৈ গৈছিলো ।

ৰাতিপুৱা গতানুগতিক ভাৱে স্কুল বাছত উঠি মই স্কুললৈ গৈছিলো । স্কুলৰ পৰা আহি দেখিছিলো আমাৰ লনখনত ককা-আইতা, মামা, জেঠাই সকলো বহি আছিল । তাতোকৈয়ো আচৰিত, পাপা মাও বহি আছিল । মই একে লৰে আহি মামাৰ কোছাত উঠি চাৰ্টৰ জেপত হাত ভৰাইছিলো । সদায় পোৱাৰ দৰে সিদিনা কিন্তু মই জেমছ নেপালো । আইতাই স-শব্দে কান্দি ভিতৰলৈ উঠি গৈছিল । সিদিনা ঘৰৰ পৰিবেশটো থমথমীয়া হৈ আছিল । মই একো বুজাই নাছিলো । প্ৰায় মাহ দিনৰ পিছত মামা আৰু জেঠাই আহি মাক আৰু মোক লৈ গৈছিল । ককাই চাদৰ পৰা আমি যোৱা চাই আছিল । আইতাই কোলাত লৈ মোক বাৰে বাৰে চুমা খাইছিল । পৰিবেশটো ইমান কিবা ধৰণৰ আছিল ; কাক কি সুধিম মই যেন একো থিৱাং কৰিবই পৰা নাছিলো ।

দুমাহ মানৰ পিছত ককা-আইতাই মোক অকলে লৈ আহিছিল । এইবাৰ মই পদুমী বাইৰ বুকুৰ সলনি ককা-আইতাই বুকুৰ উম পালো । পাপা দিল্লীলৈ গুচি গৈছিল, মা গুছি গৈছিল পাপাৰ বিজনেচ পাৰ্টনাৰ জয়ন্ত আংকোলৰ লগত বাংগালোৰলৈ । থাকি গৈছিলো মাথো মই ! প্ৰকাণ্ড ঘৰখনত ককা-আইতা আৰু পদুমী বাইৰ লগত থাকি গলো মই । তেতিয়া মই কেজী ৱানৰ ছাত্ৰী । ককা-আইতা, মামা জেঠাইৰ লগত থাকি গলো মই ! স্কুল বাছেৰে যোৱা স্কুলখনৰ পৰিৱৰ্তে ককাই খোজকাঢ়ি মোক থৱলৈ আৰু আনিবলৈ যোৱা স্কুল এখনত প্ৰথম শ্ৰেণীত এটা সম্পূৰ্ণ বেলেগ পৰিবেশত পঢ়িবলৈ আৰম্ভ কৰো ।

মামা আৰু জয়ন্ত আংকোলে প্ৰায়ে টেলিফোনেৰে মোৰ সতে কথা পাতিছিল। কিন্তু পাপা ! পাপা যেন কৰবাত হেৰাই গৈছিল । প্ৰথমাৱস্থাত মা-পাপাৰ বিষয়ে সকলোকে প্ৰশ্ন কৰিছিলো ; কিন্তু পিছলৈ যেন ময়ো কিবা বুজিছিলো। ক্লাচ চেভেনৰ বছৰেকীয়া পৰীক্ষাৰ ৰিজাল্ট দিয়াৰ দিনা গম পাইছিলো মায়ে হেনো আত্মহত্যা কৰিছে । কিন্তু মামা আৰু জেঠাইৰ মতে মাক সম্পত্তিৰ বাবে সু-পৰিকল্পিত ভাৱে হত্যা কৰা হৈছিল । নিয়তিয়ে মোৰ লগ এৰা নাছিল । মোৰ বাবে পূজাৰ কাপোৰ কিনিবলৈ গৈ ককা-আইতা গাড়ী দুৰ্ঘটনাত পতিত হয় ।

পাপা আহিছিল ! দুদিনৰ পিছত পাপা আহিছিল । ককা আইতা তেতিয়া হস্পিটেলত । সুদীৰ্ঘ সাত বছৰৰ পিছত পাপাক দেখিছিলো । এঘাৰ দিনৰ পিছত মুণ্ডন কৰি পাপা পুনৰ গুচি গৈছিল দিল্লীলৈ ! পুনৰ মই স্থানান্তৰিত হৈছিলো জেঠাইৰ ঘৰলৈ ! দাদা বাইদেৱে মোক যেন সকলো পাহৰাই দিছিল। দুগুণ উদ্যমেৰে পঢ়ি মেট্ৰিক পৰীক্ষাত ষ্টাৰ মাৰ্ক সহ উত্তীৰ্ণ হৈছিলো । ৰিজাল্ট দিয়াৰ এসপ্তাহ পিছত পাপা আহিছিল । তেতিয়াই মই জানিছিলো পাপা আঠ বছৰীয়া আৰু সাত বছৰীয়া দুটি সন্তানৰ পিতৃ !

জেঠাইৰ ঘৰত সংগীতৰ এটা সু-মধুৰ পৰিবেশ আছিল । দাদা-বাইদেউ দুয়োজনেই গান গাইছিল । দাদা বাইদেউৰ প্ৰেৰণাৰে ময়ো গান গাবলৈ আৰম্ভ কৰিছিলো। জেঠায়ে কৈছিল, মা-পাপায়ো একে লগে বহুত ফাংচন কৰিছিল। সৰুৰে পৰা মই ছবি আঁকিছিলো । মোৰ ছবিবোৰত ক্ৰমে ক্ৰমে মূৰ্ত্ত হৈ হৈছিল মোৰ হেৰুৱা দিনবোৰ । পঢ়া, ছবি অঁকা আৰু গানৰ মাজত নিজকে ডুবাই মই যেন সকলো পাহৰিবলৈ চেষ্টা কৰিছিলো ! তথাপিতো জন্ম দিনবোৰত কেক কটাৰ পিছৰ সময়বোৰ আছিল মোৰ বাবে এক মহাসমৰ ! দাদা-বাইদেউৰ মাজত হাতত কেঁকলৈয়ো অনুভৱ কৰিছিলো হৃদয়ৰ চাৰিকোঠত যেন ধুমুহা । যেন নচিকেতা ৰ কবিতা—

"হয়ত' কারুর বুকে মাথা রেখে
দীর্ঘ শ্বাস হাঁসি দিয়ে রেখে
নিরাপত্তার উষ্ণতা দিয়ে ঢাকবে যন্ত্রনা......... !!!

মই যেন পাপাৰ নতুন সংসাৰ খনৰ পৰা পলাই ফুৰিম । লাহে লাহে এক অদ্ভুত মানসিক যন্ত্ৰণাত ভুগিছিলো । দাদা বাইদেউ যদিও মোতকৈ পাঁচ বছৰ ডাঙৰ আছিল ; তথাপি দুয়ো মোৰ অভিন্ন বন্ধু আছিল, মই সকলোৰে পৰা পলাই ফুৰিছিলো। দাদা-বাইদেউকো মনৰ কথা কব পৰা নাছিলো ।

মেট্ৰিক পাচ কৰা বছৰতে মোক অকলশৰীয়া কৰি দাদা-বাইদেউ দুয়ো এম. এ. পঢ়িবলৈ গ'ল। দিনে দিনে মই অকলশৰীয়াৰ পৰা অকলশৰীয়া হবলৈ ধৰিছিলো । স্থানীয় কলেজখনত হায়াৰ ছেকেণ্ডাৰী পঢ়িবলৈ নাম লগাইছিলো যদিও প্ৰথম বছৰটোত কলেজলৈ ক্লাচ কৰিবলৈ প্ৰায়ে নগলোৱেই। মোৰ ভয় লাগিছিল । কোনোবাই যদি মোক পাপা-মাৰ বিষয়ে সোধে ; মই কি উত্তৰ দিম ! নিসংগতাবোধে আকাশীলতাৰ দৰে মোক মেৰিয়াই ধৰিছিল।

মই সকলোৰে পৰা পলাইছিলো, মাথো পলাইছিলো । আৰু তেতিয়াই লগ পাইছিলো ডিগ্ৰী পঢ়ি থকা আদিত্যক!!!

আদিত্য !!! আদিত্যই মোক আকৌ গান গাবলৈ, ছবি আঁকিবলৈ, হাঁহিবলৈ শিকাইছিল । "Your caring is a garden, in where my love grows !" পঢ়া-শুনাৰ প্ৰতি মোৰ ধাউতি নোহোৱা হৈছিল । কোনোমতে হায়াৰ ছেকেণ্ডাৰী পাচ কৰিছিলো । ডিগ্ৰীত নাম লগোৱাৰ কেইমাহ মানৰ পিছতেই দাদা-বাইদেউ পুনৰ পৰা আহিছিল । দাদা-বাইদেউৰ অনুপস্থিতিৰ দুটা বছৰতে আদিত্যই মোক সকলোৰে পৰা কাঢ়ি লৈছিল । আদিত্যৰ প্ৰেৰণাৰে পঢ়ি পাৰ্ট ৱানত মই ফাৰ্ষ্ট ক্লাচৰ ওচৰা ওচৰি নম্বৰ পাইছিলো ।

দাদা-বাইদেউ কাৰোৰে কথা নুশুনি পাৰ্ট ৱানৰ শেষৰ পৰীক্ষাৰ দিনা পৰীক্ষা দি বাহিৰে বাহিৰে মই আদিত্যৰ ভাৰা ঘৰ পাইছিলো । বিয়াৰ তিনি মাহৰ পিছতেই আদিত্যই স্বৰূপ প্ৰকাশ কৰিছিল । মোৰ নামত থকা পাপা-মাৰ বিশাল সম্পত্তি সম্পুৰ্ণ ৰূপে আদিত্যৰ নামত লিখি দিব লাগে । বিয়াৰ এবছৰ পূৰ্ণ নৌ হওঁতেই কোলালৈ আহিল নিমিষা । ব-হু-ত প্ৰশ্নবোধকৰ বেহুত যেন মই সোমাই পৰিলো । এবছৰেদি মোৰ খবৰ নৰখা দাদাই মোক বেহুৰ মাজৰ পৰা উদ্ধাৰ কৰিছিল । এখন কাগজত চহী কৰি আদিত্যৰ লগত চকুমুদি গুছি যোৱাৰ দৰে ; আকৌ এখন কাগজত চহী কৰি দাদাৰ সতে চকুমুদি গুছি আহিছিলো । বুকুত নিমিষা ।!! মৰিব খুজিও মৰিব পৰা নাছিলো। নিমিষাৰ কি হ'ব । দাদা-বাইদেউৰ অনুপ্ৰেৰণাত আকৌ আগৰ দৰে মইজনী হ'বলৈ চেষ্টা কৰিছিলো । অন্ততঃ নিমিষাৰ বাবে ।

পাপা !!! পাপা আহিছিল মোক নিবলৈ । মই নগলো । বাইদেউৰ বিয়া হল, ঘৰলৈ বৌ আহিল, জেঠাই ঢুকাল (!), মই এম. এ. পাচ কৰিলো, নিমিষাও একলা দুকলাকৈ বাঢ়ি পূৰ্ণিমাৰ জোনৰ দৰে হ'ল । হীৰুদাৰ কবিতা এটা মনত পৰিছে –

"ৰূপালী ৰং চুলিত লাগিছে
বেয়া নেদেখি লাগক
সোণালী খিনি মছি নিদিবা
বুকু জুৰি বৈ থাকক !"

মোৰ জীৱনৰ সোণালী ৰং (?) কোন খিনি !

মোৰ নামত থকা পাপা-মাৰ বিশাল সম্পত্তি সম্পূৰ্ণৰূপে বিক্ৰী কৰি গুৱাহাটীত ফুলৰ ব্যৱসায় আৰম্ভ কৰিলো । সৰু সৰু পুলি এটা নিৰ্দিষ্ট সময়ত ডাঙৰ হয় । তাত নানা ৰঙৰ অজস্ৰ ফুল ফুলে । এই ফুলবোৰৰ মিঠা সুবাস, কোমল পৰশত লাহে লাহে মচ খাব ধৰিলে মোৰ জীৱনৰ দুৰ্দিনবোৰ আৰু মোৰ এই ফুলৰ বাগিছা খন যে কেতিয়া মোৰ জীৱনৰ এক এৰাব নোৱাৰা অংগ হৈ পৰিল গমকেই নাপালো । বিয়া-সবাহৰ পৰা আৰম্ভ কৰি শ্ৰদ্ধাঞ্জলি-পূজা-পাৰ্বণলৈকে অসমৰ চুকে-কোণে মোৰ বাগিছাৰ এই ফুলবোৰ ৰপ্তানি হ'বলৈ ধৰিলে। ইয়াত কাম কৰা ৰঘু, লছমি, জোনালী, ৰাজেন সকলোৰে জীৱনবোৰ একো একোপাহ ফুললৈ যেন ক্ৰমে ক্ৰমে ৰূপান্তৰিত হ'বলৈ ধৰিলে।

কোমল হাতৰ চিনাকী পৰশত মই বাস্তৱলৈ ঘুৰি আহিলো। 'মা ঠাণ্ডা পৰিছে, ভিতৰলৈ ব'ল।' ক'ৰবাত যেন ফেঁচা এটাই উৰুলি দিলে।

কস্তুৰী দেৱী, মহাবিদ্যালয়ৰ স্নাতক তৃতীয় বৰ্ষৰ (কলা বিভাগ) ৰ ছাত্ৰী।

# কি ঐহবাৰ বিয়া কৰাৰ

ৰুমী দেৱী

ৰামুৰ আজি মনটো ভাল লাগি আছে । অইনদিনাখন হলে ৰামুৱে বিছনাৰ পৰা উঠিবলৈ এলাহ কৰে । আজি সি ততালিকৈ উঠি দাড়ি-মোচ কাটিলে । ৰামুৱে ভনীয়েক বিমিক চিঞৰি মাতিলে, ঃ ঐ বিমি এইফালে আহচোন । বিমিৰ পঢ়া কোঠালিৰ পৰা উঠি যাব ইচ্ছা নাছিল যদিও সি কেইবা বাৰো চিঞৰি মতাৰ কাৰণে গ'ল ।

বিমি ঃ কি হ'ল ?

ৰামু ঃ দেনা অলপ চেম্পু আছে যদি ।

বিমি ঃ অ' আজি ছোৱালী চাব যাবাতো, সেই কাৰণে চেম্পু লাগে, নাই মোৰ তাত চেম্পু । কলাখাৰ ঘঁহিলেও চুলি ফুলি উঠিব দেই ।

ৰামু ঃ ঐ শুভ কামত বিলম্ব কৰিব নাপায় বুজিছ, অলপ মান হলেও হবদে। এইবাৰ যদি ছোৱালী দিয়ে মই ভাবিম তই দিয়া চেম্পুৰ গোন্ধতে মোক ছোৱালী দিলে ।

বিমি ঃ চেম্পু-তেম্পু নলগালেও কপালত থাকিলে এনেয়ো ভাল ছোৱালী পাবা ।

বিমিয়ে চেম্পু আনিবলৈ উঠি গ'ল । ৰাতিপুৱাৰ সুন্দৰ মলয়া জাক তেতিয়াও বলি আছিল । কিন্তু ৰামুৰ তেনেকুৱা পৰিবেশতো হঠাতে খং উঠি গ'ল, আগতেও ক'ত চেম্পু, পাউদাৰ, সুন্দৰ পাৰফিউম ব্যৱহাৰ কৰি ছোৱালী চাবলৈ গলো । ক'তা মুখলৈ চোৱাটো বাদেই, পাৰিলে বাটৰ পৰাই কব খোজে আমি ভেস্তাৰ স্কুলৰ শিক্ষকৰ লগত ছোৱালী বিয়া নিদিওঁ । এহ্ এহ্ নিদিয়ে নাই, নিব সিহঁতক মিনিষ্টাৰে আহি । দাদায়ে ভাল কৰিলে, ছোৱালী ৰাখি

থৈছিল আৰু উপযুক্ত সময়ত আনিলে। গতিকে চেঙেলি মাছ হৈ প্ৰশান্ত মহাসাগৰ ঘূৰিব লগা লহ'ল । গাঁৱৰ মানুহে ক'ত কথা উলিয়ালে । কিন্তু নবৌৰ নিছিনা সুন্দৰ তিৰোতাতো গাৱঁত কোনো এজনীও নাই। কামে-বনে, ৰূপে-গুণে নবৌ কিমান সুন্দৰ । সচাঁকৈয়ে কিছুমান নাৰী দেৱীৰ নিছিনা। কিন্তু এতিয়া সেই বু-বা কৰা বোৰে মৌলৈ এজনী ছোৱালী নাচায় কিয়? সিহঁতৰ দেখোন তালৈ কাণ-সাৰেই নাই, এই দুকুৰি বছৰ হব আহি। অ' এনেইহে বৰ বৰ কথা; কামতহে চিনি পোৱা যায় । এওঁলোকক ঘৰৰ মানুহ কেইটা নহলে মৌলৈ দেখোন চিন্তা কৰাবে মানুহ নাই । পিছে ৰাইজক দুষিলেনো কি হ'ব । তাৰ কপালেই বেয়া । কিয় সিও দেখোন হৰেকৃষ্ণ মাষ্টৰৰ সৰু ছোৱালীজনী ভাল পাইছিল । তাইৰ কাৰণে তাৰ যে কি নহ'ল । যি কেইটা টকা সাঁচে আটাইকেইটা তাইৰ লগতে শেষ হয়, পাউদাৰ স্নোৰ পৰা আৰম্ভ কৰি চিনেমা দেখুৱালৈ । কিন্তু তাই বেটিয়ে মোৰ লগত বাৰ বছৰ প্ৰেম কৰি শেষত মোক ঠগিলে । বেংকত চাকৰি কৰা পিয়ন এজনৰ লগত তাই বিয়া হ'ল । এতিয়া তাই বোলে খুব সুখী । মই কি দুখ দিলো হয় তাইক । এনেয়ে হলে য'তে যাবা ত'তে কেৱল ছোৱালী । বিয়া- সবাহ সকলোতে ছোৱালী, ছোৱালীৰ উৎপাতত ৰবই নোৱাৰি । কিন্তু বিয়া কৰাৰ বিচৰা সময়ত এজনীও নাই । বিমিয়ে ওচৰত আহি তাক হেঁচুকি দিয়াতহে তাৰ জ্ঞান আহিল । বিমিয়ে কলে ঃ ঐ দাদা কি চিন্তা কৰি আছ, বিয়া নকৰাওঁতেই কল্পনা কৰিছ নেকি ? ধেৎ বুলি সি তাইক নাৰিবলৈ খেদি গ'ল । হয়তো ; সি এনেয়ে এইবোৰ কি অযথা কথা চিন্তা কৰি আছে । ভিনিহীদেৱেকে কৈছে সি আজি চাবলৈ যাব খোজা ছোৱালীজনী দিবই বোলে আৰু নগদ ২৫ হাজাৰ মান টকাও দিব, সম্পত্তিটো বাদেই । ভগৱান সচাঁই আছে, নহলেনো অইন বাৰ ছোৱালী চাবলৈ গলে সুদা ছোৱালীজনীয়ে নিদিয়ে আৰু এতিয়া টকা পইচাৰে ছোৱালী । সি দৌৰি ঘড়ীটোলৈ চালে চাৰে আঠ বাজি গৈছে । সি ততালিকে বাথৰুমত সোমাল ।

বাহিৰত জগদীশৰ মাত শুনা গ'ল। ঐ ৰামু কি কৰি আছ ; হ'ল নে নাই, পিছত গান গাবি আহ । সি আজি ভিনদেৱেকে কোৱা ছোৱালীজনী জগদীশৰ লগত চাবলৈ যাব । ছোৱলীৰ ঘৰ ছিপাঝাৰৰ সিফালে । সি গা-পা ধুই আহি বৌৱেকক ভাত কেইটা সজাব দি পেন্ট চাৰ্ট পিন্ধিলে । পেন্ট-চাৰ্ট জোৰ কালিয়ে ইষ্ট্ৰি কৰি থৈছিল । ভাত কেইটামান খাই থাকোতে বৌৱেকে হাঁহি মাৰি ক'লে আৰু দুদিন মান পিছত লগ এজনী পাম দিয়া । দুয়ো লগে ভাগে কাম কৰিব পাৰিম । সি বৌৱেকলৈ চাই হাঁহিলে, ৰবা, ৰবা ইমান আশা নকৰিবা তেওঁ বা কি মূৰ্ত্তি লৈ আহে। নে মইহে ভাত ৰান্ধি খুৱাব লাগে । দুয়োৱে হাঁহিলে ।

ৰামুৱে মাক দেউতাক বৌৱেক হঁতক মাত লগাই জগদীশৰ লগত যাবলৈ ওলাল । গাড়ীত গৈ ছিপাঝাৰত নামি ভিনদেৱেকে কোৱা মতে ছোৱালীৰ গাওঁ পালে যদিও এজন লৰা লগ পাই সুধিলে, হেৰা বাসুদেৱ দাৰোগাৰ ঘৰ কোনটো ? লৰাজনে আঙুলিয়াই ক'লে সেইটো ঘৰ এৰি দ্বিতীয় ঘৰ খনেই । ৰামু আৰু জগদীশ অলপ গৈ ঘৰ দেখি আচৰিত হ'ল বাঃ কি ঘৰ । জগদীশে ৰামুক কাণে কাণে কলে, ঐ ৰামু ভিনদেৱৰে ফাঁকি দিয়া নাইতো । ৰামুৱে ক'লে, ভিনদেৱে ফাঁকি নিদিয়ে, ভগৱান সহায় বুজিছ, ভগৱান সহায় । ঘৰটোৰ ডিজাইন একেবাৰে হিন্দি চিনেমাৰ ঘৰৰ দৰে । দুয়ো আগবাঢ়ি গৈ গেট খুলিলেহে মাত্ৰ এজন আদহীয়া মানুহ আহি হাঁহি মাৰি আগবঢ়াই লৈ গ'ল । বাৰান্দাত ৰান্ধি থোৱা প্ৰকাণ্ড কুকুৰটো দেখি জগদীশৰ প্ৰথমতে ভয়েই লাগিছিল। সিহঁতক নি বহিবলৈ দি মানুহজনে কলে সিহঁতে চাবলৈ যোৱা ছোৱালীজনীৰ তেৱেঁই দেউতাক । মাকহঁতকো আনি চিনাকি কৰি দিলে । মানুহজনে ৰামুৰ স্কুলৰ কথা সুধিলে, এনেকৈয়ে তিনিওৰে মাজত কথা-বাৰ্তা চলিল অলপ সময়ৰ পাছত মানুহজন ওলাই গ'ল । ৰামুৰ বুকুখন ধপ্-ধপাবলৈ ধৰিলে, ইমান ধনী মানুহ, ছোৱালী বা তাক দিয়েনে নিদিয়ে ভেঞ্চাৰ স্কুলৰ মাষ্টৰ বুলি? সি মুখৰ ভিতৰতে কবলৈ ধৰিলে, হেঃ ভগৱান শিৱ; এইবাৰ জানো বিয়াখন হয় । মোক টকা'নালাগে প্ৰভু মাত্ৰ ছোৱালীজনী হলেই হ'ল। জগদীশে ৰামুক ক'লে ঃ এই ৰামু নহলে তুমি বেলেগ চাকৰি কৰা বুলি কও দিয়া । ৰামুৱে জগদীশক কলে তুমিও ভগৱানক মাতাচোন, ঐ জগদীশ নহলে পইচা নালাগে বুলি কম । ৰামুৱে কলে ছোৱালীজনী বা কেনেকুৱা, মাতটো বা কেনেকুৱা, জগদীশে কলে ঃ ধনী ঘৰৰ ছোৱালী ধুনীয়াই হ'ব ।

এনেতে বাহিৰত কোনোবা অহা শুনি দুয়ো থিক থাক হৈ বহিল । এজনী ৪০/৪৫ বছৰীয়া ছোৱালী সোমাই আহিল । সেই আদহীয়া মানুহজনে সোমাই আহি ক'লে এইজনীয়ে মোৰ ছোৱালী । ছোৱালীজনীয়ে নমস্কাৰ জনাই চাহ খাওক বুলি ক'লে । জগদীশে ৰামুক ভৰিৰে খুচি মাৰি দিলে । ৰামুৱে ছোৱালী জনীক আপুনি বুলি কব খুজিও তোমাৰ নাম কি বুলি সুধিলে ৰামুৱে মনতে ভগৱানক ক'লে হে ভগৱান এওঁ দেখোন মোৰ মাতকৈয়ো ডাঙৰ হ'ব, এওঁক মই বাইদেউ বুলি মাতিম নে কি বুলি মাতিম ।

ছোৱালীজনীয়ে কলে, মোৰ নাম জয়া ৰবা আৰু আপুনি দেখোন মোৰ ফালে চায়ে থাকিল । কি হ'ল ? ৰামুৱে নাই নাই একো হোৱা নাই বুলি চাহ খালে।

ভাত-পানী খাই উঠি দুয়ো উভতি আহিব খোজাত ছোৱালীৰ দেউতাকে কলে, সোনকালে ঘৰত আলোচনা কৰি তাৰিখ লবা আৰু টকাখিনি ময়ে ঘৰত দি আহিম গৈ । ৰামু আৰু জগদীশ গেট পাৰ হৈ অলপ আগুৱাই আহিল। ৰামুৱে জগদীশক কলে, ঃ তাইতকৈ মাক জনীক দিলে বিয়া কৰাব পাৰি, ৰূপৰ কথা নকওঁৱেই বয়সত মাক জনীয়ে অলপ সৰু হব পায় । বিয়া হ'ল বুলি বুঢ়ী এজনীক বিয়া কৰাব নোৱাৰি নহয় । জগদীশ; আৰু মই বিয়া নহওঁ, আজি গৈ ঘৰত কম । জগদীশে ক'লে ঃ এই ৰামু তই ভুল বুজিছ তাই আচলতে সৰু ছোৱালী । ৰামুৱে এইবাৰ খঙত উত্তেজিত হৈ কলে তই ঠাট্টা কৰিব নালাগে, নমবো যদি তোৰ পালতো দেখিম নহয় । জগদীশে কলে ঃ তই এনেয়ে মোক খং কৰিছ । শুন মই কওঁ, তাইৰ বয়স কমেও ৪০ বা ৪৫ বছৰ আৰু টকা দিব ২৫ হাজাৰ । গতিকে ৪৫ পৰা ২৫ গলে ২০ বছৰ। বাকী বয়স তাইৰ টকা সম্পত্তিৰ লগত কটা গ'ল । চাচোন তাই কিমান সৰু ছোৱালী ।

এইবাৰ ৰামু আৰু জগদীশ দুয়ো হাঁহিলে । ৰামুৱে ভাবিলে জগদীশে ঠিকেই কৈছে, সি এইবাৰ সচাঁকৈয়ে বিয়া কৰাব । ✠✠

ৰুমী দেৱী, মহাবিদ্যালয়ৰ স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰী।

# সভাভঙ্গৰ অন্তত

পৰেশ কুমাৰ বড়া

একাজলি পুষ্পাঞ্জলি পালেই শ্বহীদ বেদী শোভিত হৈ নুঠে, যদিহে মনত শ্ৰদ্ধা আৰু শুদ্ধতাৰ ভাৱ নাজাগে। পুৱাৰ অৰুণৰ হেলনীয়া জেউতিয়ে বেদীটো উজ্বলাই তুলিছে। বঙা বঙা আখৰ কেইটা জিলিকি উঠিছে—

"বচিম গান আই বিজয়ৰ
সৃষ্টি কৰিম মহা সুৰ সমলয়ৰ
দেশবাসীয়ে গাব নাচিব
আমাৰ বুকুৰ তেজেৰে তিওৱা বিজয়-ধ্বজা
বতাহত উৰিব।"

আজি শ্বহীদ স্মৃতি দিৱস। ডেকা-গাভৰু, শিশু, বৃদ্ধ আদি সকলো সমৱেত হৈছে শ্বহীদ বেদীৰ কাষত। কিছু পিছতেই আহি পাব মন্ত্ৰী মহোদয়। সেয়েহে সমূহ ৰাইজ শাৰী পাতি ঠিয় হৈ আছে। তেওঁলোকে শ্বহীদক সেৱা জনাবলৈ আহিছে নে অন্য কাৰোবাক শ্ৰদ্ধা জনাবলৈ আহিছে ধৰা টান হৈ পৰিল। মানুহৰ ভিৰে বেদীটোক নেদেখা কৰি তুলিলে। সকলোৰে বেদীটোক পিছফালে থৈ বেদীৰ ৰক্তবৰ্ণ আখৰৰ পৰিবৰ্তে ৰক্তবৰ্ণৰ লাইট ধাৰণ কৰা গাড়ীৰ সন্ধানত চকুৰ মণি পকাবলৈ ধৰিলে।

ৰণ্টু শইকীয়া। ৰণ্টুৱে কি কৰা নাছিল? কামাণ্ডাৰ ইন-চিফে নিৰ্দেশ দিয়া মাত্ৰেই সিহঁতৰ দলটোৱে প্ৰতিপক্ষৰ শত্ৰুলৈ ধাৰাসাৰে গুলি বৰ্ষণ কৰিছিল ট্ৰিগাৰত তৰ্জনী আঙুলিৰে দিয়া অনৰ্গল হেঁচাৰে। উফৰি পৰিছিল প্ৰতিপক্ষ। পাহাৰৰ শিখৰলৈ ৰণ্টুহঁতৰ দল ধাৱমান হৈছিল। ওপৰত থকা শত্ৰু সেনানীয়ে অনায়াসে কৰা গুলি বৰ্ষণক সেও নামানি সিহঁতে শিয়ালৰ গাঁতবোৰত লুকাই লুকাই আগবাঢ়িছিল। ৰণ্টুহঁতৰ প্ৰত্যুত্তৰত শত্ৰু সেনাৰ ট্ৰিগাৰ হেঁচা উদ্যত আঙুলি জঠৰ হৈ পৰিছিল। অসংখ্য শত্ৰু সেনা ঢলি পৰিছিল। পাহাৰ বগাই বগাই ৰণ্টুহঁত পাইছিল গৈ শিখৰ। শৰীৰত থাকিলেও মনত নাছিল কোনো ভাগৰ। সিহঁতে দেশৰ পতাকা উৰুৱাই নিজৰ বিজয় সাব্যস্ত কৰিছিল। ঠিক তেনেতে ওলোটাফালৰ পৰা অহা কেইবাজাঁই শত্ৰুৰ গুলিয়ে ৰণ্টুৰ বুকু ভেদি গ'ল অলক্ষিতে। তাৰ নশ্বৰ দেহ মাটিত ঢলি পৰিল। তাৰ থোকাথুকি কণ্ঠৰ অন্তিম স্বৰ-- "দেশ উদ্ধাৰ হৈছে, উভালি দে গছ শিপাৰে সৈতে।" সতীৰ্থ সেনানীয়ে শত্ৰু সেনাক গুলিয়াই নিঃশেষ কৰি দিলে। ৰণ্টুৰ মৃতদেহ কঢ়িয়াই আনিলে সতীৰ্থহঁতে। তাৰ জন্মস্থান সোণপৰা গাৱঁত শেষকৃত্য সম্পন্ন কৰা হ'ল। সেই ঠাইডোখৰতেই গঢ়ি উঠিল এটা শ্বহীদ বেদী যাৰ আজি একছৰ পূৰ্ণ হ'ল। আজি ৰণ্টুৰ আদৰ্শক শ্ৰদ্ধা জনাবলৈ সমৱেত হৈছে অগণন মানুহ। তাৰে কেইজন মন্ত্ৰী মহোদয় আহিছে মুখ্য পুষ্পাঞ্জলি তৰ্পক স্বৰূপে। শ্বহীদ স্মৃতিৰ উদ্দেশ্যে দিয়া ভাষণত মন্ত্ৰীয়ে ৰণ্টুৰ প্ৰতিমূৰ্তি এটা স্থাপনৰ উদ্দেশ্যে পাঁচ লাখ টকা প্ৰদানৰ কথা ঘোষণা কৰিলে। অগণন হাত চাপৰিয়ে আকাশ মুখৰিত কৰি তুলিলে। মন্ত্ৰীয়ে বিদায় ল'লে। সমৱেত অসংখ্য মানুহেও শ্বহীদ বেদী এৰি থৈ মন্ত্ৰী মহোদয়ৰ পিছ ল'লে। তেওঁলোকে বেদীক সন্মান জনোৱাৰ প্ৰয়োজনবোধ নকৰিলে। সিঁচৰিত হৈ পৰি থকা ফুলবোৰ গচকি গচকি মানুহবোৰ আগবাঢ়িল মন্ত্ৰীৰ পদাংক অনুসৰণ কৰি। প্ৰত্যেকৰে হাতত একোখন আবেদন পত্ৰ।

আৰম্ভণিৰে পৰা থিয় হৈ থকা জাহ্নবীয়ে নীৰৱে উচুপি উঠিছিল। তাইৰ হুকহুকাই কান্দি দিবৰ ইচ্ছা হৈছিল। তাইৰ চিঞৰি চিঞৰি কৈ দিবৰ ইচ্ছা হৈছিল— 'ৰণ্টু, তোৰ স্বাৰ্থত্যাগক আজি মানুহে সন্মান কৰা নাই বৰং প্ৰতাৰণা কৰিছে। হাত চাপৰি বজাই আজি তোৰ আদৰ্শক সমৰ্থন জনোৱা নাই, তাচ্ছিল্যহে কৰিছে। সৌৱা আজি স্বাৰ্থৰ পিছে পিছে মানুহৰ শাৰী, তই থাক নীৰৱে পৰি।' জাহ্নবী ঘৰলৈ আহি তাইৰ শোৱনি কোঠাত শুই পৰি হুকহুকাই কান্দিব ধৰিলে। চকু পানীয়ে তাইৰ গাল তিয়াই পেলালে। ক্ষান্ত হৈ তাই পুৰণা দিনৰ চিঠিৰ টোপোলাটো উলিয়াই ল'লে। এখন এখনকৈ তাই চিঠিবোৰ পঢ়িবলৈ ধৰিলে—

মৰমৰ জান,

তইটো বুজিছই মোৰ কিমান কষ্ট। কিমান দুখৰ মাজতো তোৰ চিঠিয়ে মোক প্ৰেৰণা দিয়ে তাক বুজাবলৈ ভাষা নাই জান। বুজিচ জান, মোৰ এনে ভাৱ হয় যেন মই কেতিয়াবা মৰি থাকিম। তেতিয়া যে কি হ'ব মই ভাৱি পাব নাপাওঁ। মই মৰিলেও তই কিন্তু বাচি থাকিবিদেই। তই মোক পুনৰ জীয়াই তুলিবি। মোৰ স্মৃতি জনগণৰ অন্তৰে অন্তৰে সিঁচি দিবি। ইতি

তোৰ
'ৰণ্টু'

তাই ঠিৰাং কৰিলে, "নাই, ৰণ্টুক জীয়াই তুলিবই লাগিব। জনগণৰ অন্তৰে অন্তৰে ৰণ্টুৰ আদৰ্শ সিঁচি দিব লাগিব। মানৱ মনক ভেঁটা দি স্বাৰ্থহীনতাৰ সোঁত বোৱাই দিব লাগিব—— মানৱতাৰ সাগৰত পৰাকৈ।।

পৰেশ কুমাৰ বড়া, মহাবিদ্যালয়ৰ স্নাতক তৃতীয় বৰ্ষৰ কলা বিভাগৰ ছাত্ৰ।

# স্বপ্ন

চিত্ৰাৰাণী বৰুৱা

আজি কেইদিন মানৰ পৰা মোক এখন মুখে বৰকৈ আমনি কৰি আছে। সেই মুখৰ গৰাকীজনক মোৰ দুনয়নে বিচাৰি ফুৰিছে। ক্লাচ নাথাকিলে দেখাৰ সৌভাগ্য কেতিয়াও নহয়। কাৰণ ক্লাচ নকৰি ঘুৰি ফুৰিলে বাইদেৱে গালি দিয়ে। মোৰ হ'লে তেওঁৰ লগত কথা পাতিবলৈ বৰ মন যায়। তেওঁৰো বাৰু মন যায়নে মোক মাতিবলৈ ? কিন্তু তেওঁক যে মই দেখাই নাপাওঁ। এনেতে এদিন গম পালোঁ পাঁচ তাৰিখৰ পৰা *College Week* আৰম্ভ হ'ব। ভাৱিলো এয়ে হ'ব সোণালী সুযোগ। মোৰ এনে লাগিল যেন 'সুৰাগ' ধাৰাবাহিকৰ ইন্সপেক্টৰ ভাৰতে যেনেদৰে হত্যাকাৰীৰ অনুসন্ধান কৰে, ঠিক তেনেদৰে ময়ো কৰিম অনুসন্ধান এখন সুন্দৰ, মিঠা বৰণীয়া মুখৰ।

*College Week* আৰম্ভ হৈছে। কেইটামান বিষয়ত যোগদান কৰিছোঁ। তথাপি মনটো বৰ অশান্ত হৈ আছে। আগেয়েতো মোৰ এনে হোৱা নাছিল। বহুতক দেখিছো, বহুতক লগ পাইছো। তেতিয়া মোৰচোন একো বেলেগ প্ৰতিক্ৰিয়া হোৱা নাছিল। কিন্তু এতিয়া কিয় এনে হৈছে মোৰ ? মই কি তেওঁৰ ......? কিন্তু ক'তো তেওঁক দেখা পোৱা নাই। অথচ লগৰ ল'ৰাজনক সদায় দেখো। এই ল'ৰা জনক ভালকৈয়ে মাতো, তথাপি তেওঁৰ কথা সুধিব নোৱাৰো। তেওঁৰ চাগে এইবোৰত অকণো ৰাপ নাই। তথাপি মই ক্লান্ত হোৱা নাই। মোৰ অনুসন্ধানী চকুযোৰে আশা এৰি দিয়া নাই। সিহঁত দৃঢ় প্ৰতিজ্ঞ যে তেওঁক উলিয়াই হে এৰিব। কেতিয়াবা ভাৱো এয়েই নেকি প্ৰেম ?

আজি খেল পথাৰত চাইকেলৰ খেল আছে। কিমানে যে প্ৰেক্‌টিচ কৰা নাই। ইফালে সম্পাদকৰ লগৰবোৰৰতো কথাই নাই। স্পীকাৰত যে কিমান ঘোষণা ? ময়ো খেল চাম বুলি ৰাতিপুৱাই হোষ্টেলৰ পৰা ওলাই আহিছো। আজিও দৃষ্টি নিক্ষেপ কৰিছো সেই মৰম লগা মোৰ নিদ্ৰা হৰণকাৰী জনক বিচাৰি। এনেকৈ চাই থাকোতেই অজানিতে এঠাইত মোৰ দুনয়ন নিবদ্ধ হৈ ৰ'ল। এয়া সপোন নহয়তো। তেওঁ যে মোলৈয়ে চাই আছে, ল'ৰা এজনৰ কান্ধত মুখখন থৈ। মই কিন্তু চাব পৰা নাই। মানুহটো কেৱল ঘামিছো। লাজত নে ভয়ত ক'ব নোৱাৰো কিন্তু মই চাব খোজোতেই ক'ত জানো হেৰাই গ'ল তেওঁ ? তেওঁক দেখি যে মোৰ ইম্মান ভাল লাগিছিল কেতিয়া যে কম পালোহি গমেই নাপালো।

হোষ্টেলৰ ছোৱালী কেইজনীমানে ফাংচনত নাচিবৰ বাবে প্ৰেক্‌টিচ কৰি আছে। মোকো লগ ধৰিছিল বান্ধৱী এজনীয়ে তাইৰ লগত নাচিবৰ বাবে। দেউতাই মানা কৰা বাবে নানাচিলো। সাতমান বজাত ফাংচন চাবৰ বাবে কলেজলৈ যাওঁ। বহুত গায়ক মাতিছে বোলে। এজনী শিশু শিল্পীও আছে হেনো। ফাংচনলৈ গৈ নিশ্চয় ভাল লাগিব। আমাৰ কলেজৰ ল'ৰা-ছোৱালীবোৰেও গীত-মাত গাব। চকীখনত বহিছোহে মাত্ৰ, এনেতে পশ্চিম ফালৰ কেইজনমান ল'ৰাৰ লগত সেই মৰম লগা মুখৰ ল'ৰাজনক দেখিলো। আজিও যেন তেওঁ মোলৈকে চাই আছে। মোক দেখুৱাই লগৰজনক কিবা এটা কোৱা যেন পাইছো। ইমান লাজ লাগিছে। চাবও আশা এৰি দিয়া নাই ইফালে গায়ক-গায়িকাৰ গানত ল'ৰাবোৰে নাচিব ধৰিছে। পাছ ফালৰ পৰা কোনোবাই 'হৰি ব'ল হৰ' দি আছে। কিন্তু আমাৰ চকুৰ চাৱনিৰ বাহিৰে আন একো বিনিময় হোৱা নাই। মই তেওঁলৈ চাই থাকোতে প্ৰগ্ৰেম চাবই পাহৰি যাওঁ। তেওঁ চাগে প্ৰগ্ৰেমত মন দিয়া নাই। কিন্তু এ...ই....য়া কি ? মই চকুৰে ভুল দেখা নাইতো। তেওঁ যে মোৰ ফালে আহি আছে মুখত এটি মিচিকিয়া হাঁহি লৈ। ইম্মান ভাল লাগিছে মোৰ। কিদৰে যে বুজাম ভাষাই বিচাৰি পোৱা নাই আনন্দৰ আতিশয্যত ডুব গৈ থাকোতে কেতিয়া যে ব্ৰেক্ ডান্স মাৰিলো ক'বই নোৱাৰিলোঁ। কিন্তু........ কি আচৰিত। মই দেখো বিছনাত নাই। বাইদেৱে হাঁহি আছে মোলৈ চাই। তাৰ মা..নে ম..ই.. ইম্মান সময়ে সপোন কোঁৱৰৰ স্বপ্নহে দেখি আছিলোঁ।।

চিত্ৰাৰাণী বৰুৱা, মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ ছাত্ৰী।

দক্ষিণ মেৰুত অভিযান চলাবলৈ যোৱাতকৈ চকুৰ আগত দেখি থকা এহাল স্বামী-স্ত্ৰী, শোক বিহ্বলা এগৰাকী মাতৃ বা এটা ঘোঁৰাৰ যন্ত্ৰণা- এইবোৰেই ভাল সাহিত্যৰ সমল হব পাৰে। লেখক জনৰ যোগ্যতাইহে সাহিত্যৰ মান নিৰ্দ্ধাৰিণ কৰে।

*এন্টন চেকফ।*

সেই শিল্পই সঁচা শিল্প য'ত জীৱন প্ৰতিফলন হয়। ইয়াত পোৱা যায় মানৱ জীৱনৰ দ্বন্দ্ব-সংঘাট, সংগ্ৰাম, প্ৰেৰণা, জয়, পৰাজয়, মৰম, ভালপোৱা আৰু এজন মানুহৰ ব্যক্তিত্বৰ আটাইকেইটা দিশ। সেই শিল্পই সঁচা শিল্প যি জীৱন সম্পৰ্কে মিছা ধাৰণা নিদিয়ে।

*নাজিম হিকমত।*

# সৰা পাতৰ গোন্ধ

শৰৎ চন্দ্ৰ নাথ

নন্দিতা কলেজৰ পৰা আহি হাত-মুখ ধুই ঘৰ সোমাইছেহি ।এনেতে চোতালত চাইকেলৰ বেলৰ শব্দ শুনি তাই বাহিৰলৈ ওলাই আহিল । মহেন্দ্ৰ পিয়নে এজাপ চিঠিৰ মাজৰ পৰা খাম এটা উলিয়াই নন্দিতাৰ হাতত দিলে । মহেন্দ্ৰ পিয়ন নন্দিতাহঁতৰ গাঁৱৰেই । তেওঁ অবিনাশ ঘৰত আছে নে নাই সুধিলে ।ডাঙৰ বোপাৰ্লৈ ইমানবোৰ যে পত্ৰ আহে, কিমান যে কলিং লেটাৰ আনিলো অথচ আজিলৈ এখন এপইন্টমেণ্ট লেটাৰ আনি দিব পৰা নাই । এপইন্টমেণ্ট লেটাৰ খন আনিবৰ দিনা মোক কিন্তু ভালকৈ চাহ একাপ খুৱাব লাগিব বুলি গুছি গ'ল ।

নন্দিতাই খামটো হাত পাতি ল'লে যদিও তাইৰ মনটো অজান শিহৰণে জোকাৰি গ'ল । মহেন্দ্ৰ পিয়নে কোৱা কথাষাৰ নন্দিতাই মনতে ভাবিলে, সচাঁকৈয়ে দাদাৰ চাকৰি এটা হ'লে কিমান যে আনন্দ লাগিব । মহেন্দ্ৰ দাদাক চাহ কিয়, চাৰ্টৰ কাপোৰ এটাকেই দিব লাগিব ।ইমান ভাল খবৰ এটা তেওঁ লৈ আহিব অথচ আমি তেওঁলোকৰ কথা এবাৰ ভাবোনে ?

এনতে ঘৰৰ ভিতৰৰ পৰা দেউতাক ধৰণী মাষ্টৰে মাত লগালে— কোন অ' মাজনী ? নন্দিতাই ক'লে— ডাঙৰ দাদাৰ কলিং লেটাৰ মহেন্দ্ৰ দাদাই দি গৈছে ।

মা, লাটু অহা নাই নেকি ?

আহিছে । বাৰমান বজাতেই আহি পাইছে । আহিয়েই হুলস্থুল । কোনোবা এগৰাকী সাহিত্যিক ঢুকাইছে হেনো ? স্কুলত শোক সভা হ'ল । মই সুধিলো কোন সাহিত্যিক ঢুকাইছে । বাতৰি কাকতত দেখোন পোৱা নাই। মোৰ কথা আওকাণ কৰি সি জোনৰ লগত কেৰমত লাগিলেই ।

চোৱাছোন, সি অহা যেন পাইছিলোঁ ।

নন্দিতাই গৈ দেখে লাটু বিছনাত দীঘল হৈ শুই আছে । নন্দিতাই তাৰ কাণত কাগজৰ টুকুৰাৰে পিৰপিৰাই দিলে ।

লাটু উচপ্ খাই উঠিল । সি বাইদেৱেকৰ চুলিত ধৰি এটান দিলে । তাই চিঞৰি উঠিল— এৰি দে, এৰি দে , ঐ চুলিত কিয় ধৰ ? তোক মানা কৰা নাছিলো চুলিত ধৰিবলৈ ?

অ' চুলিত নধৰি ঠুটৰিত ধৰিব লাগে ?

বাৰু, লাটু স্কুলত শোক সভা কিয় হৈছিলনো ?

সেইটো মই ক'ব লাগিব নেকি ?

কছোন, আমাৰ কলেজ হাফ হোৱা নাই সেই কাৰণেহে সুধিছো ।

শুন তেনেহ'লে— লক্ষ্যধৰ বৰুৱাৰ আজি ৰাতিপুৱা চাৰে আঠ মান বজাত মৃত্যু হৈছে । বুজিলি ?

লক্ষ্যধৰ বৰুৱা ? অ লক্ষ্যধৰ চৌধুৰী । তোৰ দেখিছো সাধাৰণ জ্ঞানে মুধা ফুটিছে গৈ ।সাহিত্যিক গৰাকীৰ নাম শুদ্ধকৈ ক'ব নোৱাৰ ।দুদিন পিছত বি.এছ চি. পঢ়িবি'গৈ ?

সিহঁতৰ কাজিয়া শুনি দেউতাকে মাত গালে— কি হ'ল অ' মাজনী ?

দেউতা লাটুৰ সাধাৰণ জ্ঞান লাটুম হৈছে ।

ঐ ইমান পেক্পেক্ কৰি নাথাকিবি সাহিত্য প্ৰেমী, সাহিত্যিকৰ বিষয়ে জানে, কিয়, তহঁতৰ কলেজৰ আলোচনী দেখোন প্ৰকাশ পালে । আমাৰ সাহিত্য প্ৰেমীৰ নামটোছোন এঠাইতো নাপালো ? নন্দিতাৰ চুলিখিনিত লাহেকৈ টান এটা মাৰি লাটু ওলাই গ'ল ।

মাজনী, কাজিয়া শেষ হৈছে যদি মোক চাহ একাপ দিবা ।

নন্দিতাই চাহৰ কেট্‌লী জুহালত তুলি দিলে । তাই ভাবিলে লাটুৰ আগত এইখিনি ধেমালি কৰিব নাপালে কিজানি হাঁহিবলৈকেই পাহৰি থাকিলোহেঁতেন ।

মাজনী আজি বিদিশাৰ মাক আৰু জেঠায়েক আহিব বুলি মাৰৰ পৰা শুনিলো । কিয় আহিব তোমাক কৈছে জানো ? নন্দিতাই দেউতাকৰ হাতত চাহকাপ দি ক'লে- অহাৰ কাৰণটো মোক নকলে। এই বুলি কৈ তাই বান্ধনী ঘৰলৈ পোনালে।

দেউতাক কিছু চিন্তিত হ'ল ।অভিভাৱক হিচাপে তেওঁৰ দায়িত্ব সঠিক ভাৱে পালন কৰিব পাৰিছে জানো ? চাকৰিৰ পৰা অৱসৰ লোৱা আজি তিনিবছৰ হ'ল অথচ আজিলৈকে লৰা ছোৱালী কোনো এজনক সংস্থাপন দিব পৰা নাই।ডাঙৰ লৰা অবিনাশ Education ত 1st class লৈ চাকৰিৰ বাবে হাবাথুৰি খাইছে। মাজু ল'ৰা প্ৰকাশ বি, এচ, চি সম্পুৰ্ণ নকৰি ঘৰৰ পৰা যি ওলাই গ'ল আজিলৈকে উভতি নাহিল। মাজু জনীৰ Part I ৰিজাল্ট মোটা-মোটি ভালেই বুলিব লাগিব। Economics Major ত 58% । উপযুক্ত লৰা পালে তাইক উলিয়াই দিব পাৰিলেও কিছু মুক্ত হ'ব পাৰিলো হেতেন। লাটু.........

এনেতে ঘৈণীয়েক সবলাৰ মাতত ধৰণী মাষ্টৰ উচপ খাই উঠিল। হেৰি ইমানকৈ কি ভাবি আছে ? চাহ নাখালে দেখোল ? তেওঁৰ চাহকাপ হাতত তুলি লৈ ঘৈনীয়েকক উদ্দ্যেশি কলে- বিদিশাৰ জেঠায়েক কি কাৰণত বা আহিব খুজিছে। কিবা সকাম লৈ আহিব চাগৈ। হয়তো ছোৱালীৰ সংক্ৰান্ততেই.......। যিকি নহওক মই অলপ বজাৰৰ পৰা আহো।

বজাৰৰ পৰা আহি দেখে আলহী আহিছেই আটায়ে হাঁহি মাতি চাহ জলপানৰ পৰ্ব শেষ কৰিলে। নন্দিতাই নতুনকৈ ডাইচ কৰা মেখেলা চাদৰ যোৰ দেখুৱাবলৈ বিদিশাক ঘৰৰ ভিতৰলৈ লৈ গ'ল।

নন্দিতাই মাক দেউতাকৰ আগত বিদিশাৰ কথাটো উলিয়ালে। বাইদেউৰ ল'ৰা ৰঞ্জন দত্তৰ বাবে নন্দিতাক বোৱাৰী কৰি নিব বিচাৰে। ৰঞ্জন বোপা বেংকৰ উচ্চ পদস্থ বিষয়া। চাকৰি কৰা তিনি বছৰেই হ'ল।

বিদিশাৰ জেঠায়েকে ক'লে- ৰঞ্জনে নন্দিতাক দেখিছেও। আপোনালোকৰ পৰা সঠিক উত্তৰ পালে আমি আগবাঢ়িব পাৰো। ৰঞ্জনে আগতীয়াকৈ আঙঠি পিন্ধাই থব বিচাৰে।

বাহিৰত সন্ধিয়াৰ পৰশ লাগিছিল। বিদিশাহতক বিদায় দি নন্দিতা তাইৰ কোঠাত সোমাল।

ৰাতি খোৱা পাতত দেউতাকে কথাটো উলিয়ালে।

মাকৰ দায়িত্ব দেউতাকৰ ওপৰতেই অৰ্পণ কৰিলে।

অবিনাশে কলে- বিদিশাই মোক কথাটো আগতেই কৈছে। মই অৱশ্যে চিন্তা কৰি চাইছো। আমি আগবঢ়া বেয়া নহব নেকি ? ৰঞ্জনো মোৰ চকুৰ চিনাকি। মাজনীকো সুধি চাব লাগিব।

মাকে কলে- তাই হেনো এতিয়াই বিয়াত নবহে, তাইৰ এম-এ পঢ়াৰ মন।

অবিনাশো খোৱা শেষ কৰি মাকক সুধিলে -মা, মোৰ অহা কলিং লেটাৰখন ক'ত আছে ?

মাজনীক সোধাচোন।

অবিনাশে খামটো খুলি চালে। ইন্টাৰভিউলৈ প্ৰয় এমাহ আছে।

পিছদিনা ৰাতিপুৱা নাযাওঁ নাযাওঁ বুলিও নন্দিতাই কলেজলৈ অলপ দেৰীকৈয়ে গ'ল। বিদিশাই ক্লাচ এটা কৰি ওলাই আহোতে নন্দিতাক ল'গ পালে। নন্দিতাই অভিমান কৰি বিদিশাক নমতাকৈয়ে কমনৰুমত সোমালেগৈ। বিদিশা পিছে পিছে গৈ নন্দিতাৰ কাষত বহিল।

বিদিশাই ক'লে মোৰ ওপৰত তোমাৰ খুউব খং উঠিছে, নহয় নন্দিতা? মই জানো তোমাৰ শুভকাংসী নহওঁ ? মই জানো তোমাৰ মঙ্গল কামনা নকৰো ?

নন্দিতাৰ চকুদুটা পানীৰে উপচি পৰিল।

চোৱা নন্দিতা ৰঞ্জন দা বৰ ভাল লৰা। চাকৰি ভাল। ঘৰখন ভাল। সৰু পৰিয়াল। ৰঞ্জন দাৰ লগত তুমি সুখী হ'ব পাৰিবা।

নন্দিতাই বিদিশাৰ হাত এখনত ধৰি ক'লৈ -বিদিশা মই তোমাক কেতিয়াও বেয়া পোৱা নাই। তুমি মোৰ সদায় শুভকাংশী। বিদিশা মোৰ এম্-এ পঢ়িবৰ বৰ মন আছিল। শিক্ষাতকৈ জ্ঞানৰ মূল্য বেছি যদিও বৰ্তমান Certificate খনেৰে প্ৰয়োজন। নহয়নে বাৰু ?

বিদিশাই কলে-ৰঞ্জনদাই তোমাক পঢ়িবলৈ মানা নকৰে নহয়। বিয়াৰ পাছতো তোমাৰ ইচ্ছা অনুসৰি পঢ়িব পাৰিবা।

বিদিশা তুমি নুবুজিবা, আমাৰ ঘৰখনৰ কথা। তুমিয়েই কোৱাচোন, ঘৰ খনৰ প্ৰতি কৰিবলগীয়া মোৰ জানো একো নাই। কিমান মানসিক সংঘাতৰ মাজত দিন কটাব লগীয়া হৈছো। ডাঙৰ দাৰ আজিলৈ কোনো সংস্থাপন ন'হল। চাকৰিৰ নামত কিমান দৌৰা-দৌৰিখন কৰিছে। অথচ- ।

আৰু মাজু দা ! মাজুদাৰ চাল-চলন বেলেগ আছিল জানা। কিন্তু সি দুবছৰ আগতে ঘৰৰ পৰা ওলাই গৈ আছিলৈ উভতি নাহিল। ছমাহ পিছত চিঠি এখন পাইছিলো। সি নিষিদ্ধ ঘোষিত সংগঠন এটাত যোগ দিছে। আজিলৈ তাৰ কোনো খবৰেই নাপাওঁ। মাজুদা জীয়াই আছে নে নাই সন্দেহ। মাজুদাই ঘৰ এৰাৰ পাছত মা- উচ্চ ৰক্ত চাপত ভোগে। দেউতাৰো খোৱা শোৱাত ৰুচি নোহোৱা হ'ল। দেউতা যেন আদৰ্শৰ পৰা বিচলিত হ'ল। মাজুদাৰ অবিহনে ঘৰখন নীৰব নিতাল হৈ থাকিল। সেনা বাহিনীয়ে মাজ নিশাও আমাক শান্তিৰে শুব নিদিয়ে। এদিন সেনা-বাহিনীয়ে আমাৰ ঘৰ তালাচী কৰিব আহি লাটুক মাৰধৰ কৰি সিহঁতৰ লগত লৈ যায়। এদিন পিছত লাটু ঘৰলৈ আহিল যদিও সি বৰ্তমান বুকুৰ বিষত ভূগি আছে। ইমানৰ পিছতো বিয়াৰ কথা ভাবিব পাৰোনে?

নন্দিতা, ঘৰখনৰ কথা চিন্তা কৰি তুমি বিয়াত অমত হৈছা। মই ভাবো ঘৰখনৰ কথা চিন্তা কৰিয়েই তুমি মত সলনি কৰিব লাগিব।

অৱশেষত বিদিশা হতৰ বুজনিত নন্দিতা সন্মত হ'ল। বিশ দিনৰ ভিতৰত নন্দিতাৰ 'আঙুঠি পিন্ধোৱা' হৈ গ'ল।

দেশৰ প্ৰতিকূল বাতাবৰণ সাধাৰণ মানুহৰ ওপৰত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে। সঘনে হৈ থকা বিক্ষোভ, হৰতাল, বিভিন্ন বন্ধ, হত্যা, ধৰ্ষণ, লুণ্ঠন, অপহৰণ, বোমা-বিস্ফোৰণ, আদিৰ লগত বাইজ পৰিচিত হৈ পৰিল। লোমহৰ্ষক ঘটনাও সাধাৰণ ঘটনাত পৰিণত হ'ল। বিভিন্ন উগ্ৰপন্থী সংগঠন বোৰে কাৰ্যসূচী অব্যাহত ৰাখিলে। বন্ধ সংস্কৃতিয়ে সাধাৰণ মানুহৰ ওপৰত মাধ মাৰ শোধালে।

অবিনাশে এমাহ আগৰ পৰা সমাগত ইন্টাৰভিউটোৰ কাৰণে পূৰ্ণ প্ৰস্তুতি চলাইছে। সি আগতে বহু ইন্টাৰভিউ দিছে যদিও কলেজৰ এই Post হিচাপে মতে অবিনাশেই পাব লাগে, তাৰ Academic Career ভাল। অবিনাশে Apply কৰা এই Post টোত 1st class ৰ candidate নাই বুলি কলেজ কৰ্তৃপক্ষৰ পৰা বিশেষ ভাবে জানিব পাৰিছে। ইন্টাৰভিউলৈ মাজত মাত্ৰ এদিন। এনেতে সেনাৰ হাতত উগ্ৰপন্থী এজন নিহত হোৱাত সংগঠনে বন্ধৰ আহ্বান জনাইছে। অবিনাশে আগদিনাই ইন্টাৰভিউলৈ বুলি ওলাল। তাত তাৰ বন্ধু বৰ্তমান পশু চিকিৎসক ড° প্ৰণৱ চলিহা থাকে। অবিনাশ ড° প্ৰণৱ চলিহাৰ লগত থাকি ইন্টাৰভিউ দিলে। বন্ধুৰ অনুৰোধ এৰাব নোৱাৰি এদিনৰ ঠাইত দুদিন থাকিব লগীয়া হ'ল। সন্ধিয়া দুয়ো প্ৰণৱৰ বাইকত উঠি ফুৰিবলৈ গ'ল।

তিনিদিন ধৰি অবিনাশ ঘৰলৈ নহাত ঘৰখন এক অজান আশংকাত বুৰ গৈ থাকিল।

লাটুৱে মাকক বুজালে- মা-তুমি মিছা-মিছি দুঃ চিন্তাবোৰ মনলৈ নানিবাচোন। চাবা দাদা কাইলৈ আহিবই। দাদাই কিজানি ভনী জোৱায়েকৰ খবৰ এটা লৈ আহিব। মাজনী বাইদেৱে দাদাক কোৱা শুনিছিলো- "ডাঙৰ দা, ৰঞ্জন দাৰ খবৰ এটা লৈ আহিবাচোন" এই বুলি কৈ লাটুৱে নন্দিতাৰ ফালে চালে। লাটুৰ কথাত নন্দিতাই কোনো প্ৰতিক্ৰিয়া নেদেখুৱালে।

লাটুৱে ৰাতিপুৱা বাতৰি কাকতখন হাতত তুলি লৈ হতভম্ব ! এয়া কি!! বেংকৰ উচ্চ পদস্থ বিষয়া ৰঞ্জন দত্ত উগ্ৰপন্থীৰ দ্বাৰা অপহৃত, আৰু সেনাৰ লগত মুখা-মুখি সংঘৰ্ষত দুধৰ্ষ উগ্ৰপন্থী প্ৰকাশ বৰুৱাৰ মৃত্যু আৰু এজন আহত।......................লাটুৰ চিএৰত দেউতাক আৰু নন্দিতা চোতাল পালেহি। এনেতে পদুলি মুখত গাড়ী এখন ৰ'লহি। পুলিচ অফিচাৰৰ নিৰ্দেশত গাড়ীৰ পৰা মৃতদেহ এটা নমাই আনিলে। দেউতাক থৰক-বৰক খোজেৰে আগুৱাই গৈ দেখে ডাঙৰ বোপা-

অ............বি............না..............শ...........। □

শৰৎ চন্দ্ৰ নাথ, মহাবিদ্যালয়ৰ স্নাতক তৃতীয় বৰ্ষৰ কলা বিভাগৰ ছাত্ৰ।

# অপ্ৰাপ্তি

বিনীতা কলিতা

যোৱা সপ্তাহত তাই বেডিংসহ দিল্লীৰ পৰা গুছি আহিল । মনত তাইৰ অলেখ স্মৃতি, অযুত বেদনা । ট্ৰেইনত অহা ভাগৰ আৰু দিল্লীৰ স্কুল অৱ ইক'নমিক্সৰ অঞ্জুমা, সুমনহঁতৰ স্মৃতিয়ে তাইক দুৰ্বল কৰি পেলাইছে । বিদায়ৰ মুহূৰ্তৰ সিহঁতৰ সজল চকুবোৰ আৰু স্মৃতি কঁপি কঁপি ওলাই অহা সিঁহতৰ *See you again* আদি আশাবাদী শব্দবোৰে দুৰ্বাৰ ভাৱে খুন্দিয়াই যায় তাইৰ হৃদয়ত । ফোনৰ ক্ৰিং ক্ৰিং শব্দটোৰ বাবেই তাই কেৱল বৈ থাকে। জানোচা সেয়া ঋষভৰ ফোন । যোৱাকালি সুমনে ফোন কৰিছিল। ফোনতে তাই এক প্ৰকাৰ কান্দিয়েই পেলালে । তাইৰ অনুপস্থিতিত সিহঁতৰ হেনো একেবাৰেই ভাল লগা নাই ।

ঃ মাজনী, তই অনবৰতে ৰুমটোত জুপুকা মাৰি কি কৰি থাক, আহছোন, মোকে অলপ বন্ধাত সহায় কৰি দিবি।

মাকৰ মাতত তাইৰ তন্ময়তা ভাগিল গ'ল। হয়তো তাই অন্ততঃ মাকক অলপ কাম কৰি সহায় কৰি দিব পাৰে । তাইৰ মনত পৰিল । তাইতো মাকক সকলো কামতে সহায় কৰি দিয়ে। মীনাক্ষি, মণিদীপাৰ সৰু কালৰে বান্ধৱী। অৱশ্যে তাই মাক দেউতাকৰ লগত গাঁৱত থাকে । বি.এ পাছ কৰি মীনাক্ষিয়ে গাৱতে পাট-মুগা কাপোৰৰ ইণ্ডাষ্ট্ৰী খুলি লৈ স্বাধীনচিতীয়া ব্যৱসায় আৰম্ভ কৰিছে ।

ঃ মা, মীনাক্ষিহঁত আহিছিল নেকি কেতিয়াবা? মছলা খিনি গুড়ি কৰাৰ পৰাই সুধিলে তাই।

ঃ আৰু ই হৰনাথে বিয়া কৰালেনে? হঠাৎ যেন মণিদীপা উৎফুল্লিত হৈ উঠিল।

ঃ অ' বিয়া কৰালে ঠিকেই , পিচে হব কি! ঘৈনীয়েকজনী তাক এৰি আন এজনলৈ গ'ল গৈ । সি কিছুদিনলৈ আহিয়েই আছিল তোৰ মৰমতে আমাৰ ঘৰলৈ। সি মানুহটোও বেমাৰী নহয়, আহো বুলি আৰু এতিয়া আহিব নোৱাৰে।

হৰনাথ ... সিহঁতৰ গাড়ীৰ ড্ৰাইভাৰ আছিল এটা সময়ত। তাইক যে কিমান মৰম কৰিছিল সি। আবেলি সময়ত তাইক ফুৰাবলৈ লৈ গলেই সি নীলা-বগা বেলুন- ফিটা আদিৰে কোচ ভৰাই দিছিল তাইক। দেউতাকে দোকানৰ পৰা কিনি অনা কৃত্ৰিম পুতলাবোৰতকৈয়ো হৰনাথে সাজি দিয়া ফটাকানিৰ পুতলাবোৰে বেছি আমোদ দিছিল তাইক। তাৰ আকৌ মীনাক্ষি হঁতৰ ঘৰত কাম কৰা সাবিত্ৰীৰ সতে কি দূৰ্ঘোৰ প্ৰেম আছিল। তাইক নাপালে যেন সি মৰিয়েই থাকিব ।পিছে সি কাক বিয়া কৰালে সেই কথাহে তাই গম নাপালে। গভীৰ মনোযোগেৰে বন্ধা বঢ়া কৰি থকা মাকক সেইবোৰ সুধি আমনি দিবলৈ তাইৰ ইচ্ছা নগল।

তেতিয়া তাই ক্লাছ এইটত। দেউতাকৰ লগত ফুলনি চাফা কৰি থকা হৰনাথৰ ওচৰলৈ গৈ তাই খেনখেনাব ধৰিলে যে তাই গাঁৱলৈ যাব। সি লৈ যাব লাগে।

ঃ হৰকাই, তই যদি মোক মীনা হঁতৰ ঘৰলৈ লৈ নাযাব মই কিন্তু তোৰ সব কথা দেউতাক কৈ দিম। তেতিয়া গম পাই যাবি।

তাইৰ ভাবুকিত হৰনাথৰ বুকুখনে চিৰিংকৈ মাৰিলে। সচাঁকৈয়ে যদি তাই দেউতাকৰ আগত সাবিত্ৰীৰ কথা কৈ দিয়ে সি ভীষণ লাজ পাব। সাবিত্ৰীয়ে বিহুত দিয়া গামোছাখন দেখিয়েই সিদিনা তাই যিহে হুলস্থূল লগাইছিল, কোনোমতে ভাল চকলেট আনি দিম বুলিহে সি তাইক শান্ত কৰিছে। উপায়হীন হৈ সি তাইক মীনাক্ষি হঁতৰ ঘৰলৈ লৈ যোৱাটোৱেই ঠিক কৰিলে।

গধূলি পৰত যেতিয়া সিহঁতৰ গাড়ী গৈ মীনাক্ষি হঁতৰ পদূলিত বৈছিলগৈ মীনাক্ষি দৌৰি আহি হঠাতে এইদৰে মণিদীপাক দেখা পাই আনন্দত চিঞৰি চিঞৰি সাবটি ধৰিলে।

ঃ মণি, তই এইদৰে আহিবি বুলি মই ভবাই নাছিলো। এইবাৰ কিন্তু তই ইয়াত বহুদিন থাকিব লাগিব। এতিয়াতো আৰু গৰমৰ বন্ধ হলেই।

ঃ ঠিক আছে, ঠিক আছে। এইবাৰ কিন্তু মই এটা বেলেগ কামতহে আহিছোদেই। তহঁতৰ সাবিত্ৰী আছে নহয় ? তাই আমাৰ হৰনাথক ভাল পায়, সেই কথা তই জাননে নেজান্। এইবাৰ জান, আমি আহোতে সাবিত্ৰীৰ কাৰণে হৰনাথকাই এযোৰ ধুনীয়া কাপোৰ আৰু কাণফুলি কিনি আনিছে। সিহঁতে কি কথা পাতে আমি চাব লাগিব।

ঃ ইয়ে হয় নেকি ? অ মই ঠিক বুজিছো, সিদিনা তাই এখন ধুনীয়া গামোছা কিনি আনি গাৰুৰ তলত থৈ দিছিল। মই পাই গলো নহয়। সোধাত কৈছে, বিয়া-বাৰুৰ সময়ত লাগিব হেনো। আচলতে সেইখন তাই তাৰ কাৰণেই আনি থৈছিল। মীনাক্ষিয়ে অভিজ্ঞৰ দৰে মূৰ দুপিয়াই দুপিয়াই কলে কথাখিনি।

ঃ আৰু কি হল বুজিছ ..........

সিহঁতৰ যেন কথা শেষেই নহৱ। এইদৰে মনিদীপা এদিন দুদিনকৈ সাতদিন থাকি গ'ল মীনাক্ষি হতঁৰ ঘৰত । সেইকেইদিন হৰনাথ সাবিত্ৰীৰ প্ৰেমৰ খেলখন মণি-মীনাই খুউব ভালকৈ উপভোগ কৰিছিল। সাবিত্ৰীৰ লাজুক লাজুক চাৱনি, নখে মাটি লেখা খোজে সিহতঁক হাঁহিব খোৰাক যোগাইছিল। মণিদীপাই হৰনাথৰ কথা সুধি সুধি একেবাৰে ব্যতিব্যস্ত কৰি তুলিছিল তাইক। আহিবৰ দিনা চকুৰ নিমিষ নেপেলোৱাকৈ সাবিত্ৰীয়ে সিঁহতৰ গাড়ীখন চাই আছিল। মণিদীপাই অৱশ্যে বুজি নাপায় এই চোৱাৰ উৎস তাই নে হৰনাথৰ।

সেই হৰনাথ হেনো এতিয়া টি.বি বেমাৰী। ঘৈনীয়েকেও তাক এৰি বেলেগৰ লগত গুছি গ'ল। অজানিতে তাইৰ দুয়োটা চকু সেমেকি উঠিল। তাইৰযে কিমান মৰমৰ আছিল হৰনাথটো। এতিয়ালৈকে সিঁহতৰ ঘৰলে' যিমান বোৰ ড্ৰাইভাৰ আহিল হৰনাথৰ সমকক্ষ কোনো এজনেই নহয়। তাইৰ সৰু সৰু আব্দাৰ বোৰ মাক-দেউতাকতকৈয়ো বেছিকৈ সিহে মাৰিব পাৰিছিল।

তাইৰ বিণি বিণি মনত পৰে , এবাৰ পূজাত দেউতাকে এটা ধুনীয়া দামী ফ্ৰক আনি দিয়াতো তাই সন্তুষ্ট হোৱা নাছিল, হৰনাথে এটা ফ্ৰক আনি দিলেহে তাই পূজা চাবলৈ যাব। তাইৰ কাণ্ড-কাৰখানা দেখি মাকে তাইক দবিয়াইছিল আৰু বুজাইছিল যে হৰনাথ দুখীয়া মানুহ। পূজা চাবৰ জোখাৰে ইমান ধুনীয়া ফ্ৰক সি কৰ পৰা আনি দিব? কিন্তু তাই অলৰ অচৰ । তাইক লাগিবই। শেষত সি এটা সস্তীয়া ফুটফুটীয়া ৰঙা ফ্ৰক আনি দিছিল। সেইটো পাই যে তাইৰ কিমান স্ফূৰ্তি । অষ্টমী পূজাৰ দিনা তাই সেই ফ্ৰকটো পিন্ধি তাৰ লগত জপিয়াই ফুৰিছিল। কথাবোৰ ভাবি ভাবি তাই আত্মহাৰা হৈ পৰিল । তাক এৰি থৈ যোৱা ঘৈণীয়েকজনীলৈ তাইৰ বৰ খং উঠিল । মনতে পাৰেমানে অভিশাপ দিলে তাই । বেচেৰা হৰনাথটোৰ জানো এতিয়া কি অৱস্থা হৈছে ? তাইৰ এবাৰ হৰনাথক চাবলৈ মনটো বিয়াকুল হৈ পৰিল ।

পিছদিনা খনেই তাই মীনাক্ষিহঁতৰ গাৱঁলৈ যোৱাটো ঠিক কৰিলে । ঋষভক ফোন কৰি মাটি পঠিয়ালে তাইৰ লগত যাবলৈ । বাতিপুৱাতে তাই হৰনাথৰ কাৰণে কিবা কিবি কিনিও আনিলেগৈ । তাইৰ মনত বহুতো ভাবৰ দোলনি । সময়ৰ আচোঁৰে সকলোৰে পৰিৱৰ্তন ঘটাইছে । ঠাইবোৰৰ আগতকৈ বহুত পৰিবৰ্তন হ'ল । গোটেই ৰাস্তাটোৰেই তাই কেৱল অন্যমনস্ক হৈয়েই গাড়ী চলালে । ঋষভৰ উপস্থিতিয়েও আজি তাইক আনন্দ দিব পৰা নাই । তাইৰ আনমনা স্বভাৱটোৰ বাবেই বহুবাৰ ভুল কৰিলে তাই । গধূলিৰ আগে আগে তাই যেতিয়া গৈ তাই মীনাহঁতৰ ঘৰৰ সন্মুখত হৰ্ণ বজাইছিল, তেতিয়া সেই আঠ ন বছৰ আগতে সিহঁতৰ ঘৰলৈ যাওঁতে হোৱা ঘটনাটোৰেই পুনৰাবৃত্তি ঘটিল। ক্লাচ এইটৰ সেই চঞ্চলা মীনাক্ষি জনীৰ দৰেই কৰবাৰ পৰা দৌৰি আহি মীনাক্ষিয়ে মণিদীপাক সাৱটি ধৰিলে । অৱশ্যে সময়ে দুয়োটাকে এতিয়া গম্ভীৰ হবলৈ শিকাইছে । আবেগতে মীনাক্ষিক সাৱটি ধৰি হুকহুকাই কান্দি দিলে মণিদীপাই । আজি যে কিমান বছৰৰ মূৰত দুয়োৰে মিলন হৈছে । সিদিনা বহু ৰাতিলৈকে শুই শুই দুয়ো কথা পাতিলে । এমাহ কথা পাতিলেও যেন সিহঁতৰ কথা শেষেই নহ'ব । সিহঁতৰ বক্তৃতাৰ পৰিধিৰ পৰা ঋষভ, সুমন, হৰনাথ, সাবিত্ৰী কোনো বাদ নপৰিল ।

ঃ সাবিত্ৰীয়ে কি কৰিলে জান, হৰনাথক এৰি ৰাস্তাত কাম কৰা বঙালী ল'ৰা এটালৈ গুছি গ'ল। ইফালে দুৰ্ভগীয়া হৰনাথটো, সিটো বেমাৰীয়েই। কোন দিনা মৰি থাকে তাৰেই ঠিকনা নাই । তাৰ পুতেক এটাও আছে নহয় বৰ মৰমিয়াল সি । নাম অতুল । পঢ়াশুনাত বৰ চোকা বুজিছ, পিছে হ'লে কি হ'ব ঘৰখনৰ অৱস্থাটোহে বৰ বেয়া । সি মোক আগতে লগ পালে তোৰ কথা বৰকৈ সুধিছিল অ' । তই কিমান ডাঙৰ হ'লি তাৰ হেনো চাবৰ বৰ মন যায়। মীনাক্ষিৰ কণ্ঠস্বৰ লাহে লাহে সৰু হৈ আহিব ধৰিলে । সম্ভৱ টোপনি ধৰিছে তাইৰ ।

ঃ কালি তই মোক যেনে তেনে এবাৰ তাৰ ঘৰলৈ লৈ যাবি দেই । হৰকাই যে মোৰ বৰ আপোন আছিল ।

ঃ হবদে লৈ যাম । এতিয়া টোপনি যা। বহুত ৰাতি হ'ল।

ৰাতিপুৱা প্ৰকৃতিৰ সামান্য অত্যাচাৰত তাই সাৰ পাই গ'ল । বিছনাৰ পৰাই তাই চৰাই-চিৰিকতিৰ কলৰৱবোৰ শুনি যাব ধৰিলে । কিমান দিন যে তাই এইদৰে প্ৰকৃতিৰ সচাঁ অনুভৱ এটা কৰিব পৰা নাছিল । মীনাক্ষি ইতিমধ্যে বিছনাৰ পৰা উঠি গৈছে । তাইৰ ঋষভলৈ মনত পৰিল সি চাগে সাৰ পোৱাই নাই । কালি অহাৰে পৰা মণিদীপাই তাৰ লগত বিশেষ কথা পতাই নাই । তালৈ তাৰ বেয়াই লাগিল । যিমান যি নকৰিলেও সি একান্ত বাধ্য হৈ তাইৰ সকলো কথাই মানি লয় । কথাবোৰ ভাবি ভাবি তাই এনেয়ে বিছনাখনত বাগৰি থাকিল । বাহিৰত কোনোবাই উচ্চস্বৰত কিবা কথাপাতি আছে । কাণ উঠাই তাই কি কথা পাতিছে শুনিবলৈ যত্ন কৰিলে ।

ঃ হেৰি নহয় বৌ, এই হৰনাথৰো একেবাৰে যোৱা থোৱা অৱস্থা । পুতেকটোৱে কান্দি কাটি বহি আছে । এহ মৰিলেও বেয়া নহয় দে, বহুত কষ্ট পালে মানুহটোৱে । ইমানবোৰ কষ্ট সহ্য কৰি থকাতকৈ মৰাও বেয়া নহয় । মৰিলে অন্ততঃ জীৱটোৱেই মুক্তি ।

কি ??? একে জাপে তাই বিছনাৰ পৰা নামি আহিল । তাৰ মানে তাই জীৱিত অৱস্থাত হৰনাথক দেখা নাপাব নেকি ?

ঃ মীনা প্লিজ, মোক এবাৰ হৰনাথৰ ওচৰলৈ লৈ ব'ল । দুচকু তাইৰ পানীৰে ভৰি পৰিল ।

ঃ অ' অলপমান ৰবি, মই ঋষভকো মাতি দিওঁ ।

মণিদীপা, ঋষভ আৰু মীনাক্ষি প্ৰায় দৌৰিয়েই হৰনাথৰ ঘৰ পালেগৈ। এখন জৰাজীৰ্ণ ঘৰ । ঘৰ বুলিবলৈ থকা আৰু খোৱা ঘৰ দুটা । উৱলি যোৱা চালেৰে থকা ঘৰটোৰ বাৰাণ্ডাত এৰোটা বৰষুণৰ পানী পৰি হোৱা গাঁত । চোতালত কেইজন মান মানুহে এখন বেঞ্চ পাৰি বহি আছে । তেওঁলোকে যেন হৰনাথৰ মৃত্যুৰ বাবেই বৈ আছে । মৰিলেই নি সংকাৰ কৰি তেওঁলোকৰ কৰ্তব্যৰ দায়ৰ পৰা মুক্ত হ'ব পাৰে । বাৰাণ্ডাৰ এচুকত বহি ল'ৰাটোৱে তেতিয়াও উচুপিয়েই আছিল ।

এজন মানুহে সিহঁত তিনিওকো হৰনাথ থকা ঘৰটোলৈ লৈ গ'ল । শীৰ্ণ চেহেৰাৰে হৰনাথ এখন বাহঁৰ খাটত পৰি আছে । এটা ভেকেটো ভেকেট গোন্ধে গোটেই ঘৰটো আচ্ছন্ন কৰি ৰাখিছে । তিৰোতা এজনীয়ে লৈ অহা চাকিৰ পোহৰে ঘৰটোৰ ভিতৰখন পোহৰাই তুলিলে । এলান্ধুৰে ভৰি থকা ঘৰটোত লেবেজান হৈ পৰি থকা সেইজন যে তাইনিৰ সেই হাঁহি মুখীয়া হৰনাথ তাইৰ ভাবিবলৈয়ে সংনগ'ল । তাৰ শুকাই খীনাই খেৰ যেন হোৱা হাতখন তাই দুহাতেৰে সাৱতি ধৰিলে ।

ঃ হৰকাই, এইয়া চা মই আহিছো । মই মণিদীপা, মাজনী মই কিমান ডাঙৰ হলো তই এবাৰ ভালকৈ চকু মেলি চাচোন হৰকাই । তোৰ কাৰণে মই বহুত বস্তু লৈ আহিছো । কৈ তাই ফেকুঁৰি উঠিল । কোনোবাই আনি দিয়া পানী এচামুচ তাই তাৰ মুখত লাহে লাহে ঢালি দিলে । পানীখিনি ভালদৰে ভিতৰ নহলেই হৰনাথে চকুকেইটা পিৰিকিয়াই দিলে । ওঠ জুৰিও সামান্য লৰি উঠিল ।

তাৰ পিছত শেষ, সকলো শেষ হৈ গ'ল । সুদীৰ্ঘ কাল মৃত্যুৰ সতে যুঁজি যুঁজি হৰনাথ গ'লগৈ । এটা ভগ্ন, অসমাপ্ত মন লৈ এসময়ৰ সেই হাঁহিমুখীয়া, হুলহুলীয়া হৰনাথ গুছি গ'ল কাৰো একো ক্ষতি নকৰাকৈ । তাৰ মৃত্যুত কাৰো একো ক্ষতি নোহোৱাৰ দৰে হয়তো মণিদীপাৰো একো ক্ষতি নহ'ল । কিন্তু হৃদয় কানন আন্দোলিত কৰি থাকি গ'ল তাইৰ শৈশৱৰ কিছুমান টুকুৰা টুকুৰি স্মৃতি হৰনাথক কেন্দ্ৰ কৰি । ❊

বিনীতা কলিতা, মহাবিদ্যালয়ৰ স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰী।

বিজ্ঞান ভিত্তিকগল্প

# এক অদ্ভূত সম্ভাৱনা

দ্বীপেন নাথ

আজিৰ বিজ্ঞানৰ এই তুমুল অগ্ৰগতিৰ কালত অতীতৰ অসম্ভৱ বুলি ভাবিলোৱা কথা কিছুমানো সম্ভৱ হৈ পৰিছে। সৰ্বসাধাৰণৰ বাবে কল্পনাবো অতীত বস্তুবোৰ বৰ্তমান একোজন ব্যক্তিৰ হাতত পুতলা হৈ পৰিছে। পৃথিৱীৰ তাহানিৰ সেই বিৰাট পৰিসৰ সংকুচিত হৈ যেন এক সাধাৰণ ববাৰ টেঙা হৈ পৰিছে- বিজ্ঞানৰ অদ্ভুত পূৰ্ব আবিষ্কাৰবোৰৰ বাবে। এইখিনিতে পদাৰ্থ বিজ্ঞানৰ "আপেক্ষিকতবাদ" (Relativity of Physics)ৰ ওপৰত পুষ্ট এটা ৰোমাঞ্চকৰ আগন্তুক সম্ভাৱনাৰ ওপৰত ভিত্তি কৰি লিখা গল্পৰ কথা মনত পৰিছে। আপেক্ষিকতাবাদৰ নায়ক আইনষ্টাইন, গেলিলিও আদি সকলে আমাক দান দি থৈ যোৱা তলৰ সূত্ৰটো এক অসম্ভৱ যেন লগা, বাস্তৱত কেতিয়া সম্ভৱ নহব যেন লগা সাধুটোৰ সৃষ্টি কৰাত যথেষ্ট সহায় কৰিছে। সূত্ৰটো,

$$t = \frac{t_o}{\sqrt{(1 - \frac{v^2}{c^2})}}$$

য'ত চিহ্নবোৰে সিহঁতৰ ব্যৱহাৰিক অৰ্থকে সূচাইছে।

এবাৰ এজন বিশ্ববিখ্যাত বৈজ্ঞানিক, বয়স 40; যোল্ল বছৰীয়া এজনী ছোৱালীৰ প্ৰেমত পৰিল। ছোৱালী জনী আছিল তেওঁৰে অফিচ এচিচ্‌টেণ্ট। সন্মতি অৱশ্যে দুয়োজনৰে আছিল। কিন্তু তেওঁলোকৰ দুয়োৰে মাজত থকা বয়সৰ বৃহৎ পাৰ্থক্যৰবাবে ঘৰৰ পৰিয়ালবোৰে বিৰুদ্ধাচৰণ কৰিছিল। বৈজ্ঞানিকজন বৰ বিমোৰত পৰিল আৰু অৱশেষত তেওঁ পদাৰ্থ বিজ্ঞানৰ আপেক্ষিকতাবাদ অধ্যায়ৰ সহায় লৈ এই সমস্যা সমাধান কৰিবলৈ দৃঢ় সংকল্পবদ্ধ হ'ল।

প্ৰথমে তেওঁ এখন স্পেচ্ ক্ৰাফ্‌ট (Space Craft) বা মহাকাশ যান সাজি উলিয়ালে। যানখনত তেওঁ দিবলৈ থিৰাং কৰা বেগ আছিল পোহৰৰ বেগৰ 0.999 গুণ অৰ্থাৎ 0.999c য'ত C= পোহৰৰ বেগ ($=3\times10^8$ মিটাৰ/ছেকেণ্ড)। (যিটো বেগ এতিয়ালৈকে সম্ভৱ হোৱা নাই)। যানখনত তেওঁৰ প্ৰয়োজনীয় খাদ্য সমাগ্ৰী, অন্যান্য প্ৰয়োজনীয় বস্তুবোৰ লৈ তেওঁ যোৱাৰ আগমুহূৰ্ত্তত এক বিশেষ ধৰণৰ ঘড়ী এটা তেওঁৰ প্ৰেয়সীক দিলে, যিটোৰে তেওঁৰ নিজৰ হাতৰ ঘড়ীটোৰ দৰে ব্যৱহাৰ কৰিব(যাত্ৰাৰ সময় চোৱাত)। কাৰণ স্বাভাৱিকতে উচ্চগতি প্ৰাপ্ত যানত উঠিলে সেই ঘড়ীৰ গতি সাধাৰণতে বহু পৰিমাণে হ্ৰাস পায়। এনেকুৱা ধৰণৰ ঘড়ীৰ নমুনা তেওঁ সহপাঠী বৈজ্ঞানিক সকলকো দিলে আৰু ঘোষণা কৰিলে যে তেওঁৰ এই ঘড়ীত এবছৰ যোৱাৰ লগে লগে তেওঁ ঘূৰি আহিব আৰু তেওঁৰ প্ৰেয়সীৰ লগত বিয়া হব। তেতিয়ালৈকে যেন তাইক কাৰো লগত বিয়া দিয়া নহয়, এই প্ৰতিশ্ৰুতি তেওঁ তাইৰ অভিভাৱক সকলৰপৰা জোৰকৈ হলেও ললে।

এতিয়া 0.999c বেগেৰে যোৱা যানখনে মহাকাশত এবছৰ কাল (ঘড়ীটো অনুসাৰে) কটোৱাৰ পাছত পৃথিৱীত বাঁৰু কিমান সময় পাৰ হ'ল?

বিখ্যাত সূত্ৰ অনুসৰি ঃ

$$t = \frac{t_o}{\sqrt{(1 - \frac{v^2}{c^2})}} \quad (\text{য'ত } t_o=1 \text{ বছৰ}, v=0.999c)$$

$$= \frac{1}{\sqrt{(1-\frac{0.999\times0.999\times c^2}{c^2})}}$$

$$= \frac{1}{\sqrt{1-0.998001}}$$

$$= \frac{1}{\sqrt{0.001999}}$$

$$= \frac{1}{\sqrt{1999\times10^{-6}}}$$

$$= \frac{1}{44.71}\times10^3$$

$$= 0.2237 \times 10^3$$

$$= 22.37 \text{ বছৰ}$$

বৈজ্ঞানিজনে নিজ প্ৰতিশ্ৰুতিমতে তেওঁ দিয়া সময় অনুসাৰে পৃথিৱীপালেহি। দৈহিক অৱস্থাৰ বিশেষ পৰিবৰ্তন নোহোৱাকৈ।

এতিয়া সুদীৰ্ঘ এবছৰৰ মূৰত -

বৈজ্ঞানিকজনৰ বয়স হ'ল =(40+1)=41 বছৰ।

আৰু ছোৱালীজনীৰ বয়স হ'ল = (16+22.37)=38 বছৰ (প্ৰায়)

গতিকে তেওলোকৰ মাজৰ বয়সৰ পাৰ্থক্য হ'লগৈ (41 - 38)= 3 বছৰ।

এনেদৰে অৱশেষত বৈজ্ঞানিক জনৰ লগত তেওঁৰ প্ৰেয়সীৰ মিলন সম্ভৱ হৈ উঠিল।

গতিকে সৰ্বশেষত, আমাৰ আগন্তুক বৈজ্ঞানিক মহললৈ এয়া আহ্বান থাকিল যেন তেওঁবিলাকে 0.999c বা তাৰ নিচেই ওচৰ বেগৰ যান সাজি উলিয়াওক ...... আমি যেন এই জীৱনতেই এনেধৰণৰ বিয়া দুই এখন চাবলৈ পাওঁ। ☐ (বিভিন্ন উৎসৰ পৰা সহায় লৈ লিখা)

দ্বীপেন নাথ, মহাবিদ্যালয়ৰ স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰ।

# মতামত

## 'বৰ্তমান সময়ত মহাবিদ্যালয়ৰ ছাত্ৰ সমাজৰ ভূমিকা কেনে হোৱা দৰকাৰ বুলি আপুনি অনুভৱ কৰে'

বৰ্তমান আমাৰ ছাত্ৰ সমাজ দিশহাৰা। ভৱিষ্যত দেশৰ, জাতিৰ মূল কাণ্ডাৰী এই ছাত্ৰ সমাজে বৰ্তমান পৰিস্থিতিত হাবু-ডাবু খাবলগীয়া হৈছে। চাৰিওফালে হত্যা, সন্ত্ৰাসৰ ধ্বংস-লীলাই মানুহৰ মনৰ পৰা হৰণ কৰিছে কৰণীয় কামৰ স্পৃহা। ক্ৰমবৰ্ধমান ভাৱে বৃদ্ধি পাই অহা নিবনুৱা সমস্যাই জুৰুলা কৰি তুলিছে ছাত্ৰ সমাজক। ভয়াবহ ভাৱে বৃদ্ধি পোৱা জনসংখ্যাৰ সমস্যাই প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে ; যাৰ ফলত ছাত্ৰ সমাজে পঢ়ি উপযুক্ত সংস্থাপনৰ অভাৱ দিনকদিনে অনুভৱ কৰিবলগীয়া হৈছে। প্ৰতি বছৰে অসমৰ মহাবিদ্যালয়সমূহৰ পৰা শ শ ছাত্ৰ-ছাত্ৰী উপযুক্ত শিক্ষা গ্ৰহণ কৰি সংস্থাপনৰ কোনো সুবিধা পোৱা নাই। বিত্তীয় সমস্যাৰ অজুহাতত চৰকাৰে নিয়োগ ব্যৱস্থা বন্ধ ৰখা বা চাকৰি পদৰ বিলুপ্তি সাধন প্ৰক্ৰিয়াৰ দ্বাৰা সৃষ্টি কৰা সমস্যাত পৰি ককবকাই থকা ছাত্ৰ-ছাত্ৰীসকলে কি কৰা উচিত, কি কৰা অনুচিত তাক আজি নব প্ৰজন্মই ঠিৰাং কৰিব নোৱাৰা হৈছে। এই সম্পৰ্কত আমি "বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা কেনে হোৱা উচিত"--তাক জানিবৰ বাবে কেইবাগৰাকী প্ৰথিতযশা শিল্পী-সাহিত্যিকক লগ ধৰিছিলো। তেওঁলোকৰ মতামত সমূহ তলত প্ৰকাশ কৰা হ'ল।

প্ৰবীণ বৰুৱা,
সম্পাদক

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক বৰ্তমান সমাজৰ প্ৰেক্ষাপটত মই এযাৰ কথাই ক'ব খোজো যে ছাত্ৰ-ছাত্ৰীয়ে নিজৰ সজাগতা বঢ়াওক, কেউপিনে চকু-কাণ খোলা ৰাখক আৰু সবাতোকৈ ডাঙৰ কথা প্ৰশ্ন কৰিবলৈ শিকক। প্ৰশ্ন কৰিবলৈ শিকাই হ'ল উত্তৰ পোৱাৰ প্ৰথম খোজ ।

ড' অৰূপা পটঙ্গীয়া কলিতা
*সাহিত্য সেতু, কথাবটা, ভাৰতীয় ভাষা পৰিষদৰ পুৰস্কাৰ আদি বঁটাৰে সন্মানীত গল্পকাৰ, ঔপন্যাসিক তথা টংলা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপিকা।*

✠✠✠✠

মঙলদৈ মহাবিদ্যালয় আলোচনীৰ সম্পাদক শ্ৰীবৰুৱাই সোধা প্ৰশ্নটোৰ উত্তৰ লিখিবলৈ গৈ মই বিপাঙত পৰিছোঁ ।প্ৰশ্নটো মই ভালদৰে বুজা নাই বা প্ৰশ্নটোৱেই আন্থকলীয়া । তথাপি যিখিনি অনুমান কৰিব পাৰিছোঁ তাৰ পৰা ক'ব পাৰি যে সমাজত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে কোনো গোট হৈ কোনো নিৰ্দিষ্ট বা বিশেষ ভূমিকা লোৱা সততে চকুত নপৰে ।মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে সাধাৰণতে যিখিনি কৰে সেইখিনি মহাবিদ্যালয় ৰ কাম কাজৰ ভিতৰতে পৰে । কিয়নো তাত তেওঁলোকে সেইখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী হিচাপে ঐক্যবোধ কৰে । সমাজত তেওঁলোক অন্যান্যসকলৰ (ভাই-ভনী, বিভিন্ন স্কুল, বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, উৎসাহী কৰ্মী, অভিভাৱক আদি ) সতে জড়িত । তাত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী হিচাপে তেওঁলোকৰ পৰিচয় গৌণ ।অৱশ্যে প্ৰতিভাবান, দক্ষ, কৰ্ম পটু, ছাত্ৰ-ছাত্ৰী সকলে সদায় সকলো সময়তে, সকলো ঠাইতে সকলোৰে পৰা সমীহ আদায় কৰিবলৈ সক্ষম হয়।

জয়ন্ত কুমাৰ চক্ৰৱৰ্তী
বিশিষ্ট গল্পকাৰ তথা টংলা মহা বিদ্যালয়ৰ অধ্যাপক

✠✠✠✠

কেৱল মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অসমৰ সমাজত কিবা বিশেষ ভূমিকা লৈছে বুলি মই নাভাবো ।অসমৰ বিভিন্ন ছাত্ৰ-সংগঠন সমূহত মহাবিদ্যালয়, উচ্চ, উচ্চতৰ ইংৰাজী বিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীতকৈ নেতৃত্বৰ ভূমিকা লৈছে ছাত্ৰ-জীৱন পাৰ হৈ যোৱা ছাত্ৰসকলেহে । এই সংগঠনসমূহে অসমৰ ৰাজনৈতিক সমস্যা সমূহৰ সম্পৰ্কত মাত মাতি আহিছে। কিন্তু অসমৰ ৰাজনৈতিক শক্তিসমূহে দীৰ্ঘ দিন ধৰি , প্ৰকৃতাৰ্থত সামাজিক কল্যাণমূলক কামৰ প্ৰতি যিহেতু উদাসীনতা অৱলম্বন কৰিছে, তেনে স্থলত ছাত্ৰ-সংগঠনসমূহেওঁ সৰহভাগ সময়ত সমাধানহীন প্ৰশ্নবোৰতে লাগি থাকিবলগীয়া হৈছে । অৱশ্যে স্থানীয়ভাবে

দুই এটা ছাত্র সংগঠনে সমাজৰ দুই এটা কামত সক্ৰিয়ভাৱে অংশ লৈছে। কিন্তু মাথোন মহাবিদ্যালয়ৰহে ছাত্ৰ-ছাত্ৰী বুলি তেওঁলোকক চিহ্নিত কৰিব পৰা নাযায়।

মনোৰমা দাস মেধি
বিশিষ্ট গল্পকাৰ তথা টংলা মহাবিদ্যালয়ৰ অধ্যাপিকা

০০০০০০০

. উঠি অহা ছাত্ৰ-ছাত্ৰীৰ সমবেত শক্তি বৰ ডাঙৰ শক্তি। দেখা যায় এই ছাত্ৰ শক্তিয়ে গতানুগতিক নিষ্প্ৰাণ অনুষ্ঠানসমূহ, নিৰৰ্থক ৰীতি-নীতিসমূহ আৰু অৰ্থহীন পূজাৰ আয়োজন দূৰলৈ নিক্ষেপ কৰি এটা যেন বলিষ্ঠ ভাৰ ধাৰাত তেওঁলোক চালিত হ'বলৈ আৰম্ভ কৰিছে। সুপ্ত আত্মশক্তি, আত্মচেতনা জাগি উঠিছে। পৰৰ হিতত ব্ৰতী হ'বলৈ মন কৰিছে, জীৱনক নতুন দৃষ্টিৰে চাবলৈ সচেষ্ট হৈছে। এই ছাত্ৰ শক্তিয়ে সগৌৰবে ঘোষণা কৰক আমি সুন্দৰৰ পূজাৰী- সবলতাই আমাৰ কাম, আমি জ্ঞান পাবলৈ বিচাৰো।

ছাত্ৰ জীৱন মানুহৰ জীৱনৰ প্ৰধান অংগ। তোমালোক পবিত্ৰ মনৰ হ'বা। সকলো খিনি শক্তিৰে তোমাৰ অন্তৰখন পবিত্ৰ কৰি ৰাখিবা। কিয়নো ইয়াৰ পৰাই জীৱনৰ সকলো সৃষ্টি। তোমালোকৰ কৰ্মতো চিন্তাৰ ফল আছে। শাৰীৰিক শক্তিৰ ওপৰতো চিন্তাৰ প্ৰভাৱ আছে। অপবিত্ৰ মনে এটা জাতিক অপবিত্ৰ জীৱন-যাপন কৰাত বহু প্ৰকাৰে সহায় কৰে। লগতে ই জাতিৰ প্ৰাণো নষ্ট কৰে।

আমাৰ মন সজ আৰু পবিত্ৰ কথাৰে গঢ়া উচিত। তোমালোক সবল, সুন্দৰ কিন্তু সেয়ে যথেষ্ট নহয়। কৰ্মী হ'ব লাগিব। অসমী আইক জগতৰ ভিতৰত তোমালোকে শ্ৰেষ্ঠ আসন দিব লাগিব। তাৰ বাবে লাগিব দৃঢ়তা, সংযম, আশা। ভৱিষ্যত জীৱন গঢ়াৰ সময় এইখিনিয়ে গতিকে পৰিশ্ৰমী হ'বলৈ শিকা। জীৱনত কৃতকাৰ্য্য হোৱা নোহোৱাটো সময়ৰ ওপৰত নিৰ্ভৰশীল। তাৰ ওপৰত চকু নিদিবা। কৰ্ম কৰি যোৱা।

ৰাজনীতিৰ কাষলৈ নগৈ নিবলসভাৱে দহৰ সেৱা কৰিবলৈ শিকা। আমি প্ৰত্যেকেই প্ৰত্যেকৰ সেৱক। ৰাইজ আৰু ৰজা বাপেক আৰু পুতেক; প্ৰত্যেকেই ইজন সিজনৰ সেৱক। প্ৰত্যেকেই মানৱ জাতিৰ প্ৰকৃত সেৱা কৰা হ'লে আমি পৃথিৱী আৰু দেশখনক ভাল অৱস্থাত দেখা পাম। মংগলময়ে তোমালোকৰ মংগল কৰক। হৃদয়ত বল দিয়ক, মনত প্ৰেম দিয়ক। পৃথিৱী মধুময় হওঁক। ইয়াকে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰি সামৰিলো।

**জীৱেশ্বৰ ডেকা**
**নটসূৰ্য বঁটা বিজয় অভিনেতা, বিশিষ্ট পৰিচালক**

---

বৰ্তমান সময়ত সকলো ছাত্ৰ-ছাত্ৰীয়ে নিজৰ বিবেকেৰে সকলো সমস্যাৰ সন্মুখীন হ'বলৈ আগবাঢ়িব লাগিব। সময় কালৈকো ৰৈ নাথাকে। গতিকে সময় থাকোতেই সকলো ছাত্ৰ-ছাত্ৰীয়ে জ্ঞান আহৰণ কৰি সমাজৰ মংগলৰ কাৰণে কাম কৰিব লাগিব। কাৰণ আমি সকলোৱে জানো জ্ঞানেই শক্তি। গতিকে এই শক্তিৰ জখলাত আৰোহণ কৰিবলৈ আমাক সকলোকে জ্ঞানৰ প্ৰয়োজন। গতিকে মই ভাৱো কাইলৈৰ নতুন প্ৰত্যাহ্বান আমি গ্ৰহণ কৰিবলৈ হ'লে আমি জ্ঞান আহৰণ কৰিবই লাগিব।

প্ৰাণজিৎ দাস
পৰিচালক, অভিনেতা।

✠✠✠✠

Can you imagine what the reasons

To my melancholy ... ?

My tears prove.

My sorrows -

Draw shadows of sad in mind.

Dreams are sweet

I can't say, so-

'A little lamp is enough

to light my life'.

My dreams now wish -

you should become.

'For' They are as you.

And that you are sweet !! ❑



# Nature And Human Being

Rana Basistha
TDC III Year (Sc.)

The morning sunshine

The verdant crops field

And the neat blue sky

And the bluey ocean and the gentle breeze

What a gracious blessings these are?

Nature

Takes away all the weariness of life

Always offers peace and pleasure

But the human beings

Do often breach peace !

Nature

And the mind of man

That can't be separated. ❑

GOLDEN JUBILEE YEAR



# উপসভাপতিৰ প্ৰতিবেদন

ৰঞ্জন শৰ্মা
মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

আজিৰ পৰা ৫০ বছৰ আগতে ১৯৫১ চনত উপহপাবাৰ জয়াল অৰণ্যৰ বুকুত মঙলদৈয়া ৰাইজৰ একগ্ৰতা আৰু কেইগৰাকীমান শিক্ষানুৰাগী শুভাকাংক্ষী ব্যক্তিৰ আশাসুধীয়া প্ৰচেষ্টাৰ ফলত মঙলদৈ মহাবিদ্যালয়ৰ ভূমিষ্ঠ হৈছিল। যি আছিল ৰাইজৰ অযুত প্ৰতিশ্ৰুতিৰ প্ৰতিধ্বনি আৰু উচ্চ শিক্ষাত পিচ পৰি থকা মঙলদৈয়া ৰাইজৰ আশা আকাংক্ষাৰ সপোন। সময়ৰ পৰিক্ৰমাত ধীৰ গতিৰে হ'লেও এই বিদ্যামন্দিৰ উন্নতিৰ পথত অগ্ৰসৰ হৈছে আৰু মঙলদৈয়া ৰাইজৰ বহু মৰমৰ বহু সপোন দিঠকৰ এইখনি বিদ্যা মন্দিৰে উত্তৰণৰ বিভিন্ন দিশত খোজ দিছে। চৌদিশৰ সেউজীয়া পৰিবেশ, সুদৃশ্য ভৱন-তোৰণ আৰু বিভিন্ন শিক্ষা বিষয়ৰ সা-সুবিধাৰ মাজতেই এইখন মহাবিদ্যালয়ৰ উত্তৰণৰ খতিয়ান নিহিত হৈ আছে। বৰ্তমান মহাবিদ্যালয়ে সগৌৰবে সোণালী জয়ন্তী বৰ্ষত ভৰি দিছে।

<u>বৰ্তমান যুৱ সমাজ দেশৰ ভৱিষ্যত</u> ঃ আমি জানো মহাবিদ্যালয়ৰ মজিয়া গচকি বহু সপোন দিঠকৰ ভীৰৰ মাজত আপোনাসৰৰ যুৱসত্ত্বা উৰুলীকৃত প্ৰকৃতাৰ্থত এই মহাবিদ্যালয় কেৱল যে ডিগ্ৰীপ্ৰদানৰ অনুষ্ঠান এনে নহয়। ই হ'ল দেশৰ মহৎ শক্তিৰ যুৱসত্বাক বিশ্লেষণাত্মক দৃষ্টি ভংগীৰে অধ্যয়ন পুষ্ট কৰি তোলা এক মহান অনুষ্ঠান। আন প্ৰকাৰে কলেজীয়া শিক্ষাৰ পাতনিয়ে ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ মানসিকতাৰ প্ৰগতিশীল চিন্তাৰ উন্মেষ ঘটা সময়ৰ পৰিপ্ৰেক্ষিতত অতি প্ৰয়োজনীয় কথা। মহাবিদ্যালয় আৰু বিশ্ব বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল দেশৰ সম্ভাৱনাপূৰ্ণ সচেতনশীল যুৱ নাগৰিক। কিন্তু আমাৰ সমাজ ব্যৱস্থাৰ অসুস্থ বাতাবৰণৰ হেতু আমাৰ শিক্ষাই ছাত্ৰ-ছাত্ৰীক, যুৱসত্বাক ব্যক্তিকেন্দ্ৰিক কৰি তুলিছে। আমাৰ সমাজৰ সাংস্কৃতিক অৱক্ষয়ে অযুত সম্ভাৱনাপূৰ্ণ আমাৰ যুৱ মানসিকতাক বহুলাংশে দুৰ্বল কৰি তুলিছে। যাৰ বাবে আমি বহুতে নিজৰ সমাজখনৰ প্ৰতি দায়িত্বশীল হব পৰা নাই।

দেশৰ মহৎ যুৱ শক্তি আজি বুজোৱা আৰু সাংস্কৃতিক অৱক্ষয়ে চানিধৰা আমাৰ সমাজখনৰ প্ৰতি উদাসীন হৈ থকাৰ বৰ্তমান সময় নহয়। সমাজখনৰ প্ৰতি দায়িত্বশীল হৈ সুস্থ সাংস্কৃতিক যুৱমানসিকতাৰে মহৎ যুৱ শক্তিৰ যথাৰ্থ মূল্যায়ণৰ বাবে আজি দেশৰ যুৱ শক্তিৰ প্ৰতিনিধি হিচাপে আমি মঙলদৈ মহাবিদ্যালয়ৰ ন-পুৰণি সমূহ ছাত্ৰ-ছাত্ৰীয়ে আগবাঢ়ি আহিব লাগিব।

<u>শিক্ষাৰ ক্ষেত্ৰত মহাবিদ্যালয়খনি</u> ঃ যোৱা পাঁচটা দশক সুখ্যাতিৰে অতিক্ৰম কৰাৰ পিছত বৰ্তমান মহাবিদ্যালয়খনত শৈক্ষিক তথা প্ৰশাসনিক দিশত এক সুস্থ পৰিবেশৰ সৃষ্টি হৈছে। আমাৰ আনন্দৰ বিষয় এই যে মহাবিদ্যালয়ৰ পৰা বহুকেইগৰাকী প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীয়ে কলা আৰু বিজ্ঞান শাখাত বিশ্ববিদ্যালয়ৰ ভিতৰতে প্ৰথম শ্ৰেণীৰ বিভিন্ন স্থান অধিকাৰ কৰি মহাবিদ্যালয়ৰ সুনাম তথা গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। লগতে সহপাঠ্যক্ৰম সমূহতো ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়লৈ সন্মান কঢ়িয়াই আনিবলৈ সমৰ্থ হৈছে। কিন্তু মাজে সময়ে মহাবিদ্যালয়ত এটা অশুভ পৰিস্থিতিয়ে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক দিশত বাধাৰ সৃষ্টি কৰিব বিচাৰিলেও আমি প্ৰতিকাৰ কৰিবই লাগিব। যিহেতু মঙলদৈ মহাবিদ্যালয়ৰ পবিত্ৰতা তথা উন্নতিৰ প্ৰতি লক্ষ্য ৰখাটো প্ৰতিজন সচেতন শিক্ষিত ছাত্ৰ-ছাত্ৰীৰে প্ৰধান দায়িত্ব তথা কৰ্তব্য।

<u>ছাত্ৰ একতা সভাৰ সম্পাদকবৃন্দলৈ</u> ঃ ছাত্ৰ একতা সভাৰ বিভিন্ন বিভাগৰ সম্পাদকসকলেও মহাবিদ্যালয়ৰ বিভিন্ন সমস্যাৰ প্ৰতি সচেতন আৰু দায়িত্বশীল হোৱাটো দৰকাৰ। লগতে ছাত্ৰ-ছাত্ৰীসকলেও নিৰ্বাচনৰ সময়ত যোগ্যতাৰ ভিত্তিতহে ভোট দিয়া উচিত যাতে নিৰ্ব্বাচনৰ পিচত তেওঁলোকে নতুন দৃষ্টি ভংগীৰে সমস্যাসমূহ সমাধান কৰিব পাৰে।

<u>মোৰ কাৰ্যকালত</u> ঃ মহাবিদ্যালয়ত ঘটা ৰেগিঙৰ পৰা ছাত্ৰ-ছাত্ৰী সকলক আঁতৰাই ৰাখিবলৈ চেষ্টা কৰিছিলো আৰু সততে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক বিভিন্ন সমস্যা সমাধানৰ বাবে সদায় জোৰ দি আহিছিলো। এই সমস্যাকেইটা হ'ল মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰবাবে খোৱা পানীৰ ব্যৱস্থা, চাইকেল ষ্টেণ্ড নিৰ্মাণ কৰা, ছাত্ৰী জিৰণি কোঠাটো উন্নত কৰা, ছাত্ৰবাসটো পুনৰ ব্যৱহাৰৰ উপযোগী কৰি তোলা, প্ৰতিটো শ্ৰেণীকোঠাত উপযুক্ত বিজুলী সৰবৰাহৰ ব্যৱস্থা কৰা। আশা কৰিছো পৰিচালনা কমিটি গঠন হ'লে এই আটাইবোৰ সমস্যা দূৰ হব।

<u>কাৰ্য্যকাল</u> ঃ (১) ২ জানুৱাৰীত কাৰ্য্যভাৰ গ্ৰহণ। (২) ৬ জানুৱাৰীৰপৰা ৯ জানুৱাৰীলৈ মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন। (৩) ২৯ জানুৱাৰীত সৰস্বতী পূজা উদ্‌যাপন। (৪) ২৭ আগষ্টত নৱাগত আদৰণি সভা। (৫) ২০ চেপ্তেম্বৰত মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ শুভাৰম্ভ। (৬) ২৫ চেপ্তেম্বৰত সদৌ অসম শ্বহীদ সোঁৱৰণি আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা। (৭) ২৭ চেপ্তেম্বৰত শ্ৰীশ্ৰীমন্ত শঙ্কৰদেৱৰ তিথি উদযাপন।

<u>মোৰ কৃতজ্ঞতা স্বীকাৰ</u> ঃ মোৰ প্ৰতিটো কামতে দিহা-পৰামৰ্শ আগবঢ়ো শ্ৰদ্ধাৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° গিৰিশ চন্দ্ৰ গোস্বামী, ড° হীৰেন্দ্ৰ কুমাৰ গোস্বামী, ছাত্ৰ একতা সভাৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীমতিৰাম মেধি, অধ্যাপক- পৰেশ শৰ্মা, ড° হৰিশ ডেকা, ড° বিজয় কুমাৰ শৰ্মা, হৰিমন ডেকা, অধ্যাপিকা- বন্দনা গোস্বামী, দীপালী চহৰীয়া, সীমাজ্যোতি, কুঞ্জলতা বৰুৱা বাইদেউলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো। সামৰণিত মোৰ প্ৰতিটো কামতে সহায় আগবঢ়োৱা সমূহ ছাত্ৰ-ছাত্ৰীলৈ ধন্যবাদন জ্ঞাপন কৰিছো। লগতে আমাৰ মাজৰপৰা অকালতে মৃত্যুক সাৱটি লোৱা বন্ধু-বান্ধৱীসকললৈ অশ্ৰু অঞ্জলি নিবেদিছো। শেষত মঙলদৈ মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যতৰ কামনাৰে -

জয়তু মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

দ্বীপ কিশোৰ শইকীয়া
মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

শ্ৰুতি, স্মৃতি, গুৰুকুল পাৰ হৈ সমগ্ৰ বিশ্বতে আজি জ্ঞান স্পৃহাই ৰূপ পালে - বিদ্যালয়, শিষ্য, বিদাৰ্থী হ'ল ছাত্ৰ।

পূৰ্ণ মানৱ গঢ়াৰ প্ৰস্তুতি, জ্ঞানৰ বিস্তাৰ আৰু বাধ্যবাধকতাৰ নিয়ন্ত্ৰিত হ'ল ছাত্ৰ সমাজ।

পবিত্ৰ বিদ্যা মন্দিৰৰ আশিস প্ৰাৰ্থী ছাত্ৰ সমাজৰ অভাৱ-অভিযোগ দলবদ্ধভাৱে চিন্তা কৰি তাৰ প্ৰতিকাৰৰ অৰ্থে ব্যৱস্থা গ্ৰহণ কৰণৰ আৱশ্যকতাত বিশেষ মঞ্চত সমবেত হৈ ছাত্ৰ সমাজে গঢ়ি ল'লে ছাত্ৰ একতা সভা।

ঐতিহ্যমণ্ডিত মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হৈ এই অভাজন মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষাগুৰু আৰু অগ্ৰজ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলৰ ওচৰত চিৰকৃতজ্ঞ।

ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ দায়িত্ব অসীম। এই অভাজনৰ সেই দায়িত্ব বহন ক্ষমতা সম্পৰ্কত বহুজনৰ মনত হেজাৰ প্ৰশ্নৰ উদয় হোৱাতো খুবেই স্বাভাৱিক; আমি মাথো জানো -- হেজাৰজনৰ আশিস আৰু শুভ কামনাই একমাত্ৰ সম্বল কৰি লৈ হৃদয়ৰ সমগ্ৰ পবিত্ৰতা আৰু এক অবুজ সাহস বুকুত বান্ধি আমি আমাৰ কৰ্মক্ষেত্ৰত আগুৱান হৈছিলো, কাৰ্যৱলী ফলাফল সৰ্বজন জ্ঞাত।

**কাৰ্যকাল, মঙলদৈ মহাবিদ্যালয়ৰ সমস্যা, আমাৰ পদক্ষেপ আৰু কৰ্তৃপক্ষৰ আশ্বাস ঃ**

(১) আমি ২০০০ - ২০০১ বৰ্ষৰ নৱ নিৰ্বাচিত ছাত্ৰ একতা সভাই লোৱা ইং ২/১/২০০১ তাৰিখে আনুষ্ঠানিক ভাৱে মহাবিদ্যালয়ৰ অধ্যক্ষৰ ওচৰত কাৰ্যভাৰ গ্ৰহণ কৰো আৰু শপত বাক্য পাঠ কৰো।

(২) শপত গ্ৰহণৰ পাছত মহাবিদ্যালয়ৰ সপ্তাহৰ কাৰ্যসূচী লোৱা হয়; ৫ তাৰিখৰ পৰা ১০ জানুৱাৰীলৈ ৬ দিনীয়াকৈ বিভিন্ন প্ৰতিযোগিতা আয়োজন কৰা হয় । তাৰ ভিতৰত অন্যতম আছিল প্ৰথম দিনাৰ কাৰ্যসূচী ডঃ ৰেৱতী মোহন বৰদলৈ সোঁৱৰণী বটা আৰু নগদ ধন ৫০১ টকা এক বৰ্ণাঢ্য সাংস্কৃতিক শোভা যাত্ৰা প্ৰতিযোগিতা । অন্তিম দিনা মুকলি সভা আৰু সাংস্কৃতিক সন্ধিয়া আয়োজন কৰা হয়। মুকলি সভাত অংশ গ্ৰহণ কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য মাননীয় ড° নিৰ্মল কুমাৰ চৌধুৰীদেৱে আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক মাননীয় উমেশ ডেকাদেৱে। সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে মঙলদৈ মহাবিদ্যালয়ৰ সংগীত ৰচক মাননীয় প্ৰভাত নাৰায়ণ চৌধুৰীদেৱে লগতে অংশ গ্ৰহণ কৰে বিশিষ্ট গায়ক, দূৰদৰ্শন আৰু অনাতাঁৰ শিল্পী দিগন্ত দাস, কুমাৰ সঞ্জয়, শিশুশিল্পী, চিম্পী গোস্বামী আৰু মহাবিদ্যালয়ৰ আন আন শিল্পীসকলে ।

(৩) ২৯ জানুৱাৰী ঃ শ্ৰীশ্ৰীসৰস্বতী পূজা উদ্‌যাপন কৰা হয়। প্ৰকাশ থাকে যে মহাবিদ্যালয়ত প্ৰথমবাৰৰ বাবে পূজাৰ মণ্ডপ "ইলেক্ট্ৰনিকচ" পদ্ধতিৰে কৰা হয়।

(৪) ১১ জুন ঃ ফাতেহা-ই-দোৱাজ দাহম উদ্‌যাপন কৰা হয়।

(৫) ২৯ আগষ্ট ঃ নৱাগত আদৰণী সভা আৰু সম্বৰ্দ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰা হয় । নৱাগত সকলৰ চা-চিনাকি অনুষ্ঠান পৰিচালনা কৰে মাননীয় গৌতম শৰ্মা আৰু শ্ৰীহেমন্ত শৰ্মা (প্ৰাক্তন সদস্য বিশ্ববিদ্যালয় ক'ৰ্ট সভা, প্ৰাক্তন সম্পাদক সাংস্কৃতিক বিভাগ গুৱাহাটী বিশ্ববিদ্যালয়)। সেই দিনাৰ মুকলি সভাত অংশ গ্ৰহণ কৰে স্থানীয় বিধায়ক মাননীয় বসন্ত কুমাৰ দাস; সদৰ মহকুমাধিপতি বিনীত কুমাৰ শইকীয়া, অধ্যক্ষ ছিপাঝাৰ মহাবিদ্যালয়ৰ বেৰন চন্দ্ৰ নাথ, প্ৰাক্তন অধ্যক্ষদ্বয় - ড° লোকেশ্বৰ নাথ আৰু ড° গিৰীশ চন্দ্ৰ গোস্বামীদেৱে । সভাৰ সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° হীৰেন্দ্ৰ কুমাৰ গোস্বামীদেৱে। ইয়াৰ উপৰিও মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই অনা ছাত্ৰ-ছাত্ৰীক সম্বৰ্দ্ধনা জনোৱা হয়। উক্ত অনুষ্ঠান পৰিচালনা কৰে মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক মাননীয় শ্ৰীপৰেশ কুমাৰ শৰ্মাদেৱে।

বহু বছৰৰ বিৰতিৰ পিছত মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভাত সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত কৰা হয়।

সাংস্কৃতিক সন্ধিয়াত অংশ গ্ৰহণ কৰে আমন্ত্ৰিত শিল্পী মিলন নেৱৰ, জোন আৰু মহাবিদ্যালয়ৰ অন্যান্য শিল্পীসকলে ।

(৬) ২৫ চেপ্তেম্বৰ ঃ সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰা হয় ।

(৭) ২৭ চেপ্তেম্বৰ ঃ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিথি উদ্‌যাপন কৰা হয়। শংকৰদেৱৰ তিথিৰ লগত সংগতি ৰাখি বৰগীত প্ৰতিযোগিতা, বক্তৃতা অনুষ্ঠান, আৰু প্ৰদৰ্শনীমূলক নাগাৰা নাম অনুষ্ঠিত কৰা হয়। ছাত্ৰ-ছাত্ৰীক প্ৰথমবাৰৰ বাবে গুৰু জয়ন্তীত লঘু আহাৰৰ ব্যৱস্থা কৰা হয়।

ছাত্ৰ একতা সভাৰ সক্ৰিয়তা আৰু ছাত্ৰ-ছাত্ৰী সকলৰ সহযোগত নৱাগত ছাত্ৰ-ছাত্ৰীসকলক ৰেগিঙৰ পৰা প্ৰায় আতৰাই ৰাখিবলৈ সক্ষম হৈছিলো। ছাত্ৰ একতা সভাই বিভিন্ন সমস্যাৰ হেতু মহাবিদ্যালয় কৰ্তৃপক্ষৰ ওচৰত প্ৰদান কৰিছিলো যদিও কাৰ্য ভাৰ লোৱা কিছুদিন পিছৰেপৰা পৰিচালনা সমিতি গঠন নোহোৱা ; স্থায়ী অধ্যক্ষ নথকা বাবে বিভিন্ন অসুবিধাত পৰিছিলো।

তথাপিতো মহাবিদ্যালয়ৰ সদস্যৰে হৈ মাত-মাতি নিম্নলিখিত সমস্যাবোৰ সমধানৰ বাবে চেষ্টা চলাইছো। মহাবিদ্যালয়ৰ প্ৰধান সমস্যা চাইকেল ষ্টেণ্ড, খোৱা পানী আৰু চৌহদৰ ভিতৰৰ ৰাস্তা-ঘাটৰ ভিতৰত ক্ষেত্ৰত স্থানীয় বিধায়কক ছাত্ৰ একতা সভাই স্মাৰকপত্ৰ প্ৰদান কৰাত উক্ত সমস্যা দূৰ কৰিব বুলি বিধায়ক মহোদয়ে মুকলিকৈ ঘোষণা কৰে আৰু পৰিচালনা সমিতি গঠনৰ লগে লগেই উক্ত সমস্যা সমধান হব বুলি কৰ্তৃপক্ষই আশ্বাস দিয়ে। মহাবিদ্যালয়ৰ নিচেই ওচৰত থকা ৫২ নং ৰাষ্ট্ৰীয় ঘাই পথত ৫/১/২০০১ তাৰিখে গতিৰোধকৰ ব্যৱস্থা কৰা, অৱহেলিত হৈ থকা প্ৰেক্ষাগৃহৰ মজিয়া পকীকৰণৰ ব্যৱস্থা, চৌহদত নতুন প্ৰস্ৰাৱাগাৰ নিৰ্মাণ, লাইব্ৰেৰীত নতুন কিতাপ যোগান, ছাত্ৰ নিবাস চাফ-চিকুণ কৰি থকাৰ বাবে সুব্যৱস্থা গ্ৰহণ, মহাবিদ্যালয়ত কেইখাখনো নতুন বিজুলী পাংখা, ডেস্ক-বেঞ্চ যোগান, ছাত্ৰ -ছাত্ৰীক সতৰ্ক কৰি ওৱাল প্ৰিন্টিঙৰ ব্যৱস্থা, চৌহদৰ ভিতৰত ধুমপান বন্ধ কৰাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা, সন্ধিয়া মহাবিদ্যালয় বিজুলী বাতিৰে উজ্বলাই ৰখা ব্যৱস্থা, ছাত্ৰী নিবাসৰ পাকশালা নিৰ্মাণ, ছাত্ৰ একতা সভা কাৰ্যলয়ৰ নাম ফলকৰ ব্যৱস্থা, কোনো ছাত্ৰ-ছাত্ৰীৰ অশোভনীয় আচৰণৰ বিহিত ব্যৱস্থা গ্ৰহণ উল্লেখ যোগ্য।

ইয়াৰ উপৰিও ছাত্ৰ-জিৰণী কোঠা, ছাত্ৰী জিৰণি কোঠা প্ৰেক্ষাগৃহ সম্পূৰ্ণকৰণ, বিজ্ঞান ভিত্তিক সভাকক্ষ নিৰ্মাণ, চৌহদত ৰঙৰ ব্যৱস্থা আদিবোৰ কাম সোণালী জয়ন্তীৰ বাহিধনেৰে সম্পূৰ্ণ কৰাৰ আশ্বাস দিয়ে।

সোণালী জয়ন্তী সম্পৰ্কে - আমি অতি গৌৰৱৰে জনাবলৈ পাই সুখী হৈছো যে যোৱা জানুৱাৰী মাহত অধ্যক্ষ ড° গিৰীশ চন্দ্ৰ গোস্বামী দেৱৰ সহযোগত মহাবিদ্যালয়ৰ অধ্যাপক -অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ একতা সভাৰ উপসভাপতি, সাধাৰণ সম্পাদক, সহঃ সাধাৰণ সম্পাদক আৰু সম্পাদক খেল বিভাগকলৈ সোণালী জয়ন্তী প্ৰস্তুতি সমিতি গঠন হয়। প্ৰস্তুতি সমিতিৰ সহযোগত মহাবিদ্যালয়ৰ ১৯৫১ চনৰ ২০ চেপ্টেম্বৰত প্ৰথম পাঠদান হোৱা হেতুকে উক্ত দিনটোক স্মৰণ কৰাৰ লক্ষ্যৰে ইং ২০/১/০১ তাৰিখে বিভিন্ন কাৰ্যসূচীৰ সোণালী জয়ন্তীৰ শুভাৰম্ভ কৰা হয়। উক্ত দিনৰ কাৰ্য্যসূচী মহাবিদ্যালয়ৰ পতাকা উত্তোলন, বন্তি প্ৰজ্বলন, বৃক্ষৰোপণ, ছাত্ৰ একতা সভাৰ উদ্যোগত সমুহীয়া ছাফাই, সাহিত্য চৰ্চাৰ উদ্যোগত সাহিত্যানুষ্ঠান, চৌহদত বন্তি প্ৰজ্বলন আদি। ইয়াত বিশেষ ভাৱে অংশ গ্ৰহণ কৰে ১৯৫১ খৃঃৰ প্ৰথম বছৰৰ ছাত্ৰ-ছাত্ৰী সকলে, সন্ধিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ সহযোগত চৌহদত বন্তি প্ৰজ্বলন কৰি মহাবিদ্যালয় চৌহদ ৰূপালী আভাৰে আলোকিত কৰা হয়।

ইং ২৪/১১/০১ তাৰিখে মহাবিদ্যালয়ৰ সভাকক্ষত ৰাজহুৱা সভা আহ্বান কৰি অভ্যৰ্থনা সমিতি গঠন কৰা হয়।

আশা কৰিছোঁ সকলোৰে সহযোগত এখন উল্লেখযোগ্য সোণালী জয়ন্তী উদ্‌যাপন হব আৰু সকলোৰে মহাবিদ্যালয়ৰ উক্ত বছৰৰ পৰা সকলো দিশতে আশানুৰূপ সহযোগিতা আগবঢ়াব।

**কৃতজ্ঞতা জ্ঞাপন ঃ**

আমাৰ বিভিন্ন কাম কাজৰ লগত জড়িত থকা বা প্ৰয়োজনীয় দিহা পৰামৰ্শৰে উপকৃত কৰা, অৱসৰ প্ৰাপ্ত অধ্যক্ষ ড° গিৰীশ চন্দ্ৰ গোস্বামীচাৰ, বৰ্তমানৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° হীৰেন্দ্ৰ কুমাৰ গোস্বামীচাৰ, ছাত্ৰ একতা সভাৰ ভাৰপ্ৰাপ্ত অধ্যাপক মতিৰাম মেধিচাৰ, ছাত্ৰ একতা সভাৰ বিভিন্ন বিষয় বাবৰ ভাৰপ্ৰাপ্ত অধ্যাপক -অধ্যাপিকা সকল, মাননীয় বিধায়ক বসন্ত কুমাৰ দাসদেৱ, দুলাল হীৰা, প্ৰতাপ বৰদলৈ, দিলীপ চহৰীয়া ছাত্ৰ একতা সভাৰ বিষয় ববীয়া সকল আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ ওচৰত চিৰ কৃতজ্ঞ।

**সামৰণি ঃ**

"মানুহৰ গোটেই জীৱন সামৰি লয় তিনিটা কথাই। সেই কেইটা হ'ল- ইচ্ছা, পৰিশ্ৰম আৰু কৃতকাৰ্যতা। ইচ্ছাই এটা উজ্বল আৰু সুখী কেৰিয়াৰৰ দুৱাৰ মুকলি কৰি দিয়ে, পৰিশ্ৰমে দুৱাৰডলি পাৰ হৈ আগবাঢ়ি যায়, যাত্ৰাৰ শেষত আছে কৃতকাৰ্যতা যি আমাৰ জীৱনৰ সমস্ত সমাধানৰ শিৰত কিৰীটি পিন্ধাই দি তাক পুৰস্কৃত কৰে।" - লুই পেষ্টিউৰ

সদৌ শেষত মঙ্গলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীসকললৈ ৰ'ল হেজাৰ মৰম আৰু শুভেচ্ছা।

শ্ৰদ্ধাৰে
দ্বীপ কিশোৰ শইকীয়া
সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা
মঙলদৈ মহাবিদ্যালয়
২০০০ - ২০০১ বৰ্ষ



# আলোচনী বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

*প্ৰবীণ বৰুৱা*

মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

"চিৰ চেনেহী মোৰ ভাষা জননী"

এক বিংশ শতিকাৰ প্ৰথম আৰু আমাৰ এই জ্ঞানৰ মন্দিৰ মঙলদৈ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষৰ আলোচনী বিভাগৰ সম্পাদক হিচাপে প্ৰথমে সকলোলৈকে শ্ৰদ্ধা আৰু শুভেচ্ছা জনাইছোঁ।

সশ্ৰদ্ধ প্ৰণাম জনাইছো সেই সকললৈ, যি মহান লোক সকলৰ অশেষ কষ্টৰ ফলত আজি সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন কৰিব পাৰিছোঁ এই মহামিলনৰ পবিত্ৰ স্থানত ।

মহাবিদ্যালয়ৰ প্ৰতি গৰাকী শিক্ষাৰ্থী, বন্ধু-বান্ধৱীলৈ আন্তৰিক ধন্যবাদ জনাইছোঁ, এক বিংশ শতিকাৰ প্ৰথম আলোচনীৰ সম্পাদক হিচাপে ভাষা-জননীৰ কিঞ্চিত কাম কৰিবৰ সুবিধা দিয়াৰ বাবে ।

মহাবিদ্যালয় এখনৰ আলোচনী মহাবিদ্যালয়খনৰ দাপোণ স্বৰূপ । মহাবিদ্যালয় আলোচনীখনৰ বিশেষ ভাৱে ছাত্ৰ-ছাত্ৰী মৌলিক চিন্তা, সাহিত্য-কলা, সংস্কৃতি আদি প্ৰকাশৰ মাধ্যম । সাহিত্য আৰু জীৱনৰ মধুৰ সম্পৰ্ক আছে । সাহিত্যৰ ৰস পান কৰিব নোৱাৰিলে জীৱন আৰু জাতি বৃথা ।

ইংৰাজী ২-১-২০০১ তাৰিখে ভগৱানৰ ওচৰত শপত খাই নিষ্ঠা সহকাৰে মই মঙলদৈ মহাবিদ্যালয় আলোচনী বিভাগৰ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰোঁ । কাৰ্যভাৰ গ্ৰহণ কৰিয়েই ৫-১-২০০১ তাৰিখৰ পৰা হোৱা মহাবিদ্যালয় সপ্তাহত আলোচনী বিভাগৰ দ্বাৰা গল্প, কবিতা আৰু আধুনিক কবিতাৰ সংজ্ঞা লিখা প্ৰতিযোগিতা অনুষ্ঠিত কৰোঁ । বৰ্তমান সময়ৰ সাহিত্যৰ ওপৰত গুৰুত্ব দি বিশেষ পৰিস্থিতি সম্পৰ্কে গল্প, কবিতাৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰো । গল্পৰ বিষয় আছিল "পি.জি.বেষ্কৰ সমুখত থকা অৰ্ধ নগ্ন ৰামুজনী" আৰু কবিতাৰ বিষয় আছিল "তোমাৰ পঢ়া মেজৰ সমুখৰ বেৰত এটা পখিলা পৰিছে, পখিলাটি দেখি চুকত থকা জেঠী এটাই পখিলাটি ধৰিব চেষ্টা কৰিছে, বাৰে বাৰে চেষ্টা কৰিও বিফল হৈছে ।" বৰ্তমান কবিতাৰ ওপৰত সকলোৱে ক'বলগা থাকে । বিভিন্ন জনে বিভিন্ন মত পোষণ কৰে কবিতাৰ ওপৰত । বিশেষকৈ আধুনিক কবিতাৰ ওপৰত আৰু এখোপ, তাৰ ওপৰত ভিত্তি কৰিয়েই আধুনিক কবিতাৰ সংজ্ঞা লিখা প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো । সঁহাৰিও পোৱা হৈছিল আশানুৰূপ ভাৱে ।

মহাবিদ্যালয় আলোচনীখন প্ৰকাশৰ বাবে লিখনি আহ্বান কৰাত মহাবিদ্যালয়ৰ আগৰ বদনাম কিছু হ্ৰাস হোৱা পৰিলক্ষিত হয় । আশা কৰাতকৈয়ো বহু লিখনি পোৱা হৈছিল যদিও দুখৰ কথা লিখনিৰ মান সিমান উন্নত নহয় । প্ৰায় সকলো লিখনিৰ বিষয় আৰু মান একে ।

পবিত্ৰ এই দৰং জিলা খনত সিঁচৰিত হৈ পৰি আছে বহু পুৰণি কলীয়া পবিত্ৰ ধাম । তাৰ প্ৰতি চৰকাৰ কিম্বা ৰাইজেও দুই এখন এনে ঠাইৰ বাহিৰে কোনো গুৰুত্ব দিয়া পৰিলক্ষিত নহয় । হয়তো হেৰাই যাব কালৰ গতিত এই পুৰণি কলীয়া চিহ্নবোৰ । তাৰ বাবে এই আলোচনীৰ পাততেই জিলাখনৰ আজিৰ পৰা ৭০০-১০০০ বছৰ পুৰণি কীৰ্ত্তি চিহ্নৰ এটা 'জিলা এলবাম'ৰ ব্যৱস্থা কৰা হ'ল । আশা কৰা হৈছে- ইয়াৰ দ্বাৰা চৰকাৰ তথা দৰঙী ৰাইজে অলপ হ'লেও গুৰুত্ব দিব এই সম্পদবোৰৰ ওপৰত ।

বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীৰ ভূমিকাৰ ওপৰত মতামত আগবঢ়োৱা লোকসকলৰ ওচৰত মই চিৰ কৃতজ্ঞ । তেওঁলোকৰ বহু মূল্যবান সময় নষ্ট কৰি সমগ্ৰ ছাত্ৰ সমাজৰ প্ৰতি দিয়া মতামতে কিঞ্চিত হ'লেও ফলৱতী হ'লে শ্ৰম সাৰ্থক হোৱা বুলি ভাবিম । লগতে আলোচনীখন সজোৱাৰ খাতিৰত বাক্যাংশ, ক'লি যিসকল বৰেণ্য ব্যক্তিৰ লিখনিৰ পৰা উদ্ধৃত কৰিলো সেই মহান লোকসকলৰ ওচৰত আজীৱন ঋণী হৈ ৰ'ম ।

সাহিত্য জগতৰ সৰ্বোচ্চ সন্মান 'জ্ঞানপীঠ' বঁটা প্ৰাপ্ত সাহিত্যিক, ৰামায়ণী সাহিত্যৰ গৱেষক ড' মামনি ৰয়চম গোস্বামী (ইন্দিৰা গোস্বামী) য়ে তেখেতৰ বহুমূলীয়া সময় ক্ষতি কৰি আলোচনীৰ বাবে শুভেচ্ছা বাণী দিয়া বাবে তেখেতলৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ ।

আলোচনীৰ সকলো কাম চলোৱাত মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড' গিৰীশ চন্দ্ৰ গোস্বামী চাৰ, ড' হীৰেন্দ্ৰ কুমাৰ গোস্বামী চাৰ, ভাৰপ্ৰাপ্ত অধ্যাপক বিচিত্ৰ কুমাৰ মেধি চাৰ,ছাত্ৰ একতা সভাৰ ভাৰপ্ৰাপ্ত অধ্যাপক মতিৰাম মেধি চাৰ, সম্পাদনা সমিতিৰ সমূহ বিষয়ববীয়া, ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া, সমূহ লেখক-লেখিকা, মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলোলৈ এইখিনিতে শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাইছোঁ । লগতে কৃতজ্ঞতা জনাইছোঁ বেটুপাতৰ শিল্পী গৌতম ঠাকুৰীয়া আৰু ৰেখাঙ্কণ শিল্পী গৌতম বৰুৱালৈ । সময় মতে আলোচনীখন ছপা কৰি দিয়া বাবে 'সাগৰ প্ৰিণ্টাৰ্চ'ৰ মালিক গৌতম দাৰ লগতে কৰ্মচাৰী বৃন্দলৈ কৃতজ্ঞতা জনাইছোঁ ।

মহাবিদ্যালয় আলোচনী এখন সম্পাদনা কৰা বৰ কঠিন । ইয়াক ভূক্তভোগীয়েহে ভালকৈ বুজে । পূৰ্বৰ অভিজ্ঞতা মোৰ তেনেই কম ; তথাপি চেষ্টা কৰিছোঁ সময়মতে উন্নত মানৰ আলোচনী এখন প্ৰকাশৰ বাবে । শেষত মোৰ কাৰ্যকালত কৰ্তব্যৰ খাতিৰত কিম্বা জ্ঞাত-অজ্ঞাত ভুল-ভ্ৰান্তিৰ বাবে সকলোৱে ওচৰত ক্ষমা মাগিছো । ☐



# খেলবিভাগৰ সম্পাদকৰ প্ৰতিবেদন

*প্ৰাণজ্যোতি বৰুৱা*
মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

প্ৰতিবেদনৰ আৰম্ভণিতে দেশৰ হকে প্ৰাণ আহুতি দিয়া বীৰ-বীৰাঙ্গণালৈ যাচিছো মোৰ সশ্ৰদ্ধ প্ৰণাম, মহাবিদ্যালয়ৰ খেল বিভাগৰ দৰে গধুৰ দায়িত্ব দি মোক মহাবিদ্যালয় তথা খেলুৱৈ বৃন্দক কিঞ্চিত সেৱা কৰাৰ সুবিধা কণ দিয়া বাবে মঙলদৈ মহাবিদ্যালয় সমূহ বিবেক বান ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে গৌৰবান্বিত হৈছো সোণালী জয়ন্তী বৰ্ষৰ খেল সম্পাদকক হোৱাৰ বাবে। কাৰ্য ভাৰ লৈয়েই তত্তা তয়াকৈ মহাবিদ্যালয় সপ্তাহ আৰম্ভ হৈছিল। মহাবিদ্যালয় সপ্তাহত কোনো কৃপণালী নকৰাকৈ ন-পুৰণি বিভিন্ন খেল অনুষ্ঠিত কৰিছিলো। প্ৰতিজন খেলুৱৈয়ে নিজৰ নিজৰ প্ৰতিভা বিকাশ কৰি মহা বিদ্যালয় খেল পথাৰ মুখৰিত কৰি তোলে।

২০০০-২০০১বৰ্ষৰ মহাবিদ্যালয় সপ্তাহ পাঁচ জানুৱাৰীৰ পৰা দহ জানুৱাৰীলৈ অনুষ্ঠিত হয়। খেল পথাৰ উদ্বোধন কৰে খেল বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰীযুত শচীন চহৰীয়া দেৱে। অলিম্পিকা শিখা প্ৰজ্বলন কৰে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা সুদক্ষ খেলুৱৈ ৰাজেন্দ্ৰ নাৰায়ণ দেৱে মহাবিদ্যালয়ৰ সপ্তাহৰ শ্ৰেষ্ঠ বহিঃদ্বাৰ খেলুৱৈৰ সন্মান লাভ কৰে তৃষ্ণা শইকীয়াই।

১০-০১-২০০১ তাৰিখে দোক-মোকালিতে মহাবিদ্যালয় সপ্তাহ উপলক্ষে ছিপাঝাৰ মহাবিদ্যালয়ৰ পৰা মঙলদৈ মহাবিদ্যালয় খেল পথাৰলৈ মাৰাথন দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। মতবৰ প্ৰতিকুল পৰিবেশতো আশা কৰাতকৈ বহু প্ৰতিযোগীয়ে প্ৰতিয়োগিতাত অংশ গ্ৰহণ কৰিছিল। মাৰাথন দৌৰ প্ৰতিযোগিতা শুভাৰম্ভণি কৰে প্ৰাক্তন খেল সম্পাদক মুকুট হাজৰিকাই। বিপুল চহৰীয়াই শ্ৰেষ্ঠ মাৰাথন বীৰ সন্মান লাভ কৰে।

৩০-০৪-২০০১ তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অনুষ্ঠিত হোৱা আন্ত মহাবিদ্যালয় ভলী বল প্ৰতিযোগিতা বিভিন্ন অভাৱ অভিযোগৰ মাজতো আমাৰ মহাবিদ্যালয় দলটি অংশ গ্ৰহণ কৰিবলৈ লৈ যোৱা হয়।

২০০০-২০০১ বৰ্ষৰ আন্তঃ শ্ৰেণী ফুটবল প্ৰতিযোগিতা খনি ০৩-১০-২০০১ তাৰিখৰ পৰা আৰম্ভ কৰা হয়। শিক্ষক সন্থা আৰু মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ মাজত উদ্বোধনি খেল খন অনুষ্ঠিত হয়। বিগত বৰ্ষবোৰৰ পাচটি দলৰ পৰিবৰ্তে এই বেলি প্ৰতি শ্ৰেণীৰ দুটা, ছাত্ৰ একতা সভা, এন এচ. পি, জি, মহাবিদ্যালয় কৰ্মচাৰী পৰিষদৰ মুঠ ১৪ টি দলক অংশ গ্ৰহণ কৰাৰ সুবিধা দিয়া হয়। উত্তেজনাপূৰ্ণ চূড়ান্ত খেল খনত স্নাতক তৃতীয় বৰ্ষৰ 'ক' দলে স্নাতক প্ৰথম বৰ্ষৰ 'ক' দলক পৰাজিত কৰি বছৰৰ শ্ৰেষ্ঠ ফুটবল দল হিচাপে সন্মান অৰ্জন কৰে।

০২-১২-২০০১ তাৰিখ ৰবিবাৰে চপাইৰ ভাৰতীয় সৈন্য বাহিনী আৰু আমাৰ মহাবিদ্যালয় ফুটবল দলৰ মাজত বিদ্যাপীঠ হাইস্কুল খেল পথাৰত এখনি প্ৰীতি খেল খেলোৱা হয়।

মোৰ কাৰ্য্য কালৰ ভিতৰত বহু চেষ্টাৰে বাস্কেট বল কোৰ্ট খন নিৰ্মাণ চেষ্টা কৰিছিলো কিন্তু আৰ্থিক অনাটনৰ বাবে সফল হব নোৱাৰিলো। উল্লেখ থাকে যে এই অনাটন মচিমুৰৰ বাবে পুজি বঢ়াবৰ বাবে প্ৰস্তাৱ আগবঢ়োৱা হয়। ছাত্ৰ একতা সভাৰ সৰ্ব সন্মতি ক্ৰমে এই পুজিৰ বাবদ পাঁচ টকাকৈ মুঠ প্ৰায় ঢেধ্য হাজাৰ টকাৰ "খেল বিকাশ আঁচনি" নামেৰে এটি পুজি গঠন কৰা হয়। সেয়ে আশা কৰো মোৰ আপ্ৰাণ চেষ্টাতো যি খন কোৰ্ট নিৰ্মাণ কৰিব পৰা নগল অনাগত সম্পাদকে এই কোৰ্ট নিৰ্মাণ কৰি ছাত্ৰ-ছাত্ৰী সকলৰ দীৰ্ঘ দিনীয়া আশা পূৰ্ণ কৰে যেন।

বহু বছৰ বিৰতিৰ পিছত আন্তঃ শ্ৰেণী ক্ৰিকেট খেল খন অনুষ্ঠিত কৰাৰ আপ্ৰাণ চেষ্টা কৰিছিলো। সময় তথা আৰ্থিক অনাটনৰ বাবে এই আশা মনতে থাকি গল। আশা ৰাখিছো অনাগত সম্পাদক সকলে এই খেল অনুষ্ঠিত কৰি মহাবিদ্যালয়ৰ ক্ৰিকেট খেলুৱৈ সকলৰ মহৎ উপকাৰ সাধন কৰে যেন।

কৃতজ্ঞতা ঃ

মোৰ কাৰ্যকালৰ প্ৰতিতো মুহূৰ্ত্তে সহায় সহযোগ আগবঢ়োৱা মোৰ সহঃ সম্পাদক মঃ জেহেৰুল ইচলাম তথা মোৰ বন্ধু নিৰঞ্জন, পৰেশ, বাপন, মিন্টু, ৰূপম, মৃত্যুঞ্জয়, অমিতাভ, সোণ, প্ৰণৱ, কুশেশ্বৰ, সত্য, শুক্ৰ, নৱ, প্ৰাঞ্জল, কণ, সোণতি, কঙ্কণ, মুন্না, প্ৰবীন আৰু অন্যান্য সকলো বন্ধু-বান্ধৱীলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। প্ৰতিটো ক্ষেত্ৰতে মোক দিহা-পৰামৰ্শ দিয়া বিশেষকৈ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত শচীন চহৰীয়া দেৱে সুদীৰ্ঘ দিনৰ অভিজ্ঞতাৰে যি সহায় কৰিছিল, সেইয়েই আছিল মোৰ কাৰ্য পৰিচালনাৰ আশিস নিৰ্মালি। লগতে কৃতজ্ঞতা জ্ঞাপন কৰিছো অধ্যক্ষ প্ৰমুখ্যে সমূহ শিক্ষাগুৰুলৈ। ছাত্ৰ একতা সভাৰ সমূহ বিষয় ববীয়ালৈয়ো মোৰ কৃতজ্ঞতা থাকিল।

সদৌ শেষত মোৰ অজানিতে হৈ যোৱা ভুলভ্ৰান্তিৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰি প্ৰতিবেদন সামৰিছো।

মোৰ একাষাৰ ঃ মোৰ এবছৰীয়া কাৰ্যকালত জ্ঞাত অজ্ঞাত ভুলভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো। শেষত মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।



# সাহিত্য বিভাগৰ প্ৰতিবেদন

কৃষ্ণ শইকীয়া
মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

দৰং জিলাৰ ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান মঙলদৈ মহাবিদ্যালয়ে আজি অৰ্ধ শতিকা জ্ঞানৰ পোহৰ বিলাই "সোণালী জয়ন্তী বৰ্ষ"ত ভৰি দিছে। প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল ব্যক্তিৰ নিষ্ঠা আৰু কেচা ঘামেৰে এই বিশাল অনুষ্ঠানটিৰ বীজ ৰোপণ কৰা হৈছিল সেই সকল মহান ব্যক্তিৰ শ্ৰীচৰণত আঠুকাঢ়ি প্ৰণিপাত জনাইছো। এই সুযোগতে যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ মৰম আৰু সহানুভূতিৰে ছাত্ৰ একতা সভাৰ সাহিত্য বিভাগৰ দৰে গধুৰ দায়িত্ব অৰ্পণ কৰি মহাবিদ্যালয় তথা ছাত্ৰ-ছাত্ৰীৰ সেৱা আগবঢ়োৱৰ সুবিধা কণ দিলে তেওঁলোককৈ মোৰ হিয়াভৰা মৰম যাচিছো আৰু শ্ৰদ্ধা নিবেদিছোঁ- সৰ্গগামী হোৱা সাহিত্যৰ জন বহন কৰোতা গুৰুৰৰ ব্যক্তিসকলক।

যেতিয়া পৃথিবীত অস্থিৰ, অৰাজক পৰিস্থিতি আৰু অসুৰ ৰূপী দানৱৰ শক্তি সমূহৰ জয় হয় তেতিয়াই এই শক্তি সমূহক সংহাৰ কৰিবৰ নিমিত্তে একোজন মহাপুৰুষৰ আবিৰ্ভাৱ হয়। ছেক্সপীয়েৰ, আজান ফকীৰ, মহামানৱ মহাত্মা গান্ধী, শংকৰদেৱ আদি ব্যক্তি সকলে ধৰ্ম, ভাষা, সাহিত্য, সংস্কৃতি আদিৰ এক সুন্দৰ শান্তিৰ পৰিবেশ ৰচনা কৰি গৈছে। আজি যেন সেই সকল লোকৰ পুনৰ প্ৰয়োজন আহি পৰিছে। আজি ৰাজনীতি, সন্ত্ৰাসবাদী এই শক্তি সমূহে বিশ্বযুদ্ধ তথা পৃথিৱী ধ্বংসৰ আখৰা কৰিছে। আজি মানুহৰ মানৱীয় সত্বা হেৰুৱাই মানুহ হিচাপে জীয়াই থকাৰ শক্তি হেৰুৱাই পেলাইছে। এইবোৰৰ পৰা পৃথিৱীক ৰক্ষা কৰিবলৈ একমাত্ৰ ব্যৱস্থা হ'ল আলোচনা তথা বুজাপৰা ভাব। ইয়ো এক সাহিত্য। বন্দুক বাৰুদৰ কাৰ্টুজেৰে পৃথিৱী বাওনীহে কৰিব পাৰি সৃষ্টি কৰিব নোৱাৰি। সাহিত্য সদায় সৃষ্টি কামী, সেয়ে সাহিত্যৰ জৰিয়তে সকলোৱে নিজৰ মত প্ৰকাশৰ দ্বাৰা শান্তি, সমৃদ্ধিৰ স্থায়ী সমাধান আনি ছাত্ৰ হিচাপে আশা কৰো।

২০০১ চনৰ জানুৱাৰী ২ তাৰিখৰ পৰা কাৰ্যভাৰ গ্ৰহণ কৰি বহু খৰধৰ কৈ "মহাবিদ্যালয় সপ্তাহ" উদযাপন কৰা হয়। মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি বিভিন্ন সাহিত্য প্ৰতিযোগিতা সমূহৰ লগতে মোৰ কাৰ্যকালৰ প্ৰথম প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰা হয়। নতুন নতুন কাম কৰাৰ হেপাহ প্ৰত্যেকৰে থাকে, আমিও নিশ্চয় তাৰ ব্যতিক্ৰম নহওঁ। কিন্তু বিগত প্ৰত্যেকজন ভুক্তভোগীয়ে কৈ অহাৰ দৰে আৰ্থিক অভাৱৰ বাবেই সেইবোৰ সম্পুৰ্ণ হব নাপালে। এই অভাজনৰ কাৰ্যকালত একমাত্ৰ এটি প্ৰতিযোগিতা আমাৰ মহাবিদ্যালয়ত প্ৰথম আৰম্ভ কৰা হয়, সেয়া হল "প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতা"। মহাবিদ্যালয় সাহিত্য বিভাগৰ বছেৰেকীয়া প্ৰকাশিত কবিতা পুথি "প্ৰেৰণা" খনিও বহুতো কষ্টৰ মাজেৰে বন্ধুবৰ আলোচনী সম্পাদক শ্ৰীপ্ৰবীণ বৰুৱাই প্ৰকাশ কৰে। মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাহিত্য বিভাগৰ আৰ্থিক সমস্যা এটি স্থায়ী সমস্যা হিচাপে আমি অনুভৱ কৰিছো। ইয়াৰ পৰা সাহিত্য বিভাগক আঁতৰাই নিবলৈ অধ্যক্ষ মহোদয় আৰু শিক্ষা গুৰু লগতে মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰে কৰণীয় আছে।

এই বিভাগৰ বিভিন্ন দিশ পৰিচালনাত সততে মোক দিহা পৰামৰ্শ দি উৎসাহিত কৰা মহাবিদ্যালয়ৰ সাহিত্য বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক, অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক মাননীয় শ্ৰীডিম্বেশ্বৰ বৰুৱা দেৱলৈ মোৰ হিয়াভৰা শ্ৰদ্ধা নিবেদন কৰিছো। মোৰ কাৰ্যকালত বিশেষ ভাবে সহায় আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সমূহ বিষয় ববীয়াৰ লগতে বন্ধু-বান্ধৱী বৃন্দলৈ সলাগ যাচিছোঁ।

সদৌ শেষত মোৰ কাৰ্যকালত হোৱা জানিত অজানিত সকলো ভুল-ভ্ৰান্তিৰ বাবে সবাৰে ওচৰত ক্ষমা বিচাৰি মঙলদৈ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনাৰে প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয়তু মঙলদৈ মহাবিদ্যালয়

জয় আই অসম

☺ ☺ ☺ ☺



# সংগীত আৰু সাংস্কৃতিক বিভাগৰ প্ৰতিবেদন

ৰাজু ভূঞা
মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

সময় গতিশীল। এই গতিশীলতাৰ লগতেই আবৰ্ত্তিত আমাৰ জীৱনবো গতি। এই গতিয়েই আদিম সমাজক ৰূপান্তৰিত কৰি জন্ম দিলে সাহিত্য সংস্কৃতিৰ। সময়ৰ আলফুল সযত্নভাৱ হেঙুল হাইতালৰ বোলেৰে ৰঙীয়াল এই সংস্কৃতি। প্ৰগতিশীল মানৱ মনে সংস্কৃতিকো গতি প্ৰদান কৰিলে। অৰণ্যত আহাৰ বিচাৰি আদিম মানুহে পৃথিৱী কৰ্ষণ কৰি শস্য উৎপাদন কৰি পেট পুৰাই খাব শিকিলে। শস্য উৎপাদনৰ আনন্দই জন্ম দিলে উৎসৱৰ। শ্যামলীমা, শস্যদাত্ৰী ধৰণীৰ প্ৰতি কৃতজ্ঞতা জনাই সৃষ্টি ক্ষমতাক স্বীকৃতি দি পূজা কৰিলে মাতৃস্বৰূপা বসুন্ধৰাক। পূজাৰ সময়ত পুঞ্জীভূত অনুভূতিয়ে আত্মপ্ৰকাশ কৰিলে শাস্ত্ৰ, সাহিত্য, ভাষা, লিপি আৰু সংগীত হৈ। যুগ বাগৰি গ'ল। নেদেখাজনৰ মহিমাময়ী শক্তিত মানৱ মন ভক্তিত আপ্লুত হৈ গ'ল। অসংখ্য দেৱ-দেৱীৰ কল্পনাই, তেওঁলোকক কেন্দ্ৰ কৰি সৃষ্টি কৰিলে মন্ত্ৰ মননশীলতাৰ। মানুহ যিমানেই ধাৰ্মিক নহওক কিয়, জৈৱিক বাসনা শূণ্য হোৱাটো অসম্ভৱ আৰু এই জৈৱিক পৰিতৃপ্তি বিচাৰি কল্পনাত সৃষ্টিৰ প্ৰেৰণা পালে মানৱে। এইদৰে মানৱৰ বস্তুগত, ভাৱগত, আধ্যাত্মিক জাগতিক সকলো সৃষ্টিকে সংস্কৃতিয়ে সাঙুৰি ললে। স্ৰোতস্বতীৰ গতি সদৃশ সংস্কৃতিৰো গতি। নৈ যেনেকৈ নিৰৱ-বিচ্ছিন্ন গতিৰে চিৰ প্ৰবাহিত হৈ থাকে, সংস্কৃতিয়ো তেনেকৈ ধাৰাবাহিক গতিৰে প্ৰবাহিত হৈ থাকে। নৈয়ে গৰা খহায়, বলুকা পাতে, সেইদৰে নিৰবধি, দূৰৰি সময়ৰ সোঁতত লাগি সংস্কৃতিৰ সম্পদ এৰা পৰে; নতুনৰ যুগ হয়। এই দৰে সংস্কৃতিৰ গতি বৈ থাকে নিৰৱচ্ছিন্ন ভাৱে। মহান মহান পণ্ডিত সকলেও কৈ গৈছে যে "সাহিত্য-সংগীত-কলাবিহীন মনুষ্য সাক্ষাত পশুৰ দৰে; কিন্তু অন্য পশু আৰু মানুহ পশুৰ মাজত এটায়ে পাৰ্থক্য যে মানুহৰ নেজ নাই। আৰু মানুহ ৰূপী এইজাত পশুৰ এইটোৱে পৰম সৌভাগ্য যে ইহঁতে ঘাঁহ নোখোৱাকৈয়ে জীয়াই থাকে।" গতিকে মানৱ আৰু পশুৰ মাজত মানৱক শ্ৰেষ্ঠত্ব প্ৰদান কৰা প্ৰদান কাৰণটোৱেই হ'ল মানুহে সংস্কৃতিৰ চৰ্চা কৰে।

<u>শ্ৰদ্ধাঞ্জলি</u> ঃ এটা জাতিক জীয়াই ৰখাৰ মহান ,সংগ্ৰামত যিসকলে তেজৰ বোলেৰে ইতিহাস গঢ়িলে সেই বীৰ শ্বহীদ সকললৈ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছো। লগতে শ্ৰদ্ধা নিবেদন কৰিছো, যিসকলে আমাক বিশ্বৰ বুকুত এটা জাতি হিচাবে চিনাকী দিয়াৰ বাবে সংস্কৃতিৰ ভেটী গঢ়িলে, সেই সকল সংস্কৃতিৰ জনক, ধাৰক আৰু বাহক সকললৈ।

<u>কাৰ্য্যকালৰ প্ৰেক্ষাপট</u> ঃ মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত (২০০০-২০০১ বৰ্ষ) মই সংগীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হওঁ। বিগত বছৰটোৰ যৎ কিঞ্চিত সেৱা আগবঢ়াবলৈ যত্ন কৰিছো, তাৰ এটি থুল মুল আভাষ দিওঁ—

**মহাবিদ্যালয় সপ্তাহ** ঃ মই কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে আমাৰ মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। এই মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগৰ সকলো ধৰণৰ প্ৰতিযোগিতা সুকলমে চলাই নিয়াৰ যথাসাধ্য প্ৰচেষ্টা কৰো। প্ৰতিযোগিতা সমূহত বহুত সংখ্যক ছাত্ৰ-ছাত্ৰীৰ সহযোগে মোক উৎসাহিত কৰি তুলিছিল।

**নাট কৰ্মশালাৰ আয়োজন** ঃ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ অভিনয় চৰ্চাৰ ওপৰত লক্ষ্য ৰাখি মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাঙ্গণত মঙলদৈৰ "দা জেনিথ গিল্ড" ৰ উদ্যোগত আৰু গুৱাহাটীৰ অন্যতম নাট্য গোষ্ঠী "ছিগাল" ৰ সহযোগত এটি বাৰদিনীয়া নাট কৰ্মশালাৰ আয়োজন কৰা হয়। এই কৰ্মশালাত মুঠ উন্চল্লিছ জন ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰিছিল। প্ৰশিক্ষক হিচাপে আহিছিল অসমৰ জনপ্ৰিয় অভিনেতা বাহাৰুল ইচলাম, ভাগিৰথী, দিল্লীৰ জ্যোতি নাৰায়ণ নাথ আৰু গোপী কুমাৰ কলিতা।

**অনুভৱ গোষ্ঠীৰ জন্ম** ঃ মঙলদৈ মহাবিদ্যালয়ৰ মঞ্চত নবাগত আদৰণি সভাত ন-পুৰণিৰ সহযোগত এক নৃত্যৰ প্ৰয়াসেৰে অনুভৱ গোষ্ঠীৰ জন্ম দি ইয়াত অন্তৰ্ভুক্ত সকলক গীত গোৱা, নৃত্য পৰিবেশন আৰু অভিনয় কৰাৰ সুযোগ দিয়া হয়।

**কৃতজ্ঞতা স্বীকাৰ** ঃ মোৰ কাৰ্যকালত সকলো ফালৰ পৰা সহযোগ আগবঢ়োৱা মোৰ বিভাগৰ তত্বাৱধায়ক শিক্ষাগুৰু শ্ৰদ্ধাৰ হৰিমন ডেকা চাৰলৈ, মোৰ সহ সম্পাদিকা দেইজী শৰ্মালৈ তথা মঙলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছো।

**সামৰণি** ঃ সময় নিৰবধি- ই কালৈকো অপেক্ষা নকৰে। মোৰ দৰে বহু সাংস্কৃতিক বিভাগৰ সম্পাদক আহিছে আৰু গৈছে। কোনে কিমান কৰিছে তাৰ আটাইবোৰ জোখ-মাখ মোৰ জ্ঞাত নহয়, তথাপি অপইতা কলম তথা মনেৰে যথাসাধ্য সংস্কৃতিৰ উন্নতিৰ হকে কাম কৰি যাম। এয়াই মোৰ সংকল্প তথা উদ্দেশ্য। মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সমূহৰ স্বতঃস্ফুত জীৱণী শক্তি কৰ্ম প্ৰেৰণা, গতি তথা সৃজনী প্ৰতিভা মই আহ্বান কৰিছো। আহক আমি একত্ৰিত হৈ সংস্কৃতিৰ গঢ় দিওঁ।

"জয়তু মঙলদৈ মহাবিদ্যালয়"
"জয়তু ছাত্ৰ একতা সভা"
"জয়তু সংগীত আৰু সাংস্কৃতিক বিভাগ"



# তৰ্ক আৰু বক্তৃতা বিভাগৰ প্ৰতিবেদন

গৌতম কুমাৰ কলিতা
মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

প্ৰতিবেদনৰ আৰম্ভণিতে সেই সকল মহান দেশ প্ৰেমিকলৈ মোৰ শ্ৰদ্ধাৰ অঞ্জলি জ্ঞাপন কৰিছোঁ, যিসকলে জীৱনকে অসমী আইৰ সেৱাত উচৰ্গা কৰিলে । লগতে সেইসকললৈ মোৰ কৃতজ্ঞতা আৰু হিয়াভৰা মৰম যাচিলোঁ, যিসকলে 'তৰ্ক আৰু বক্তৃতা' বিভাগৰ দৰে এটা গুৰু দায়িত্বৰে মোক ৰাইজৰ সেৱা কৰিবলৈ সুন্দৰ সুযোগ আগবঢ়ালে ।

'তৰ্ক আৰু বক্তৃতা' এই বিভাগটো এখন শিক্ষানুষ্ঠানত নিত্যান্তই প্ৰয়োজনীয় । তৰ্ক, বক্তৃতা, কুইজ আদিৰে ছাত্ৰ-ছাত্ৰীৰ মানসিক, আধ্যাত্মিক, বৌদ্ধিক বিকাশ তথা উৎকৰ্ষ সাধনৰ লগতে এজন ছাত্ৰক যুক্তিবাদী, নিৰ্ভীক আৰু সত্যৰ মুখামুখী হ'বলৈ যথেষ্ট অনুপ্ৰেৰণা যোগায় । এনেবোৰ মহৎ উদ্দেশ্য আগত লৈ ২০০০-২০০১ বৰ্ষৰ তৰ্ক আৰু বক্তৃতা বিভাগৰ সম্পাদক হিচাবে নিয়ম-শৃংখলা বজাই ৰাখি এই মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতিৰ হকে ঈশ্বৰৰ নামত শপত লৈছিলো আৰু কিমানদূৰ সফল হ'লো আপোনাৰ বিচাৰ্য ।

কাৰ্যভাৰ হাতত লৈয়েই প্ৰথম পদক্ষেপ হিচাপে ৭ আৰু ৮ জানুৱাৰী ২০০১ তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয় সপ্তাহ উপলক্ষে তৰ্ক, বক্তৃতা, আকস্মিক বক্তৃতা, কুইজ আৰু সাধাৰণ জ্ঞান আৰু মানসিক ক্ষমতাৰ পৰীক্ষা অনুষ্ঠিত কৰিলোঁ। এই বৰ্ষ শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰে সত্যেন্দ্ৰ কলিতাই।

*অংশগ্ৰহণ* ঃ ২৮ আৰু ২৯ এপ্ৰিল, ২০০১ তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আইন মহাবিদ্যালয়ত অনুষ্ঠিত "কৃষ্ণকান্ত সন্দিকৈ সোঁৱৰণী উত্তৰ পূৰ্বাঞ্চল শৈক্ষিক প্ৰতিভা প্ৰতিযোগিতা" ৰ তৰ্ক আৰু কুইজ প্ৰতিযোগিতাত অংশ গ্ৰহণ, ১৭ আগষ্ট, ২০০১ তাৰিখে গুৱাহাটী কটন মহাবিদ্যালয়ত অনুষ্ঠিত "স্বৰ্গীয় পৰাগ কুমাৰ দাস সোঁৱৰণী সদৌ অসম আন্ত মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা" ত অংশ গ্ৰহণ, ১৩ অক্টোবৰ ২০০১ তাৰিখে গুৱাহাটী আৰ্য মহাবিদ্যালয়ত আৰু ১৯ অক্টোবৰ ২০০১ তাৰিখে গুৱাহাটী বি. বৰুৱা মহাবিদ্যালয়ত অনুষ্ঠিত তৰ্ক প্ৰতিযোগিতা অংশ গ্ৰহণ কৰা হয়।

*সাফল্য* ঃ ১৫ চেপ্তেম্বৰ, ২০০১ তাৰিখে যোৰহাট জগনাথ বৰুৱা মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ২০ তম কৃষ্ণকান্ত কাকতি সোঁৱৰণী সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত অংস গ্ৰহণ কৰি আমাৰ মহাবিদ্যালয় দলে শ্ৰেষ্ঠ তাৰ্কিক দলৰ সন্মান লাভ কৰিবলৈ সক্ষম হয়। ২৫ চেপ্তেম্বৰ ২০০১ তাৰিখে মঙলদৈ মহাবিদ্যালয়ত অনুষ্ঠিত ১২ তম শ্বহীদ সোঁৱৰণী সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ ছাত্ৰ জয়ন্ত নাথে শ্ৰেষ্ঠ তাৰ্কিক বঁটা লাভ কৰে লগতে কৰবী শৰ্মাই এটি উদগনি বঁটা লাভ কৰিবলৈ সক্ষম হয়। ২৯ চেপ্তেম্বৰ ২০০১ তাৰিখে টিহু মহাবিদ্যালয়ত অনুষ্ঠিত সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত কৰবী শৰ্মাই ২য় শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰে। ১৯ অক্টোবৰ ২০০১ তাৰিখে বৰিয়া মহাবিদ্যালয়ত অনুষ্ঠিত সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি ২য় শ্ৰেষ্ঠ তাৰ্কিক দল সন্মান লাভ কৰাৰ উপৰিও কৰবী শৰ্মাই ২য় শ্ৰেষ্ঠ বঁটা লাভ কৰে। বিগত সময়ছোৱাত পূৰ্বৰ মহাবিদ্যালয়ৰ যি সন্মান তাক অক্ষুণ্ণ ৰাখি অসম বাসীৰ মাজত এখন জাকত জিলিকা মহাবিদ্যালয় হিচাপে উজলি উঠে।

*শ্বহীদ সোঁৱৰণী সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাঃ* মঙলদৈ মহাবিদ্যালয়ত বিগত এঘাৰ বছৰৰ দৰে এই বছৰো ২৫ চেপ্তেম্বৰ ২০০১ তাৰিখে দ্বাদশ শ্বহীদ সোঁৱৰণী সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাখনি অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতা খনিত কৰিমগঞ্জ, শিৱসাগৰ যোৰহাট, তেজপুৰ, গুৱাহাটি আদিকে ধৰি অসমৰ বিভিন্ন প্ৰন্তৰ সোতৰ খন মহাবিদ্যালয়ৰ মুঠ ৩৪ গৰাকী প্ৰতিযোগিৰ অংশ গ্ৰহণে বিগত কেইবছৰতকৈ প্ৰতিযোগিতা খনিৰ মান যথেষ্ট উন্নত কৰে।

প্ৰতিযোগিতা খনিত শ্ৰেষ্ঠ তাৰ্কিক দলক স্বৰ্গীয় বিদ্যুৎ প্ৰভা দাস সোঁৱৰণী বঁটা আৰু নগদ ধন ২০০১ টকা, স্বৰ্গীয় পাৰুল ডেকা সোঁৱৰণী বঁটা আৰু নগদ ধন ১০০১ টকা আৰু শ্বহীদ সোঁৱৰণী মূল বঁটা প্ৰদান কৰা হয়। শ্ৰেষ্ঠ তাৰ্কিকৰ পুৰস্কাৰ হিচাপে স্বৰ্গীয় গোপাল চন্দ্ৰ শৰ্মা সোঁৱৰণী বঁটা আৰু নগদ ধন ১৫০১ টকা আৰু ষ্টেট বেংক চলন্ত বঁটা প্ৰদান কৰা হয়। ২য় শ্ৰেষ্ঠ তাৰ্কিকৰ পুৰস্কাৰ হিচাপে স্বৰ্গীয় দিগন্ত শৰ্মা সোঁৱৰণী বঁটা আৰু নগদ ধন ১০০১ টকা আৰু ৩য় শ্ৰেষ্ঠ তাৰ্কিকৰ পুৰস্কাৰ হিচাপে বঁটা আৰু নগদ ধন ৫০১ টকা প্ৰদান কৰা হয়। ইয়াৰ উপৰিও চাৰিটা উদগনি বঁটা প্ৰদান কৰা হয়।

এই বৰ্ষত শ্বহীদ সোঁৱৰণী মূল বঁটাটি কিনা হয়। ৩য় শ্ৰেষ্ঠ তাৰ্কিক বঁটা হিচাপে ৰিপোজ, মঙলদৈৰ পৰা অনাৰ লগতে বিগতে কেইবছৰতকৈ অতিৰিক্ত দুটা উদগনি বঁটা প্ৰতিযোগিতা খনিত অন্তৰ্গত কৰা হয়। উক্ত প্ৰতিযোগিতা খনিৰ তৰ্কৰ বিষয় আছিল- "বৰ্তমান ৰাজহুৱা খণ্ডৰ শিক্ষা ব্যৱস্থাতকৈ ব্যক্তিগত খণ্ডৰ শিক্ষা ব্যৱস্থা অধিক ফলপ্ৰসু।" মঙলদৈৰ বি.এড. মহাবিদ্যালয়ৰ অধ্যক্ষা মানসী ভট্টাচাৰ্য বাইদেউৰ অধ্যক্ষতাত অনুষ্ঠিত প্ৰতিযোগিতা খনিত বিচাৰকৰ আসনত আছিল মাননীয় কেশৱ দত্ত, মহেন্দ্ৰ মোহন নাথ আৰু পৰেশ শৰ্মা। প্ৰতিযোগিতা খনিৰ অন্তত ফলাফল আছিল এনে ধৰণৰ - ১ম শ্ৰেষ্ঠ দল গুৱাহাটী সন্দিকৈ মহাবিদ্যালয়, ১ম শ্ৰেষ্ঠ তাৰ্কিক মঙলদৈ মহাবিদ্যালয়, ২য় শ্ৰেষ্ঠ তাৰ্কিক গুৱাহাটী সন্দিকৈ মহাবিদ্যালয়, ৩য় শ্ৰেষ্ঠ তাৰ্কিক ছিপাঝাৰ মহাবিদ্যালয়। উদগনি বঁটা ক্ৰমে- মঙলদৈ মহাবিদ্যালয়, জাজি মহাবিদ্যালয়, গুৱাহাটী পাণ্ডু মহাবিদ্যালয় আৰু কৰিমগঞ্জ ৰামকৃষ্ণ নগৰ মহাবিদ্যালয়।

*কৃতজ্ঞতা স্বীকাৰ* ঃ মোৰ কাৰ্যকালত পৰামৰ্শ দাতা, অধ্যক্ষ তত্বাবধায়িকা বনানি চক্ৰৱৰ্তী বাইদেউৰ লগতে সমূহ শিক্ষা গুৰু আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী লৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

শেষত মোৰ অজানিতে ভুল-ক্ৰুটিৰ বাবে ক্ষমা বিচাৰি প্ৰতিবেদনৰ কলম দাঙিছো।

জয়তু মঙলদৈ মহাবিদ্যালয় ।



# ছাত্ৰ জিৰণি কোঠা বিভাগৰ প্ৰতিবেদন

*হিতেশ ডেকা*
মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

প্ৰতিবেদনৰ আৰম্ভনিতে অসমী মাতৃৰ অস্তিত্ব ৰক্ষাৰ হেতু যি সকল বীৰ-বীৰঙ্গনাই নিজৰ জীৱন বত্তি নুমাই দি শ্বহীদ হ'ল তেওঁলোকলৈ মোৰ শ্ৰদ্ধা জনালোঁ ।

মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ২০০০-২০০১ চনৰ নিৰ্বাচনত ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে মোক নিৰ্বাচিত কৰাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীকে আন্তৰিক মৰম আৰু কৃতজ্ঞতা জনালোঁ।

আমাৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে প্ৰথম পদক্ষেপ হিচাপে আহি পৰে মহাবিদ্যালয় সপ্তাহ। মহাবিদ্যালয় সপ্তাহত ছাত্ৰ জিৰণি কোঠা বিভাগৰ দ্বাৰা অন্তঃদ্বাৰ খেলসমূহ যেনে- বেডমিন্টন, কেৰম, দবা আদি পতা হয়। কিন্তু অতি পৰিতাপৰ কথা প্ৰত্যেক বছৰে পতাৰ দৰে টেবুল টেনিচ খেল খন মোৰ দিনত পতা নহ'ল। কাৰণ ছাত্ৰ জিৰণি কোঠাৰ নিজা টেবুল টেনিচ ব'ৰ্ড নাই। আনহাতে প্ৰতি বছৰে ছাত্ৰ নিবাসৰ ব'ৰ্ডখনত খেল পতা হৈছিল যদিও এই বাৰ ব'ৰ্ড খন খেলৰ বাবে এ্কেবাৰে অনুপযোগী হৈ পৰিছে। অধ্যক্ষ চাৰৰ লগত আলোচনা কৰি আমি খেল খন বাতিল কৰিবলৈ অনিচ্ছা স্বত্বেও বাধ্য হওঁ। অৱশ্যে পিছত চাৰ সকলৰ লগত আলোচনা কৰি ভৱিষ্যতে যাতে টেবুল টেনিচ খেল পাতিব পাৰি তাৰ বাবে এটা আচুতীয়া পুঁজি গঠনৰ সিদ্ধান্ত লোৱা হয়। বেড্ মিন্টন, দবা আৰু কেৰম প্ৰতিযোগিতাত মই ভবাতকৈ বহু বেছি প্ৰতিযোগীয়ে অংশ লয়।

মোৰ দায়িত্ব পালনত কেইবাজনো সন্মানীয় শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীয়ে দিহা-পৰামৰ্শৰ লগতে সহায়-সহযোগিতা আগবঢ়ায়। ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰীযুত দেৱজিত নাথদেৱে মোৰ কাৰ্যকালত সকলো দিশতে সহায় সহযোগিতা আৰু দিহা-পৰামৰ্শ দি, সহায় কৰাৰ লগতে খেল-ধেমালিবোৰত দৃষ্টি নিক্ষেপ কৰি দিয়াৰ বাবে তেওঁৰ ওচৰত চিৰ কৃতজ্ঞ হৈ ৰ'ম।

সম্পাদকৰ কালছোৱাত মোৰ অজানিতে ভুল-ক্ৰটী বৈ যোৱাটো স্বাভাৱিক । মোৰ ভুল-ক্ৰটীৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ।

সদৌ শেষত মই মঙলদৈ মহাবিদ্যালয়ৰ সকলো দিশতে উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ ।

জয়তু মঙলদৈ মহাবিদ্যালয় ।



# সমাজ সেৱা বিভাগৰ প্ৰতিবেদন

*জিতুমণি ডেকা*
মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

প্ৰতিবেদনৰ আৰম্ভণিতে মই সেই সকল বীৰ শ্বহীদক সোঁৱৰিছো যিসকলে নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি আই মাতৃৰ অস্তিত্ব ৰক্ষাৰ বাবে অকালতে প্ৰাণ বিসৰ্জন দিলে।

এই সুযোগতে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা যাচিছোঁ। যিসকলে মোক এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ৰ সমাজ সেৱাৰ দৰে বিভাগ এটাৰ সম্পাদক পদত নিৰ্বাচিত কৰি মহাবিদ্যালয় তথা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ কিঞ্চিত সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে।

মানুহ সমাজ পাতি বাস কৰে। অৰ্থাৎ কোনো এখন সমাজৰ প্ৰত্যেক ব্যক্তিয়ে ইজনে সিজনৰ ওপৰত নিৰ্ভৰশীল। কিছুমান বিশেষ নীতি-নিয়মৰ মাজত মানুহ বাস কৰিলেই এখন সমাজ। সমাজৰ একক হিচাপে অকল উচ্চ শিক্ষাই কোনো এজন ছাত্ৰ বা ব্যক্তিক জ্ঞানী কৰি নোতোলে। জ্ঞানী হবলৈ তেওঁ হ'ব লাগিব আনৰ সুখত সুখী, আনৰ দুখত দুখী প্ৰকৃত মানৱ।

মই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হৈ কিমান দূৰ সফল হৈছো সেয়া আপোনালোকে বিচাৰ কৰিব। মানুহ মাত্ৰেই ভুল হয়। গতিকে মহাবিদ্যালয় সমাজ সেৱাত, মোৰ অজানিতে বৈ যোৱা ভুলৰ বাবে ক্ষমা বিচাৰিছোঁ।

মোৰ কাৰ্যকালত প্ৰতিটো পদক্ষেপত দিহা-পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু, তত্বাৱধায়ক জামালুদ্দিন আহমেদ চাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। শেষত মহাবিদ্যালয়ৰ সকলো দিশৰে উন্নতি কামনা কৰি মোৰ এই প্ৰতিবেদনৰ ইতি ৰেখা টানিলো।

জয়তু মঙলদৈ মহাবিদ্যালয় ।



# ব্যায়ামশালা বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

*পঙ্কজজ্যোতি ডেকা*
মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

মোৰ প্ৰতিবেদনৰ গতানুগতিকতাৰ প্ৰথম পদক্ষেপতেই মই সচাঁ শ্বহীদ তথা সেই সকললৈ শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ, যিসকলৰ চিৰন্তন প্ৰতিশ্ৰুতিত সৃষ্টিকামী সমাজখনত সঁচাকৈয়ে বৰ্ত্তি থাকিব........ আৰু মই আশা কৰিছো মুক্ত মানুহৰ নৃত্য নতুন ভাৱনাবোৰৰ তাত পুনৰ ঠন ধৰি উঠিব।

মূল্যায়ণ ।মানুহে কৰাৰ কামৰ মাজেদিয়েই মূল্যায়ন হয়।এই মূল্যায়ন হব কাম কৰাৰ স্পৃহাৰ, অদম্য আশাৰ....... এইবোৰ সন্নিবিষ্ট হ'ব তাকে বোলে খতিয়ান। মোৰ খতিয়ান দাঙি ধৰোতে মই তুচ্ছ বুলি প্ৰমানিত হ'ম. কিন্তু এই কথা ইয়াতো ঠিক যে মানুহে কাম কৰাৰ বাবে সুবিধা পাব লাগে। এয়ে ব্যক্তিগত অভিজ্ঞতাৰ কথা। ফলপ্ৰসু কিমান অৱশ্যে নাজানো।

সেই কেইদিমান আগতে মোৰ এবছৰীয়া কাৰ্যকাল শেষ হল। লগে লগে অন্ত পৰিল মোৰ স্পৃহা থাকি গল আৰু কিবা কিবি কৰাৰ অদম্য লিপ্সা। সেয়েহে মোৰো কাৰ্যৰ তালিকাত গতানুগতিক ধং এটাতেই সীমাবদ্ধ থাকিল। দোধোৰ মোধোৰ ভাবেৰে পুষ্ট মোৰ খতিয়ানতো মই কিবা বিশেষ কৰিলো বুলি দাবি কৰিব নোৱাৰিলো। কিন্তু সময় জানো কিবা কৰাৰ বাবে পৰ্য্যাপ্ত আছিল।

মোৰ বিভাগত মই কি কাম কৰিলো তাক আৰু পুনৰ উত্থাপন কৰিব নাযাওঁ। দৰকাৰ বুলিও নাভাবো। কিন্তু বিশেষ কিবা এটা কৰিব পাৰিলে ভাল লাগিলেহেতেন। অৰ্থাৎ মনত থাকি গল ক্ষোভ। কিবা এটা কৰাৰ, কিবা এটা পোৱাৰ।

মোৰ কাৰ্যকালত বিভিন্ন দিশত সহায় আগবঢ়োৱা ভাৰপ্ৰাপ্ত অধ্যাপক পি.কে নাথ ছাৰ, ছাত্ৰ একতা সভাৰ সমূহ বিষয় ববীয়া আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাচিছো।

প্ৰতিবেদনৰ শেষত মোৰ এই এবছৰীয়া কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ভ্ৰান্তিৰ বাবে সকলো বন্ধু-বান্ধৱীৰ ওচৰত ক্ষমা বিছাৰিছো। মঙলদৈ মহাবিদ্যালয়ে আৰু বিকাশ লাভ কৰক তাৰ কামনাৰে প্ৰতিবেদন সামৰিছো।

জয়তু মঙলদৈ মহাবিদ্যালয়।

---

# চাৰু কলা বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

*গৌতম বৰুৱা*
মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

প্ৰত্যেক মানুহে নিজৰ নিজৰ জীৱনত এবাৰ হলেও নতুন সত্যটোৰ সন্ধান দিব বিচাৰে; জীৱন আৰু জগত সম্পৰ্কে । সত্য সুন্দৰ। এই আমাৰ জীৱনক পুলকিত কৰি তোলে। ই আমাক জীয়াই থকাৰ স্পৃহা জগাই ।

শিল্পৰ বহল ক্ষেত্ৰখনত একো একোজন শিল্পী বিচাৰি উলিওৱা বৰ কঠিন কাম। মোৰ এই ক্ষেত্ৰখনত বিচৰণ কৰাৰ বৰ বেছি অভিজ্ঞতা নাই যদিও মোৰ সৃষ্টি কৰিবৰ হেপাহ আৰু আমাৰ ছাত্ৰ বন্ধু সকলৰ মাজত এটা শৈক্ষিক পৰিবেশ গঢ়ি তুলিবলৈ। সেইবাবেই মই যোৱাটো মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত 'চাৰুকলা' বিভাগত নিৰ্বাচন খেলিবলৈ থিৰাং কৰিলো আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ সহযোগত উক্ত বিভাগত সম্পাদকৰ পদত জয়ী হ'লো।

আৰ্থিক দিশত দূৰ্বল মোৰ এই বিভাগটো। বিগত বছৰটোত মই বহুতো কিবা কিবি কৰিলো বুলি নকওঁ যদিও গতানুগতিকতাৰ পৰা কিছু পৰিমাণে ফালৰি কাটি আহি মহাবিদ্যালয়খনত এটা চিত্ৰকলাৰ পৰিৱেশ সৃষ্টি কৰিবলৈ অসমৰ সুপৰিচিত চাৰি গৰাকী চিত্ৰ শিল্পীক আমন্ত্ৰণ কৰি আনি এখনি এদিনীয়া চিত্ৰ কৰ্মশালাৰ আয়োজন কৰিছিলো আৰু অন্যান্য প্ৰতিযোগিতা সমূহ অনুষ্ঠিত কৰিছিলো। 'মহাবিদ্যালয় সপ্তাহ'ত বিভাগীয় তৰফৰ পৰা চাৰি দিনীয়া কৈ এখনি প্ৰতিযোগিতামূলক প্ৰদৰ্শনী অনুষ্ঠিত কৰিছিলো। এই বছৰৰ শ্ৰেষ্ঠ সুকুমাৰ শিল্পী গৌতম ঠাকুৰীয়া হোৱাৰ উপৰিও কেবাগৰাকী ছাত্ৰ-ছাত্ৰীৰ সৃষ্টি সমূহ সঁচাকৈয়ে প্ৰশংসনীয় হৈছিল। ভৱিষ্যতে তেওঁলোকে ভাল পৰিবেশ পালে তেওঁলোকৰ সৃষ্টি সমূহৰ মান আৰু উন্নত হব বুলি আশা কৰিলো।

শেষত মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু বৃন্দ আৰু ছাত্ৰ-ছাত্ৰী সকললৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো ।



# অধিনায়কৰ প্ৰতিবেদন ঃ ৰাষ্ট্ৰীয় সেৱা আঁচনি

গণেশ চন্দ্ৰ শইকীয়া

প্ৰতিবেদনৰ প্ৰাক মুহূৰ্ত্তত অধিনায়কৰ মেজৰ পৰা শত শত বীৰ শ্বহীদলৈ পুষ্পাৰ্ঘ্য নিবেদন কৰিছো। লগতে মঙলদৈ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অধিনায়ক হিচাপে মনোনীত কৰি সেৱা আগবঢ়োৱাৰ সুবিধাকণ দিয়াৰ বাবে সমূহ স্বেচ্ছাসেৱক/সেৱিকালৈ হিয়াভৰা মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

"কৰ্ম সংস্কৃতিয়েই হ'ল শ্ৰেষ্ঠ সংস্কৃতি"। মানুহ সমাজপ্ৰিয় জীৱ। সমাজ সেৱা দেশৰ মেৰুদণ্ডস্বৰূপ। নিঃস্বাৰ্থ সেৱাই হ'ল প্ৰকৃত সেৱা। ৰাষ্ট্ৰীয় সেৱা আঁচনি এটা বৃহৎ স্বেচ্ছাসেৱী অনুষ্ঠান, যত থাকি শিক্ষা আহৰণৰ লগতে এনাজৰীৰে শাৰিৰীক, মানসিক আৰু বৌদ্ধিক উৎকৰ্ষ সাধন কৰিব পাৰি। ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ লক্ষ্যই হৈছে - "দেশৰ যুৱ সমাজক একতাৰ বান্ধোনেৰে সমাজ সচেতনশীল কৰি জনকল্যাণমূলক কাম কাজবোৰত উদ্বুদ্ধ কৰা। দেশৰ যুৱ সমাজে সামূহিক মঙ্গলৰ কাৰণে মানৱ সমাজৰ সহযোগত সেৱা কৰা। সৃজনীমূলক কামত আত্ম নিয়োগ কৰা, নিৰক্ষৰক স্বাক্ষৰ কৰা। সতৰ্কতা প্ৰদান কৰাও ইয়াৰ একো একোটা আঁচনি"। সেয়েহে যুৱ সমাজে কৰ্মৰ প্ৰতি অৱহেলা নকৰি সমাজ সেৱাত ব্ৰতী হোৱাটো নিত্যান্তই প্ৰয়োজন।

সমস্যাৰে জৰ্জৰিত মঙলদৈ মহাবিদ্যালয়ত ১৯৭২ চনতে গঠিত হোৱা ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বৰ্তমান পৰিস্থিতিত গুৰুত্ব কিমান তাক সকলোৱে মৰ্মে মৰ্মে উপলব্ধি কৰা উচিত।

**২০০০-২০০১ বৰ্ষৰ মোৰ কাৰ্য্যকালৰ চমু খতিয়ান ঃ**

নতুনত্বঃ মোৰ কাৰ্যকালত বহুদিন মেৰামতিৰ অভাৱত শোচনীয় হৈ থকা কাৰ্যলয়টো নতুনকৈ মেৰামতি কৰি নতুনত্ব প্ৰদান কৰা হয়। দলৰ নাম পৰিচায়ক নামফলক বন্ধোৱা, দৈনিক উপস্থিতিৰ চহীৰ ব্যৱস্থা কৰা, N. S. S. (National Service Scheme) ৰ নামত নতুনকৈ অসমীয়া সমবেত সংগীতৰ ব্যৱস্থা প্ৰায়ে সদস্যৰ মাজত আলোনাচক্ৰৰ ব্যৱস্থা আদি। নতুনত্বৰ বাবে N. S. S. ৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ সমাগম অভাৱনীয়ভাৱে বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে।

**শিবিৰ অনুষ্ঠিত ঃ** মোৰ কাৰ্যকালত দুটা শ্ৰমদান শিবিৰ অনুষ্ঠিত কৰা হয়। ইয়াৰে প্ৰথমটো এদিনীয়া শিবিৰ ৫/৮/২০০০১ তাৰিখ আৰু দ্বিতীয়টো অৰ্দ্ধদিনীয়া শিবিৰ ১২/৮/২০০১ তাৰিখে অনুষ্ঠিত কৰা হয়। দুয়োটা শিবিৰতে ৭০ জনকৈ কৰ্মীয়ে শ্ৰমদান কৰে।

**অংশ গ্ৰহণ ঃ** মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ শুভাৰম্ভৰ লগতে মহাবিদ্যালয়ৰ সমূহ কাৰ্যসূচীতে N. S. S. য়ে আগভাগ লৈ আহিছে। তাৰোপৰি মঙলদৈ সনাতন ধৰ্ম মন্দিৰত উদ্‌যাপিত ৰাস মহোৎসৱত ৮০ জন কৰ্মীয়ে সেৱা আগবঢ়ায়। ১৩/০৮/২০০১ তাৰিখে চৰকাৰৰ শান্তি সপ্তাহ উপলক্ষে আয়োজন কৰা মঙলদৈ নগৰ চাফাই অভিযানত ৰেড্ ক্ৰছ, মঙলদৈ শাখাৰ সহযোগত ২৬ জন কৰ্মীয়ে যোগদান কৰে, নৰ্থ মঙলদৈ ক্লাবে আয়োজন কৰা অভিৰুচি ক্ৰীড়া দিৱসৰ সমূহীয়া দৌৰত ১৫ জন কৰ্মীয়ে অংশগ্ৰহণ কৰে, ২৭/১১/২০০১ তাৰিখে সদৌ অসম ছাত্ৰ সন্থাৰ অৱস্থান ধৰ্মঘটত ২২ জন কৰ্মীয়ে যোগদান কৰে।

**নৱাগত আদৰণি সভাঃ** যোৱা ইং ২২/৯/২০০১ তাৰিখে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ পৰম্পৰাগত ভাৱে চলি অহা নৱাগত আদৰণি সভাখন অনুষ্ঠিত কৰা হয়। এই উপক্ষে আয়োজন কৰা ৰচনা আৰু চিত্ৰাংকণ প্ৰতিযোগিতাৰ ৰচনাত গীতিকা কাকতি আৰু চিত্ৰাংকণত শৰৎ নাথে শ্ৰেষ্ঠস্থান অধিকাৰ কৰে। এই সভাৰ প্ৰতিভা বিকাশ প্ৰতিযোগিতাত চিনুপ্ৰিয়া ডেকাই শ্ৰেষ্ঠ নৱাগত, অজিত চলিহাই শ্ৰেষ্ঠ নৱাগত আৰু ডেইজী দেৱীয়ে উদগনিমূলক বঁটা লাভ কৰে। এই সভাৰ আৰম্ভণী গীতটো ৰচনা কৰে ভাতৃপ্ৰতীম বন্ধু পলাশ চন্দ্ৰ নাথে আৰু কণ্ঠদান কৰে N. S. S.ৰ শিল্পী বৃন্দই।

**অভাৱ ঃ** N. S. S.ৰ বাবে এটি আহল বহল কোঠাৰ অভাৱ আৰু কৰ্মী অনুপাতে সা-সজুলিৰ অভাৱ। এই ক্ষেত্ৰত মহাবিদ্যালয় কৰ্তৃপক্ষৰ ওচৰত অভাৱবোৰ পূৰণ কৰিবলৈ দাবী জনালো।

**কৃতজ্ঞতা ঃ** মোৰ কাৰ্যকালত সকলো দিশতে উৎসাহ উদ্দীপনা আৰু দিহা পৰামৰ্শ আগবঢ়োৱা প্ৰাক্তন অধ্যক্ষ শ্ৰদ্ধাৰ ড° গিৰীশ চন্দ্ৰ গোস্বামী, অধ্যক্ষ শ্ৰদ্ধাৰ ড° হীৰেন্দ্ৰ কুমাৰ গোস্বামী, ৰাষ্ট্ৰীয় সেৱা আচঁনিৰ কাৰ্য্যসূচী বিষয়া শ্ৰদ্ধাৰ শ্ৰীৰমণী কান্ত চহৰীয়া, অধ্যাপক ড° বিজয় কুমাৰ শৰ্মা, অধাপক শ্ৰীহৰিমন ডেকা, অধ্যাপক শ্ৰীশশীন্দ্ৰ চহৰীয়া চাৰলৈ অশেষ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপসভাপতি আৰু সাধাৰণ সম্পাদক আৰু সমূহ বিষয় ববীয়ালৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো। তাৰোপৰি সকলো দিশতে সহায় সহযোগ কৰা সহঃ অধিনায়িকা শ্ৰীকৰবী শৰ্মাৰ লগতে সমূহ স্বেচ্ছাসেৱক/ সেৱিকা আৰু মহাবিদ্যালয়ৰ কৰ্মচাৰী বৃন্দলৈ আন্তৰিক হিয়াভৰা কৃতজ্ঞতাজ্ঞাপন কৰিলো আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ থাকিল হেজাৰ শুভেচ্ছা।

সদৌশেষত অনিচ্ছাকৃত ভুল ক্ৰটিৰ মাৰ্জনা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়তু মঙলদৈ মহাবিদ্যালয়"
"জয়তু ৰাষ্ট্ৰীয় সেৱা আঁচনি"

# EDITOR AND PROF-IN-CHARGE OF MANGALDAI COLLEGE MAGAZINE DURING 1958-2002

| SESSION | EDITOR | PROF-IN-CHARGE |
|---|---|---|
| 1958-59 | Bodheswar Deka | P. Bora |
| 1960-61 | Soneswar Sarma | D. Neog |
| 1961-62 | Hara Gauri Adhikari | P. Bora |
| 1962-63 | Maheswar Kalita | D. Neog |
| 1963-64 | Tuwa Ram Deka | D. Neog |
| 1964-65 | Fazlul Karim | D. Neog |
| 1965-66 | Bashab Ch. Sahariah | D. Neog |
| 1966-67 | Hema Kanta Deka | J. C. Sarma |
| 1967-68 | Arun Ch. Das | J. C. Sarma |
| 1968-69 | Naran Hazarika | J. C. Sarma |
| 1969-70 | Prabhat Nr. Choudhury | J. C. Sarma |
| 1970-71 | Dinabahdhu Sarma | J. C. Sarma |
| 1971-72 | Mahiuddinn Jiaul Hoque | B. Kakati |
| 1972-73 | Premananda Nath | B. Kakati |
| 1973-74 | Babendra Ch. Deka | B. Kakati |
| 1974-75 | Juran Ch. Kalita | B. Kakati |
| 1975-76 | Debendra Kr. Sarma | B. Kakati |
| 1976-77 | Bhaba Kt. Hazarika | B. Kakati |
| 1977-78 | Parananda Rajbonshi | Naharun Nesa |
| 1978-79 | Sailendra Kr. Sarma Baruah | M.P. Barua |
| 1979-81 | Pankaj Kr. Goswami | Bijay Goswami |
| 1981-82 | Gajendra Baruah | Bharat Ch. Sarma |
| 1982-83 | Biswajit Goswami | Bharat Ch. Sarma |
| 1983-84 | Dulal Barua | Bharat Ch. Sarma |
| 1985-86 | Siba Prasad Baruah | Mati Ram Medhi |
| 1986-87 | Mina Ram Hazarika | Mati Ram Medhi |
| 1987-88 | Bhabesh Barua | Mati Ram Medhi |
| 1988-89 | Muktananda Sarma | Idrish Ali |
| 1989-90 | Mumtaz Khanam | B. C. Hazarika |
| 1990-91 | Mumtaz Khanam | B. C. Hazarika |
| 1991-92 | Babita Kumari Majudeka | Idrish Ali |
| 1992-93 | Aminul Hoque | Idrish Ali |
| 1993-94 | Lakhyadhar Sarma | Dimbeswar Barua |
| 1994-95 | Jayanta Sarma | Dimbeswar Barua |
| 1995-96 | Pranab Bhatta | Idrish Ali |
| 1996-97 | Chandan Saikia | Mati Ram Medhi |
| 1997-98 | Arun Sarma | Mati Ram Medhi |
| 1998-99 | Dweep Kishore Saikia | Dr. Bijoy Kr. Sarma |
| 1999-2000 | Ashim Sarma | Bicitra Kr. Medhi |
| 2000-2001 | Prabin Barua | Bicitra Kr. Medhi |











PRINTED AT SAGAR PRINTERS, MANGALDAI PH : (03713) 22310